## এই সংখ্যাত

# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্র মাহেকীয়া
আলোচনী


সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ **দীপিকা কচচল**
জ্যেষ্ঠ সম্পাদক ঃ **অনুপমা দাস**

**PAYOBHARA**
**VOL. - 48 No. 2**
**অষ্টাচত্বাৰিংশ বৰ্ষ ঃ দ্বিতীয় সংখ্যা**
**এপ্রিল ঃ ২০১৭**

শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
**গজানন পি ধোপে**



| | | |
|---|---|---|
| ❒ ভাৰতত শ্ৰমিকৰ দৃশ্য ঃ কিছু সংকটপূৰ্ণ বিষয় | ✍ প্ৰবীণ ঝা | ৩ |
| ❒ ভাৰতত শ্ৰমিক সংস্কাৰ ঃ প্ৰত্যাহ্বান আৰু সুযোগ | ✍ শ্ৰীৰং ঝা | ৬ |
| ❒ ভাৰতত অসংগঠিত শ্ৰমিক বজাৰ | ✍ এ শ্ৰীৰাজা | ১০ |
| ❒ শ্ৰমিক নীতি আৰু শ্ৰমিক কল্যাণ ঃ এটা আন্তৰ্জাতিক তুলনা | ✍ প্ৰদীপ আগৰৱালা | ১৫ |
| ❒ মহিলা শ্ৰমিকৰ ক্ষেত্ৰত ন্যায় নিশ্চিতকৰণ | ✍ নীতা এন | ২০ |
| ❒ শিশু শ্ৰমিক আইনৰ সংস্কাৰ আৰু উচ্ছেদ-কৰণৰ প্ৰয়াস ঃ এটা প্ৰেক্ষাপটমূলক বিশ্লেষণ | ✍ হেলেন আৰ শেকৰ | ২৬ |
| ❒ শ্ৰমিকৰ বজাৰ, প্ৰব্ৰজন আৰু মজুৰিত এম জি এনৰেগাৰ প্ৰভাৱ ঃ দুখন নিৰ্বাচিত ৰাজ্যৰ বিশ্লেষণাত্মক পৰ্যালোচনা | ✍ ইউ হেমন্ত কুমাৰ ✍ বি সুজাতা | ৩০ |
| ❒ প্ৰব্ৰজন সন্দৰ্ভত ৰাষ্ট্ৰীয় নীতিৰ দিশে | ✍ এছ চন্দ্ৰশেখৰণ | ৩৭ |
| ❒ ৰাষ্ট্ৰীয় ভিত্তিত কৌশল বিকাশৰ বাবে বিত্তীয় সাহায্যৰ নৱ প্ৰক্ৰিয়া | ✍ সন্তোষ মেহৰোত্ৰা | ৩৯ |
| ❒ শ্ৰম সংস্কাৰ আৰু ভাৰতৰ অৰ্থনীতি | ✍ ববিতা শৰ্মা | ৪২ |
| ❒ বাজেট ২০১৭— নিৰ্মাণ খণ্ডৰ বাবে ৰূপান্তৰমূলক সম্ভাৱনাৰে পৰিপুষ্ট পদক্ষেপ | ✍ ৰণজিত মেহতা | ৪৫ |
| ❒ সংগঠিত আৰু অসংগঠিত শ্ৰমিকৰ ধাৰণাৰে অসমৰ শ্ৰমশক্তি | ✍ অৰূপজ্যোতি শইকীয়া | ৫১ |
| ❒ আপুনি জানেনে? | | ৫৫ |


পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব


পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ২৩০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ৪৩০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ৬১০.০০ টকা
সম্পাদকীয় কাৰ্যালয় পেন্সনপাৰা পথ, গৃহ নং ৪, গুৱাহাটী
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ ডি কে গ্ৰাফিকছ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প

য়ো

ভ

ৰা

## এই সংখ্যাৰ প্ৰসংগত

শ্ৰমশক্তিয়ে যিকোনো এখন দেশৰ বৰ্দ্ধন আৰু বিকাশৰ সামৰ্থ্য সংজ্ঞা দাঙি ধৰে। ই যিকোনো অৰ্থনৈতিক কাৰ্যত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই প্ৰসংগত মৰ্যাদাপূৰ্ণ কৰ্ম পৰিৱেশ সৃষ্টি আৰু শ্ৰমশক্তিৰ কুশল আৰু সমৃদ্ধি আদি শ্ৰমিকৰ কল্যাণৰ বিষয়টোৱে যিকোনো দেশৰ নীতি নিৰ্দ্ধাৰকসকলৰ বাবে প্ৰধান প্ৰত্যাহ্বান উত্থাপন কৰে।

ভাৰতীয় শ্ৰম বজাৰ সংগঠিত আৰু অসংগঠিত ক্ষেত্ৰ হিচাপে দুটা তীক্ষ্ণ ভাগত বিভক্ত। সংগঠিত শ্ৰমিকৰ কমসংখ্যকে তেওঁলোকৰ অধিকাৰৰ হকে যুঁজ দিয়াৰ সামৰ্থ্যৰে আইন আৰু নীতিৰ সুবিধা লাভ কৰে। অসংগঠিত শ্ৰমিকৰ বৃহৎ সংখ্যকৰ প্ৰায় জীৱিকা শূন্য বা সামাজিক সুৰক্ষাহীন বুলি ক'ব পাৰি। সংগঠিতই হওক বা অসংগঠিতই হওক, উদ্যোগ বা কৃষি, প্ৰব্ৰজনকাৰী বা অপ্ৰব্ৰজনকাৰী আদি সকলো ক্ষেত্ৰৰে শ্ৰমিকসকলৰ স্বকীয় বিষয় আৰু প্ৰত্যাহ্বান আছে। নগৰাঞ্চল বা গ্ৰামাঞ্চলতেই হওক অসংগঠিত খণ্ডত ধনীসকলৰ বিপুল পৰিমাণৰ লাভ আৰু সম্পদ পুঞ্জীভুক্তকৰণত কঠোৰ যুঁজ কৰি আছে। আনহাতে, গ্ৰামাঞ্চলৰ শ্ৰমিকে সামান্য পৰিমাণৰ ধনৰ বাবে ভূ-স্বামীৰ কাৰণে কঠোৰ শ্ৰম কৰি কোনোমতে চলি আছে। অসংগঠিত শব্দটোৱে নিম্ন মজুৰি, বেয়া কৰ্ম পৰিৱেশ, অনিশ্চিত কৰ্ম সম্ভাৱনা আদিৰ দৰে তেওঁলোকৰ অৱস্থাবোৰ প্ৰতীকিৰূপৰ প্ৰদৰ্শন কৰিছে। প্ৰব্ৰজিত শ্ৰমিক, পৰিয়ালৰ সৈতে টালি-টোপোলা বান্ধি নিজৰ শিপাৰ পৰা আঁতৰি অহা লোকসকলে ঘৰৰ পৰা বহুত দূৰত বাস কৰে। তেওঁলোক নিৰ্মাণ কাৰ্যৰ লগত জড়িত শ্ৰমিক, পথৰ কাম কৰা শ্ৰমিক আৰু ঘৰৰ বনকৰা লোক হিচাপে আমাৰ চৌপাশে সকলো সময়তে আছে। মহিলা শ্ৰমিকসকলেও এটা প্ৰধান ক্ষেত্ৰ গঠন কৰিছে কিন্তু তেওঁলোকৰ কামৰ স্বীকৃতি দেখা নাযায়।

২০২৫ চনৰ ভিতৰত বৃহৎ শ্ৰমশক্তি হিচাপে পৰিচিত হ'বলগীয়া ভাৰতে সেয়েহে শ্ৰম সম্পৰ্কীয় বিষয়সমূহত মনোযোগ আৰু গুৰুত্ব দিয়াটো প্ৰয়োজন হৈ পৰিছে। ঔদ্যোগিক বিবদমান আইন, ন্যূনতম মজুৰি আইন, ঠিকাভিত্তিক শ্ৰম আইন আদি ভালেমান আইন শ্ৰমিকৰ বিভিন্ন দিশত কল্যাণৰ বাবে গ্ৰহণ কৰা হৈছে। ইয়াৰে অতি শেহতীয়া আইন এখন হ'ল— বোনাচ পৰিশোধ (সংশোধন) বিধেয়ক, ২০১৫, কৰ্মচাৰীৰ ক্ষতিপূৰণ (সংশোধন) বিধেয়ক ২০১৬, শিশু শ্ৰমিক (প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ) বিধেয়ক ২০১৬ ইত্যাদি। শ্ৰম আৰু নিয়োগ মন্ত্ৰণালয়ে বৰ্তমান কেন্দ্ৰীয় শ্ৰম আইনসমূহ সৰলীকৰণ, একত্ৰীকৰণ আৰু যুক্তিনিৰ্ভৰ কৰাৰ কাৰণে শ্ৰম নিয়মাৱলী মজুৰি বিধেয়ক ২০১৫, ঔদ্যোগিক সম্পৰ্কিত শ্ৰম বিধিৰ বিধেয়ক, সামাজিক সুৰক্ষা আৰু কল্যাণৰ কাৰণে শ্ৰমবিধি আৰু জীৱিকা সম্পৰ্কীয় সুৰক্ষাৰ বাবে স্বাস্থ্য আৰু কৰ্ম পৰিৱেশ সম্পৰ্কীয় শ্ৰম বিধি আদি চাৰিটা বিধিৰে আগৰ আইন কিছুমান স্থানচ্যুত কৰিছে। এম এনৰেগা, অটল পেন্সন যোজনা, প্ৰধান মন্ত্ৰী কৌশল বিকাশ যোজনা, মুদ্ৰা, প্ৰধান মন্ত্ৰী ৰোজগাৰ প্ৰোৎসাহন যোজনা আদি শ্ৰমিকসকলৰ সামাজিক আৰু অৰ্থনৈতিক কল্যাণ আৰু ইয়াৰ লগতে পৰিপ্ৰেক্ষা কৰ্মশক্তি সবলীকৰণ আৰু তেওঁলোকৰ মংগল সুনিশ্চিত কৰাৰ বাবে প্ৰৱৰ্তন কৰা হৈছে।

চৰকাৰে ভাৰতক বিশ্বৰ বৃহৎ বিনিয়োগ গন্তব্যস্থল আৰু নিৰ্মাণৰ সক্ৰিয় কেন্দ্ৰবিন্দু কৰাৰ বাবে অংগীকাৰবদ্ধ হৈছে; তেওঁলোকৰ অৰ্থনৈতিক বৰ্দ্ধন আৰু প্ৰকৃতাৰ্থত শ্ৰমিক কল্যাণৰ নিশ্চিতকৰণৰ কাৰণে অন্তঃকৰণেৰে শ্ৰম সংস্কাৰ প্ৰচেষ্টা গ্ৰহণ কৰিছে।

# ভাৰতত শ্ৰমিকৰ দৃশ্য ঃ কিছু সংকটপূৰ্ণ বিষয়

**প্ৰবীণ ঝা***

এই কথা সকলোৱে একমুখে স্বীকাৰ কৰে যে কৰ্মসংস্থাপনৰ সুবিধা আৰু ইয়াৰ মান বিশ্ব অৰ্থনীতিৰ বাবে এটা বৃহৎ প্ৰত্যাহ্বান। ভাৰততো কৰ্ম সংস্থাপনৰ সেই একেই দশা আৰু কিছু বছৰৰপৰা এই দশা বেছি ঘনীভূত হৈ আহিছে। আন্তৰ্জাতিক শ্ৰমিক সংস্থা (International Labour Organization) আৰু কৰ্মসংস্থাপন আৰু সামাজিক দৃশ্যপট (Employment and Social outlook) ২০১৬ৰ প্ৰতিবেদনত ন দি কোৱা হৈছে যে কৰ্মৰ নিম্ন মান গোটেই পৃথিৱীৰ বাবে এটা চিন্তনীয় বিষয় হৈ আছে। বিশ্বসংকট আৰম্ভ হোৱাৰ পূৰ্বৰে পৰা অসুৰক্ষিত কৰ্মসংস্থাপনৰ ব্যৱস্থা, আত্মনিয়োজন আৰু পৰিয়াল নিয়োজনত থকা বিপদসংকুল অৱস্থাৰ লাহে লাহে উন্নতি হৈ আহিছে। অসুৰক্ষিতভাৱে নিয়োজিত শ্ৰমিক/ কৰ্মীৰ সংখ্যা ১.৫ নিযুত অথবা সম্পূৰ্ণ কৰ্মসংস্থাপনৰ শতকৰা ৪৬ শতাংশতকৈও বেছি। দক্ষিণ এছিয়া আৰু উপ-ছাহাৰীয় আফ্ৰিকা উভয়তেই কৰ্মচাৰীৰ ৭০ শতাংশই অসুৰক্ষিতভাৱে নিয়োজিত। আন্তৰ্জাতিক শ্ৰমিক সংস্থাৰ সেই একেই প্ৰতিবেদনতে কোৱা হৈছে যে 'আহিব লগা দুটা বছৰত বিশ্বৰ শ্ৰমিক শক্তিৰ লগত আৰু ২.৪ নিযুত নিবনুৱা যোগ হ'ব আৰু ২০১৭ চনৰ ভিতৰতে গোটেই দক্ষিণ এছিয়াৰ নিবনুৱাৰ সংখ্যাৰ প্ৰায় ৬০ শতাংশ অথবা ১৭.৬ নিযুত নিবনুৱা কেৱল ভাৰততে থাকিব। স্বাধীনতাৰ সময়ৰে পৰা সুস্থিৰ কৰ্ম পৰিৱেশ গঢ়ি তুলিবৰ বাবে জীৱিকা সৃষ্টি আৰু আঁচনি প্ৰৱৰ্তন কৰাটো ভাৰতৰ বাবে এটা বৃহৎ প্ৰত্যাহ্বান হৈ আহিছে আৰু বৰ্তমান সময়ত ই অধিক ভয়াৱহ ৰূপত প্ৰকট হৈছে। এই চমু টোকাত সমসাময়িক ভাৰতৰ শ্ৰমিকৰ দৃশ্যপটৰ কেইটামান সংকটপূৰ্ণ বিষয় তুলি ধৰা হৈছে—

**এই সন্ধিক্ষণত শ্ৰমিক শক্তিৰ অংশগ্ৰহণ আৰু নিয়োগৰ প্ৰত্যাহ্বান**

ভাৰতৰ প্ৰায় ১৩০ কোটি জনসংখ্যাৰ (এই সংখ্যা সম্পূৰ্ণ মানৱজাতিৰ ১ ষষ্ঠাংশ) ৭০ শতাংশ গাঁৱত বাস কৰে আৰু ইয়াৰে ৪০ ৰ পৰা ৪৫ শতাংশক কৰ্মজীৱী বুলি গণ্য কৰিব পৰা যায়। এই অনুপাত অথবা জনসংখ্যাৰ মাজৰ এই কৰ্মজীৱীৰ হাৰ স্বাধীনতাৰ পৰা একেই স্থানতে আছে বুলি ক'ব পৰা যায়। প্ৰথম মন কৰিবলগীয়া কথা হ'ল যে জীৱিকাৰ ক্ষেত্ৰখন জাতি, ধৰ্ম, লিংগ আৰু আঞ্চলিকতাৰ ভিত্তিত ভাগ কৰা হৈছে। ইয়াৰ বাবে বহুতো সমস্যাৰ সৃষ্টি হয়, যেনে-বিভিন্ন গোটৰ শ্ৰমিকৰ বিশেষকৈ মহিলা শ্ৰমিকৰ মাজত অস্থিৰতাৰ সৃষ্টি হয়, মজুৰিৰ বিশাল পাৰ্থক্য পৰিলক্ষিত হয় আৰু নিষ্পেষণ বাঢ়ি আহে ইত্যাদি। উদাহৰণ স্বৰূপে, শ্ৰমিক শক্তিৰ মাজত পুৰুষ শ্ৰমিকৰ তুলনাত মহিলা কৰ্মীৰ সংখ্যা প্ৰায় ২০% কম। শেহতীয়া চৰকাৰী তথ্যমতে বিভিন্ন সামাজিক তথা অৰ্থনৈতিক বিভাগত বিভক্ত কৰিলে দেখা যায় যে দেশত মহিলা-কৰ্মীৰ অংশীদাৰিত্ব কেৱল ২৫ ৰ পৰা ৩০ শতাংশহে (মজুমদাৰ আৰু পিল্লাই ২০১১)। আন্তৰ্জাতিক শ্ৰমিক সংস্থাৰদ্বাৰা নিবেদিত মহিলা আৰু কৰ্ম (Woman and work) ২০১৬ প্ৰতিবেদন মতে ভাৰতত লিংগ বৈষ্যমতাৰ হাৰ ২৬ শতাংশ আৰু এই হাৰ বিশ্বৰ ভিতৰতে অন্যতম উচ্চহাৰ বুলি পৰিলক্ষিত হৈছে। এছিয়া মহাদেশত থকা বৈষম্যৰ ২৩ শতাংশ হাৰৰ বিপৰীতে ভাৰতত থকা এই বৈষম্যৰ হাৰ লক্ষণীয়ভাৱে উচ্চ আৰু আনহাতে অন্যান্য উন্নত অৰ্থনীতিত এই হাৰ কিন্তু গড়ে মাত্ৰ ১৫ শতাংশহে।

কৃষিৰ ওপৰত থকা নিৰ্ভৰশীলতা হ'ল ভাৰতৰ শ্ৰমিক ক্ষেত্ৰখনৰ আন এটা উল্লেখনীয় বৈশিষ্ট্য। কৰ্মশক্তিৰ প্ৰায় ৫০ শতাংশ লোক কৃষিৰ ওপৰত নিৰ্ভৰশীল। শেহতীয়া তথ্য অনুসৰি তাৎপৰ্য্যপূৰ্ণ-ভাৱে দেশৰ জিডিপিৰ মাত্ৰ এক ষষ্ঠাংশৰ প্ৰতিহে কৃষিৰ অৱদান আছে। কৃষিক্ষেত্ৰত থকা শ্ৰমিকৰ এই অযথা ভিৰ আৰু তাৰ বাবে উদ্ভৱ হোৱা আংশিক নিবনুৱা অৱস্থাৰ বাবে বাবে দিনহাজিৰা কৰা শ্ৰমিকৰ হাৰ উচ্চহাৰত বৃদ্ধি পাইছে আৰু নিজকে কৃষক বুলি

*লিখক নতুন দিল্লীস্থিত জৱাহৰলাল নেহৰু য়ুনিভাৰচিটিৰ স্কুল অৱ ছ'ছিয়েল ছায়েন্সেচ্ছৰ ছেন্টাৰ ফৰ ইনফৰমেল ছেক্টৰ এণ্ড লেবাৰ ষ্টাডিজৰ সংলগ্ন অধ্যাপক আৰু ছেন্টাৰ ফৰ ইক'ন'মিক ষ্টাডিজ এণ্ড প্লেনিঙৰ অৰ্থনীতি বিভাগৰ অধ্যাপক

পৰিচয় দিব পৰা মানুহ দিনে-দিনে কমি আহিছে। কৃষি ক্ষেত্ৰখনৰ দৰে অকৃষি ক্ষেত্ৰখনৰো উল্লেখনীয় একমাত্ৰ বৈশিষ্ট্য হ'ল ইয়াত অতি উচ্চ হাৰত অসুৰক্ষিত আৰু অনিয়মীয়াভাৱে শ্ৰমিক নিয়োজিত হৈছে।

যদিও কৰ্মশক্তিৰ অৰ্দ্ধেক অকৃষি খণ্ডৰ পৰা আহে তথাপি ইয়াৰ পৰা মুঠ ঘৰুৱা উৎপাদনলৈ ৮০ শতাংশ অৱদান আহে, তাৰে এটি অতি ক্ষুদ্ৰ অংশ সংগঠিত ক্ষেত্ৰৰপৰা আহে যাৰ পৰিমাণ ১০ শতাংশতকৈও কম। সংগঠিত ক্ষেত্ৰৰ সম্পূৰ্ণ কৰ্মসংস্থাপনৰ ৬৫ৰ পৰা ৭০ শতাংশ কৰ্মী ৰাজহুৱা খণ্ডত নিয়োজিত হৈ আছে ইয়াৰ ভিতৰত অনুশাসন আৰু প্ৰতিৰক্ষা সেৱাও অন্তৰ্ভুক্ত হৈ আছে)। প্ৰায় ২ কোটি ৯২ লাখ মানুহে ব্যক্তিগত খণ্ডৰ সংগঠন সমূহত কাম কৰে; বিশেষকৈ সংহত ক্ষেত্ৰৰ প্ৰতিষ্ঠানসমূহে আগবঢ়োৱা উৎপাদন আৰু আন বিভিন্ন ধৰণৰ সেৱাৰ জীৱিকাত ব্ৰতী হৈ আছে। ইয়াৰে ১৬ শতাংশ অনানুষ্ঠানিকভাৱে নিয়োজিত কৰ্মী। পাপ'লা আৰু চাহু, ২০১২)।

ভাৰতত শ্ৰমিকৰ ক্ষেত্ৰৰ গাঁথনিৰ বক্ৰপথে এটা বিপদজনক আৰু চিন্তনীয় ছবি দাঙি ধৰে। স্বাধীনতাৰ সময়ৰে পৰাই চলি অহা ভাৰতৰ উন্নতিৰ পৰিক্ৰমাৰ লগতে এই ছবিখনো সাঙোৰ খাই আছে। ১৯৯০ চনৰ আগভাগৰপৰা আৰম্ভ হোৱা অৰ্থনৈতিক সংস্কাৰৰ সময়ৰপৰা এই বিপদসংকুলতা তাৎপৰ্যপূৰ্ণভাৱে বাঢ়ি আহিছে। এই সময়ছোৱাত সলনি হোৱা বৃহৎ অৰ্থনৈতিক নীতি আৰু প্ৰাথমিক খণ্ডত ৰাজহুৱা বিনিয়োগ কমি যোৱাৰ বাবে কৃষি খণ্ডত শ্ৰমিকৰ নিযুক্তি কমি আহিছে আৰু সেয়ে ভাৰতত তাৎপৰ্যপূৰ্ণভাৱে কৃষিভিত্তিক নিম্নগামিতা পৰিলক্ষিত হৈছিল। জীৱন ধাৰণৰ পদ্ধতিৰ দ্ৰুত পৰিৱৰ্তনৰ বাবে কৃষিখণ্ডৰ শ্ৰমিকে অকৃষি খণ্ডত জীৱিকাৰ সন্ধান কৰিবলৈ বাধ্য হৈছিল। কিন্তু এই ক্ষেত্ৰতো ভূমিহীন তথা ঠিকাভিত্তিক অস্থায়ী শ্ৰমিকেও উৎপাদন আৰু সেৱা খণ্ডত কিছু ভাল চাকৰি কৰাৰ সুবিধা পাইছিল। ১৯৯০ চনৰ আগভাগৰপৰাই ৰাষ্ট্ৰীয় অৰ্থনীতিৰ অৰ্জনত উৎপাদন খণ্ডৰ অৱদানৰ হাৰ ১৫/১৬ শতাংশই সীমাবদ্ধ আছে। ১৯৯০ চনৰপৰাই স্ব-নিয়োজনৰ বাবে হোৱা আকৰ্ষণ আৰু চাকৰিৰ বিপদসংকুলতা আৰু স্থায়িত্বৰ অভাৱৰ বাবে উৎপাদন ক্ষেত্ৰৰ প্ৰায় ৮৫% প্ৰতিষ্ঠানে এজন বা দুজন শ্ৰমিক/কৰ্মীৰ জৰিয়তে নিজৰ কাম চলাই আহিছে। আনকি অৰ্থনৈতিক বিকাশৰ সময়তো নিয়োগৰ পৰিবৰ্দ্ধন তেনেই উলাই কৰিব পৰা ধৰণৰ আছিল আৰু যোৱা তিনিটা দশকত প্ৰায় সকলো খণ্ডতে নিয়োগৰ স্থিতিস্থাপকতা নিম্নগামী হ'বলৈ আৰম্ভ কৰিছে। উচ্চ বিকাশৰ নমুনা কেৱল বিভিন্নধৰণৰ সেৱাৰ ক্ষেত্ৰখনত পৰিবৰ্দ্ধিত কৰিবৰ বাবেই বিশেষভাৱে প্ৰয়োজিত হ'ল আৰু ইয়াৰ বাবে বিপদসংকুল নৈমিত্তিক কৰ্মী নিয়োজন আৰু স্ব-নিয়োজন দুয়োটা বিষয়েই বাঢ়ি আহিব ধৰিলে। এই সমূহ কাৰণ বাবেই উচ্চহাৰত অনিয়মীয়া নিয়োগৰ দৃশ্যপটৰ সৃষ্টি হৈছে আৰু ভাৰতৰ সমসাময়িক ৰাজনৈতিক অৰ্থনীতিৰ বাবে ই এটা বৰ্ণনা কৰিব লগা বৈশিষ্ট্যৰ ৰূপে পৰিগণিত হৈছে।

### বৰ্দ্ধিত সুৰক্ষাহীনতা আৰু অনানুষ্ঠানিকতা

বিশ্ব অৰ্থনীতি আৰু সামাজিক দৃষ্টিভংগী (World Economy and Social outlook) ২০১৬ প্ৰতিবেদন অনুসৰি গোটেই বিশ্বৰ কৰ্মশক্তিৰ ভিতৰত প্ৰগতিশীল দেশত ১২% ভাগ আৰু প্ৰগতিকামী দেশত শতকৰা ৪৬% ভাগ কৰ্মী অনিয়মীয়াভাৱে নিয়োজিত হৈ আছে। ইয়াৰে দুই তৃতীয়াংশ অনিয়মীয়া কৰ্মী দক্ষিণ এছিয়াতে আছে আৰু এই সংখ্যা বিশ্বৰ শ্ৰমিক শক্তিৰ শতকৰা ৭২ শতাংশ। ভাৰতত এই অনুপাত ততোধিক। প্ৰায় ৯০% কৰ্মীয়ে অসুৰক্ষিত আৰু অনানুষ্ঠানিক নিয়োগৰ সূত্ৰত কাম কৰি আছে। আনুষ্ঠানিক ক্ষেত্ৰসমূহে অৱধাৰিতভাৱে জীৱিকাৰ অনানুষ্ঠানিক কৰা যি ধাৰা চলাই নিছে, প্ৰকৃতাৰ্থত ই এটা চিন্তাকৰ্ষক ধাৰা। NSSO ৰ ৬৮ তম আলোচনা-চক্ৰৰ প্ৰতিবেদন মতে ১৯৯৯-২০০০ চনত সংগঠিত খণ্ডত অনানুষ্ঠানিক কৰ্মীৰ হাৰ ৩৭.৪ শতাংশ আছিল, ২০১১-১২ চনত এই হাৰ ৫৪.৪ শতাংশলৈ বৃদ্ধি পায়। সেই একেই প্ৰতিবেদনত প্ৰতিফলিত হৈছে যে স্বনিয়োজনৰ ক্ষেত্ৰত গ্ৰামাঞ্চলত ৯৭% আৰু চহৰাঞ্চলত ৯৮ শতাংশই অনানুষ্ঠানিকভাৱে কাম কৰি গৈছে। তদুপৰি গ্ৰামাঞ্চলৰ ৯৮ শতাংশ নৈমিত্তিক শ্ৰমিক আৰু চহৰাঞ্চলৰ ৮১ শতাংশ নৈমিত্তিক কৰ্মী অনানুষ্ঠানিক খণ্ডত নিয়োজিত হৈ আছে। সেয়েহে, এন এছ এছ অ'-ৰ ২০১১-১২ প্ৰতিবেদনে অৱগত কৰায় (এই তথ্যই শেহতীয়াভাৱে উপলব্ধ) যে দেশৰ ৪৮ কোটি কৰ্মীৰ মাজৰ উচ্চহাৰৰ ৪৪ কোটি লোক অনানুষ্ঠানিক খণ্ডত নিয়োজিত হৈ আছে। এই কৰ্মসংস্থাপনৰ বেছিভাগেই অসুৰক্ষিত বুলি ক'ব পৰা যায়, কিয়নো এই শ্ৰমিক/কৰ্মীসকলে অতি সামান্য সামাজিক সুৰক্ষাৰ বেষ্টনীত অসুৰক্ষিত জীৱিকা নিৰ্বাহ কৰি আছে। অৰ্থনৈতিক সংস্কাৰৰ যুগত সম্পূৰ্ণ ঘৰুৱা। উৎপাদন (GDP)ৰ উচ্চ অৰ্থনৈতিক বিকাশৰ সত্ত্বেও, সুৰক্ষাহীনতা আৰু

অনানুষ্ঠানিকতা বাঢ়িহে গৈছে। সামাজিক খণ্ডৰ কেইবাটাও মুখ্য বিষয়ৰপৰা ভাৰতৰ ৰাজ্যসমূহ ফালৰি কাটি অহাৰ বাবে শ্ৰমিক শ্ৰেণীৰ এই অসুৰক্ষা ক্ৰমান্বয়ে বাঢ়ি আহিছে। ১৯৯০ চনৰ আগভাগৰ পৰা এই বিপদসংকুল ধাৰাৰ সৈতে নিয়মীয়া নিয়োগৰ সীমাবদ্ধতা সাঙোৰ খাই পৰিছে। উদাহৰণ স্বৰূপে ১৯৮৭-৮৮ বৰ্ষত পুৰুষৰ নিয়মীয়া নিয়োজনৰ হাৰ ১০% শতাংশ আছিল, ২০০৯-১০ বৰ্ষত এই হাৰ কমি গৈ ৮৫ শতাংশ হৈছিল। কিন্তু ২০১১-১২ বৰ্ষত এই হাৰ পুনৰ ১০ শতাংশলৈ বৃদ্ধি পায়। এই পৰিঘটনাৰ লগত আৰু এটা ধ্ৰুৱ সত্য সাঙোৰ খাই আছে যে বিগত কেইবছৰ মানৰ ভিতৰত যি কৰ্মসংস্থাপন বঢ়োৱা হৈছে সেই সকলোবিলাকেই অস্থায়ী/নৈমিত্তিক আৰু নিৰ্মাণ কাৰ্যতহে কেৱল নিয়োজিত হৈছে। কৰ্মস্থানৰ সাল-সলনিয়ে শ্ৰমিক শ্ৰেণীৰ অস্থিৰতা প্ৰতিফলিত কৰে। শেহতীয়া প্ৰতিবেদন সমূহৰপৰা এই কথা স্পষ্ট হয় যে উৎপাদন প্ৰতিষ্ঠানৰ স্থানৰ সাল-সলনি আৰু উৎপাদন ব্যৱস্থাৰ সূক্ষ্মতাই সুষম কৰ্ম ব্যৱস্থা প্ৰাপ্তিত বিস্তৰ প্ৰভাৱ পেলাইছে। আত্ম নিয়োজনৰ বাবে বাঢ়ি অহা ইচ্ছাৰ ধাৰণাৰ পৰাই এই মন্তব্য কৰিব পৰা যায় যে এই প্ৰতিষ্ঠানসমূহে এনে কিছু স্থানলৈ নিজৰ উৎপাদন শাখাসমূহ স্থানান্তৰিত কৰিছে যি স্থানক কাৰ্য্য সম্পাদনৰ বাবে সুবিধাজনক আৰু সন্মানজনক বুলিব নোৱাৰি। এনে স্থানত বেছিভাগ শ্ৰমিককে কৰ্মী' আখ্যা দিয়া নহয় আৰু এইসকল শ্ৰমিকৰ বাবে কোনো নীতিৰ ব্যৱস্থা নাথাকে যাৰ বাবে শ্ৰমিকসকল নিজৰ অধিকাৰৰপৰা বঞ্চিত হয়।

নিয়োগৰ সুবিধা নথকাৰ বাবে অসুৰক্ষিত শ্ৰমিকৰ এটা শ্ৰেণীৰ সৃষ্টি হয়। দৈনন্দিন অৱস্থাৰ ওপৰত লিখা টোকাই সূচায় যে ১৯৮৩ চনৰপৰা ১৯৯৩-৯৪ চনৰ ভিতৰত নিয়োগৰ সুবিধা চকুতপৰা ধৰণেৰে কমি আহিছে। চৰকাৰী তথ্যমতে শ্ৰমিক শক্তিত উন্নত মানৰ কৰ্মীৰ প্ৰৱেশৰ বাবে বছৰি ১০ ৰ পৰা ১২ নিযুত জীৱিকাৰ সৃষ্টি কৰা প্ৰয়োজন। শ্ৰমিকসন্থাৰ পৰা পোৱা শেহতীয়া তথ্যই জীৱিকা সৃষ্টিৰ ক্ষেত্ৰখনৰ এখন অতি পুতোলগা ছবি দাঙি ধৰে। সম্পূৰ্ণ নিয়োগৰ বাবে জৰুৰী ব্যৱস্থা গ্ৰহণ কৰাৰ কথা বাদেই বৰঞ্চ জীৱিকা সৃষ্টিৰ ক্ষেত্ৰখন একে স্থানতে পুঞ্জীভূত হৈ আছে আৰু ইয়াৰ হাৰ ৯০% হ্ৰাস পাইছে। নতুন কৰ্মসংস্থাপনৰ ক্ষেত্ৰখনৰ সংখ্যা ২০১০ বৰ্ষৰ ১১ লাখৰপৰা ২০১৬ বৰ্ষত ১.৫ লাখলৈ হ্ৰাস পাইছে।

**সামাজিক সুৰক্ষাৰ আৰশ্যকতা**

অৰ্থনৈতিক সংস্কাৰ নামেৰে নামকৰণ কৰা সেই সময়ছোৱাত চৰকাৰী মুখপাত্ৰসকলে এটা বিতৰ্কিত কথা প্ৰায়েই উচ্চাৰণ কৰিছিল যে ভাৰতৰ শ্ৰমিকৰ ক্ষেত্ৰখন অতি স্থিৰ (বাধা নিষেধ যুক্ত বহুতো আইনৰ বাবে) আৰু বিদেশী বিনিয়োগৰ বাবে এই আইন সমূহৰ সংস্কাৰ কৰাও অতি অসুবিধাজনক। ভাৰতৰ নীতি গঠন কৰোঁতাসকলে সঘনাই এই কথা কয় যে ভাৰতৰ জনসংখ্যাৰ অংশীদাৰিত্ব বাবেই ভাৰতত কিছু প্ৰাথমিক সুবিধা উপলব্ধ কৰিব পৰা যায়। এই সুবিধাখিনিক যদি কৌশল বিকাশ আৰু শ্ৰমিকৰ সাল-সলনিৰদ্বাৰা উন্নীতকৰণ কৰা হয়, তেনেহ'লে বিনিয়োগ আৰু জীৱিকা সৃষ্টিৰ ক্ষেত্ৰত সহায়ক হ'ব। মই আন বেলেগ প্ৰবন্ধত লিখাৰ দৰে (উদাহৰণ স্বৰূপে, ঝা '২০১৬') ওপৰত উল্লিখিত বিতৰ্কসমূহৰ সতৰ্ক পৰীক্ষণৰদ্বাৰা এই কথা স্পষ্ট হয় যে শ্ৰমিকৰ নিয়মীয়া-কৰণৰদ্বাৰা অৰ্থনৈতিক বিকাশ তথা জীৱিকা সৃষ্টিত কোনো ব্যাঘাত নজন্মে, অৰ্থনৈতিক সংস্থাই এই কথাই সূচায়।

আগতে উল্লেখ কৰাৰ দৰে সম্পূৰ্ণ কৰ্মশক্তিৰ এটা নগণ্য অংশইহে সংগঠিত প্ৰতিষ্ঠানত কাম কৰে আৰু কেৱল সেইসকল কৰ্মীৰ সুৰক্ষাৰ আৱেষ্টনীৰ মাজত থাকে। কোনো কোনো ৰাজ্যত আৰু কোনো-কোনো ব্যৱসায়িক খণ্ডত মজুৰিৰ ন্যূনতম হাৰ ধাৰ্য্য কৰা হৈছে যদিও অসংগঠিত খণ্ডত ইয়াৰ প্ৰভাৱ নপৰে আৰু সংগঠিত ক্ষেত্ৰখনৰ কৰ্মৰত শ্ৰমিকৰ সা-সুবিধাৰ লগত সংগতি ৰাখিবৰ বাবে প্ৰৱৰ্তন কৰা কঠোৰ শ্ৰমিক আইনৰ প্ৰতি এই খণ্ড সমূহ উদাসীন হৈ থাকে। এই পটভূমিলৈ লক্ষ্য কৰিলে, এই কথা অবোধগম্য হয় যে ভাৰতৰ শ্ৰমিকৰ ক্ষেত্ৰত থকা এই বৈষম্য সত্ত্বেও সকলো নিশ্চুপ হৈ আছে সেয়ে, মই আগতে কৈ অহাৰ দৰে (ঝা, ২০১৭) পৰ্যাপ্ত আইনৰ অভাৱ আৰু আইন-শৃঙ্খলাৰ অভাৱৰ বাবে ভাৰতৰ ৯০ শতাংশ শ্ৰমিক সমস্যাত ভোগে।

এই পটভূমিত ভাৰতৰ নীতি প্ৰৱৰ্তকসকলে শ্ৰমিকৰ ৰাষ্ট্ৰীয় ক্ষেত্ৰখনৰ লগত সামঞ্জস্য ৰক্ষা কৰি শ্ৰমিকসকলৰ অধিকাৰৰ এটা বেষ্টনীৰ বাবে নমুনা তৈয়াৰ কৰি সেই আইন প্ৰৱৰ্তন কৰাৰ সময়ত বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হয়। এই নমুনা এনে হ'ব লাগে যাতে ই শ্ৰমিকৰ এটা সুস্থিৰ মান আৰু ৰাষ্ট্ৰীয়ভাৱে ন্যূনতম মজুৰি হাৰ স্পষ্ট কৰে। শ্ৰমিকৰ ক্ষেত্ৰখনত থকা অনিয়মবিলাকক দূৰীভূত কৰিব পৰাকৈ আঁচনিৰ কাৰ্যসূচী নিৰ্ধাৰণ কৰিব লাগে। তদুপৰি বিকাশ আৰু একত্ৰীকৰণৰ

**(১৪ পৃষ্ঠাত চাওক)**

# ভাৰতত শ্ৰমিক সংস্কাৰ ঃ প্ৰত্যাহ্বান আৰু সুযোগ

**শ্ৰীৰং ঝা***

শ্ৰমিক সংস্কাৰক সদায়েই শ্ৰমিক আইনৰ পৰিৱৰ্তনৰ লগত সাঙুৰি লোৱা হয়, যাতে ব্যৱসায়ী আৰু উদ্যোগপতিসকলে ৰাজ্য চৰকাৰে জাপি দিয়া গধূৰ জৰিমনাৰ বোজা বহন নকৰাকৈ নিজৰ প্ৰতিষ্ঠানসমূহ সহজে চলাই যাব পাৰে। কিন্তু এই আবেদন অতি সীমিত। কিয়নো শ্ৰমিক আইনৰ সৰু-সুৰা সাল-সলনি আৰু ছেগা-ছোৰোকাকৈ সামাজিক সুৰক্ষাৰ দিশ বৰ্দ্ধিত কৰাৰ পৰিৱৰ্তে শ্ৰমিক সংস্কাৰৰ বাবে নিশ্চিত ৰূপে শ্ৰমিকৰ বজাৰখনৰ সংস্কাৰ কৰিব লাগিব। আকৰ্ষণীয় ভাৱে, বৰ্তমানৰ এই সময়েই হৈছে শ্ৰমিক সংস্কাৰৰ বাবে উপযুক্ত সময়। ইয়াৰ কাৰণ দুটা। প্ৰথমতেই, চীনদেশে উৎপাদনৰ কেন্দ্ৰস্থল হিচাপে লাভ কৰা স্বীকৃতি অতি দ্ৰুত গতিত হেৰুৱাবলৈ আৰম্ভ কৰিছে, কিয়নো যোৱা এটা দশকত এই দেশত শ্ৰমিকৰ মজুৰি তিনিগুণ বৃদ্ধি পাইছে আৰু দ্বিতীয়তে 'মেইক্ ইন ইণ্ডিয়া'ক সফল কৰি তুলিবলৈ ভাৰত চৰকাৰ বদ্ধপৰিকৰ, ইয়াৰদ্বাৰা বিনিয়োগকাৰী তথা বৃহৎ ব্যৱসায়ী-সকলে নিজৰ উৎপাদনৰ ভেটি ভাৰতত গঢ়ি তুলিবৰ বাবে আকৰ্ষিত হৈছে। কিমান তাৎক্ষণিকভাৱে শ্ৰমিক সংস্কাৰ আগবঢ়াব পাৰে, তাৰ ওপৰতে 'মেইক্ ইন ইণ্ডিয়া'ৰ সফলতা নিৰ্ভৰ কৰিছে।

বহলাই ক'বলৈ গ'লে, প্ৰতিযোগিতা-মূলক ভাৱে শ্ৰমিকৰ উৎপাদক ক্ষমতা পৰিৱৰ্দ্ধিত কৰাৰ লগতে শ্ৰমিকৰ সংস্কাৰ জড়িত হৈ আছে। দুৰ্ভাগ্যৰ কথা যে—ভাৰতত শ্ৰমিকৰ ক্ষেত্ৰখনৰ সংস্কাৰ অতি মন্থৰ গতিত হৈছে। ১৯৯১ চনত আৰম্ভ হোৱা বিশ্বায়ন আৰু শিথিলকৰণেও অতি সীমিত ৰূপত শ্ৰমিকৰ ক্ষেত্ৰখনত প্ৰভাৱ পেলাইছে। ই কোনো আশ্চৰ্য্যকৰ কথা নহয় যে, শ্ৰমিকৰ ক্ষেত্ৰখনৰ স্থবিৰতা, আওপুৰণি শ্ৰমিক আইন আৰু লক্ষণীয়-ভাৱে থকা কৌশলৰ অভাৱৰ বাবেই ভাৰতে উৎপাদনৰ কেন্দ্ৰস্থল হোৱা সুযোগ হেৰুৱাইছে। যোৱা পঁচিশ বছৰত ভাৰত চৰকাৰে শ্ৰমিকৰ সহজাত পৰিৱৰ্তনক লক্ষ্য হিচাপে লৈ শ্ৰমিক আইনৰ কিছু সাল-সলনি কৰিবলৈ চেষ্টা কৰিছে তথাপিও, চামৰাৰ সামগ্ৰী, বস্ত্ৰ-পোছাক আৰু অন্যান্য পিন্ধন সামগ্ৰী), গ্ৰহৰত্ন আৰু অলঙ্কাৰ, ক্ৰীড়াৰ সামগ্ৰী, অস্ত্ৰ-শস্ত্ৰ, আচবাব, ৰবৰ সামগ্ৰী, বিভিন্ন ধৰণৰ ধাতুৰ সামগ্ৰী আদিৰ উৎপাদনৰ যি ব্যৱসায় সেইবিলাকত শ্ৰমিকৰ অতীৱ প্ৰয়োজন সেই ব্যৱসায়বিলাকে ভাৰতৰ শ্ৰমিকৰ ক্ষেত্ৰখনৰ এটা অস্পষ্ট ভাবৰ প্ৰকাশ কৰাৰ বাবে প্ৰত্যক্ষ বিদেশী বিনিয়োগ আকৰ্ষণ কৰাত সফলতা লাভ কৰিব পৰা নাই। এই কথা বুজা যায় যে ভাৰতত সম্পূৰ্ণ ৰূপে শ্ৰমিক সংস্কাৰ কৰাৰ লক্ষ্য ৰখা হৈছে যাতে শ্ৰমিকৰ উচ্চ উৎপাদিকা শক্তি, শ্ৰমিকৰ বজাৰৰ সহজাত পৰিৱৰ্তন আৰু নিম্ন হাৰৰ শ্ৰমিকৰ মজুৰিৰদ্বাৰা শ্ৰমিকৰ কৰ্মৰ মানৰ লগত কোনো বুজা-পৰা নকৰাকৈ দেশে জনসংখ্যাৰ লাভালাভ অৰ্জন কৰিব পাৰে আৰু ইয়াৰ জৰিয়তে ভাৰতে নিজকে সমগ্ৰ বিশ্বৰে উৎপাদনৰ কেন্দ্ৰমূল হিচাপে প্ৰতিষ্ঠিত কৰিব পাৰে।

ভাৰতীয় শ্ৰমিকৰ বজাৰখন অতিমাত্ৰা কঠোৰতা আৰু আওপুৰণি শ্ৰমিক আইনৰ বাবে নষ্ট হৈছে। চৰকাৰী আমোলাসকলৰ নিয়ন্ত্ৰণৰ অমনোযোগিতা তথা দুৰ্নীতিগ্ৰস্ত পৰিদৰ্শন ব্যৱস্থাৰ বাবে উদ্যোগপতিসকলে শ্ৰমিক কল্যাণক আওকাণ কৰি শ্ৰমিকক নিষ্পেষণ কৰিবলৈ সুবিধা পায়। শ্ৰমিক আইন-সমূহ উন্নতিকামী হোৱা অতি জৰুৰী। গতিকে চৰকাৰী আমোলাৰ নিয়ন্ত্ৰণৰ পৰিৱৰ্তে স্বচ্ছ শাসন ব্যৱস্থা বাহাল ৰখা, শ্ৰমিকে স্বেচ্ছাই নিজৰ কৰ্মৰ খতিয়ান দিয়াৰ ব্যৱস্থা কৰা আৰু স্বেচ্ছামূলক-ভাৱে শ্ৰমিকে কৰ্মৰ মানৰ মাপ কৰা আদি নানাধৰণৰ পৰিৱৰ্তনৰদ্বাৰা উদ্যোগ পৰিদৰ্শনৰ এই আসোৱাহপূৰ্ণ ব্যৱস্থাৰ পৰিৱৰ্তন আনিব লাগিব। এই কথা কোৱা বাহুল্য যে, শ্ৰমিক ক্ষেত্ৰখনৰ শিথিলিকৰণে কৰ্মসংস্থাপনৰ পৰিৱৰ্তন আনিব আৰু বৃহৎ মাপত কৌশল বিকাশ আৰু জীৱিকা সৃষ্টিত সহায়ক হ'ব। কিন্তু

*লিখক নতুন দিল্লীৰ এপীজেই স্কুল অৱ মেনেজমেণ্টৰ ছেণ্টাৰ ফৰ্ পাব্লিক পলিছি এণ্ড গৰ্ভানেন্সৰ সহযোগী অধ্যাপক আৰু আহ্বায়ক। তেওঁ শ্ৰমিক সংস্কাৰ, সামাজিক বিকাশ, ক্ষুদ্ৰ বিত্ত আৰু আৰ্থ-সামাজিক দিশবোৰৰ লগত জড়িত।

যি সকলে ‘মুকলি বজাৰ’ৰ পৰিৱৰ্তন আনিব খোজে তেওঁলোকে শ্ৰমিক আইনৰ সংশোধনৰ ওপৰত অধিক চাপ দিয়ে যাতে মালিকসকলে বজাৰৰ চাহিদাৰ দৃশ্যপটৰ ওপৰত ভিত্তি কৰি কৰ্মীৰ নিয়োগ, চাটাই আৰু কাৰ্য্যসম্পাদনৰ পৰিৱেশৰ সাল-সলনি কৰিব পাৰে। এনেধৰণৰ ভয় লগা স্থিতিয়ে কেৱল মাত্ৰ ভুল স্থানাকৰণ কৰাই নহয় বৰঞ্চ শ্ৰমিক সংস্কাৰক উৎপাদন তথা সেৱা ক্ষেত্ৰৰ প্ৰতিযোগিতামূলক ভেটি হিচাপে গঢ় দিয়াত অন্তৰায় স্বৰূপ হৈ দেখা দিব।

আন এটা চিন্তাধাৰাৰ দলে, মুকলি বজাৰৰ চিন্তাধাৰাৰ লোকে যেনেদৰে নিয়োগ, চাটাই আৰু ক্ষতিপূৰণৰ ক্ষমতা মালিকৰ হাতত থকাটো বিচাৰে তাৰ বিপৰীতে গৈ শ্ৰমিকৰ হাতত ক্ষমতা অৰ্পণ কৰি আৰু উচ্চমানৰ কৌশল বিকাশৰদ্বাৰা শ্ৰমিকৰ পৰিৱৰ্তনশীলতা আনি আওকলীয়া শ্ৰমিক আইনৰ শিথিলিকৰণ বিচাৰে। এই কথাও সত্য যে, স্বাধীনতাৰ সময়ৰে পৰা ভাৰতত শ্ৰমিকৰ ক্ষেত্ৰখন নীতি আৰু আদেশৰ প্ৰতি বাধ্যতাৰ মনোভাবেৰে গঢ় লৈছে আৰু এই মনোভাবৰ ওপৰত ভিত্তি কৰিয়েই শ্ৰমিক সকলক পৰিচালনা কৰা হৈছে। শ্ৰমিকৰ বজাৰৰ বিশ্বায়ন আৰু সততাকৰণ, মূলধনী বজাৰ আৰু সামগ্ৰীৰ বজাৰৰ লগত সামঞ্জস্য ৰাখি চলিবৰ বাবে ভাৰত চৰকাৰৰ লগতে আঞ্চলিক চৰকাৰ সমূহেও শ্ৰমিক সংস্কাৰৰ আৱশ্যকতাৰ কথা উপলব্ধি কৰিছে। সেয়ে, আদেশ মানিবলৈ দিয়া হেঁচা কমি আহিছে আৰু পৰিদৰ্শকৰ প্ৰতি থকা শঙ্কা নোহোৱা হৈছে আৰু যোৱা ২৫বছৰৰ ভিতৰত এই পৰিৱৰ্তনে ভুমুকি মাৰিছে। চৰকাৰে ঠিকাভিত্তিক শ্ৰমিকৰ ক্ষেত্ৰত থকা আইনৰ বিপৰীতে গৈ নিজেই ঠিকাভিত্তিক/অস্থায়ী শ্ৰমিকৰ নিয়োগ কৰ্তা হৈ ঠিয় দিয়াতো সঁচাকৈয়ে আকৰ্ষণীয়। কোনো আচৰ্য্যকৰ বিষয় নহয় যে ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান সমূহেও নিজৰ কেন্দ্ৰীয় কাৰ্য্য চলাই নিবৰ বাবে ঠিকাভিত্তিক/ অস্থায়ী শ্ৰমিক নিযুক্তিকৰণত অধিক উৎসাহী হৈ উঠিছে; শ্ৰমিক আইন মানি চলাৰ ক্ষেত্ৰত চৰকাৰ যদি অধিক ৰূঢ় হলহেঁতেন তেনেহ’লে এনে নিযুক্তি সম্ভৱ নহ’লহেঁতেন আনকি ন্যায়ালয়-সমূহেও উদ্যোগপতি আৰু শ্ৰমিকৰ মনোমালিন্যৰ মোকৰ্দমাৰ ৰায় দান কৰোঁতে এটা বুজা-পৰাৰ স্থিতি গ্ৰহণ কৰা দেখা গৈছে। ১৯৯১ চনৰ তুলনাত ইয়াত এটা বৃহৎ পাৰ্থক্য পৰিলক্ষিত হৈছে যি সময়ত শ্ৰমিক আৰু মালিক/ পৰিচালনা সমিতিৰ মনোমালিন্যৰ ক্ষেত্ৰত ৰায়দান কৰোতে ন্যায়াধীশ-সকলে শ্ৰমিকৰ সমৰ্থনত এটা স্থিতি গ্ৰহণ কৰা দেখা গৈছিল।

ভাৰত চৰকাৰে শ্ৰমিক আইনৰ ক্ষেত্ৰত থকা তেওঁলোকৰ নীতি কঠোৰতাৰ প্ৰতি কিছু নৰম মনোভাব লৈছে। কিন্তু দুটা দলৰ মাজত হোৱা ঠিকাৰ স্বেচ্ছামূলক বুজা-পৰাৰদ্বাৰা সৃষ্টি হোৱা জীৱীকাৰ নীতি-নিয়মৰ নিয়ন্ত্ৰণ কোনো চৰকাৰী হস্তক্ষেপ নোহোৱাকৈ সম্পূৰ্ণৰূপে নিয়োগকৰ্তাৰ ওপৰ ন্যস্ত কৰিবলৈ চৰকাৰ এতিয়াও পূৰ্ণ ৰূপত প্ৰস্তুত হৈ উঠা নাই। ২০০১ চনৰ পৰিকল্পনা আয়োগৰ অধ্যয়নত এই ধৰণৰ পৰিচ্ছন্নতা পৰিস্ফুট হৈ উঠিছে। সামগ্ৰীৰ বজাৰতকৈ শ্ৰমিকৰ বজাৰখন কিয় দৃঢ় ভাৱে আইনৰদ্বাৰা পৰিচালনা কৰিব লাগে সেই কথা সকলোৰে বোধগম্য। শ্ৰমিকসকল কোনো সামগ্ৰী নহয়, তেওঁলোক মানুহ আৰু নাগৰিক, আৰু মালিক তথা শ্ৰমিকৰ মাজত থকা যোগসূত্ৰত সদায়েই ব্যক্তিগতভাৱে একো-একোজন শ্ৰমিক দুৰ্বল পক্ষ বুলি বিবেচিত হয়। এই কথাই প্ৰমাণ কৰে যি বিভিন্ন ব্যৱসায়িক খণ্ডত শ্ৰমিকৰ সুৰক্ষাৰ বাবে আইন প্ৰণয়ন কৰাতো এটা সঠিক নিৰ্ণয়। এই আইনৰ আওতা হ’ল— বিভিন্ন ক্ষেত্ৰত মালিকপক্ষৰ সৈতে দৰ-দাম কৰিবৰ বাবে শ্ৰমিক সংগঠন গঠন কৰা, সামাজিক লাভালাভৰ বাবে ন্যূনতম বিন্দু চৰ্ত আৰোপ কৰা, যি চৰ্ত মালিকপক্ষই মানি ল’ব লাগিব, শ্ৰমিকৰ স্বাস্থ্যৰ সুৰক্ষা, মহিলা শ্ৰমিকৰ বাবে কিছু বিশেষ সুবিধা প্ৰদান, শ্ৰমিকৰ অভিযোগ গ্ৰহণ আৰু তাৰ মীমাংসাৰ ব্যৱস্থা ইত্যাদি। উন্নত আৰু উন্নতিশীল দুয়োধৰণৰ দেশবিলাকত এই ব্যৱস্থা মানি লোৱা হৈছে। কিন্তু নিশ্চিত ভাৱে গোটেই বিশ্বৰে ভিন-ভিন দেশত ভিন ভিন আইন প্ৰৱৰ্তিত হয়।

শ্ৰমিক পক্ষ তথা মালিকপক্ষ দুয়ো পক্ষৰে দাবী আৰু ইচ্ছাক সুৰক্ষা দিবলৈ ভাৰত চৰকাৰ আগ্ৰহী। পৰিকল্পনা আয়োগ, ২০০১ৰ অধ্যয়নৰ প্ৰতিবেদনত উল্লেখ কৰা কেইটামান শাৰীয়ে এই দৃষ্টিভঙ্গীৰ পূৰ্ণতা আছে। এই শাৰীকেইটি এনেধৰণৰ— ‘ইয়াত কোনো সন্দেহৰ অৱকাশ নাই যে শ্ৰমিকৰ ন্যায়সংগত দাবীৰ সুৰক্ষাৰ বাবে আমাক এখন আইনৰ প্ৰয়োজন, কিন্তু ইয়াৰ পৰা উদ্ভৱ হোৱা আইনী কাৰ্য্য-কলাপে শ্ৰমিকৰ ন্যায়সংগত দাবীক সুৰক্ষা দিয়াৰ লগতে এনে সমতাপূৰ্ণ ক্ষেত্ৰ তৈয়াৰ কৰিব লাগে যাৰদ্বাৰা শ্ৰমিকৰ কৰ্মপটুতা বৃদ্ধি কৰি পূৰ্ণ কৰ্মসংস্থাপনৰ বাবে সহায় লাভ কৰিব পৰা যায় আৰু দুয়ো ক্ষেত্ৰৰ বাবে ই এটা জৰুৰী বিষয়। আইন প্ৰৱৰ্তন আৰু তাৰ লগে লগে তাৰ ৰূপায়ণে বেতন আৰু

বোনাচ প্ৰদানৰ বাবে মালিক পক্ষক এনে কিছু নীতি তৈয়াৰ কৰিবলৈ সুবিধা দিব লাগে যাৰদ্বাৰা শ্ৰমিকৰ উৎপাদনশীলতা বৃদ্ধি পায়। শ্ৰমিক শক্তিয়ে যাতে নৱ প্ৰযুক্তি আৰু পৰিৱৰ্তিত বজাৰত অৱস্থাৰ লগত খাপ খাব পাৰে তাৰ বাবে পুৰণি আন্তঃগাঁথনিৰ সলনি নতুন গাঁথনি তৈয়াৰ কৰিব লাগে। এই পৰিৱৰ্তনৰ প্ৰয়োজনীয়তা বাঢ়ি আহিছে কিয়নো শিথিলিকৰণ আৰু বিশ্বায়নে পৰিৱৰ্তনৰ ওপৰত জোৰ দিয়ে।'

**শ্ৰমিক সংস্কাৰৰ প্ৰতিবন্ধক ঃ** আওকলীয়া শ্ৰমিক আইন হ'ল ভাৰতত উদ্যোগমিত্ৰ এখন শ্ৰমিক বজাৰৰ গঠন ক্ষেত্ৰত প্ৰধান প্ৰতিবন্ধক। শ্ৰমিক আইনে শ্ৰমিকক দিয়া অধিকাৰ এতিয়া বাহাল ৰাখিছে, আনহাতে ১৯৯১চনৰ পিছৰে পৰা যিবোৰ উদ্যোগ ঘৰুৱা উৎপাদনক প্ৰতিযোগিতাৰ পৰা উদ্ধাৰ কৰি চলিছে সেই উদ্যোগসমূহৰ সুৰক্ষা কবচ নোহোৱা হৈছে। ১৯৯১ চনত আৰম্ভ কৰা বিশ্বায়ন আৰু শিথিলিকৰণৰ বাবে ভাৰতীয় বজাৰত আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ীয়ে খোপনি পুতিছে আৰু তাৰ বাবে ব্যৱসায়-বাণিজ্যৰ ভেটি তথা পৰিৱেশ সলনি হৈছে। শ্ৰমিকৰ নৈমিত্তিকৰণ আৰু তৃতীয় ব্যক্তিৰদ্বাৰা নিয়োগৰ যি ধাৰা আহিছে, তাৰ বাবেই শ্ৰমিক আইন সলনি কৰা প্ৰয়োজন। একে সময়তে, শ্ৰমিকৰ মৌলিক অধিকাৰসমূহক সুৰক্ষা প্ৰদান কৰি সংগঠিত আৰু অসংগঠিত দুয়ো খণ্ডৰ উদ্যোগতে শ্ৰমিকৰ কৰ্মৰ মান নিৰ্দ্ধাৰণ ৰূপায়ণ কৰাও সমানে জৰুৰী।

গোটেই দেশতে অভাৱনীয় ভাৱে দেখা দিয়া কৌশলৰ নাটনিয়ে ভাৰতৰ শ্ৰমিকৰ বজাৰৰ ওপৰত এটা কোঙা কৰিব পৰা প্ৰভাৱ পেলাইছে। আওকণীয়া শ্ৰমিক আইনতকৈও কৌশলৰ অভাৱে প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ সময়ত বিনিয়োগকাৰী- সকলৰ ওপৰত এটা শেঁতাপৰা প্ৰভাৱ পেলাইছে। আনকি যিসকল ব্যৱসায়ীয়ে ক্ষুদ্ৰ, সৰু আৰু মজলীয়া ধৰণৰ ঘৰুৱা ব্যৱসায় চলায় তেওঁলোকেও কৌশলী শ্ৰমিক শক্তিৰ অভাৱত ভুগিব লগা হয়। পৰিকল্পনা আয়োগৰ ২০০১ চনৰ অধ্যয়নত প্ৰতিফলিত হৈছে যে গ্ৰাম্যঞ্চলৰ মাত্ৰ ১০.১ শতাংশ পুৰুষ শ্ৰমিক আৰু ৬.৩ শতাংশ মহিলা শ্ৰমিকহে সময় উপযোগী হিচাপে কৌশলী, আনহাতে চহৰাঞ্চলৰ ১৯.৬ শতাংশ পুৰুষ আৰু ১১.২ শতাংশ মহিলা শ্ৰমিকৰহে আৱশ্যকীয় কৌশলৰ অৰ্হতা আছে। তদুপৰি ভাৰতৰ শ্ৰমিক শক্তিৰ অন্তৰ্গত ২০ৰ ২৪ বছৰ বয়সৰ যুৱক-যুৱতীৰ ভিতৰত মাত্ৰ ৫ শতাংশ ৰ হে কাৰিকৰী কৌশলৰ অৰ্হতা আছে কিন্তু উদ্যোগ প্ৰধান দেশবিলাকত এই হাৰ বহুত বেছি। এই দেশ বিলাকত কাৰিকৰী কৌশলৰ অৰ্হতা থকা যুৱক-যুৱতীৰ হাৰ ৬০ শতাংশৰ ৮০ শতাংশ (পৰিকল্পনা আয়োগ, ২০০১)।

কাৰিকৰী কৌশলৰ ক্ষেত্ৰত মেক্সিকোৰ নিচিনা উন্নতিশীল দেশৰ তুলনাত ভাৰতৰ অৱস্থা অতি পুতৌজনক। এই দেশসমূহত কাৰিকৰী প্ৰশিক্ষণ থকা যুৱক-যুৱতীৰ হাৰ ২৮ শতাংশ (পৰিকল্পনা আয়োগ, ২০০১)। ভাৰতত পূৰ্ণৰূপৰ এখন শ্ৰমিক আঁচনি নথকাৰ বাবেই উন্নতিশীল শ্ৰমিক বজাৰ গঠনত বাধাৰ সৃষ্টি হৈছে, যি ধৰণৰ শ্ৰমিক বজাৰে উৎপাদন আৰু সেৱাৰ ক্ষেত্ৰত এটা প্ৰতিযোগিতামূলক সম-ব্যৱস্থাৰ প্ৰতি অৱদান যোগাব পাৰিলেহেঁতেন। এই বিষয়বিলাকত চকু ফুৰাবলৈ বহুতো অধ্যয়ন দল, প্ৰতিবেদন আৰু আলোচনা সভা আদি আছে যদিও এটা পূৰ্ণৰূপৰ শ্ৰমিক আঁচনিৰ অভাৱ এতিয়াও আছে। চৰকাৰে এখন পূৰ্ণৰূপৰ আঁচনি যুগুত কৰাৰ পৰিৱৰ্তে সময়ে সময়ে শ্ৰমিক আইনৰ অলপ-অচৰপ সংশোধন কৰাৰ ওপৰতহে গুৰুত্ব দিছে। ইয়াৰ উপৰিও ৰাষ্ট্ৰীয় উৎপাদন আঁচনি। ৰাষ্ট্ৰীয় শিশু শ্ৰমিক আঁচনি, ৰাষ্ট্ৰীয় কৌশল বিকাশ আঁচনি, ৰাষ্ট্ৰীয় নিয়োগ আঁচনি, এইছ আই ভি/এইড্‌ছৰ বাবে ৰাষ্ট্ৰীয় সুৰক্ষা আঁচনি আৰু ইয়াৰ কৰ্মক্ষেত্ৰ, কৰ্মক্ষেত্ৰ কৰ্মীৰ সুৰক্ষা, স্বাস্থ্য আৰু পৰিৱেশৰ বাবে ৰাষ্ট্ৰীয় আঁচনি আদিত শ্ৰমিকৰ অসুবিধাবিলাকৰ বিষয়ে উল্লেখ কৰা হৈছে। শেহতীয়াকৈ তৃতীয় পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ খচৰাত শ্ৰমিক আঁচনিৰ কিছু আভাষ পোৱা গৈছিল কিন্তু সেয়াও অতি পুৰণি হৈ পৰিছে 'এনে ধৰণৰ দিশহীন আৰু ছেগা-চোৰোকাকৈ কৰা প্ৰচেষ্টাৰদ্বাৰা হোৱা শ্ৰমিক ক্ষেত্ৰৰ শিথিলকৰণে বিশ্বৰ ধাৰাৰ লগত খোজ মিলাই চলিবৰ বাবে কোনো সহায় কৰিব নোৱাৰিব।

শ্ৰমিক সংস্কাৰৰ পথত আওকণীয়া শ্ৰমিক আইনৰ পৰিৱৰ্তন কৰাই বৰ্তমান ভাৰত চৰকাৰৰ প্ৰধান কৰ্তব্য হোৱা উচিত। পৰিকল্পনা আয়োগ (২০০১)ৰ টোকাত এই প্ৰয়োজনীয়তাক এনেদৰে প্ৰকাশ কৰা হৈছে— "এই আইনসমূহৰ এটা সৰ্বাত্মক পুনৰবিচাৰ নিশ্চয়কৈ আৱশ্যকীয়। সম সাময়িক অৰ্থনৈতিক বাস্তৱ, বিশেষকৈ বৰ্তমান চলি থকা ৰাষ্ট্ৰীয় ধাৰাৰ লগত খাপ খোৱাকৈ ঠিয় দিবলৈ এই আইনসমূহৰ সৰলীকৰণ কৰাৰ আৱশ্যক। কোনো সময়ত এই আইন-সমূহে কোনো হেঙাৰ সৃষ্টি নকৰে ৰবঞ্চ দীঘলীয়া আইনী প্ৰক্ৰিয়াৰ বাবেহে শ্ৰমিক নিযুক্তিৰ ব্যয় বৃদ্ধি কৰে আৰু আন কিছুমান বাধা-বিঘিনিও আহি পৰে। আইন ৰূপায়ণ কৰিবলৈ নিয়োগ কৰা বিষয়-ববীয়াসকলৰ বাবেও সমস্যাৰ

সৃষ্টি হয়। আইন প্ৰণয়নৰ বাবে নিয়োজিত বিভিন্ন পৰিদৰ্শকসকলৰ ওপৰত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে সঘনাই অভিযোগ দাখিল কৰে। অভিযোগ মতে এই আমোলা সকলে নিজৰ হাতত থকা ক্ষমতাৰ প্ৰয়োগ অধিক মাত্ৰাত কৰে আৰু শ্ৰমিকৰ নিয়োগকৰ্তাসকলৰ পৰা ভেটি ল'বৰ বাবে তেওঁলোকক নানা ধৰণৰ অসুবিধাত পেলায়। পৰিদৰ্শকৰ এই ভেটি লোৱাৰ প্ৰক্ৰিয়াৰ বাবে সৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ ওপৰত অধিক মাত্ৰাত ব্যয়ৰ বোজা পৰে। ইয়াৰ সমভাৱে মজদুৰ সংঘই এটা বিপৰীত মত প্ৰকাশ কৰে; তেওঁলোকৰ মতে শ্ৰমিক আইনৰ সঠিক আৰু উন্নত ৰূপায়ণৰ বাবে এই আইন প্ৰণয়নৰ ব্যৱস্থা অধিক শক্তিশালী কৰি তুলিব লাগে।

বৰ্তমান প্ৰচলিত শ্ৰমিক আইনৰ পৰা আশ্চৰ্যজনক নীতি, দুমুখীয়া আৰু বহুমুখীয়া নীতি আঁতৰাই দিয়া অতি জৰুৰী যাতে উদ্যোগসমূহে আইনৰ ভয় নোহোৱাকৈ শ্ৰমিকৰ কৰ্ম পটুতাৰ সদ্ব্যৱহাৰ কৰিব পাৰে। নিযুক্তিৰ ক্ষেত্ৰখনৰ বাবে শ্ৰমিক আইনসমূহে এটা সহজ পৰিৱেশ সৃষ্টি কৰা উচিত শ্ৰমিক আইনৰ দৃঢ়তাৰ ফলস্বৰূপে উদ্ভৱ হোৱা নীতি বাধ্যতামূলক মনোভাৱৰ পৰা আমি অতি সোনকালেই মুক্ত হ'ব পাৰিম, যি উৎপাদন আৰু সেৱাৰ ক্ষেত্ৰত থকা বিশ্বায়নৰ প্ৰতিযোগিতাত আমাৰ স্থান উন্নত কৰিব। প্ৰচলিত সকলো শ্ৰমিক আইন একত্ৰীকৰণ কৰি চৰকাৰে এখন বিধেয়ক প্ৰস্তুত কৰাৰ এয়াই উপযুক্ত সময়। এই বিধেয়কৰ জৰিয়তে শ্ৰমিক আৰু পৰিচালনা সমিতিৰ মাজৰ সমন্ধ উন্নত হ'ব, মজুৰি, সামাজিক সুৰক্ষা, কৰ্মস্থানৰ সুৰক্ষা, কল্যাণমূলক কামৰ সুবিধা, নিয়োগৰ নীতি-নিয়ম, মজদুৰ সংঘৰদ্বাৰা স্বীকৃতি, দৰ-দামৰ সুবিধা হোৱাৰ উপৰিও আন্তৰ্জাতিক শ্ৰমিক মানৰ প্ৰচলনত সহায়ক হ'ব। ৰাজ্য চৰকাৰ-সমূহৰ বাবেও এনে বিধেয়ক অনুকৰণীয় হ'ব। ৰাজ্য চৰকাৰসমূহেও সম্ভৱতঃ কেন্দ্ৰীয় বিধেয়কখনকে মানি ল'ব নতুবা বৈশিষ্ট্যক প্ৰাধান্য দি একেধৰণৰ এখন বিধেয়ক প্ৰস্তুত কৰিব। তদুপৰি, এনে এখন বিধেয়ক তেতিয়াহে প্ৰভাৱশালী হ'ব যেতিয়া এই বিধেয়কে নিয়মীয়া আৰু অনিয়মীয়া সকলো শ্ৰমিককে সাঙুৰি ল'ব আৰু দেশব্যাপী ইয়াক প্ৰণয়ন কৰা হ'ব।

সুদৃঢ় ভেটি সম্পন্ন, সৰ্বব্যাপী তথা পূৰ্ণাঙ্গ ৰাষ্ট্ৰীয় শ্ৰমিক আঁচনিৰ অবিহনে শ্ৰমিক বজাৰত হস্তক্ষেপ কৰা অসম্ভৱ। গতিকে ভাৰত চৰকাৰে উদ্যোগৰ মালিকসমূহক সন্তুষ্ট কৰিবলৈ মাজে-সময়ে শ্ৰমিক আইনৰ সাল-সলনি কৰাৰ পৰিৱৰ্তে শ্ৰমিকৰ সকলোবিলাক সুবিধা-অসুবিধা সাঙুৰি লৈ সৰ্বসন্মতি ক্ৰমে এখন ৰাষ্ট্ৰীয় আঁচনিৰ খচৰা প্ৰস্তুত কৰিব লাগে আৰু এয়ে চৰকাৰৰ প্ৰথম তথা প্ৰধান লক্ষ্য ৰূপে পৰিগণিত হ'ব লাগে। যিহেতু, যোৱা কুৰি বছৰে যথেষ্ট অধ্যয়ন, আলোচনা আৰু সংস্কাৰ কৰা হৈছে, সেয়ে সকলো ভাগীদাৰীৰ চিন্তাধাৰাক সমল কৰি লৈ ৰাষ্ট্ৰীয় শ্ৰমিক আঁচনি এখনৰ খচৰা প্ৰস্তুত কৰা সহজ হ'ব।

স্বয়ংক্ৰিয় উৎপাদনৰ ব্যৱস্থা বাবে নিবনুৱাৰ সংখ্যা বাঢ়ি আহিছে। সেয়ে কৰ্ম সংস্থাপনৰ নতুন সুযোগ সৃষ্টি কৰাটোও ভাৰত চৰকাৰৰ বাবে অতি জৰুৰী। 'মেইক্ ইন ইণ্ডিয়া'ই ইতিমধ্যেই বিনিয়োগ আকৰ্ষণ কৰাত সমৰ্থ হৈছে, কিন্তু উৎপাদন ক্ষেত্ৰত ইয়াৰ পৰা সৃষ্টি হ'ব লগা চাকৰি বাঢ়ি অহা নাই। গতিকে ভাৰত চৰকাৰে জীৱিকাৰ সুযোগ উদ্ভাৱন কৰিব লাগে যাতে যুৱ জনসংখ্যাৰ অধিক সংখ্যকে উচ্চ কৰ্মপটুতাৰদ্বাৰ জীৱিকাৰ ক্ষেত্ৰখনত সোমাই পৰিব পাৰে। উচ্চ শিক্ষাৰ লগতে কাৰিকৰী শিক্ষা দিয়াৰ জীৱিকাৰ ক্ষেত্ৰখন সোমাই পৰিব পাৰে। উচ্চ শিক্ষাৰ লগতে কাৰিকৰী শিক্ষা দিয়াৰ ব্যৱস্থা কৰিলে এই কাৰ্য সমাধা কৰাত সহায় হ'ব। শ্ৰমিক সংস্কাৰ সঁচা অৰ্থত তেতিয়াহে পৰিপূৰ্ণ হ'ব যেতিয়া শ্ৰমিক-সকলৰ মাজত উচ্চ স্তৰৰ কৌশলী কৰ্মীৰ সংখ্যা বৃদ্ধি হ'ব আৰু তেওঁলোকে মালিকৰদ্বাৰা নিষ্পেষিত হোৱাৰ ভয় নোহোৱাকৈ উৎপাদন আৰু সেৱাৰ প্ৰতি উচ্চ মূল্যৰ অৱদান আগবঢ়াব পাৰিব। সেয়ে শ্ৰমিক আইনৰ সাল-সলনি কৰাৰ বাবে ভাৰত চৰকাৰে লোৱা প্ৰচেষ্টাক আমাৰ তৰফৰ পৰা স্বাগতম জনোৱা হৈছে লগতে শ্ৰমিক শক্তিৰ কৰ্মপটুতা বঢ়াই শ্ৰমিকক ক্ষমতা সম্পন্ন কৰি তোলাৰ ওপৰতো সমানে জোৰ দিবলৈ চৰকাৰক ন দি কোৱা হৈছে। ■

# ভাৰতত অসংগঠিত শ্ৰমিক বজাৰ

এ শ্ৰীজা*

ভাৰতীয় শ্ৰমিক বজাৰ গতি-প্ৰকৃতিৰ দিশৰ পিনৰ পৰা দুভাগে বিভক্ত— য'ত ৯২ শতাংশ কৰ্মবাহিনী নীতি ৰহিত প্ৰতিষ্ঠানসমূহত নিয়োগ লাভ কৰে আৰু ১০ শতাংশতকৈ কম লোকহে নীতিসন্মত প্ৰতিষ্ঠান, উদ্যোগ আদিত কৰ্তব্যত ন্যস্ত হয়। এই বৃহৎ সংখ্যক কৰ্মবাহিনী অনানুষ্ঠানিক খণ্ডত ন্যস্ত হোৱাৰ কাৰণ হ'ল আৰ্থ-সামাজিক অৱস্থা; আৰু সেই অৱস্থা ঔপনিবেশিক কালৰ পৰাই স্থিতি লাভ কৰে। দেশখন তেনে শাসনৰ অধীনত থকাৰ কালছোৱাত যি ধৰণৰ ঔদ্যোগীকৰণে গঢ় লৈ উঠে সেই ব্যৱস্থাই কেঁচা সামগ্ৰী ৰপ্তানি আৰু উন্নত উৎপাদন সামগ্ৰী আমদানিক উৎসাহিত কৰে। ব্ৰিটেইনত যি শিল্প বিপ্লৱ গঢ়ি উঠে সেই বিপ্লৱে ভাৰতীয় অৰ্থনীতিত কোনো প্ৰভাৱ পেলাবলৈ অপাৰগ হয়। মাত্ৰ প্ৰথম মহাসমৰৰ কালছোৱাতহে কিছু পৰিৱৰ্তন হ'বলৈ ধৰে; আৰু সেই পৰিৱৰ্তন হ'ল কাৰখানা ভিত্তিক সা-সামগ্ৰী প্ৰস্তুত কৰা আৰু তাৰ উদ্দেশ্য হ'ল যুদ্ধৰ বাবে প্ৰয়োজন হোৱা সামগ্ৰীসমূহ যোগান ধৰা। সেয়ে আমি স্বাধীনতা লাভ কৰা সময়ছোৱাত আমাৰ ভাগত যি থাকিল সেয়া ঘাইকৈ হ'ল কৃষকৰ অৰ্থনীতি, কম শ্ৰমিক শক্তি আৰু তাকো বৰ্ণ ভেদৰ প্ৰভাৱৰদ্বাৰা পৰিচালিত। তাৰ কাৰণ হ'ল কৃষিবিহীন কাম-কাজবোৰ ঘাইকৈ সম্প্ৰদায়ৰদ্বাৰা পৰিচালিত হয়। কোনো কোনো সম্প্ৰদায়ৰ লোকৰ মাজত উদ্যোগপতি সীমাবদ্ধ থাকে; আৰু গঢ় লৈ উঠা উদ্যোগ— খনিজ, লো, তীখা, বস্ত্ৰ, নিউজপ্ৰিণ্ট ইত্যাদিবোৰত শ্ৰমিকৰ অনুভাগ কম।

স্বাধীনতাৰ পাছত ঔদ্যোগীকৰণৰ ক্ষেত্ৰত গঢ় লৈ উঠা মহলনবিচ কৌশল পন্থাত যি আলোকপাতৰ বিষয় গঢ় লৈ উঠে, সেয়া হ'ল মূলধনী উন্মেষ সাধন উদ্যোগ আৰু শ্ৰমিক উন্মেষ সাধন খণ্ডৰ ওপৰত আলোকপাত কৰা নীতিৰ বিষয় হ'ল অ-কৃষি খণ্ডত গ্ৰাম্য সমবায় গঠনৰ জৰিয়তে কাম-কাজবোৰ আৰম্ভ কৰা লগতে ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ বাবে কিছুমান উদ্যোগক সংৰক্ষিত কৰি কামত আগবাঢ়ি যোৱা। ইয়াৰ ফলস্বৰূপে যিবোৰ খণ্ডত শ্ৰমিকৰ উন্মেষ সাধন হ'ব লাগে সেইবোৰ তেনেদৰে বিস্তাৰিত নহয়, আকাৰত সৰু হৈ থাকে আৰু শ্ৰমিক নিয়োগৰ বিষয়টো ধৰণ-কৰণৰ ফালৰ পৰা নীতিবহিৰ্ভূত হৈ থাকে। তেনে খণ্ডবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল—কৃষি, হস্তশিল্প, হস্ত-তাঁত, ক্ষুদ্ৰ আৰু গ্ৰাম্য উদ্যোগ। ১৯৭৭-৭৮ বৰ্ষৰ কালছোৱাত মুঠ নিয়োগৰ ক্ষেত্ৰত অসংগঠিত খণ্ডৰ অংশ ভাগ আছিল ৯২.২ শতাংশ। কিন্তু ১৯৯৩-৯৪ বৰ্ষত ইয়াৰ পৰিমাণ বৃদ্ধি হৈ হয়গৈ ৯২.৭ শতাংশ। সেয়ে ইতিহাসগত-ভাৱে ভাৰতৰ অনানুষ্ঠানিক ক্ষেত্ৰত এক বৃহৎ সংখ্যক কৰ্মবাহিনীয়ে যে সেৱা আগবঢ়ায় সেয়া বেচ সুস্পষ্ট। আনকি নব্বৈ দশকৰ আগ কালছোৱাত উদাৰীকৰণ আৰু গোলকীয়কৰণ ব্যৱস্থাই মূৰ দাঙি উঠাৰ পূৰ্বেই অনানুষ্ঠানিক খণ্ডৰ ভূমিকা কি আছিল তাক সবিস্তাৰে পৰিসংখ্যাবোৰে উদঙাই দেখুৱায়।

অসংগঠিত খণ্ডৰ উদ্যোগ বিষয়ক ৰাষ্ট্ৰীয় আয়োগে অনানুষ্ঠানিক কিম্বা অসংগঠিত খণ্ড সম্বন্ধে এইবুলি উল্লেখ কৰিছে যে যিবোৰ কৰ্পোৰেট নীতি-নিয়ম অনুযায়ী দায়বদ্ধ নথকা অৰ্থাৎ তেনে বিধানত অন্তৰ্ভুক্ত নোহোৱা সকলোবোৰ বেচৰকাৰী উদ্যোগৰ মালিকীস্বত্ব থকা ব্যক্তি কিম্বা পৰিয়ালৰ দ্বাৰা পৰিচালিত হয় আৰু সেইবোৰে সা-সামগ্ৰী উৎপাদন আৰু বিক্ৰীৰ ক্ষেত্ৰত অংশীদাৰিত্ব কিম্বা মিলিত মালিকানাধীন ব্যৱস্থাৰে কাৰ্য সমাপন কৰে। এনে কাৰ্যত নিয়োগ কৰা কৰ্মীৰ সংখ্যা দহজনতকৈ কম থাকে। এই ৰাষ্ট্ৰীয় আয়োগে সংগঠিত আৰু অসংঘটিত উভয় খণ্ডতে বিস্তাৰিত কৰ্মীসকলক অনানুষ্ঠানিকভাৱে কামত ব্ৰতী হোৱা কৰ্মী ৰূপে অভিহিত কৰে; কাৰণ সেই কৰ্মীসকলৰ কোনো নিয়োগ সুবিধা আৰু সামাজিক নিৰাপত্তাৰ ব্যৱস্থা নাই। তেওঁলোকৰ নিয়োগকৰ্তাই নিয়মীয়া কৰ্মীসকলক সুবিধা আগবঢ়োৱাৰ দৰে কোনো ধৰণৰ সা-সুবিধা আগ নবঢ়ায়। ৰাষ্ট্ৰীয় আয়োগৰ এই সূত্ৰৰ ভিত্তিত অনানুষ্ঠানিকভাৱে নিয়োগৰ যি গতিধাৰা গঢ় লৈ উঠে তাক ১নং তালিকাত দেখুওৱা হৈছে।

*শ্ৰীমতী এ শ্ৰীজা নিটি আয়োগৰ স্কীল ডেভেলপমেণ্ট এণ্ড্ এমপ্লয়মেণ্ট য়ুনিটৰ সঞ্চালক।

সংগঠিত কিম্বা অসংগঠিত খণ্ড যিয়েই নহওক, অনানুষ্ঠানিক নিয়োগৰ হাৰ ১৯৯৯-২০০০ বৰ্ষৰ ৯১.২ শতাংশৰপৰা ২০০৪-০৫বৰ্ষত ৯২.৭ শতাংশলৈ বৃদ্ধি পায়। কিন্তু ২০১১-১২ বৰ্ষৰ কালছোৱাত এই হাৰ কিছু হ্ৰাস পায়। তাৰ পৰিমাণ আছিল ৯১.৯ শতাংশ (১নং তালিকাৰ দ্ৰষ্টব্য)। সি যি কি নহওক, সামগ্ৰিকভাৱে নীতিবহিৰ্ভূত-ভাৱে গঢ় লৈ উঠা খণ্ডত শ্ৰমিক শক্তি অধিক মাত্ৰাত বৃদ্ধি হোৱাৰ কাৰণ হ'ল ৫০শতাংশতকৈ অধিক কৰ্মবাহিনী স্ব-নিয়োজিত আৰু অসংগঠিত কৃষি, পাম আদি খণ্ডত ন্যস্ত থাকে। প্ৰস্তুত বা নিৰ্মাণ খণ্ডত গুৰু উদ্যোগৰ ওপৰত আধিক্য আৰোপ কৰা নিয়োগৰ ধৰণ-কৰণ নিৰ্দিষ্ট ধৰণৰ। ইপিনে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ সংৰক্ষণ নীতিৰ হেতু আকাৰৰ সীমাবদ্ধতাৰ বিষয়টো আহি পৰে, খুব অধিক গুণগত দিশৰ নিয়োগ সৃষ্টি কৰা নহয়; কাৰণ তেনে গোটবোৰে ৰাজ সাহায্য আৰু ৰেহাইৰ সুবিধা লাভ কৰিবৰ কাৰণে সৰু সৰু উদ্যোগতেই সেৰা আগবঢ়ায়। ১৯৯১ বৰ্ষৰ পৰৱৰ্তী কালৰ পৰা ৰাজহুৱা খণ্ডৰ নিৰ্বিনিয়োজন নীতিৰ ফলত বিশেষকৈ সংগঠিত খণ্ডৰ ভিতৰত অসংগঠিত নিয়োগ সৃষ্টিয়ে বৰ্হিঃ প্ৰতিযোগিতা বৃদ্ধি কৰিছে। সংগঠিত খণ্ডত অনানুষ্ঠানিক নিয়োগৰ অংশ ভাগ বহুত বৃদ্ধি হোৱা দেখা যায়। ১৯৯৯-২০০০ বৰ্ষৰ কালছোৱাত এই হাৰ আছিল ৩৭.৯ শতাংশ, কিন্তু ২০০৪-০৫ বৰ্ষত এই পৰিমাণ হয়গৈ ৪৮ শতাংশ আৰু ২০১১-১২ বৰ্ষত ইয়াৰ মাত্ৰা ৫৪.৬ শতাংশ স্পৰ্শ কৰে।

যথাযথভাৱে চলি অহা বিকাশৰ হাৰ ভাৰতে যোৱা চাৰি দশক কালত হিন্দুৰ বিকাশৰ হাৰ অতিক্ৰম কৰে আৰু ক্ষিপ্ৰ গতিৰ বৰ্দ্ধিত অৰ্থনীতি হিচাপে পৰিগণিত হয়, শ্ৰমিক বজাৰৰ গাঁথনিগত ৰূপান্তৰৰ অংশ হিচাপে কৃষি খণ্ডৰ নিয়োগ হ্ৰাস পায় আৰু নিৰ্মাণ তথা কম দক্ষতামূলক সেৱা খণ্ডৰ প্ৰতি ঘাইকৈ অসংগঠিত নিয়োগ ৰূপত স্থানান্তৰিত হয়। বৰ্দ্ধিতভাৱে গোলকীয় প্ৰতিযোগিতা গা কৰি উঠাৰ হেতু উদাৰীকৰণৰ গতি সঞ্চাৰিত হয় আৰু তাৰ ফলত পৰিৱৰ্তনেও দেখা দিয়ে। সংৰক্ষণ ভাবধাৰাৰ অপসাৰণ আৰু ৰাজসাহায্য নোপোৱাৰ আশংকা বাঢ়ি যোৱা ক্ৰমে উদ্যোগ পৰিচালনা কৰা সকলে তেওঁলোকৰ প্ৰতিষ্ঠানসমূহৰ আকাৰ সৰু কৰি পেলায়—যাতে নিয়ামক ব্যৱস্থাসমূহৰ পৰা হাত সাৰি থাকিব পৰা যায়। কৰ গাঁথনি, কৰ্মীসকলৰ বাবে সামাজিক নিৰাপত্তা বিষয়টোকে ধৰি শ্ৰমিক আইনসমূহৰ আওতাত যাতে পৰিব লগা নহয় তাৰ প্ৰতিও সেই উদ্যোগপতিসকলৰ ধ্যান আকৰ্ষিত হয়। ফলস্বৰূপে তেওঁলোকৰ দৃষ্টিভঙ্গী সলনি হয়। প্ৰতিষ্ঠানৰ আকাৰ বৃদ্ধি কৰাৰ ক্ষেত্ৰত উদ্যোগপতিসকলৰ এই অনীহা ভাবধাৰাই 'কেজুৱেল'

১নং তালিকা

**সংগঠিত আৰু অসংগতি খণ্ডৰ নীতিসন্মত তথা নীতি ৰহিত নিয়োগ**

(নিযুত হিচাপত আৰু শতাংশ অংশ ৰূপত)

| | | | |
|---|---|---|---|
| **১৯৯৯-২০০০** | | | |
| | **সংগঠিত** | **অসংগঠিত** | **মুঠ** |
| আনুষ্ঠানিক বা সংগঠিত | ৩৩.৭ | ১.৪ | ৩৫ |
| | (৬২.৩) | (০.৪১) | (৮.৮) |
| অনানুষ্ঠানিক বা অসংগঠিত | ২০.৫ | ৩৪১.৩ | ৩৬১.৭ |
| | (৩৭.৯) | (৯৯.৬) | (৯১.৩) |
| মুঠ | ৫৪.১ | ৩৪২.৬ | ৩৯৬.৮ |
| | (১৩.৬) | (৮৬.৩) | ১০০ |
| **২০০৪-০৫** | | | |
| | **সংগঠিত** | **অসংগঠিত** | **মুঠ** |
| আনুষ্ঠানিক | ৩২.০৬ | ১.৩৫ | ৩৩.৪১ |
| | (৫২) | (০.৩) | (৭.৩০) |
| অনানুষ্ঠানিক | ২৯.৫৪ | ৩৯৬.৬৬ | ৪২৬.২ |
| | (৪৮) | (৯৯.৭) | (৯২.৭) |
| মুঠ | ৬১.৬১ | ৩৯৮.০৩ | ৪৫৯.৬১ |
| | (১৩) | (৮৭) | ১০০ |
| **২০১১-১২** | | | |
| | **সংগঠিত** | **অসংগঠিত** | **মুঠ** |
| আনুষ্ঠানিক | ৩৭.১৮ | ১.৩৯ | ৩৮.৫৬ |
| | (৪৫.৪) | (০.৪) | (৮.১) |
| অনানুষ্ঠানিক | ৪৪.৭৪ | ৩৯০.৯২ | ৪৩৫.৬৬ |
| | (৫৪.৬) | (৯৯.৬) | (৯১.৯) |
| মুঠ | ৮১.৯২ | ৩৯২.৩১ | ৪৭৪.২৩ |
| | (১৭.৩) | (৮২.৭) | ১০০ |

অৰ্থাৎ নৈমিত্তিক তথা ঠিকাভিত্তিক শ্ৰমিকৰ সংখ্যা গঢ় লৈ উঠাৰ পথ মুকলি কৰে। তদুপৰি বৃহৎ কোম্পানীসমূহৰ উপকূল-ৰেখাৰ নাতিদূৰত উপাৰ্জনৰ উৎস বিচৰা প্ৰবৃত্তি আৰু আন্তৰ্জাতিকভাৱে অন্য প্ৰতিষ্ঠানক ঠিকাৰ কিছু অংশৰ কাম সমাপন কৰিবলৈ দিয়াৰ মানসিকতাও বাঢ়ি যায়। ফলস্বৰূপে স্থায়ী নিয়োগৰ ঠাইত কৰ্মীসকলক অস্থায়ী নিয়োগ প্ৰদান কৰাৰ দিশ উন্মোচন কৰে। ইয়াৰ আৰু এটা কাৰণ হ'ল এনেদৰে ঠিকাভিত্তিক শ্ৰমিকক নিয়োগ কৰিলে নিয়োগকৰ্তা-সকল আইনৰ মেৰপেঁচৰ পৰা সাৰি যাব পাৰে। ঔদ্যোগিক বিবাদ আইন, ১৯৪৭ৰদ্বাৰা পৰিচালিত কঠোৰ নীতিৰপৰা মুক্ত হ'বলৈ তেওঁলোকে বিচাৰে। আনপিনে ক্ষিপ্ৰভাৱে গঢ় লৈ উঠা প্ৰযুক্তিগত নতুন সৃষ্টিয়ে সচৰাচৰভাৱে যিবোৰ সামগ্ৰী প্ৰস্তুত কৰি উলিওৱা হয় তাৰো আৱৰ্ত কাল অৰ্থাৎ দীৰ্ঘ কালৰ বাবে টিকি থকা সম্ভাৱনা হ্ৰাস কৰিছে। ফলস্বৰূপে নতুন উন্নত সামগ্ৰী প্ৰস্তুত কৰিবৰ বাবে পৰিৱৰ্তন অনাৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। যিবোৰ মূলধনী সামগ্ৰী বিদেশৰপৰা অনাৰ ক্ষেত্ৰত যি ৰেহাই প্ৰদান কৰা হৈছিল অথবা শুল্ক মুক্ত কৰা হৈছিল সেই ক্ষেত্ৰত সৰু সৰু সামগ্ৰী প্ৰস্তুতকাৰীসকলে মুকলি বজাৰৰ এই প্ৰত্যাহ্বানৰ প্ৰতি আহ্বান জনাই নিজস্ব ৰূপত থিয় দিবলৈ ঠিক কৰে আৰু সেই অনুযায়ী মজুৰি প্ৰদান কৰা কৰ্মচাৰীসকলৰ সংখ্যা হ্ৰাস কৰে আৰু তাৰ পৰিৱৰ্তে ঠিকাভিত্তিক শ্ৰমিকৰ জৰিয়তে উৎপাদনৰ চাহিদা পূৰণ কৰিবলৈ চায়। ব্যয় হ্ৰাসকৰণ ব্যৱস্থা ৰূপে ৰাজহুৱা খণ্ডৰ ভিতৰত অসংগঠিতকৰণ শ্ৰমিকৰ নিয়োগ বৃদ্ধি হ'ল অন্য এটা বিৰূপ গতিধাৰা।

অৰ্থনৈতিক পিয়ল অনুসাৰে ছজন কৰ্মীতকৈ কম নিয়োগ কৰা এটা প্ৰতিষ্ঠান গোটৰ সংখ্যা ১৯৯০ চনৰ ৯৩ শতাংশৰপৰা ২০১৩ চনত ৯৫.৫ শতাংশলৈ বৃদ্ধি পায়। কিন্তু আনপিনে দহজন কৰ্মীতকৈ কম নিয়োগ কৰা গোটবোৰৰ শতাংশ হাৰ কিছু কমি আহে। এই হাৰ ৩.৫ শতাংশৰপৰা চলিত কালছোৱাত ৩.১শতাংশলৈ হ্ৰাস পায়। আন তেনেদৰে শতাংশ হিচাপত দহজন কৰ্মীতকৈ কম নিয়োগ কৰা গোটবোৰৰ আকাৰ ১৯৯০চনৰ ৩.১শতাংশৰপৰা ২০১৩ চনত ১.৪ শতাংশলৈ কমি আহে আৰু সেইবোৰৰ নিয়োগৰ অংশভাগো হ্ৰাস পায়। তাৰ মাত্ৰা হ'ল ৩৭.১ শতাংশৰপৰা চলিত কালছোৱাত ২১.২ শতাংশ।

নিয়োগৰ এই বৰ্ধিত বিপৰীতমুখী ধাৰা কিম্বা নৈমিত্তিক ব্যৱস্থাই কৰ্মবাহিনীক চাকৰিৰ নিৰাপত্তা হেৰুওৱা স্থিতিৰ বাট মুকলি কৰিছে, কৰ্মীসকলৰ নিজৰ তথা পৰিয়ালৰ কাৰণে চিকিৎসাৰ সা-সুবিধাৰ ক্ষেত্ৰত যি সামাজিক নিৰাপত্তা থাকিব লাগে তাকো নোহোৱা কৰাৰ উপক্ৰম কৰিছে। পেঞ্চন, কামৰ বাবদ পাব লগা স্থিতি সাপেক্ষ ক্ষতিপূৰণ, ন্যূনতম মজুৰি, নিৰ্দিষ্ট সময়তকৈ অধিক খাটনিৰ (অতিৰিক্ত) বাবদ পাব লগা মজুৰি, বিপদসংকুল কিছুমান কামৰ বাবদ থকা স্পৰ্শকাতৰ দিশ আদি বিষয়বোৰো এনে ধৰণৰ নিয়োগ অনিশ্চয়তাত সাঙোৰ খাই আছে।

এনে ধৰণৰ বৰ্দ্ধিত অসংগঠিতকৰণ সমস্যাবোৰ সমাধান কৰিবৰ কাৰণে বহুত সমিতি আৰু আয়োগ গঠন কৰা হয়। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— শ্ৰমিক বিষয়ক দ্বিতীয় ৰাষ্ট্ৰীয় আয়োগ (২০০২), দশম পৰিকল্পনাৰ কালছোৱাত প্ৰতি বছৰে ১০নিযুত নিয়োগ সা-সুবিধাৰ প্ৰতি লক্ষ্য ৰখা এছ পি গুপ্তা প্ৰতিবেদন (২০০২), ১০ নিযুত চাকৰিৰ সা-সুবিধা সৃষ্টি কৰা বিষয়ক কৰ্ম বাহিনী (২০০২) আৰু অসংগঠিত খণ্ডত উদ্যোগ স্থাপন বিষয়ক ৰাষ্ট্ৰীয় আয়োগ (২০০৪-২০০৮)। এই আয়োগবোৰৰ প্ৰতিবেদনত এইটো দেখা যায় যে শ্ৰমিক শক্তি ঘাইকৈ লিখা-পঢ়া নজনা লোক। তেওঁলোকৰ বুনিয়াদী দক্ষতা গুণ তেনেই নিম্ন স্তৰৰ আৰু এইটোৱে তেওঁলোকক কৃষিৰ পৰা নিৰ্মাণ কিম্বা সেৱা খণ্ডলৈ পৰ্যৱসিত হোৱাত বাধা দিয়ে। শ্ৰমিক বজাৰত যি গাঁথনিগত ৰূপান্তৰ সাধন হয় সেয়া কৃষিৰ পৰা কম অথবা অদক্ষ নিৰ্মাণ খণ্ডৰ দিশৰ পিনে আগুৱাই যোৱা, বেচৰকাৰী যান-বাহনৰ

**২ নং তালিকা**

**নিয়োগৰ আকাৰ-শ্ৰেণীৰদ্বাৰা প্ৰতিষ্ঠানসমূহৰ বিতৰণ স্থিতি (শতাংশ হিচাপত)**

| ক্ৰমিক সংখ্যা | নিয়োগৰ শ্ৰেণীকৰণৰদ্বাৰা | বিষয় | অৰ্থনৈতিক পিয়ল বৰ্ষ | | | |
|---|---|---|---|---|---|---|
| | | | ১৯৯০ | ১৯৯৮ | ২০০৫ | ২০১৩ |
| ১ | আকাৰ | প্ৰতিষ্ঠানসমূহ | ৯৩.৪ | ৯৪.০ | ৯৫.৪ | ৯৫.৫ |
| | ১-৫ | নিয়োগ | ৫৪.৫ | ৫৮.৬ | ৬৭.৩ | ৬৯.৫ |
| ২ | | প্ৰতিষ্ঠানসমূহ | ৩.৫ | ৩.৩ | ৩.৪ | ৩.১ |
| | ৬-৯ | নিয়োগ | ৮.৪ | ৮.৩ | ১০.৩ | ৯.৩ |
| ৩ | | প্ৰতিষ্ঠানসমূহ | ৩.১ | ২.৮ | ১.৩ | ১.৪ |
| | ১০ তথা ওপৰৰ | নিয়োগ | ৩৭.১ | ৩৩.১ | ২২.৪ | ২১.২ |

**উৎস ঃ পঞ্চম আৰু ষষ্ঠ অৰ্থনৈতিক পিয়ল— সৰ্বভাৰতীয় প্ৰতিবেদন**

চালক ৰূপে পৰিবহণ খণ্ডলৈ আগমন, ঘৰুৱা কৰ্মী, গৃহভিত্তিক নিৰাপত্তাৰক্ষী আদিৰ দৰে জীৱিকা নিৰ্বাহৰ প্ৰৱণতা উল্লেখযোগ্য। আয়োগ তথা সমিতিবোৰৰ অনুমোদনাৱলী শ্ৰমিক আইনৰ সংস্কাৰ, দক্ষতাৰ বিকাশ, বুনিয়াদী প্ৰশিক্ষণ সবল কৰা আদি বিষয়বোৰত কেন্দ্ৰীভূত হয়।

**নীতি ব্যৱস্থা**

কম দক্ষতাৰ অন্যতম নিয়োগ ক্ষেত্ৰ নিৰ্মাণ ভৱন আৰু আন নিৰ্মাণ কৰ্মীসকলৰ (নিয়োগৰ বিধি তথা সেৱা ব্যৱস্থা) আইন, ১৯৯৬ আৰু ভৱন তথা অন্যান্য নিৰ্মাণ কৰ্মীসকলৰ উপ-আইন, ১৯৯৬, কৰ্মীসকলৰ বাবে মজুৰি, কৰ্ম অৱস্থা, সুৰক্ষা সাধন আৰু স্বাস্থ্য, কল্যাণমূলক ব্যৱস্থা আদি লক্ষ্যৰে গ্ৰহণ কৰা উল্লেখযোগ্য ব্যৱস্থা। অসংগঠিত কৰ্মীসকলৰ সামাজিক নিৰাপত্তা আইন ২০০৮ প্ৰণয়ন কৰা হয় অসংগঠিত কৰ্মীসকলৰ সামাজিক নিৰাপত্তা তথা কল্যাণ সাধনৰ ব্যৱস্থা গ্ৰহণ কৰিবৰ অৰ্থে। ইয়াৰ বাহিৰেও কল্যাণমূলক ব্যৱস্থাৰ অংশ ৰূপে ২০০৮ চনত ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনা প্ৰচলন কৰা হয়। উদ্দেশ্য হ'ল অসংগঠিত খণ্ডৰ কৰ্মীসকলৰ জেপৰ ধন খৰচ কৰিব নলগাকৈ স্বাস্থ্য ব্যয়ৰাশি পূৰণ কৰিবলৈ কৰা ব্যৱস্থা। আঁচনিখনে অসংগঠিত খণ্ডৰ বিভিন্ন শ্ৰেণীৰ কৰ্মী-সকলক সামৰি লৈছে। তেনে কৰ্মীসকল হ'ল, যেনে— ভৱন আৰু নিৰ্মাণ কৰ্মী, ৰে'লৰ মাল বোজা কঢ়িওৱা কৰ্মী, পথৰ দাঁতিৰ দোকানী, মহাত্মা গান্ধী এনৰেগা কৰ্মী, ঘৰুৱা কৰ্মী, অটো তথা টেক্সী চালক, ৰিক্সা চালক, পেলনীয়া সামগ্ৰী বুটলি ফুৰা ব্যক্তি, বিড়ি তৈয়াৰ কৰা কৰ্মী, খনিত কাম কৰা কৰ্মী আৰু অনাময় ব্যৱস্থাত ন্যস্ত থকা কৰ্মী। ২০১৬ চনৰ ৩১ মাৰ্চৰ হিচাপত ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনাৰ স্মাৰ্ট কাৰ্ড থকা ৪১.৩ কোটি লোক আছে।

ঠিকা ভিত্তিক শ্ৰমিকৰ নিয়োগ বিধিবদ্ধ কৰিবৰ কাৰণে ঠিকা ভিত্তিক শ্ৰমিক (ৰেগুলেচন এণ্ড এব'লিচন) ১৯৭০ৰ ব্যৱস্থা আছে। কিন্তু এই আইনখনৰ প্ৰযোজ্য বিষয় ২০ তকৈ অধিক কৰ্মী ন্যস্ত কৰা প্ৰতিষ্ঠান কিম্বা ঠিকাদাৰৰ ক্ষেত্ৰতহে সীমাবদ্ধ আৰু সেয়ে বৃহৎ সংখ্যক ঠিকাত কাম কৰা কৰ্মী এই আইনখনৰ আওতাৰ বাহিৰত থাকে। আন্তঃৰাজ্যিক প্ৰব্ৰজিত কৰ্মী-সকলক বিধিবদ্ধ তথা তেওঁলোকৰ কামৰ অনুকূল অৱস্থা যোগান ধৰিবলৈ এখন আইন প্ৰণয়ন কৰা হয়। সেই আইনখনক কোৱা হয় আন্তঃৰাজ্যিক প্ৰব্ৰজিত কৰ্মী (নিয়োগ বিধিৱদ্ধ তথা সেৱা প্ৰদান ব্যৱস্থা) আইন, ১৯৭৯। আইনখনত কেইটামান কল্যাণমূলক বিষয় তালিকা-ভুক্ত কৰা হয়। সেয়া হ'ল—থলুৱা কৰ্মীৰ দৰেই তেওঁলোকলৈ সমান মজুৰি, কোনো বেতন নেহেৰুৱাকৈ সময়ে সময়ে নিজৰ গৃহলৈ যোৱাৰ অধিকাৰ, চিকিৎসা যতন ব্যৱস্থাৰ প্ৰতি অধিকাৰ আৰু নিয়োগৰ স্থানতেই থাকিবৰ কাৰণে ঘৰৰ সুবিধা ইত্যাদি। কিন্তু বাস্তৱ ক্ষেত্ৰত এনেবোৰ ব্যৱস্থাৰ প্ৰতি মনোযোগ দিয়া নহয়। প্ৰব্ৰজন কৰি কামত ন্যস্ত হোৱা কৰ্মীসকল শোচনীয় অৱস্থাত বাস কৰি কাম কৰিব লাগে। ইয়াৰ বাহিৰেও নিৰ্দিষ্ট ক্ষেত্ৰত কাম কৰা শ্ৰেণীৰ লোকৰ প্ৰয়োজনীয়তা পূৰণ কৰিবৰ বাবে বহুত কল্যাণমূলক বিধি ব্যৱস্থা আছে। তেনে শ্ৰেণীৰ কৰ্মীসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল—খনিৰ কৰ্মী, বিড়ি আৰু চিগাৰ কৰ্মী, কায়িকভাৱে ন্যস্ত থকা মল-মূত্ৰ চাফাই কৰা কৰ্মী ইত্যাদি। কিন্তু এইসকল কৰ্মীৰ অজ্ঞতাৰ হেতু তেওঁলোকৰ অৱস্থা শোচনীয় হৈ আছে। সেয়ে বিধি— ব্যৱস্থা নজনাৰ বাবে তেওঁলোকে কামত যোগদান কৰাৰ পূৰ্বে দৰদাম কৰিবলৈ সক্ষম নহয়।

অনানুষ্ঠানিক প্ৰতিষ্ঠানসমূহত কাম কৰা কৰ্মীসকলক সামাজিক নিৰাপত্তা ব্যৱস্থাত সামৰি ল'বলৈ বহুত আঁচনি প্ৰচলন কৰা হৈছে। এইবোৰ আঁচনিক সাৰ্বজনীন কৰি তোলাই হ'ল ইয়াৰ উদ্দেশ্য। তাৰ ভিতৰত অটল পেঞ্চন যোজনাৰ কথা ক'ব পাৰি। এই যোজনাই ন্যূনতম পেঞ্চন নিশ্চিত কৰে। সেই ধনৰাশিৰ পৰিমাণ প্ৰতি মাহে ১০০০ টকাৰ পৰা আৰম্ভ হয়। ১৮-৪০ বয়স গোটৰ লোকে ইয়াত বৰঙণি যোগাব পাৰে আৰু ৬০বছৰ হ'লে তেনে লোকক বৰঙণিৰ ওপৰত ভিত্তি কৰি পেঞ্চন দিয়া হয়। তেনেদৰে প্ৰধান মন্ত্ৰী সুৰক্ষা বীমা যোজনা আছে—যি ২ লাখ টকা পৰ্যন্ত দুৰ্ঘটনা আৰু শাৰীৰিকভাৱে অসমৰ্থ হৈ পৰা ব্যক্তিক সামৰি লয়। ইয়াৰ বাৰ্ষিক প্ৰিমিয়াম হ'ল ১২টকা। প্ৰধান মন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা হ'ল অন্য এখন আঁচনি—যি ২লাখ টকাৰ জীৱন বীমাৰ সুবিধা আগবঢ়ায়। ইয়াৰ বাৰ্ষিক প্ৰিমিয়াম হ'ল ৩৩০টকা। তেনেদৰে প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাও আছে—যাৰদ্বাৰাই খেতিয়ক-সকলে বিত্তীয় সমৰ্থন লাভ কৰিব পাৰে। ভাবিব নোৱাৰা হঠাতে আৰম্ভ হোৱা দুৰ্ঘটনাৰ হেতু শস্য নষ্ট হোৱাৰ ফলত কৃষকে এই যোজনাৰ পৰা উপকৃত হ'ব পাৰে। বীজ সিঁচাৰ পূৰ্বৰ পৰা আৰম্ভ কৰি ফচল চপোৱা কালছোৱালৈকে ক্ষয়-ক্ষতি হোৱা সমগ্ৰ শস্যৰ বাবে ইয়াক সামৰি লোৱা হয়।

প্ৰধান মন্ত্ৰী ৰোজগাৰ প্ৰোৎসাহন যোজনাৰ অধীনত চৰকাৰে কৰ্মচাৰী

ভৱিষ্য নিধিলৈ নিয়োগকৰ্তাৰ বৰঙণিৰ ৮.৩৩ শতাংশ যোগান ধৰে। বস্ত্ৰ খণ্ডৰ ক্ষেত্ৰত ১২ শতাংশ তেনে বৰঙণি চৰকাৰৰদ্বাৰা প্ৰদান কৰা হ'ব যিবোৰ নতুন হিচাপ-বহী (একাউণ্টছ) ২০১৬ চনৰ এপ্ৰিলৰ পিছত খোলা হয়। অধিক সংখ্যক কৰ্মী নিয়োগ কৰিবলৈকে সৰু সৰু প্ৰতিষ্ঠানসমূহক উৎসাহ প্ৰদান কৰাই হ'ল উদ্দেশ্য— যাৰদ্বাৰাই কৰ্মচাৰী-সকলক সামাজিক নিৰাপত্তাৰ লাভ সমূহ যোগান ধৰিব পৰা যায়। কাম-কাজৰ সন্দৰ্ভত শিক্ষা নবিচসকলক লোৱাত নিয়োগকাৰীক উৎসাহিত কৰিবৰ বাবে 'নেচনেল এপ্ৰেণ্টিছশ্বিপ প্ৰমোচন স্কীম' প্ৰচলন কৰা হয়। এই আঁচনিৰ অধীনত চৰকাৰে নিৰ্দিষ্ট জলপানিৰ ২৫ শতাংশ পুনৰ কামত খটুৱাৰ ব্যৱস্থা কৰে। এয়া সকলো নবিচৰ ক্ষেত্ৰত প্ৰত্যেক নবিচৰ বাবে প্ৰদান কৰিব লগা পৰিমাণ হ'ল সৰ্বাধিক ১৫০০টকা। লগতে নতুনকৈ শিক্ষা নবিচ ৰূপে যোগ দিয়া সকলৰ ক্ষেত্ৰত মূল প্ৰশিক্ষণৰ ব্যয় ৰাশিৰ সন্দৰ্ভতো অংশ ভাগ থাকে (যিসকলে আনুষ্ঠানিকভাৱে প্ৰশিক্ষণ নোলোৱাকৈ পোনপটীয়াভাৱে প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ আহে। তাৰ পৰিমাণ ৭৫০০ টকা প্ৰত্যেক নবিচৰ ক্ষেত্ৰত আৰু ইয়াৰ আৱৰ্ত কাল হ'ল সৰ্বাধিক ৫০০ ঘণ্টা কিম্বা ৩ মাহ।

"স্কিল ইণ্ডিয়া মিছন'ৰ অধীনত প্ৰধান মন্ত্ৰী কৌশল বিকাশ যোজনাৰ জৰিয়তে কুৰিটাতকৈ অধিক কেন্দ্ৰীয় মন্ত্ৰণালয়ৰদ্বাৰা কৌশল বিকাশ কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। নতুনকৈ ভাগ লোৱা শ্ৰমিকসকলক কৰ্ম দক্ষ কৰি তোলাই হ'ল ইয়াৰ উদ্দেশ্য—যাতে তেওঁলোকে ভাল দৰমহাৰ চাকৰি পায়।

কাম-কাজ, বেপাৰ-বাণিজ্য সহজ কৰি তুলিবৰ কাৰণে পঞ্জীকৰণ প্ৰক্ৰিয়া, শ্ৰমিক আইন মানি চলাৰ ব্যৱস্থা, পৰিদৰ্শন আদি বিষয়বোৰ সৰলীকৰণ কৰা হৈছে—যাতে অধিক সংখ্যক উদ্যোগ স্থাপন তথা গুণগত চাকৰি যোগান ধৰা কাৰ্যক উৎসাহিত কৰিব পৰা যায়। কিছুমান মূল আঁচনি, যেনে— 'মেইক্ ইন ইণ্ডিয়া', 'ডিজিটেল ইণ্ডিয়া', 'স্বচ্ছ ভাৰত অভিযান' আদি প্ৰয়াসৰদ্বাৰা নিয়োগ উদ্ৰেকৰণৰ সা-সুবিধা প্ৰদান কৰিব লাগে। তদুপৰি আন কিছুমান প্ৰচেষ্টাৰ জৰিয়তে উদ্যোগী মনোভাবক জগাই তুলিবৰ কাৰণে প্ৰয়াস কৰা হৈছে। তেনে প্ৰয়াসৰ ভিতৰত উল্লেখ্য হ'ল— ষ্টাৰ্ট আপ ইণ্ডিয়া- ষ্টেণ্ড্আপ ইণ্ডিয়া, মুদ্ৰা (এম ইউ ডি আৰ এ), এছপায়াৰ, অটল ইন'ভেশ্বন মিছন, প্ৰধান মন্ত্ৰী যুৱ যোজনা ইত্যাদি। ঔদ্যোগিক মনোভাবৰ এনেবোৰ প্ৰয়াসে উপযুক্ত বেতনৰ অধিক চাকৰি সৃষ্টি কৰিব।

সামৰণিত এইটো কোৱা সমীচীন হ'ব যে বিধানিক তথা আঁচনি বিশেষৰ প্ৰচেষ্টাৰ জৰিয়তে অনানুষ্ঠানিক প্ৰতিষ্ঠানসমূহত কাম কৰি থকা কৰ্মীসকলক সামাজিক নিৰাপত্তা ব্যৱস্থাৰ অধীনলৈ অধিকভাৱে আনিবলৈ বাধ্য; আৰু ইয়াৰ লগতে এইটোও নিশ্চিত কৰাৰ আৱশ্যক যে যিবোৰ নতুন চাকৰি সৃষ্টি হ'ব সেইবোৰৰ ধৰণ-কৰণ আৰু প্ৰকৃতি ভাল হ'ব লাগিব। □

**(৫ পৃষ্ঠাৰ পৰা)**

বক্ৰপথত থকা সামাজিক সুৰক্ষাৰ অভাৱ বিলাক চিহ্নিত কৰিব লাগে। সমসাময়িক ভাৰতীয় ৰাজ্যসমূহে বৰ্তমানৰ প্ৰচলিত বৃহৎ-অৰ্থনীতিৰ সময়তো শ্ৰমিকৰ সমস্যাসমূহৰ প্ৰতি আওকণীয়া মনোভাবে ৰখাৰ বাবেই। 'সস্তীয়া শ্ৰমিক'ৰ দ্বাৰা অধিক লাভৱান হ'ব বিচাৰিছে বুলি ধৰিব পৰা যায়। তথাপি, বিশ্বায়নৰ অভিজ্ঞতা আৰু সংজ্ঞাৰ ক্ষেত্ৰত এনে পদক্ষেপে এটা প্ৰশ্নবোধক চিহ্নৰ অৱতাৰণা কৰে।

অনিয়মীয়াভাৱে নিয়োজিত কৰ্মী-সকলৰ বাবে সামাজিক সুৰক্ষা অতি প্ৰয়োজন, যাৰদ্বাৰা তেওঁলোকৰ কৰ্ম সম্পাদনৰ ব্যৱস্থা আৰু পৰিৱেশত উন্নতি হ'ব আৰু তেওঁলোকে এটা সন্মানীয় জীৱন যাপন কৰিব পাৰিব। ইয়াৰ বাবে মানুহৰ মৌলিক প্ৰয়োজনীয় সেৱা, যেনে—পুষ্টি, অনাময় ব্যৱস্থা, স্বাস্থ্য আৰু শিক্ষা প্ৰদান ব্যৱস্থাৰ উন্নীতকৰণত বিশেষভাৱে চকু দিব লাগিব। ইয়াৰদ্বাৰা শ্ৰমিকৰ পাৰ্থিৱ আৰু সামাজিক অৱস্থাৰ উন্নতি হ'ব আৰু কৰ্মৰ সুৰক্ষাহীনতা কমি আহিব। □

# শ্ৰমিক নীতি আৰু শ্ৰমিক কল্যাণ ঃ এটা আন্তৰ্জাতিক তুলনা

**প্ৰদীপ আগৰৱালা***

এখন দেশৰ শ্ৰমিক সম্পদক উপযুক্ত-ভাৱে ব্যৱহাৰ কৰাটো হ'ল ক্ষীপ্ৰ অৰ্থনৈতিক বিকাশ সাধনৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ বিষয়। উৎপাদনৰ ক্ষেত্ৰতো শ্ৰমিক উপস্থিতি এটা অনন্য কাৰক শক্তিস্বৰূপ। সেই শক্তিক উপযুক্তভাৱে ব্যৱহাৰ কৰাৰ ওপৰত মনোযোগ দিয়া কৰ্তব্য। কাৰণ সেই কৰ্মীসকল হ'ল মানৱ— অন্য কোনো সামগ্ৰী নহয়। সেই বাবে শ্ৰমিক নীতিসমূহত তেওঁলোকৰ বাবে বৈশিষ্ট্যপূৰ্ণ সামাজিক কিম্বা কল্যাণৰ দিশ থকাতো বাঞ্ছনীয়। এই বিষয়টোক লৈ শ্ৰমিক বজাৰৰ নীতি সন্দৰ্ভত প্ৰকাশ কৰা মন্তব্যসমূহ ভিন ভিন হোৱা দেখা যায়। যিসকলে কল্যাণ কিম্বা সামাজিক দিশটোৰ সন্দৰ্ভত আধিক্য আৰোপ কৰে তেওঁলোকে প্ৰায়েই সংঘ গঠন কৰাৰ স্বাধীনতা, নিম্নতম মজুৰি আইন তৈয়াৰ, চাকৰি নিৰাপত্তাৰ কিছু ব্যৱস্থা কৰিবৰ বাবে মাত মাতে। নিবনুৱা বীমা, চাকৰিৰ পৰা উলিয়াই দিলে তেনে কৰ্মীক পুনৰ প্ৰশিক্ষণৰ বাবে ৰাজসাহায্যমূলক সা-সুবিধা প্ৰদান কৰিবৰ বাবেও ওকালতি কৰে। আনহাতে শ্ৰমিক বজাৰৰ ফলদায়ক দিশটোৰ প্ৰতি অধিক গুৰুত্ব আৰোপ কৰাসকলে ৰাজ্যৰ হস্তক্ষেপৰ সন্দৰ্ভত যুক্তি দৰ্শায়। তেনে হস্তক্ষেপৰ বিষয় হ'ল— চাকৰিৰ নিৰাপত্তা ব্যৱস্থাই নিয়োগ বৃদ্ধি হ্ৰাস কৰিব পাৰে, উৎপাদনশীল স্থিতিটো প্ৰভাৱ পেলাব পাৰে; আৰু তাৰ ফলস্বৰূপে দীৰ্ঘকালৰ অন্তত কৰ্মীসকলক আঘাত কৰিব পাৰে। তেওঁলোকে প্ৰায়েই কিছুমান নীতিৰ সপক্ষে মন্তব্য আগবঢ়ায়। তাৰ ভিতৰত কেইটামান উল্লেখযোগ্য বিষয় হ'ল এনেধৰণৰ— (১) উপযুক্তভাৱে কামৰ উদগনি প্ৰদান কৰি যিমান সম্ভৱ সিমানেই শ্ৰমিকক উৎপাদনৰ প্ৰতি সচেষ্ট কৰি তোলক; আৰু তাৰ বাবে বেতন, বোনাচ, পদোন্নতিৰ নীতি ব্যৱস্থাৰ জৰিয়তে সাৰ্থক কৰি তোলক। লগতে উপযুক্ত শিক্ষা আৰু প্ৰশিক্ষণৰ দ্বাৰাও তেওঁলোকক নিপুণ কৰি তোলক। (২) শ্ৰমিক আৰু পৰিচালক-বৰ্গৰ মাজত মতদ্বৈধতা সমাধানৰ অৰ্থে উপযুক্ত কাৰ্য ব্যৱস্থাৰ দিহা কৰি সুস্থ ঔদ্যোগিক সম্পৰ্ক গঢ়ি তোলাটো নিশ্চিত কৰক— যাতে ধৰ্মঘট আদিৰ বাবে ক্ষতি হোৱা কৰ্মদিনবোৰ তেনেই কম কৰিব পাৰি। (৩) অৰ্থনীতিৰ ক্ষেত্ৰত দেখা দিয়া নানা বাধাবোৰৰ সৈতে উপযুক্তভাৱে মোকাবিলা কৰিবলৈ শ্ৰমিকসকলক ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত শিথিল মনোভাৱ পোষণ কৰক; আৰু তাৰ বাবে সহজ ব্যয় সংকোচন তথা পুনৰ প্ৰশিক্ষণ প্ৰদান কৰি ব্যৱস্থা গ্ৰহণ কৰক। (৪) শ্ৰমিক বজাৰত বিৰূপ ভাব আৰু হস্তক্ষেপ কম কৰক।

বাস্তৱত এই উভয় দৃষ্টিভংগী বিপৰীতমুখী দিশৰে পুষ্ট; এটা বা আনটোক বাছি ল'ব পৰা নাযায়। দুয়োটাৰে মাজত এটা উপযুক্ত ভাৰসাম্য ৰক্ষা কৰি বিচাৰ কৰাটোহে গুৰুত্বপূৰ্ণ কথা আৰু সেয়ে শ্ৰমিক নীতি অনুসৰণ কৰাৰ ক্ষেত্ৰত প্ৰায়ভাগ দেশেই সম্ভৱতঃ এই দুই শীৰ্ষ স্থিতিৰ মাজত কোনোবাখিনিত পৰে। পিছে কিছু ক্ষেত্ৰত তেনে বাছনি নিৰ্ভৰ কৰে এখন দেশৰ বিকাশৰ স্তৰ তথা নিবনুৱা স্থিতিৰ ওপৰত। যেতিয়া এখন দেশৰ বিকাশ হয় আৰু সম্পূৰ্ণ নিয়োগৰ ওচৰা-উচৰি অৱস্থাত উপনীত হয় তেতিয়া সেই দেশখনে অধিক কল্যাণ উন্মেষ সাধনৰ কাম কৰিবলৈ সক্ষম হ'ব পাৰে; কিয়নো ইয়াৰ বাবে নিয়োগৰ সুবিধা নোপোৱা কৰ্মীসকলৰ কেৱল এটা সৰু অংশকহে সহায়-সমৰ্থন কৰাৰ আৱশ্যক হয়। অৱশ্যে ঔদ্যোগীকৰণৰ আগ সময়ছোৱাত— বিশেষকৈ যদিহে বৃহৎ সংখ্যক লোক সম্পূৰ্ণৰূপে অথবা লাভদায়কভাৱে নিয়োগপ্ৰাপ্ত নহয় তেনেস্থলত উপযুক্ততাৰ দিশটোৰ ওপৰত সঠিকভাৱে আলোকপাত কৰাৰ প্ৰয়োজন হয়। একেদৰে যিবোৰ দেশৰ অধিক মুকলি অৰ্থনীতি আছে আৰু ৰপ্তানি তথা বিদেশৰ প্ৰত্যক্ষ বিনিয়োগক আকৰ্ষণ কৰাৰ ওপৰত অধিক আধিক্য আৰোপ কৰে তেনেবোৰ দেশে শ্ৰমিকক উপযুক্ত কৰি তুলিব লাগে যাতে ৰপ্তানি বজাৰসমূহত প্ৰতিযোগিতা কৰিব পাৰে আৰু বিদেশৰ প্ৰত্যক্ষ বিনিয়োগকো আকৰ্ষিত কৰিব পাৰে। সেয়েহে তেনেবোৰ দেশে উপযুক্ততাৰ দিশটোৰ

***লেখক প্ৰদীপ আগৰৱালা ৰিজাৰ্ভ বেংকৰ চেয়াৰ অধ্যাপক আৰু নতুন দিল্লীৰ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ এনডাউমেণ্ট য়ুনিটৰ মুৰব্বী।**

ওপৰত আধিক্য আৰোপ কৰাৰ অধিক সম্ভাৱনা থাকে।

চীন দেশৰ ক্ষেত্ৰতে এই কথাটো ক'ব পাৰি। ই হ'ল প্ৰস্তুত সামগ্ৰী ৰপ্তানি কৰা বিশ্বৰ বৃহত্তম দেশ। এই দেশখনৰ শাসনভাৰ কমিউনিষ্ট পাৰ্টিৰদ্বাৰা পৰিচালিত কৰা হয়। কৰ্মীসকলৰ কল্যাণ আৰু স্বাৰ্থ অটুট ৰখাৰ লক্ষ্যৰেই প্ৰতিষ্ঠাপিত সেই চৰকাৰখনে এনে শ্ৰমিক আইন অৱলম্বন কৰিছে যাৰ দ্বাৰাই নিপুণতা লাভ কৰাৰ উপৰিও উৎপাদনৰ দিশত শ্ৰমিকসকলক সমুচিতভাৱে ব্যৱহাৰ কৰি পূৰ্ণৰূপত সুফল পাব পাৰে। চীনৰ শ্ৰমিক আইন ব্যৱস্থাত আনকি অনিৰ্দিষ্ট কালৰ বাবে (অথবা 'স্থায়ী') নিয়োগ লাভ কৰি থকা চাকৰিয়ালকো ভীষণ ধৰণে শ্ৰমিক শৃংখলা কিম্বা কৰ্মচাৰীৰ বিধি-নিয়ম উলংঘা কৰিলে নিলম্বন কৰিব পাৰে। কৰ্তব্যৰ প্ৰতি বেয়াকৈ আওকাণ কৰা অথবা ধনৰ হৰলুকী কৰাৰ কাৰণেও নিলম্বন কৰিব পাৰে। নিৰ্দিষ্ট তাৰিখ উকলি যোৱা সময়লৈকে ঠিকাভিত্তিত কাম কৰা কৰ্মচাৰীয়ে যদি সেই ওকলি যোৱা কালছোৱালৈকে চাকৰি কৰি নাথাকে তেনে অৱস্থাত কোনো ধৰণৰ দৰমহা, বানচ আদি আদায় দিব নালাগে। যথেষ্ট সংখ্যক কৰ্মচাৰীক চাকৰি এৰি দিবলৈও সন্মতি প্ৰদান কৰা হয় যেতিয়া নিয়োগকৰ্তা বৃহৎ কঠিনতাৰ সন্মুখীন হয়। তেনে কঠিনতা হ'ব পাৰে উৎপাদন অথবা কাৰ্য পৰিচালনাৰ বিষয় (যেনে— বৃহৎ পুনৰগাঁথনি কাৰ্য, ব্যয়সায় অথবা ৰপ্তানি বজাৰ পৰি অহাৰ হেতু উৎপাদনত বৃহৎ পৰিমাণে হ্ৰাস হোৱা ইত্যাদি)। অৱশ্যে এনে কোনো ধৰণৰ চাকৰিৰ পৰা অব্যাহতি দিলে জাননী জাৰি কৰা তাৰিখৰ পৰা কমেও এমাহ সময় দিব লাগিব। তেনেদৰে বিভাজ্য দৰমহাও এটা মাহৰ মজুৰি হিচাপত দিব লাগিব। এনেধৰণৰ বিভাজ্য বেতন (অৰ্থাৎ নিষ্পত্তিকৰণ) চাকৰিৰ পৰা অব্যাহতি দিয়া কৰ্মচাৰীকো দিয়াৰ আৱশ্যক হয়। মাত্ৰ যিসকল কৰ্মচাৰীক নিয়ম-কানুন নমনাৰ বাবে চাকৰিৰ পৰা উলিয়াই দিয়া হয় অথবা অন্য কোনো বৃহৎ দোষ-ত্ৰুটী কৰে তেনে কৰ্মচাৰীৰ ক্ষেত্ৰত সেইবোৰ নিয়ম প্ৰযোজ্য নহয়। ৰপ্তানি প্ৰক্ৰিয়া মণ্ডলত শ্ৰমিক আইন অধিক শিথিল হয়। সেইবোৰত নিয়োগকৰ্তাসকলৰ অন্য প্ৰতিষ্ঠানৰ পৰা অধিক বেতন দি লৈ অনা আৰু বহু সা-সুবিধা আদায় কৰাৰ অধিকাৰৰ প্ৰায় সীমা নাথাকে। এইটো কৰা হয় বিদেশৰ প্ৰত্যক্ষ বিনিয়োগক আকৰ্ষণ কৰিবৰ বাবে আৰু উৎপাদন শিথিলতাৰ বাবে অধিক সুবিধা প্ৰদান কৰাৰ আৱশ্যক হয়। তাৰ কাৰণ হ'ল ৰপ্তানিৰ ক্ষেত্ৰত অনিশ্চয়তা অৱস্থা তথা সময়বিশেষৰ ভিন্ন স্থিতি। এই আইনবোৰে এটা সুশৃংখলিত তথা সক্ষম কৰ্মবাহিনী নিশ্চিত কৰাত সহায় কৰিছে।

পূব আৰু দক্ষিণ-পূব এছিয়াৰ অন্য প্ৰায়ভাগ দেশতেই কিছু পৰিমাণে এনেধৰণৰ একেই নীতি বিৰাজমান হৈ আছে— যদিও সেই আইনবোৰৰ কিছু বিষয়ত দেশভেদে কিছু সলনি হ'ব পাৰে। তেনে দেশবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— ইন্দোনেছিয়া, থাইলেণ্ড, মালয়ছিয়া, টাৱাইন আৰু দক্ষিণ কোৰিয়া। এইবোৰ দেশৰ সৰহভাগেই শ্ৰমিক আইনবোৰ শক্তিশালী কৰে, কিয়নো সেইবোৰ দেশে নিজৰ অৰ্থনীতি সবল কৰি তুলিছে। এতিয়া সেইবোৰ দেশে প্ৰতিবছৰে এজন কৰ্মচাৰীক কাম কৰাৰ অন্তিম দিনাখন দিবলগা মজুৰি হিচাপত এমাহৰ মজুৰিৰ বিভাজ্য বেতন অথবা 'কৰ্মচ্যুতি' বেতন দিব লগা হয়। অৱশ্যে এয়া ৮-১২ মাহৰ বেতনৰ সৰ্বাধিক হিচাপত পৰিশোধযোগ্য— তেহেলৈ কাম কৰাৰ আৱৰ্ত কাল যিয়েই নওক। ছিঙ্গাপুৰত তিনি বছৰতকৈ কম কালতকৈ কাম কৰা কৰ্মচাৰীৰ ক্ষেত্ৰত তেনে কৰ্মচ্যুতি মজুৰি দিব লগা নহয় অথবা পৰিচালনামূলক দায়িত্বৰ স্থিতিত থকা কৰ্মচাৰীৰ ক্ষেত্ৰতো দিব লগা নহয়। পূব এছীয় দেশৰ প্ৰায়ভাগতেই বুজন পৰিমাণৰ বোনাচ দিয়াৰ পৰম্পৰা আছে আৰু সেই বোনাচ কেবামাহৰ মজুৰিৰ সমান হয়। অৱশ্যে তেনে বোনাচ নিৰ্দিষ্ট নহয়। প্ৰতিষ্ঠানসমূহৰ লাভৰ সৈতে ইয়াৰ সম্পৰ্ক আছে; আৰু প্ৰায়েই প্ৰতিজন কৰ্মীয়ে কেনেদৰে কাৰ্য সমাপণ কৰিলে সেইটোৰ মূল্যাংকন কৰিহে বোনাচ দিয়াৰ বিবেচনা কৰা হয়। এনে ব্যৱস্থাই কৰ্মচাৰীসকলৰদ্বাৰা সহযোগাত্মক ভাৱধাৰা নিশ্চিত কৰাত সহায় কৰে আৰু কোম্পানীক সক্ষম তথা ভালদৰে কাম-কাজ চলোৱাত সহায় কৰে।

প্ৰায়ভাগ ইউৰোপীয় দেশত এনেধৰণৰ আইন আছে। (পূব এছীয় দেশবোৰে ইউৰোপত আদি কালতে বিকাশ কৰা শ্ৰমিক সুৰক্ষা সাধন পৰিকাঠামোৰ কিছুমান উপায় অৱলম্বন কৰি ক্ৰমান্বয়ে নিজ নিজ দেশত খাপ খুৱাই লৈ কামত লগায়)। ইউৰোপীয় দেশবোৰ অধিক উন্নত আৰু নিবনুৱাৰ ক্ষেত্ৰত কম সমস্যাৰ উদ্ভৱ হোৱালৈ চাই কৰ্মচাৰীসকলৰ বাবে তেনে শ্ৰমিক আইন অধিকভাৱে কিছু গ্ৰহণযোগ্য হয়— যদিও তাৰ প্ৰায়ভাগেই কৰ্তব্যত অৱহেলা বা অন্য কোনো ব্যতিক্ৰম দেখিলে কৰ্মীসকলক চাকৰিৰ পৰা উলিয়াই দিয়াৰ নিয়ম আছে; কিম্বা অযোগ্যতাৰ চিহ্ন পৰিস্ফূট হ'লেও

তেনে কৰ্মীক বিদায় দিয়া হয়। এটা প্ৰতিষ্ঠানে কাম-কাজ চলাই নিয়াৰ ক্ষেত্ৰত অত্যন্ত কঠিনতা ভোগ কৰিলে কৰ্মচাৰীৰ ওপৰত মাধমাৰ শোধায়, অৰ্থাৎ কৰ্মচ্যুত কৰা হয় আৰু প্ৰতিষ্ঠানৰ উৎপাদনো হ্ৰাস কৰিব লগা হয়।

ব্ৰিটেইনত অসাধু কৰ্মীক কৰ্মচ্যুত কৰাৰ সন্দৰ্ভত আইন তৈয়াৰ কৰা হয়। এই ব্ৰিটেইনেই হ'ল সেই দেশ য'ৰ পৰা উনৈশ শতিকাত ভাৰতৰ শ্ৰমিক আইনবোৰৰ সূত্ৰপাত ঘটে। ব্ৰিটেইনৰ উল্লিখিত আইনখনত এই ব্যৱস্থা কৰা হয় যে এজন নিয়োগকৰ্তাই এজন কৰ্মচাৰীক আইনসঙ্গতভাৱে একমাত্ৰ নাকচ কৰিব পাৰে— যদিহে (১) তেনে নাকচ পদক্ষেপ গ্ৰহণ কৰাৰ ক্ষেত্ৰত উপযুক্ত কাৰণ আছে, আৰু (২) যদিহে উপযুক্ত আৰু যুক্তিসঙ্গত নিয়ম মানি চলে। আইনখনত 'উপযুক্ত' কাৰণ ৰূপে গণ্য কৰাৰ পাঁচটা কাৰণ আছে। সেয়া হ'ল— (১) অৰ্থহীন বা অপ্ৰয়োজনাত্মক (য'ত নিয়াগকৰ্তাই এটা নিৰ্দিষ্ট কামত কৰ্মচাৰীৰ সংখ্যা হ্ৰাস কৰে অথবা এখন নিৰ্দিষ্ট কৰ্মথলীত তেনে অৱস্থাৰ সৃষ্টি হয়); (২) স্বভাৱ আৰু আচৰণ বেয়া; (৩) সামৰ্থ্য (অৰ্থাৎ কাৰ্য সমাপণৰ বিষয় কিম্বা এটা কাম কৰাৰ অসমৰ্থতা); (৪) যি ক্ষেত্ৰত ক্ৰমাগত নিয়োগে ন্যায়িক কৰ্তব্য ভঙ্গ কৰিব (যেনে— অযোগ্য ৰূপে বিবেচনা কৰা গাড়ী চালকক অবিৰতভাৱে গাড়ী চলাবলৈ দি থকা) আৰু (৫) আন কিছুমান যুক্তিসঙ্গত কাৰণ যিবোৰ সকলো শ্ৰেণীৰ ক্ষেত্ৰত প্ৰযোজ্য। ব্ৰিটেইন আৰু অন্য কিছুমান ইউৰোপীয় দেশত আনকি নিৰ্দিষ্ট কালৰ ঠিকাৰ সময় উকলি গ'লে কামৰ পৰা উলিয়াই দিয়া ৰূপে গণ্য কৰা হয়। অৱশ্যে ব্ৰিটেইনত কৰ্মচাৰীক কামৰ পৰা উলিয়াই দিয়াৰ বাবদ প্ৰায় এসপ্তাহৰ মজুৰি দিব লগা হয়। এয়া প্ৰতি বছৰে কাম কৰা মজুৰিৰ ওপৰত হিচাপ কৰি দিয়া হয় আৰু তেনে কৰ্মচ্যুত মজুৰিৰ সীমা হ'ল সৰ্বাধিক তিনি মাহৰ মজুৰিৰ পৰিমাণ। এই সন্দৰ্ভত এটা বিষয় উল্লেখ কৰা উচিত হ'ব যে পশ্চিম ইউৰোপীয় দেশসমূহত উন্নত সামাজিক সুৰক্ষা পদ্ধতি আছে। তেনেদৰে অধিক উপাৰ্জন কৰা দেশসমূহতো তেনে পদ্ধতি বিৰাজমান আৰু তেনে সুৰক্ষা পদ্ধতি অৱলম্বন কৰা ক্ৰমেই সেই দেশবোৰে নিয়োগ লাভ নকৰা লোকসকলকো ন্যায়োচিতভাৱে কিছু পৰিমাণে অৰ্থৰ যোগান ধৰে। লগতে এইটোও উল্লেখনীয় যে সকলো শ্ৰমিক সুৰক্ষা নীতি-নিয়মবোৰ আইনৰ আকাৰত প্ৰস্তুত কৰা হয় আৰু এইবোৰক শ্ৰমিক ট্ৰাইবুনেল অথবা আদালতৰ জৰিয়তে বলবৎ কৰিব পাৰে। গতিকে প্ৰতিষ্ঠান-সমূহে আদালতত এইটো প্ৰত্যয় নিওৱাৰ আৱশ্যক হয় যে চাকৰিৰ পৰা উলিয়াই দিয়াৰ যি ব্যৱস্থা গ্ৰহণ কৰা হয় সেয়া দেশখনৰ আইন অনুযায়ীয়েই কৰা হয়। ভাৰতত কিন্তু গ্ৰহণ কৰা ব্যৱস্থা কিছু সুকীয়া ধৰণৰ। এশতকৈও অধিক কৰ্মচাৰী নিয়োগ কৰা এটা প্ৰতিষ্ঠানে এজন কৰ্মীক বৰ্খাস্ত কৰিবৰ বাবে চৰকাৰৰ পৰা অনুমোদন লাভ কৰাৰ আৱশ্যক হয় (যিটো সঠিকভাৱে চিন্তা কৰা ৰাজনীতিবিদে তেনে মত প্ৰদান কৰিব নোৱাৰে। মজদুৰ সংঘসমূহৰ পৰা বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি হোৱাৰ ভয়তেই তেনে নকৰে)।

আমেৰিকাৰ শ্ৰমিক আইনৰ ক্ষেত্ৰত প্ৰভেদ আছে। কৰ্মীসকলক নিয়োগকৰ্তাই নিজৰ ইচ্ছা অনুসাৰে বৰ্খাস্ত কৰিব পাৰে (কোনো ধৰণৰ কৰ্মচ্যুত মজুৰি আদি নিদিয়াকৈ) যদিহে নিৰ্দিষ্টভাৱে শ্ৰমিক সংঘৰ ঠিকা-চুক্তি তাত নাথাকে। তেনে ঠিকা-চুক্তি থাকিলে সেই ঠিকাৰ চৰ্তসমূহক মানিব লাগিব। সি যি কি নহওক, এইটো মন কৰিব লগা বিষয় যে আমেৰিকাৰ এটা ভাল সামাজিক সুৰক্ষা পদ্ধতি আছে। নিয়োগৰ সুবিধা নোপোৱা কৰ্মীসকলকো এবছৰ পৰ্যন্ত নিবনুৱা বেতন প্ৰদান কৰে আৰু প্ৰয়োজন হ'লে তেনে লোকক অতিৰিক্ত কৰ্মীৰ প্ৰশিক্ষণো প্ৰদান কৰে।

জাপানৰ ক্ষেত্ৰত শ্ৰমিক আইন নিৰ্দিষ্ট বাধ্যবাধকতাৰ ভিতৰত মানি চলিব লাগে। আংশিকভাৱে ইয়াৰ কাৰণ হ'ল দ্বিতীয় মহাসমৰৰ পিছৰ গঠনমূলক বছৰকেইটাত জাপানী চৰকাৰে কোম্পানীসমূহৰ ওপৰত প্ৰয়োগ কৰা হেঁচা— যিটো নিজৰ স্থিতি সবল কৰিবৰ বাবে কৰিব লগা হয়। এটা কোম্পানীত চাকৰিয়ালে জীৱনজোৰা নিয়োগ লাভ কৰাৰ জাপানীসকলৰ এটা পৰম্পৰা আছে। কাচিৎহে চাকৰিয়ালক বৰ্খাস্ত কৰা হয়। নিৰ্দিষ্ট বিধিসূচক আইনবোৰ হ'ল এটা কাৰণ আৰু আনটো আংশিক অৰ্থৰ কাৰণ হ'ল পৰম্পৰা। জাপানত শ্ৰমিকক নিপুণ কৰি তোলাৰ ব্যৱস্থা কৰা হয় আৰু সেই অনুযায়ী উৎপাদনশীলতাৰ প্ৰতিও মনোযোগ দিয়ে। স্থায়ী নিয়োগ লাভ কৰা মৰ্মে কামৰ ক্ষেত্ৰত হীন-দেঢ়ী নহয়। শকত পৰিমাণৰ বোনাচ প্ৰদান কৰি কৰ্মচাৰীৰ পৰা আশানুৰূপভাৱে কোম্পানী তথা প্ৰতিষ্ঠানবোৰে লাভ উঠায়। এনে বোনাচৰ পৰিমাণ সততেই ৩-৪ মাহৰ মজুৰিতকৈ অধিক হয়। অৱশ্যে এইটো নিৰ্ভৰ কৰে প্ৰতিষ্ঠান-সমূহৰ লাভৰ ওপৰত আৰু ব্যক্তিগতভাৱে এজন কৰ্মচাৰীয়ে কি ধৰণৰ সেৱা আগবঢ়ায় তাৰ সৈতেও ইয়াৰ সম্বন্ধ আছে। এই ব্যৱস্থাই পুনৰ এইটোকে প্ৰতীয়মান কৰে যে প্ৰতিষ্ঠানে লাভ অৰ্জন কৰাৰ ক্ষেত্ৰত কৰ্মীসকলৰ

দায়িত্ব আছে। ভালদৰে কাম কৰিলে কৰ্মীসকলৰো লাভ আৰু প্ৰতিষ্ঠানৰো লাভ হয়। এনে ভাবধাৰাই উভয়ৰ তৰফৰ পৰাই উপযুক্তভাৱে কাম-কাজ নিশ্চিত কৰাত সহায় কৰে।

এইবোৰ হ'ল বহিৰ্দেশবোৰত গঢ় লৈ উঠা বিভিন্ন গতিধাৰা, কিন্তু ভাৰতৰ দৰে এখন বিকাশমুখী দেশত যি স্থিতিৰ উপক্ৰম ঘটিছে সেয়া আচৰিতজনক বুলিয়েই ক'ব লাগিব। কাৰণ এই দেশখনত বিপুল সংখ্যক নিবনুৱা লোক আছে; আৰু আছে নিয়োগপ্ৰাপ্ত লোক— যিসকলে নিজৰ গুণাৱলীলৈ চাই উপযুক্ত কাম আৰু পদত অধিষ্ঠিত হ'বলৈ তেনে সা-সুবিধাৰ পৰা বঞ্চিত হয়। তথাপি ভাৰতৰ ক্ষেত্ৰত মন কৰিবলগীয়া বিষয়টো হ'ল দেশখনে কল্যাণ সাধনৰ দিশবোৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ বাছি লয় আৰু সেই অনুযায়ী সংগঠিত খণ্ডৰ কৰ্মীসকলৰ বাবে বিশ্বৰ ভিতৰত এটা অন্যতম অতি সুৰক্ষিত শ্ৰমিক আইনৰ ব্যৱস্থা কৰে। এনে কাৰ্য আনকি উন্নত দেশবোৰতো দেখিবলৈ পোৱা নাযায়— যিবোৰৰ কোনো নিবনুৱা সমস্যা নাই। ভাৰতৰ শ্ৰমিক আইনৰ ব্যৱস্থা অনুসৰিয়েই সংগঠিত খণ্ডত কমদিনীয়া (এবছৰ অথবা তাতোকৈ কম) কৰ্ম নবিচ কালৰ পিছত স্থায়ীভাৱে নিয়োগ লাভ কৰে। কৰ্মচাৰীসকলক (১০০তকৈ অধিক কৰ্মচাৰী থকা এটা প্ৰতিষ্ঠানত) চৰকাৰৰ অনুমতি অবিহনে চাকৰিৰ পৰা উলিয়াই পঠাব নোৱাৰে। চৰকাৰেও কদাচিৎহে তেনে অনুমতি দিয়ে। আনকি তেনে প্ৰতিষ্ঠান কাৰ্যতঃ নিষ্ক্ৰিয় হৈ পৰিলেহে বিষয়টো বিবেচনা কৰি সিদ্ধান্ত লোৱা হয়। ৰাজহুৱা খণ্ডৰ কৰ্মচাৰীয়ে নিৰ্দিষ্টভাৱে বাৰ্ষিক বেতন বৃদ্ধিৰ লাভ প্ৰাপ্ত কৰে। ইয়াৰ সৈতে কাম-কাজ সমাপন কৰাৰ সম্পৰ্ক নাই। তথাপি কঠিন কামৰ বাবে উদগনি জনোৱাটো অৱশ্যম্ভাৱী কথা। পিছে সেই অনুপাতে যি ফল আশা কৰা হয় সেয়া বাস্তৱত ধৰা নিদিয়ে। কম উৎপাদনশীলতাই ইয়াৰ আনুষঙ্গিক দিশবোৰত প্ৰভাৱ পেলায়। উৎপাদনজাত সামগ্ৰীৰ মূল্য বাঢ়ি যায়, ৰপ্তানি কম হয় আৰু তাৰ ফলস্বৰূপে কৰ্মচাৰীৰ মজুৰি, চাকৰি আদি বিষয়ক প্ৰভাৱিত কৰে। কৰ্মচাৰীয়ে কম মজুৰি পায়, চাকৰিৰ সংখ্যাও কমি যায় আৰু মূৰকত অধিকভাৱে নিবনুৱা অৱস্থাই দেখা দিয়ে।

উৎপাদনশীলতা আৰু কাৰ্যকৰণৰ সবল গতিধাৰাৰ প্ৰতি পিঠি দি এনে উচ্চ স্তৰৰ সুৰক্ষামূলক পদক্ষেপ গ্ৰহণ কিমান উপযুক্ত সেই বিষয়ে আমি ভাবি চোৱা দৰকাৰ— বিশেষকৈ বিকাশ সাধনৰ আমি যি স্তৰত আছো আৰু যি ক্ষেত্ৰত লক্ষ লক্ষ যুৱকে চাকৰি বিচাৰি ঘূৰি ফুৰে। চীন, পূব এছিয়া আৰু ভাৰতৰ অভিজ্ঞতাই এইটো পৰিস্ফূট কৰে যে অধিক মাত্ৰাৰ সুৰক্ষামূলক শ্ৰমিক নীতি কৰ্মীসকলৰ দীৰ্ঘকালীন স্বাৰ্থৰ ক্ষেত্ৰত সমীচীন নহয়; বৰং ই কৰ্মীসকলৰ উৎপাদনশীল উদ্যমত হ্ৰাস কৰি ভালতকৈ অধিক বেয়াৰ পিনেহে গতি কৰিব পাৰে। ফলস্বৰূপে ৰপ্তানিৰ বজাৰত তাৰ গুৰুত্ব কমিব আৰু প্ৰতিযোগিতামূলক স্থিতিও হ্ৰাস পাব আৰু তেনে গতিধাৰাই উৎপাদন বৃদ্ধিৰ গতি তথা ৰপ্তানিত বেয়া প্ৰভাৱ পেলাব পাৰে। নিয়োগৰ ক্ষেত্ৰখনো এনে জোকাৰণিৰ পৰা হাত সাৰি নাযায়। পূব এছিয়াৰ দেশবোৰত শ্ৰমিক আইনবোৰে সাধাৰণতে শ্ৰমিকক উপযুক্ত ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত সমৰ্থন জনায় আৰু বেচ শিথিলতাও আৰোপ কৰে। প্ৰায়ভাগ দেশতেই এটা শান্তিপূৰ্ণ ঔদ্যোগিক সম্পৰ্কৰ পৰিৱেশ অটুট ৰখা হয়। আইনৰ সহায়ত ধৰ্মঘট আহ্বান কৰাৰ পূৰ্বে আৱশ্যক হোৱা এটা শান্ত কালৰ (প্ৰায় এটা মাহ) ব্যৱস্থা কৰা হয়। তাৰ বাবে স্বেচ্ছামূলক আৰু বাধ্য-বাধকতাৰে মতদ্বৈধতা দূৰ কৰি সাধন কৰা হয়। ফলস্বৰূপে ধৰ্মঘট আৰু কাম-কাজ কাচিৎহে বন্ধ হয়। তদুপৰি প্ৰতিষ্ঠানবোৰে কৰ্মচাৰীক আঁতৰ কৰিব পাৰে। পিছে তাৰ বাবদ ক্ষতিপূৰণ প্ৰতিষ্ঠানে নিদিয়ে (প্ৰায় এমাহৰ বেতন) দিব লাগে। এই ব্যৱস্থাই শ্ৰমিকসকলক ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত শিথিলতা প্ৰদান কৰে আৰু আনহাতে কৰ্মীসকলৰ ওপৰত কিছু শৃংখলতা আৰোপ কৰাটো সূচল কৰে। উদ্যোগপতিসকলে সেয়ে কৰ্মীসকলক নিজ নিজ উদ্যোগত কামত লগাব খোজে— যাৰদ্বাৰাই নিয়োগ আৰু মজুৰিও ক্ষীপ্ৰভাৱে বৃদ্ধি হোৱাৰ পথ মুকলি কৰে।

জাপানত যি শিথিল মজুৰি পদ্ধতি আছে তাক কোৰিয়া, টাৱাইন, মালয়ছিয়া আৰু ছিঙ্গাপুৰেও অৱলম্বন কৰে। কৰ্মচাৰীসকলক বোনাচ প্ৰদানেৰে তেওঁলোকক অধিক সহযোগাত্মক আৰু দায়িত্বশীল কৰি তুলিব পাৰে। অৱশ্যে এই ক্ষেত্ৰত কমেও কোম্পানীবোৰৰ লাভ অৰ্জনৰ ওপৰত নিৰ্ভৰ কৰে। বোনাচৰ বিষয়টো সংলগ্ন কৰি (আৰু পদোন্নতিৰ পদক্ষেপ গ্ৰহণ) প্ৰতিজন কৰ্মচাৰীয়ে আগবঢ়োৱা কাম-কাজ অনুসৰিয়ে যে লাভ কৰে তেনে ভাব জগাই তুলি তেওঁলোকক আগলৈও অধিক ভাল কাম কৰিবলৈ উদগনি জনাব পাৰে। জাপানত তেনে পদ্ধতিকেই অৱলম্বন কৰা হয়। অন্য এটা উল্লেখনীয় বিষয় হ'ল পূব এছিয়াৰ দেশসমূহে কৰ্মচাৰীসকলৰ সাধাৰণ শিক্ষা আৰু প্ৰশিক্ষণ প্ৰদানৰ ক্ষেত্ৰত

ক্ষীপ্ৰভাৱে উন্নতি সাধন কৰিছে আৰু সেইটোৱে উদ্যোগসমূহক অধিক উৎপাদনৰ দিশৰ পিনে আগবাঢ়ি যোৱাত সহায় কৰিছে।

এনেদৰে চীন আৰু জাপানকে ধৰি পূব এছিয়াৰ দেশসমূহে সাধাৰণতে অধিকতৰ সুশৃংখলিত, উছৰ্গিত তথা সু-প্ৰশিক্ষিত শ্ৰমিক বাহিনী সৃষ্টি কৰাত সফল হৈছে।

কিন্তু ভাৰতত এনেদৰে নিপুণতা আৰু কল্যাণৰ (কিম্বা সুৰক্ষা) দিশৰ মাজত সঠিকভাৱে ভাৰসাম্য অটুট ৰাখিব পৰা হোৱা নাই। বৰং তাৰ মাপকাঠি সাংঘাতিক ধৰণে নিপুণতাৰ পৰা ফালৰি কাটি গৈছে। পূব এছীয় দেশবোৰৰ দৰে ভাৰতৰ গঢ়-গঠন আৰু স্থিতি একে নহয়, তথাপি দেশখনৰ ভিন্ন ঐতিহাসিক আৰু সামাজিক প্ৰাসঙ্গিকতাই তেনেদৰে আগবাঢ়ি যোৱাত সন্মতি দান নকৰিলেও শ্ৰমিক-সকলক সক্ষম (দক্ষ) কৰি তুলিবলৈ কিছু প্ৰয়াস কৰা প্ৰয়োজন। এই উদ্দেশ্যে পূব এছিয়াৰ কাৰ্যক্ষমতাক দৃঢ় কৰা শ্ৰমিক নীতি ভাৰতত অৱলম্বন কৰিব পাৰি। সেইবোৰে ভাৰতীয় শ্ৰমিকসকলৰ কল্যাণ সাধনৰ দিশ উন্নত কৰাত সহায় কৰা উচিত। নিয়োগ বৃদ্ধিৰ ব্যৱস্থা উন্নত কৰি তথা কৰ্মচাৰীসকলৰ প্ৰকৃত উপাৰ্জনৰ দিশটোও সামৰ্থ্যসূচক কৰি কৰিব পাৰে। পূব এছিয়াত অৱলম্বন কৰা তাৰ কেইটামান বিষয় তলত দিয়া হ'ল—

(১) কৰ্মীসকলৰ চাকৰিৰ নিৰাপত্তা কিছু মাত্ৰাত যে থকাৰ প্ৰয়োজন সেইটো উপলব্ধি কৰি শ্ৰমিকসকলক কামত খটুৱাৰ ক্ষেত্ৰত কিছু শিথিলতা অৱলম্বন কৰিবলৈ দিব লাগে। এইটো স্পষ্ট যে ৰাজসাহায্যৰ ভিত্তিৰ ওপৰত চলা নিৰ্ভৰশীল হ'ব নোৱাৰা প্ৰতিষ্ঠান অধিক কাল টিকি থাকিব নোৱাৰে। তেনে প্ৰতিষ্ঠানবোৰৰ বাবে নিয়োগপ্ৰাপ্ত কৰ্মীসকলক চাকৰিৰ পৰা উলিয়াই দিবলৈ বাধা থাকিব নালাগে; আৰু সেই প্ৰতিষ্ঠানবোৰে উৎপাদন নিশ্চয়ে হ্ৰাস কৰিব লাগে কিম্বা উৎপাদন কৰিবলৈ এৰি দিব লাগে অথবা তেনে প্ৰতিষ্ঠানক প্ৰতিযোগিতামুখী কৰি তুলিবৰ কাৰণে প্ৰযুক্তিগতভাৱে পুনৰগঠন কৰা আৱশ্যক। ইয়াৰ লগতে প্ৰতিষ্ঠানৰ মালিকসকলক কিছু পথ অৱলম্বন কৰাৰ উপায় দিব লাগে যিবোৰ কৰ্মচাৰীয়ে কু-আচৰণ কৰে অথবা উপযুক্তভাৱে কাম নকৰে। চাকৰিৰ পৰা নাকচ কৰা নিয়মাৱলী অপব্যৱহাৰ কৰা কাৰ্য ৰোধ কৰিবলৈ ভাৰসাম্য ৰক্ষা কৰিবৰ অৰ্থে মালিকসকলে তেনে কৰ্মচাৰীৰ কু-আচৰণ সন্দৰ্ভত আইনী আদালতত প্ৰমাণ কৰা আৱশ্যক আৰু অযুক্তিসঙ্গত-ভাৱে কৰ্মচাৰীক নাকচ কৰিলে (মালয়ছিয়াত কৰাৰ দৰে তেনে কৰ্মচাৰীক অতিৰিক্ত ক্ষতিপূৰণ প্ৰদান অথবা পুনৰ চাকৰিত নিয়োগ কৰাৰ প্ৰয়োজন। সকলো অৱস্থা আৰু ক্ষেত্ৰতে নিৰ্বিঘ্নভাৱে চাকৰিৰ নিৰাপত্তা প্ৰদান কৰিলে কৰ্মচাৰীৰ শৃংখলা অটুট ৰাখিবলৈ বৰ কঠিন কৰি তুলিব আৰু কৰ্মচাৰীৰ কামৰ প্ৰতি সততা তথা উৎপাদনশীল প্ৰবৃত্তি হ্ৰাস কৰিব।

(২) চাকৰি কাল বৃদ্ধি কৰাৰ পিছত এজন কৰ্মচাৰীক ২৪০ দিনৰ পৰা প্ৰায় তিনি বছৰ কালৰ ভিতৰত সহজতে নাকচ কৰিব নোৱাৰে আৰু জাপানী আৰ্হিৰ শিথিল মজুৰি পদ্ধতি অৱলম্বন কৰিলে কৰ্মচাৰী-সকলক নিজৰ দক্ষতা গুণ উন্নত আৰু উৎপাদন বৃদ্ধি কৰাত সহযোগ কৰিবলৈ উদগনি জনাব। কেৱল সেয়াই নহয়, উক্ত ব্যৱস্থাৰে কৰ্মচাৰীসকলক (কৰ্মী আৰু প্ৰবন্ধক উভয়কে) কোম্পানীৰ লাভ অৰ্জনত এটা সবল ভূমিকা গ্ৰহণত সুবিধা দিব আৰু আনহাতে ভাল কাম-কাজৰ ওপৰতহে পদোন্নতিৰ বিষয়টো যথেষ্টভাৱে নিৰ্ভৰ কৰিব। ভাৰতৰ দৰে দেশসমূহত চাকৰি নিৰাপত্তাৰ এটা শক্তিশালী পৰম্পৰাৰে উৎপাদনশীল কৰ্ম প্ৰক্ৰিয়া উন্নত কৰাত এয়া এটা ভাল তথা ৰাজনৈতিকভাৱে গ্ৰহণযোগ্য পথ হ'ব পাৰে।

(৩) আমি অধিক শিথিলজনক শ্ৰমিক আইন ব্যৱস্থাক পৰীক্ষা কৰি চোৱা উচিত। উদাহৰণস্বৰূপে ৰপ্তানি প্ৰক্ৰিয়াত জড়িত থকা মণ্ডলত তেনে কৰিব পাৰি। কিয়নো তাত ৰপ্তানিক কেন্দ্ৰ কৰি বিভিন্ন কাম-কাজ সমাপন কৰা হয় আৰু নীতিবিশেষত ভিন্নতা আছে। সেয়ে নিপুণ তথা প্ৰতিযোগিতামুখী শ্ৰমিক শক্তিৰো অধিক প্ৰয়োজন আছে। সেই বাবে এই ক্ষেত্ৰখনে আমাক অধিক বিদেশৰ প্ৰত্যক্ষ বিনিয়োগক আকৰ্ষণ কৰিবলৈ সুবিধা দিব আৰু তাৰ জৰিয়তে এইবোৰ মণ্ডলত অধিক খৰতকীয়াভাৱে কৰা নিয়োগ সৃষ্টিয়ে অধিক নিপুণতা উন্মেষ সাধন শ্ৰমিক আইনৰ সন্দৰ্ভত কৰ্মী তথা ট্ৰেড ইউনিয়নসমূহৰ আশংকা দূৰ কৰিব পাৰে।

(৪) কৰ্মীসকলৰ শিক্ষা তথা প্ৰশিক্ষণৰ উন্নতি সাধনৰ দিশত অধিক প্ৰয়াস

**(২৫ পৃষ্ঠাত চাওক)**

# মহিলা শ্ৰমিকৰ ক্ষেত্ৰত ন্যায় নিশ্চতকৰণ

**নীতা এন***

কাম-কাজৰ দিশৰ পিনৰ পৰা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা উদ্যোগ-সমূহৰ নিয়োগকে ধৰি ভাৰতত যিমানসংখ্যক কৰ্মী আছে তাত মহিলাৰ সংখ্যা অতি কম। এনেকি তেওঁলোকৰ অংশগ্ৰহণৰ হাৰ উপ-চহৰীয় আফ্ৰিকা আৰু মধ্য প্ৰাচ্যৰ বহু দেশতকৈ বহুত কম। অৱশ্যে ভাৰততকৈ আৰু নিম্নতম স্তৰত (মহিলা কৰ্মীৰ হাৰ) মাত্ৰ কেইখনমান দেশহে আছে। তাৰ ভিতৰত ইৰাণ, পাকিস্তান আৰু ছৌদি আৰবৰ নাম ল'ব পাৰি। দক্ষিণ এছিয়াত ২০১৩ বৰ্ষৰ কালছোৱাত অংশগ্ৰহণৰ হাৰ আছিল ৩০.৫ শতাংশ, যেতিয়া প্ৰায়ভাগ অঞ্চল আৰু দেশতেই তেনে হাৰ গতি বৃদ্ধি হয় তেতিয়া দক্ষিণ এছিয়াত সেই গতি নিম্ন হৈ পৰে। ভাৰতত সেই গতিধাৰা খৰতকীয়াকৈ অৱনমিত হোৱাৰ বাবেই তাত বিশেষভাবে প্ৰভাৱ পৰে। অৰ্থনৈতিক বৃদ্ধি সাধন অধিকভাৱে হোৱা কালছোৱাত মহিলাৰ সাক্ষৰতাৰ হাৰ তথা শিক্ষা প্ৰতিষ্ঠানসমূহত প্ৰৱেশ হাৰ ভালেখিনি বৃদ্ধি হ'লেও মহিলাসকলৰ নিয়োগৰ দিশটো এটা প্ৰত্যাহ্বানমূলক বিষয় হৈ থাকে। এয়া বিশেষকৈ বুজিব নোৱাৰা বিষয়, কিয়নো এনে অৱস্থাৰ সৃষ্টি হোৱা দেখা যায় এনে এটা কালত যি সময়ছোৱাত ব্যাপক আকাৰত গ্ৰাম্য নিয়োগ কাৰ্যসূচী প্ৰচলন কৰা হৈছিল। সেই কাৰ্যসূচী হ'ল মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনি (চমুকৈ মহাত্মা গান্ধী এন্‌ৰেগা) মহিলা কৰ্মবাহিনীৰ অংশগ্ৰণৰ ক্ষেত্ৰত যি খৰ গতিত অৱনমিত হৈছিল সেয়া হ'ল ২০০৪-০৫ বৰ্ষৰ ২৮.২ শতাংশৰ পৰা ২০১১-১২ বৰ্ষত ২১.৭ শতাংশ। ইয়াৰ পৰাই চলিত সংকটৰ প্ৰতিফলন হোৱা পৰিলক্ষিত হয়। এই গতিত ২০১০ বৰ্ষত ভাৰতৰ স্থান ৮৩খন দেশৰ ভিতৰত আছিল ৬৮, কিন্তু ২০১২ বৰ্ষত ৮৭খন দেশৰ ভিতৰত সেয়া ৮৪ স্থানলৈ অৱনমিত হয়।

### মহিলা নিয়োগৰ গতিধাৰা

পৰিসংখ্যা পদ্ধতিত কিছুমান অন্তৰ্নিহিত কঠিন বিষয় আছে আৰু তাৰ পৰা মহিলাৰ কামৰ সন্দৰ্ভত পৰিসংখ্যাবোৰ সম্পূৰ্ণভাৱে সঠিক বুলি ক'ব নোৱাৰি। তথাপি ই এটা বহল পৰিমাণৰ গতিধাৰা তথা ধৰণ-কৰণ সন্দৰ্ভত সামগ্ৰিকভাৱে এখন ছবি দাঙি ধৰিছে। ১৯৯৯-২০০০ বৰ্ষ আৰু ২০০৪-০৫ বৰ্ষৰ মাহৰ কালছোৱাত মহিলা নিয়োগ বৃদ্ধিৰ গতি সামান্যভাৱে পুনৰোজ্জীৱিত হোৱা দেখা যায়। ইয়াৰ অংশগ্ৰহণৰ হাৰ ৩ শতাংশ বৃদ্ধি পায়। মাত্ৰ ২০০৪-০৫ বৰ্ষৰ কথাটো সুকীয়া। তেতিয়াৰ পৰা এই গতিধাৰা অধিক অৱনমিত হোৱা দেখা যায় আৰু এইটোৱে মহিলা অংশগ্ৰহণৰ অগ্ৰগতিক নস্যাৎ কৰিছে বুলিয়েই ক'ব লাগিব। মন কৰিবলগা বিষয়টো হ'ল এয়া কেৱল কাম-কাজত মহিলাৰ অংশ গ্ৰহণে নাৰীবাদৰ চিনৰ বিৰোধিতা কৰে। তাৰ উপৰি গ্ৰাম্য মহিলাসকলৰ ক্ষেত্ৰটো নাটকীয়ভাৱে অৱনমিত হোৱা দেখা যায় আৰু অন্যহাতে চহৰৰ মহিলা

**১ নং তালিকা ঃ কামৰ ক্ষেত্ৰত অংশগ্ৰহণৰ হাৰ—পুৰুষ আৰু মহিলা**

| বৰ্ষ | মুঠ | | গ্ৰাম্য | | | চহৰ |
|---|---|---|---|---|---|---|
| | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা |
| ১৯৯৩-৯৪ | ৫৪.৪ | ২৮.৩ | ৫৫.৩ | ৩২.৮ | ৫২.১ | ১৫.৫ |
| ১৯৯৯-২০০০ | ৫২.৭ | ২৫.৪ | ৫৩.৩ | ২৯.৯ | ৫১.৮ | ১৩.৯ |
| ২০০৪-০৫ | ৫৪.৭ | ২৮.২ | ৫৪.৬ | ৩২.৭ | ৫৪.৯ | ১৬.৬ |
| ২০০৭-০৮ | ৫৫.০ | ২৪.৬ | ৫৪.৮ | ২৮.৯ | ৫৫.৪ | ১৩.৮ |
| ২০০৯-১০ | ৫৪.৬ | ২২.৫ | ৫৪.৭ | ২৬.১ | ৫৪.৩ | ১৩.৮ |
| ২০১১-১২ | ৫৪.৪ | ২১.৭ | ৫৪.৩ | ২৪.৮ | ৫৪.৬ | ১৪.৭ |

উৎস নেচেনেল ছেম্পল ছাৰ্ভে ছাৰ্ভে ডাটা ডিফাৰেন্ট ৰাউণ্ডছ

*লেখিকা নীতা এন নতুন দিল্লীস্থিত ছেণ্টাৰ ফৰ্ ৱুমেনছ ডেভলপ্‌মেণ্ট ষ্টাডিজৰ 'ছীনিঅৰ ফেল'।

কৰ্মীসকলৰ ক্ষেত্ৰত এই গতিধাৰা স্থৱিৰ হৈ আছে।

পুস্তিকা আদিত মহিলাসকলৰ নিয়োগ অৱনতিৰ ঘাই কাৰণ অৰ্থনীতিৰ ক্ষেত্ৰত উন্নতি সাধন হোৱাটোৱেই বুলি উল্লেখ কৰিছে। অধিক মজুৰিৰ ইতিবাচক প্ৰভাৱ আৰু শিক্ষাৰ ক্ষেত্ৰত ৰূপায়িত কাৰ্যসূচীৰ সুফলে তাত উলেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। পিছে শিক্ষাত মহিলাৰ বৰ্ধিত অংশগ্ৰহণ কিম্বা ঘৰৰ উপাৰ্জন বৃদ্ধি হোৱা কোনো এটা বিষয়ে কৰ্মথলীত বিপুল সংঘাত তেওঁলোকৰ হ্ৰাস ঘটা কাৰণটোৰ বাখ্যা দাঙি ধৰিব নোৱাৰে। দৰাচলতে ক'বলৈ গ'লে সৰহসংখ্যক মহিলাই ঘৰুৱা কাম-কাজ কৰিবৰ কাৰণে শ্ৰমিকৰ কাম কৰিবলৈ এৰি দিয়ে। কাৰণ তেওঁলোকৰ ওপৰত ঘৰুৱা দায়িত্ব বহুত বেছি আৰু বহু মহিলা যিসকলক কৰ্মীৰ তালিকাত ধৰা হয়— তেওঁলোক পূৰ্ণকালীন কৰ্মী নহয়। নিয়োগ সা-সুবিধাৰ অভাৱৰ উপৰিও বহু মহিলাই পূৰ্ণকালীন অৱস্থাৰ নিয়োগ কাৰ্যত অংশগ্ৰহণ কৰিব নোৱাৰে। ঘৰুৱা কামৰ প্ৰতি দায়বদ্ধ হ'বলৈ মহিলাৰ ওপৰত অধিক সামূহিকভাৱে আশা কৰা হয়। সেয়ে মুঠ মহিলা কৰ্মীৰ ভিতৰত প্ৰায় ২২ শতাংশহে তেনেধৰণৰ কৰ্মীৰ লেখত পৰে। এয়া ২০১১-১২ বৰ্ষৰ পৰিসংখ্যা। সহায়িকা আৰু মূল কৰ্মত ন্যস্ত উভয় গোটৰেই সংখ্যাৰ পিনৰ পৰা অৱনতি ঘটিলেও ঘাইকৈ পিছৰ বিধহে অধিকভাৱে আক্ৰান্ত। সামাজিক গোটসমূহৰ তৰফৰ পৰা কৰ বিশ্লেষণত এইটো পৰিলক্ষিত হয় যে সীমামূৰীয়া অৱস্থাত জীৱন-যাপন কৰা সৰহভাগ মহিলাই অধিকভাৱে কঠিনতাৰ সন্মুখীন হ'ব লাগে।

২০১১-১২ বৰ্ষৰ বহল খণ্ডীয় চিত্ৰক অৱলোকন কৰিলে এইটো পৰিলক্ষিত হয় যে ৬২.৩ শতাংশ মহিলা কৃষিত নিয়োজিত হৈছিল আৰু মাত্ৰ প্ৰায় ২০ শতাংশ মজলীয় খণ্ডৰ কাম-কাজত ন্যস্ত আছিল আৰু ১৮ শতাংশ সেৱা খণ্ডত নিয়োজিত আছিল। মজলীয়া খণ্ডত নিৰ্মাণ কাম-কাজত মহিলাৰ সংখ্যা বৃদ্ধি পাইছিল আৰু তাত নিয়োগৰ ধৰণ-কৰণো এটা বিষয় হৈ পৰিছিল। অনেকে কৃষি কাম-কাজৰ সংকটৰদ্বাৰা প্ৰভাৱান্বিত হৈছিল আৰু তেওঁলোকে নিৰ্মাণ তথা তেনে সম্বন্ধীয় কাম-কাজলৈ ঢাপলি মেলিছিল। এয়া এনে এটা ক্ষেত্ৰ আছিল যিটো উদাৰীকৰণৰ পৰৱৰ্তী কালৰ এক ৰিয়েল ইষ্টেটৰ প্ৰাণোচ্ছল কাম আছিল। অনেকেই বিপদ-বিঘিনিৰদ্বাৰা আক্ৰান্ত হৈ অন্যান্য গ্ৰাম্য তথা চহৰ এলেকালৈ প্ৰবজন কৰিছিল। এওঁলোকৰ কিছুমানে ইটা ভাটাৰ দৰে কামত নিয়মীয়াকৈ লাগিব লগা হৈছিল আৰু তাকো ঠিকাদাৰৰ ওপৰত তেওঁলোকৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছিল। এই খণ্ডৰ আন এক বৈশিষ্ট্য হ'ল ব্যক্তিগতভাৱে মজুৰি পোৱাতকৈ যুৰী হিচাবেহে কাম আদায় কৰা হৈছিল।

**মহিলা নিয়োগৰ ধৰণ-কৰণ**

মহিলাসকলক নিয়োগ কৰাৰ ধৰণ-কৰণ কি? এইক্ষেত্ৰত মজুৰি নিদিয়াকৈ কামত লগোৱা গ্ৰাম্য মহিলা কৰ্মী/সহায়িকা হ'ল বৃহত্তম গোট (৪১ শতাংশ) আৰু তাৰ পিছতেই আছে নৈমিত্তিক কৰ্মীসকল (৩৫ শতাংশ) কৃষি আৰু কমাৰ-কুমাৰ আদি কামবোৰ সংকট অৱস্থাত পৰে আৰু পুৰুষসকলে মজুৰি দিয়া কামৰ বাবে অন্য লোকক বিচাৰি যায়। মহিলাসকলক এনে বোজা বহন কৰিবলৈ এৰি দিয়ে। বাকী যাক কামত খটায় তেওঁলোকক স্বনিয়োজিত কিম্বা নিজৰ হিচাপ মতে মজুৰি দিয়া কৰ্মী ৰূপে নথিভুক্ত কৰে। সেয়ে নৈমিত্তিকভাৱে কাম কৰা কৰ্মীৰ সংখ্যা

**২ নং তালিকা ঃ বিস্তৃত ঔদ্যোগিক বিভাগসমূহত কৰ্মীৰ বিতৰণ (১৯৯৯-০০ ৰ পৰা ২০১১-১২৩ লৈকে**

| উদ্যোগ | ১৯৯৯-০০ | | ২০০৪-০৫ | | ২০১১-২০১২ | |
|---|---|---|---|---|---|---|
| | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা |
| কৃষি | ৫২.৭ | ৭৫.৪ | ৪৮.৬ | ৭২.৮ | ৪২.৫ | ৬২.০ |
| খনি আৰু শিলকুৰেৰী | ০.৭ | ০.৩ | ০.৭ | ০.৩ | ০.৬ | ০.৩ |
| প্ৰস্তুতকৰণ | ১১.৫ | ৯.৫ | ১২.৪ | ১১.৩ | ১২.৬ | ১৩.৪ |
| বিদ্যুৎ, গেছ আৰু জল যোগান | ০.৪ | ০.০ | ০.৪ | ০.০ | ০.৪ | ০.১ |
| নিৰ্মাণ | ৫.৮ | ১.৬ | ৭.৬ | ১.৮ | ১২.৪ | ৬.০ |
| সেৱা | ২৮.৮ | ১৩.২ | ৩০.২ | ১৩.৭ | ৩১.৫ | ১৮.৩ |
| মুঠ | ১০০.০০ | ১০০.০ | ১০০.০ | ১০০.০ | ১০০.০ | ১০০.০ |

উৎস ঃ নিয়োগ আৰু নিয়োগবিহীন প্ৰতিবেদনৰ বিভিন্ন তথ্য, নেচনেল ছেনেল ছাৰ্ভে সংগঠন

বহুত হ্ৰাস পায়। প্ৰায় ৪ শতাংশহে হয়গৈ। নিয়মীয়া কৰ্মীৰ সমানুপাতৰ হাৰ ৬ শতাংশহে হয়।

চহৰৰ মহিলা কৰ্মীসকলৰ ক্ষেত্ৰত অৱশ্যে পৰিস্থিতি সামগ্ৰিকভাৱে উন্নত হোৱা যেন লাগে, কিয়নো নিয়মীয়া কৰ্মীৰ সংখ্যাত এটা বৃদ্ধিৰ গতি পৰিলক্ষিত হয়। ২০ বছৰ কালত এই বৃদ্ধি হ'ল ১০ শতাংশ। পিছে চহৰৰ এলেকাবোৰৰ মহিলাসকলৰ কামত অংশগ্ৰহণ কৰাৰ হাৰ বৰ কম। ২০১১-১২ বৰ্ষৰ কালছোৱাত এই হাৰ হ'ল ১৫ শতাংশ। ইয়াকে ধৰি নিয়মীয়া কামক কেনেদৰে লোৱা হয় সেই বিষয়ৰ সামগ্ৰিক ধাৰা প্ৰতিফলিত নহয়। কিয়নো এয়া বিধিগত নহয়। ন্যূনতম মজুৰিহে প্ৰদান কৰা হয় আৰু কাম কৰাৰ অৱস্থাও সিমানে ভাল নহয়। এয়া অতি বেয়া ধৰণ-কৰণেৰে ন্যস্ত কৰা কাম হ'ব পাৰে। যদিও নিৰন্তৰভাৱে নিযুক্তি চলি থাকিব পাৰে। কিমান দিন বা মাহ কাম কৰিব লাগে তাৰ কোনো নিৰ্দিষ্ট ম্যাদ নাই। এনেধৰণৰ কামৰ ভিতৰত পৰে ঘৰুৱা কাম তথা অন্য সেৱা খণ্ডৰ কাম-কাজ। সেই কামবোৰ হ'ল, যেনে— দোকানৰ সহকাৰী, অভ্যৰ্থনাকাৰী ইত্যাদি। ইয়াৰ উপৰি ঠিকাভিত্তিত নিয়োগৰ বিভিন্ন ধৰণৰ কাম আছে। এনেদৰে নিয়মীয়া কৰ্মীৰ এটা বৃহৎ অংশক বৰ্ধিত বিধিবহিৰ্ভূত খণ্ডৰ এটা অংশৰূপে চোৱা আৱশ্যক হ'ব। অন্য এক গতিধাৰা হ'ল প্ৰায় ১ শতাংশ পইন্ট পেইদ স্ব-নিয়োজনৰ ক্ষেত্ৰত হোৱা বৃদ্ধি। এই কামটো কেনেধৰণৰ? তাৰ উত্তৰত এইটোকে ক'ব পাৰি যে এহাতে মহিলাসকলে কিছু উপাৰ্জন আন পৰিয়ালৰ সদস্যৰ পৰা সম্ভৱতঃ স্বতন্ত্ৰীয়াভাৱে পায়। এনে ধন তেওঁলোকৰ ইচ্ছা মতে ব্যৱহাৰ কৰে আৰু প্ৰায়ভাগ নিয়মীয়া খৰচ জোৰা মাৰিবলৈ কামত লগায়। পিছে এই স্ব-নিয়োজিত কৰ্মীসকল ক্ষুদ্ৰ উদ্যোগী ব্যক্তি নহয়, মাত্ৰ তেওঁলোকে প্ৰস্তুত প্ৰতিষ্ঠানত গৃহভিত্তিক বিশাল আধাৰৰ অংশ ৰূপেহে কাম কৰে। তেনে প্ৰতিষ্ঠানৰ ভিতৰত উল্লেখ কৰিব পাৰি বিড়ি, বস্ত্ৰ, খাৰু বা বিন্দি তৈয়াৰী সামগ্ৰী পেকেট কৰা ইত্যাদি গৃহভিত্তিক কামৰ অৰ্থাৎ ঘৰৰ ভিতৰত থাকি কৰা কামৰ মজুৰি হাৰ বৰ কম— তেহেলৈ সেয়া খণ্ড খণ্ড কৰি কৰা কামৰ হাৰেই হওক অথবা ঘন্টাজোৰা কামেই হওঁক। এনেধৰণে বহু ঘন্টা ধৰি কাম কৰিব লগা হয় আৰু এটা জীৱিকাবৃত্তি কৰি তুলিবলৈ বহু শ্ৰমৰ প্ৰয়োজন হয় আৰু এইক্ষেত্ৰত মহিলা কৰ্মীসকলে ঠিকাদাৰৰ ওপৰত নিৰ্ভৰ কৰিব লগাও হ'ব পাৰে। কিছুমানৰ কাৰণে কৰ্মীৰূপে পাৰিবাৰিক স্বীকৃতি নেথাকিব পাৰে আৰু কাম কৰাৰ কঠিন অৱস্থা হেতুকে তেওঁলোকে তেনে কাম পৰিত্যাগ কৰাৰ বাবেও সাজু থাকে যেতিয়া তেওঁলোকে তেনে কৰাৰ প্ৰতি সফল হয়। সেৱাসমূহৰ ভিতৰত কামৰ বিভিন্ন ক্ষেত্ৰৰ বিতৰণ সম্পৰ্কে সতৰ্কতাৰে অৱলোকন কৰাৰ প্ৰয়োজন হয়। তেতিয়াহে এই বিকাশ সাধন খণ্ডৰ নিয়োগ দিশটোৰ বিষয়ে জানিব পাৰি। এইখিনিতে মন কৰিবলগা কথাটো হ'ল এয়া বাণিজ্য, শুশ্ৰূষামূলক কিম্বা যোগাযোগ খণ্ড নহয় য'ত বৃহৎসংখ্যক মহিলাৰ আৱশ্যক হয়। বৃদ্ধি সাধনৰ সৰহভাগ পথ শিক্ষা খণ্ডত আছে আৰু আছে ঘৰুৱা কামত (নিয়োজিত ব্যক্তিসহ ব্যক্তিগত ঘৰবোৰত)। ঘৰুৱা কামৰ মজুৰি আৰু কাম কৰাৰ অৱস্থা ভিন ভিন ধৰণৰ হয় আৰু ব্যক্তিগত নিয়ন্ত্ৰণৰদ্বাৰা কামৰ সম্পৰ্ক চিহ্নিত কৰা হয়। ৰাজ্যিক আইনৰ অনুপস্থিতি হ'ল এটা বিষয়; কিয়নো বহু ৰাজ্যই এইসকল কৰ্মীক ন্যূনতম মজুৰি ব্যৱহাৰে এতিয়াও সামৰি ল'বলৈ বাকী আছে।

শিক্ষাই বোধহয় অতি আশাপ্ৰদ-জনক ক্ষেত্ৰ— য'ত মহিলাসকলক স্বতন্ত্ৰীয়া কৰ্মী ৰূপে এটা স্থিতি প্ৰদান কৰা হয়। কিন্তু দুৰ্ভাগ্যবশতঃ সকলো স্তৰতে লিখাৰ ক্ষেত্ৰত ব্যক্তিগতকৰণৰ যি গতিয়েই মূৰ দাঙি উঠিছে তেনে অৱস্থাত এই খণ্ডত কাম কৰা মহিলা-সকলৰ নিয়োগ সততেই অনিশ্চিত অৱস্থাত থাকে। তেওঁলোকক বিভিন্ন ধৰণে কামত লগোৱা হয়, কিন্তু তাৰ বাবদ প্ৰাপ্য মজুৰি উচিত মতে দিয়া নহয়।

আন এটা উল্লেখনীয় বিষয় হ'ল বৰ্ধিতসংখ্যক আঁচনিৰ কৰ্মী— যিসকল ৰাজ্যৰ বহু আঁচনি আৰু কাৰ্যসূচী ৰূপায়ন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেনে কৰ্মীসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল আংগনৱাদী আৰু আশা কৰ্মীসকল। বহু কামৰ দায়িত্বসহ এই কৰ্মীসকলক ৰাজ্যই কৰ্মীৰূপে স্বীকৃতি নিদিয়ে। তেওঁলোকক স্বেচ্ছাসেৱক ৰূপেহে অভিহিত কৰা হয়। এওঁলোক মাননিৰ বাবেহে উপযুক্ত। পৰিসংখ্যাৰ পৰা এইটো সুস্পষ্ট যে মজুৰি প্ৰদানেৰে মহিলাই কাম কৰা ক্ষেত্ৰবোৰ যতন ব্যৱস্থাৰ কামৰ দৰেই প্ৰায় একে। পিছৰ বিধক মহিলাৰ দায়িত্ব ৰূপে দীৰ্ঘকালৰ পৰা কৰা দেখা যায়।

নিয়োগ বিষয়ৰ ক্ষেত্ৰত নিবনুৱাৰ পৰিসংখ্যা এটা ভাল সংকেত নহয়। কিয়নো দুখীয়া লোক নিবনুৱা হৈ থাকিব নোৱাৰে যদিও তেওঁলোক উপযুক্ত নিয়োগ আৰু উপযুক্ত মজুৰি নেপায়। বজাৰৰ বাবে উদ্দেশ্য কৰা কাম-কাজৰ বাহিৰেও মহিলাসকলক অন্য বহুতো অৰ্থনৈতিক কামত ন্যস্ত কৰা হয়।

তেনেবোৰ কামৰ কেইটামান হ'ল— খৰি আৰু পশু খাদ্য সংগ্ৰহ কৰা, পানী আৰু হাবিৰ পৰা উৎপাদন সামগ্ৰী সংগ্ৰহ কৰা, ঘৰত ব্যৱহাৰৰ বাবে বয়ন আৰু সূতা কটা কামত লাগি থকা ইত্যাদি। অধ্যয়নৰ পৰা এইটো পৰিস্ফুট হৈছে যে নব্য উদাৰমুখী অৰ্থনৈতিক নীতিৰ ফলত এইবোৰ এলেকাত মহিলাৰ শ্ৰম বৃদ্ধি পাইছে। কাৰণ সেই জাতিৰ হেতু তেওঁলোকৰ বাবে অথবা পৰিয়ালৰ অন্য সদস্যৰ বাবে মজুৰি প্ৰদান কামৰ ক্ষতি হৈছে। এই মজুৰিপ্ৰাপ্ত কামৰ ক্ষতিৰ প্ৰভাৱ অন্য বিষয়ৰ ওপৰতো পৰে। জীৱিকা নিৰ্বাহৰ অন্য উপায়ৰ সন্ধানত লাগি থাকোতে ঘৰুৱা দায়িত্বৰ প্ৰতি চাবলৈ সময় নাথাকে।

১৯৭৪ চনত সম পাৰিশ্ৰমিক আইন গ্ৰহণ কৰাৰ বহু বছৰৰ পাছতো মহিলা আৰু পুৰুষৰ মাজৰ মজুৰিৰ প্ৰভেদ বাস্তৱত পৰিণত হ'বলৈ বাকী আছে— যাৰ ফলত সকলো বয়স, (শ্ৰেণী, সম্প্ৰদায় আৰু অঞ্চলসমূহৰ মহিলা-সকল আক্ৰান্ত হৈছে। আইনখনৰ ৰূপায়ণৰ বিষয়টো এটা ডাঙৰ চিন্তাৰ বিষয় হৈ আছে। আন্তৰ্জাতিক শ্ৰমিক সংগঠনৰ এটা শেহতীয়া অধ্যয়নত এইটো উল্লেখ কৰা হৈছে যে লিঙ্গৰ বেতনৰ অসমতাৰ ক্ষেত্ৰত ভাৰত এটা অন্যতম অতি বেয়া স্তৰৰ শাৰীত পৰিছে। একেধৰণৰ কাম-কাজৰ ক্ষেত্ৰত

৩ নং তালিকা

**সেৱা খণ্ডৰ বিস্তৃত উদ্যোগিক বিভাগৰ কৰ্মসকলৰ বিতৰণ স্থিতি**
**১৯৯৯-২০০০ বৰ্ষৰ পৰা ২০১১-১২ বৰ্ষলৈকে**

| সেৱা | ১৯৯০-০০ | | ২০০৪-০৫ | | ২০১১-১২ | |
|---|---|---|---|---|---|---|
| | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা |
| বাণিজ্য | ৪০.৮ | ২৭.৮ (১২.০) | ৪১.৩ | ২৪.৪ (১১.২) | ৩৯.৭ | ২২.৭ (১১.০) |
| হোটেল তথা ৰেষ্টুৰাঁ | ৪.৮ | ৫.১ (১৭.৭) | ৫.২ | ৫.৮ (১৯.৫) | ৬.২ | ৫.২ (১৫.৪) |
| পৰিবহণ, মজুত ভাণ্ডাৰ আৰু যোগাযোগ | ১৮.৩ | ২.৭ (২.৯) | ১৯.৪ | ২.৬ (২.৮) | ১৯.২ | ১.৮ (২.০) |
| ৰাজহুৱা প্ৰশাসন তথা প্ৰতিৰক্ষা | ১২.১ | ৭.৫ (১১.০) | ৮.৬ | ৫.৪ (১১.৮) | ৬.৮ | ৪.৪ (১২.২) |
| শিক্ষা | ৬.৮ | ২১.০ (৩৮.৪) | ৭.২ | ২৪.৩ (৪১.৯) | ৭.৬ | ২৭.০ (৪৩.৫) |
| অন্য সমূহীয়া, সামাজিক আৰু ব্যক্তিগত সেৱা | ৮.৪ | ১৯.১ (৩১.২) | ৭.০ | ৯.৩ (২২.৩) | ৬.২ | ১১.৫ (২৮.৬) |
| নিয়োজিত ব্যক্তিসহ ব্যক্তিগত ঘৰ | ০.৭ | ৬.৭ (৬৪.০) | ১.৫ | ১৬.৬ (৭০.৯) | ১.২ | ১১.৭ (৬৭.২) |
| অন্য সেৱা | ৮.০ | ১০.১ (২০.১) | ৯.৯ | ১১.৫ (১৯.৯) | ১৩.০ | ১৫.৭ (২০.৭) |
| মুঠ | ১০০.০ | ১০০.০ (১৬.৭) | ১০০.০ | ১০০.০ (১৭.০) | ১০০.০ | ১০০.০ (১৭.৮) |

উৎস ঃ ৰাষ্ট্ৰীয় ছেম্পল ছাৰ্ভেৰ ইউনিট স্তৰৰ ডাটা

মহিলাতকৈ পুৰুষসকলে অধিক উপাৰ্জন কৰে। তেওঁলোকৰ মাজৰ প্ৰভেদ ৩০ শতাংশ অতিক্ৰম কৰিছে। ইয়াৰ উপৰি ন্যূনতম মজুৰি লাভ কৰা শ্ৰমিক শ্ৰেণীৰ মহিলাৰ সংখ্যা ৬০ শতাংশ আৰু সৰ্বাধিক মজুৰি অৰ্জনকাৰী মহিলাৰ সংখ্যা হ'ল মাত্ৰ ১৫ শতাংশ।

**ৰাজ্যই গ্ৰহণ কৰা ব্যৱস্থাসমূহ**

মহিলাৰ নিয়োগ আৰু কাম কৰাৰ অৱস্থাৰ উত্তৰোত্তৰ বিকাশ সাধন কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থাৰাজি আৰু নীতিসমূহৰ এটা দীঘলীয়া ইতিহাস আছে। বিভিন্ন চৰকাৰে বহুতো নিয়োগ উদ্ৰেককৰণ আঁচনি গ্ৰহণ কৰিছে। এই কালছোৱাত হাতত লোৱা এটা অতি গুৰুত্বপূণ প্ৰয়াস হ'ল মহিলাসকলক স্ব-নিয়োজিত কৰ্মী ৰূপে পৰিণত কৰা। এই ভাবধাৰা উদাৰীকৰণৰ সু-প্ৰভাৱৰ ওপৰত আধাৰিত— যাৰদ্বাৰাই অনানুষ্ঠানিক খণ্ড আৰু বিস্তাৰিত বজাৰসমূহৰ মহিলা 'উদ্যোগীসকলৰ' মাজত সম্বন্ধ প্ৰসাৰিত কৰা। সুদ-ঋণ ব্যৱস্থাৰ সংগঠন, স্বেচ্ছাসেৱী অনুষ্ঠানৰ সহায়ত গঢ়ি উঠা আত্মসহায়ক গোট আদিৰে কাৰ্যসূচী গঢ়ি তোলা হয়। যাৰ কাৰ্যক্ৰমণিকা হ'ল 'আটাইকে প্ৰভাৱান্বিত কৰি এই নীতিৰ দৃষ্টিভংগী' আৰোপ কৰা। এনে ভাবধাৰাৰদ্বাৰাইহে মহিলাসকলক দৰিদ্ৰতাৰ কবলৰ পৰা উদ্ধাৰ কৰি অৰ্থনৈতিক সবলীকৰণৰ অৰ্থে প্ৰয়াস কৰি আগুৱাই যোৱাৰ সংকল্প নিহিত আছে। সেই অনুসৰি উদাৰীকৰণৰ পৰৱৰ্তী কালছোৱাত কিছুমান কাৰ্যসূচীৰ ইতিবাচক দিশ উন্মোচন হোৱা দেখা যায় আৰু সেই কাৰ্যসূচীবোৰ মহিলাৰ বাবে স্ব-নিয়োজনক উৎসাহিত কৰিবৰ বাবে বিভিন্ন মন্ত্ৰালয়ে হাতত লয়। পিছে এনে প্ৰয়াসসমূহে কৃষিৰ ক্ষেত্ৰত মহিলাৰ নিয়োগৰ অৱনতিৰ গতিৰ অভাৱ পূৰণ কৰাৰ ক্ষেত্ৰত বৰঙণি যোগাব পৰা নাই।

এন্‌ৰেগ আঁচনিয়ে প্ৰাৰম্ভিক সংকট পাতলাব পাৰিলেও দীৰ্ঘ কালৰ অন্তত নিশ্চিত নিয়োগৰ সীমিতসংখ্যক দিন আৰু কায়িকভাৱে কৰা কামৰ ওপৰত কৰা আলোকপাতে মহিলাৰ নিয়োগ সম্বন্ধীয় জটিল বিষয়ৰ সমস্যা সমাধান কৰিবলৈ সমৰ্থ হোৱা নাই। বেতন ভিত্তিক নিয়োগৰ ক্ষেত্ৰত মহিলাসকলৰ অংশগ্ৰহণত নিজৰেই নানা দায়িত্ববোধ আৰু দক্ষতাৰ অমিলতাই বাধা হৈ থিয় দিয়ে। গাভৰু বয়সৰ মহিলাসকলক নিযুক্তি প্ৰদানৰ ক্ষেত্ৰত অস্বীকাৰ কৰাৰ যথেষ্ট প্ৰমাণ আছে। তাৰ কাৰণ হ'ল মাতৃত্ব লাভ তথা শিশুৰ যতনৰ প্ৰয়োজনীয়তাবোৰ পূৰণ কৰিবৰ বাবে ছুটী লোৱাৰ সম্ভাৱনা। যদিও মাতৃত্ব লাভৰ ছুটীৰ দিন প্ৰসূতি লাভ আইন (সংশোধন), ২০১৭ ক্ৰমে বৃদ্ধি কৰা হয়, তথাপি ইয়াৰ পৰিব্যাপ্তি সংগঠিত খণ্ডৰ বাবে সীমিত স্থিতিত আছে। আইনখন সংশোধন ক্ৰমে ১২ সপ্তাহৰ বিপৰীতে ২৬ সপ্তাহৰ দৰমহাসহ প্ৰসূতিকালিন ছুটীৰ ব্যৱস্থা কৰে। আইনখনে ৫০ অথবা ততোধিক কৰ্মী থকা প্ৰতিষ্ঠানত কেঁচুৱা ৰখাৰ ব্যৱস্থাৰ অৰ্থে প্ৰস্তাৱ কৰে। পিছে সংশোধিত আইনখন সকলো উদ্যোগৰ বাবে প্ৰযোজ্য নহয়। কমেও ১০গৰাকী কৰ্মীক নিযুক্তি দিয়া প্ৰতিষ্ঠানৰ বাবেহে ই কাৰ্যকৰী হয়। কম উপাৰ্জনৰ মহিলাসকল— যি অনানুষ্ঠানিক খণ্ডত অধিক থাকে— তেওঁলোকে আনকি 'দৰমহাসহ প্ৰসূতিকালিন' ছুটীৰ এটা দিনৰ বাবেও সমৰ্থ নহয়। চহৰৰ অনানুষ্ঠানিক প্ৰতিষ্ঠানৰ নিয়োগৰ ক্ষেত্ৰত য'ত শিক্ষা আৰু উপাৰ্জনৰ স্তৰ ওপৰত তেনে প্ৰতিস্থানৰ বিবাহিত মহিলাই ল'ৰা-ছোৱালী হ'লে কৰ্মবাহিনীৰ পৰা ওলাই আহে। তাৰ কাৰণো হ'ল তেওঁলোকে শিশুৰ যতনৰ বোজা বহন কৰিব লাগে। সেয়েহে প্ৰয়োজনীয় কথাটো হ'ল সকলো মহিলা কৰ্মীৰ বাবে প্ৰসূতিকালিন লাভৰ সুবিধা পাব লাগে আৰু আইনখন কঠোৰভাৱে ৰূপায়ণ কৰিব লাগে। উদ্যোগ প্ৰতিষ্ঠানৰ কাষতেই ক্ৰেছৰ সুবিধা থাকিলে তেনে ব্যৱস্থাই নিয়োগৰ লগতে তেওঁলোকে সন্মুখীন হোৱা প্ৰত্যাহ্বানবোৰৰ সমাধান কৰাত সহায়ক হ'ব।

মহিলা শ্ৰমিক বাহিনীৰ কম অংশগ্ৰণৰ এটা কাৰণ হ'ল উপযুক্ত চাকৰিৰ অভাৱ। অৰ্থাৎ তেওঁলোকে যি কৰিব পাৰে আৰু তেওঁলোকে কি পায় তাৰ মাজত অসমতা আছে। মজলীয়া স্তৰৰ শিক্ষিত গোটসমূহৰ নিয়োগৰ হাৰ কম হোৱাৰ্লে চাই তেওঁলোকক বুনিয়াদী আৰু দক্ষতাৰ প্ৰশিক্ষণ দিয়া প্ৰয়োজন। একেদৰে বিভিন্ন শিক্ষা আৰু দক্ষতা আহৰণ কৰা মহিলাৰ বাবেও নিয়োগ সঞ্চাৰ কৰা উচিত। কম বেতন আৰু কামৰ শোচনীয় অৱস্থাৰ প্ৰভাৱ উৎসাহ-জনক নহয় বাবে মহিলাসকলে নিয়োগৰ পৰা নিজকে অপসাৰিত কৰিব বিচাৰে, যদিহে ঘৰখনে তেনে কৰিবলৈ সক্ষম কৰি তোলে। নবীচ আইনৰ নতুন সংশোধনে নিয়োগকৰ্তাসকলক সম্প্ৰসাৰিত কালৰ বাবে বৃহৎসংখ্যক নবীচক নিযুক্তি প্ৰদানৰ পোষকতা কৰে আৰু কামৰ সময়ো নিৰ্ধাৰিত কৰা তথা সেই নবিচসকলে নিজ ইচ্ছামতে চাকৰি এৰাৰ প্ৰতিও ব্যৱস্থা কৰিছে।

সামাজিক আৰু সাংস্কৃতিক সীমাবদ্ধতা (যদিও অঞ্চল আৰু সম্প্ৰদায় বিশেষে সুকীয়া ধাৰণা হয়) এতিয়াও বিষয়স্বৰূপ হৈ আছে, যি নিয়োগৰ ক্ষেত্ৰত মহিলাৰ কম অংশগ্ৰহণৰ কথাটোকেই

উদঙাই দেখুৱায়। গ্ৰাম্য আৰু চহৰৰ ঘৰৰ লোকে তেওঁলোকৰ ছোৱালীক শিক্ষা প্ৰদান কৰিবলৈ ইচ্ছা কৰিলেও ইয়াক সিহঁতৰ নিয়োগৰ বাবে বিনিয়োগ ৰূপে নেচায়। এই বাধাবোৰ অতিক্ৰম কৰা মহিলা কম যদিহে তেওঁলোকক ঘৰৰ দৰিদ্ৰ অৱস্থাই কাম কৰিবলৈ জোৰ নকৰে। কাজেই পৰিসংখ্যাৰ পৰা যি স্পষ্ট হোৱা দেখা যায় সেয়া হ'ল মহিলাসকলক অনানুস্থানিক, অৰ্দ্ধ কিম্বা অদক্ষতামূলক চাকৰিত নিযুক্ত হয় য'ত উপাৰ্জন কম আৰু সীমিত লাভ কিম্বা চাকৰিৰ নিৰাপত্তা আছে।

মহিলাৰ সুৰক্ষা সম্বন্ধে বৰ্ধিতভাৱে যি চিন্তাৰ বিষয় হৈ পৰে সেয়া তেওঁলোকৰ নিয়োগৰ ক্ষেত্ৰত দেখ দেখকৈ এটা বাধা। কেন্দ্ৰীয় চৰকাৰে মহিলাৰ বাবে নৈশ ভাগত কাম কৰাৰ ক্ষেত্ৰত নিষিদ্ধ কৰা সম্পৰ্কে কাৰখানা আইন, ১৯৪৮ৰ সংশোধন ক্ৰমে পৰ্যালোচনা কৰি আছে। পিছে বহু ৰাজ্য চৰকাৰে সম্প্ৰতি তেনে নিষিদ্ধকৰণ ব্যৱস্থা উঠাই লৈছে। কৰ্মস্থানত সুৰক্ষা সাধন ব্যৱস্থা আৰু মহিলাৰ বাবে নিৰাপদজনক পৰিবহণৰ যোগান ধৰিলেও সেইবোৰ পুনৰীক্ষণ কৰাৰ ক্ষেত্ৰত কোনো গুৰুত্ব আৰোপ কৰা নহয়।

কৰ্মস্থানত যৌনমূলক হাৰাশাস্তিৰ বৰ্দ্ধিত ঘটনাৱলী, গৈ থকা অৱস্থাত আৰু ৰাজহুৱা ঠাইত সংঘটিত ঘটনাৱলীয়ে মহানগৰ আৰু নগৰসমূহ যে নিৰাপদ নহয় সেই ভাবধাৰাক জগাই তুলিছে আৰু তাৰ ফলত নিয়োগৰ কাৰণে মহিলাৰ গতিময়তা প্ৰদানত বেয়াকৈ আক্ৰান্ত কৰিছে।

এনেধৰণৰ অনিশ্চয়তাৰ মাজত সবলীকৰণৰ চিহ্নও প্ৰকাশ পায়। মহিলা কৰ্মীসকল কিছুমান বিষয়ৰ ওপৰত অটল আৰু তাৰ বাবেই বহুতো প্ৰতিবাদ আৰু প্ৰতিহত কাৰ্যৰ সূচনা হৈছে।

একত্ৰিত হৈ থিয় দিয়া কৰ্মীসকলৰ মাজত মহিলাই গ্ৰহণ কৰা ভূমিকা মহিলাৰ কামত অংশগ্ৰহণ কৰা হাৰতকৈ বহুত বেছি। দুটা খণ্ড য'ত কৰ্মীসকলৰ দলবদ্ধ স্থিতিয়ে গা কৰি উঠিছে সেয়া হ'ল আঁচনিৰ প্ৰতি সচেষ্ট হোৱা কৰ্মীসকল আৰু ঘৰুৱা কৰ্মীসকল। এহাতে অংগনবাড়ী কৰ্মীসকলে যেনেদৰে দীৰ্ঘ কালৰ পৰা সংগঠিত হৈ উঠিছে, তেনেদৰে ঘৰুৱা কৰ্মীসকলেও নতুন আৰু বিস্তাৰিতভাৱে দলবদ্ধ হৈছে আৰু তেওঁলোকৰ কাম-কাজৰ সন্দৰ্ভত কম মূল্য আৰোপ কৰাৰ বিষয়ে প্ৰশ্নে উত্থাপন কৰিছে।

**সামৰণি**

ওপৰত কৰা আলোচনাৰ পৰা এইটোকেই বুজাই যে ৰাজ্য আৰু নিয়োগকৰ্তাসকলে এটা সঠিক সমাধানৰ ব্যৱস্থা কৰিবৰ কাৰণে গুৰুত্বসহকাৰে একেলগে বহি মীমাংসা কৰাৰ সময় হৈছে। ছেগা-ছোৰোকাকৈ হস্তক্ষেপ কৰি সামান্য ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিলে ফল নধৰে আৰু সেইবোৰে মহিলাৰ নিয়োগৰ বিষয়বোৰ সমাধান নকৰে। শ্ৰমিক আইনত ভালেমান বিষয় সংশোধন কৰিবৰ কাৰণে বিবেচনা কৰিবলৈ লওঁতে তেনে সংশোধনাৱলীত বৃহত্তৰ লিংগ প্ৰভাৱৰ বিষয়টোকে চিহ্নিত কৰি তাক সমাধান কৰা আৱশ্যক। ◻

**(১৯ পৃষ্ঠাৰ পৰা)**

কৰাৰ প্ৰয়োজন আছে— যাতে তেওঁলোক উৎপাদনৰ প্ৰতি অধিক সচেষ্ট হ'ব পাৰে। ইয়াৰ বাবে সকলো ল'ৰা-ছোৱালীৰ কাৰণে দশম শ্ৰেণী পৰ্যন্ত বাধ্যতামূলক মৌলিক বিষয়ৰ শিক্ষা অন্তৰ্ভুক্ত কৰা উচিত আৰু বুনিয়াদী প্ৰশিক্ষণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা দৰকাৰ। দীৰ্ঘ কালৰ বাবে নিৰন্তৰ অৰ্থনৈতিক বিকাশ সাধনৰ অৰ্থে মৌলিক শিক্ষা অৰ্জন কৰাটো অত্যাৱশ্যকীয় বিষয়। সেই একেদৰে প্ৰতিজন কৰ্মীৰ মূলধনী প্ৰাপ্ততা বৃদ্ধি কৰিবৰ বাবেও অধিক প্ৰয়াস কৰা আৱশ্যক আৰু এই প্ৰয়াসৰ ভিতৰত আছে সঞ্চয় তথা বিনিয়োগক উৎসাহিত কৰা নীতিসমূহ। এই নীতিসমূহ ঘৰুৱা তথা বিদেশ উভয়ৰ ক্ষেত্ৰতে হোৱা বাঞ্চনীয়।

এইবোৰ বৈশিষ্ট্যৰাজিক যদি শ্ৰমিক নীতিত সন্নিৱিষ্ট কৰিব পৰা যায় তেনেহ'লে ভাৰতৰ শ্ৰমিক শক্তিৰ সম্ভাৱনাৰাজিক যথেষ্টভাৱে দৃঢ়তাপূৰ্ণ কৰি তুলিব পাৰে। ইয়াৰ লগতে এইটোও মন কৰা উচিত হ'ব যে নিয়োগৰ খৰতকীয়া বৃদ্ধি আৰু প্ৰত্যেক কৰ্মচাৰীৰ প্ৰকৃত উপাৰ্জনৰাশি হ'ব শ্ৰমিক তথা ৰপ্তানি উন্মেষ ঔদ্যোগীকৰণ নীতিসমূহৰ এটা সঙ্গবদ্ধ ফলবিশেষ। অৱশ্যে ইয়াৰ সৈতে শ্ৰমিক নীতিকো ধৰিব লাগিব। ভাৰতে যিহেতু ইতিমধ্যে ৰপ্তানি উন্মেষ ঔদ্যোগীকৰণৰ দিশত অন্য বহু সংস্কাৰৰ ব্যৱস্থা গ্ৰহণ কৰিছে, সেই কাৰণে শ্ৰমিক নীতি সংস্কাৰ সাধনৰ পৰা এতিয়া যথেষ্ট লাভ প্ৰাপ্ত কৰাৰ সঠিক সময় হৈছে আৰু সেই সংস্কাৰ কাৰ্য অধিক নিয়োগ বৃদ্ধিৰ আকাৰত তথা প্ৰতিজন কৰ্মচাৰীৰ প্ৰকৃত উপাৰ্জনৰ ৰূপত প্ৰতিফলিত হ'ব লাগিব। ◻

# শিশু শ্ৰমিক আইনৰ সংস্কাৰ আৰু উচ্ছেদকৰণৰ প্ৰয়াস ঃ এটা প্ৰেক্ষাপটমূলক বিশ্লেষণ

**হেলেন আৰ শেকৰ***

শিশু শ্ৰমিক আইন হ'ল এটা আধাৰ স্বৰূপ যাৰ ওপৰত ভিত্তি কৰি কঠোৰ শ্ৰম কৰি দিন কটাব লগা কোমলমতি ল'ৰা-ছোৱালীৰ সমস্যা সমাধানৰ কাৰণে কৌশল পন্থা অৱলম্বন কৰিব পাৰি। আইনক সদায়েই আহিলাৰূপে চোৱা হয়। কেৱল সামাজিক ব্যৱস্থা, জনগণৰ দৃষ্টিভঙ্গী আৰু আচৰণকেই বিধিসন্মত হৈছে নে নাই তাক পৰ্যবেক্ষণ কৰাই নহয়, তদুপৰি সামাজিক অপকৰ্মসমূহক প্ৰতিৰোধ কৰি সমাধান কৰিবলৈ চোৱা হয়। তেনে অপকৰ্ম মানসিক দৃষ্টিভঙ্গী, কাম-কাজ, আচাৰ পদ্ধতি আৰু পৰম্পৰাৰ পৰা প্ৰকাশমান হোৱাৰ সম্ভাৱনা থাকে। সেয়ে আইনৰ হস্তক্ষেপ শিশু শ্ৰমিকৰ অতি জটিল বিষয়ক চোৱা-চিতা কৰিবৰ কাৰণে আৱশ্যক হয়। এই বিষয়টো আৰ্থ-সামাজিক ক্ষেত্ৰখনত গভীৰভাৱে সম্পৃক্ত হৈ আছে। ভাৰতৰ ৰাষ্ট্ৰীয় শিশু শ্ৰমিক নীতিত যি বিধানিক কৰ্ম পৰিকল্পনা আছে তাৰে এটা বিষয়ৰ লক্ষ্য হ'ল শিশু শ্ৰমিক ব্যৱস্থাক সুচিন্তিতভাৱে উৎখাত কৰা— বিশেষকৈ বিপদ সংকুল কাম-কাজৰ ক্ষেত্ৰত। এটা উপযুক্ত অস্ত্ৰ ৰূপে আইনক প্ৰয়োগ কৰা আৱশ্যক। তাত কোনো ছিদ্ৰ থাকিব নেলাগে—যাৰ সুবিধা লৈ বলবৎকৰণত বিধি পথালি দিয়াৰ সম্ভাৱনা থাকিব পাৰে। শিশু শ্ৰমিক (নিষেধ তথা নিয়ামক) আইন, ১৯৮৬ ক ২০১৬ চনত সংশোধন কৰা হয় ঘাইকৈ সকলো কাম-কাজতে শিশুৰ নিয়োগক নিষেধ কৰা আৰু তেনেবোৰ প্ৰক্ৰিয়াত বাধা জন্মোৱা— যাৰদ্বাৰাই স্কুলত ল'ৰা-ছোৱালীক ভৰ্ত্তি কৰা সুচল হ'ব পাৰে। এই ক্ষেত্ৰত শিশুৰ অধিকাৰ বিষয়ক আইন আছে আৰু সেয়া হ'ল বিনামূলীয়া তথা বাধ্যতামূলক শিক্ষা আইন, ২০০৯। বিপদ সংকুল কাম-কাজ তথা প্ৰক্ৰিয়া বিশেষত কিশোৰৰ নিয়োগ নিষেধ কৰা আৰু আন্তৰ্জাতিক শ্ৰমিক সংগঠনৰ ১৩৮ তথা ১৮২ চনদৰ সৈতে খাপ খুৱাকৈ কিশোৰহঁতৰ সেৱা সংক্ৰান্তীয় অৱস্থা বিধিবদ্ধ কৰাৰ অধিকাৰ এই আইনত দিয়া হৈছে।

উল্লিখিত চনদৰ মন কৰিবলগীয়া বিষয়টো হ'ল কামত প্ৰৱেশ কৰাৰ নিম্নতম বয়স বাধ্যতামূলক স্কুলীয়া শিক্ষা সম্পূৰ্ণ কৰা বয়সতকৈ কম হ'ব নেলাগিব আৰু কোনো ক্ষেত্ৰতে ১৫ বছৰতকৈ কম হ'ব নেলাগিব। এয়া ১৩৮ নম্বৰ চনদৰ ঘোষণা। ১৮২ নম্বৰ চনদৰ ১ অনুচ্ছেদৰ 'শিশু শ্ৰমিকৰ অতি বেয়া ৰূপ ধাৰণ' শিতানত জৰুৰীকালীন বিষয় ৰূপে শিশু শ্ৰমিকৰ অতি বেয়া ৰূপ ধাৰণ অৱস্থাক উৎখাত আৰু নিষেধ কৰিবলৈ তৎকালীনভাৱে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ বিষয়ে উল্লেখ কৰা হৈছে। এই প্ৰবন্ধটোত ভাৰতত কাম কৰা ল'ৰা-ছোৱালীৰ স্থিতিৰ প্ৰসঙ্গত শিশু শ্ৰমিক আইনত শেহতীয়াকৈ কৰা সংস্কাৰৰ বিষয়ে আলোচনা কৰিবলৈ লোৱা হৈছে।

শিশু শ্ৰমিক হ'ল এটা দ্বৈত অৰ্থৰ শব্দবিশেষ—ইটোৰ লগত সিটোৰ সম্বন্ধ আছে। শিশু বুলিলেই পৱিত্ৰতা আৰু নম্ৰতাক সূচায়। ই কোমলতাৰ দিশকো উন্মোচন কৰে। 'শ্ৰম' শব্দটোৱে পৰিশ্ৰম আৰু কঠিন কামক বুজায়। ইতিহাসে ঢুকি পোৱা কালৰ পৰাই ল'ৰা-ছোৱালীয়ে কিবা নহয় কিবা কামত ন্যস্ত হৈ থাকে বুলি জনা যায় আৰু তেনে কামে ল'ৰা-ছোৱালীৰ মনত প্ৰত্যয়ৰ ভাব জগায় আৰু নিজৰ মৰ্যাদা লাভ কৰিবলৈও তেওঁলোকক সমৰ্থৱান কৰি তোলে। লগতে সামাজিক ক্ৰিয়া-প্ৰক্ৰিয়াত ভাগ ল'বলৈ ই সহায় কৰে। তদুপৰি এইটোও ধৰি লোৱা হয় যে আগ বয়সৰ পৰাই কলা-কৌশল শিকি পৰম্পৰাগত কৌশলৰাজিক ৰক্ষা কৰা হয় আৰু সেইবোৰ এটা পুৰুষৰপৰা আনটো পুৰুষলৈ গ্ৰহণযোগ্য কৰি তোলা হয়। কামৰ এই ইতিবাচক দিশটো নাটকীয়ভাৱে পৰিৱৰ্তন হয় যেতিয়া ল'ৰা-ছোৱালীবোৰক দীৰ্ঘ সময়ৰ বাবে কাম কৰিবলৈ জোৰ কৰা হয় আৰু তাকো এনে পৰিস্থিতিত— যিবোৰে তেওঁলোকৰ মানসিক আৰু শাৰীৰিক দিশৰ ক্ষতি সাধন কৰে। অন্য পৰিৱৰ্তনৰ বিষয় হ'ল মইনাহঁতক শৈশৱ কালৰপৰা

***লেখিকা ভি ভি গিৰি নেশ্বনেল লেবাৰ ইন্সটিটিউটৰ 'ছীনিঅৰ ফেল' আৰু বিগত ৩০ বছৰ ধৰি গৱেষণা, প্ৰশিক্ষণ, পাঠ্যক্ৰম বিকাশ আৰু পৰামৰ্শদাতাৰ কামত জড়িত হৈ আছে।**

বঞ্চিত কৰা হয় আৰু শিক্ষা তথা অন্য অধিকাৰ আৰু সা-সুবিধাৰ পৰাও আঁতৰাই ৰখা হয়। কৰ্মবাহিনী অৰ্থাৎ কাম কৰা লোকসকলৰ মাজত চেঙেলীয়া ল'ৰা-ছোৱালীবোৰক অতি কম মজুৰি দিয়ে আৰু কোনো সময়ত তেনে শিশুৰে মজুৰি নোপোৱাকৈ কাম কৰিব লগা হয়। তাৰ কাৰণ হ'ল তেনে শিশু শ্ৰমিকৰ পিতা-মাতা কিম্বা পৰিয়ালৰ লোকে প্ৰতিষ্ঠানৰ মালিকৰ-পৰা ঋণ লোৱা হেতু সেই ধনৰাশি পূৰণ কৰিবৰ বাবেই বিনা বেতনেৰে খাটিব লগা হয়। শিশু শ্ৰমিকৰ ভিন ভিন ধৰণ-কৰণ আৰু প্ৰকাৰ আছে। তাৰ ভিতৰত কেইটামান হ'ল—মজুৰি পোৱা/মজুৰি নোপোৱা শিশু কৰ্মী, বন্ধোৱা শিশু শ্ৰমিক, পৰিয়ালৰ অংশ ৰূপে কাম কৰা শিশু, স্ব-নিয়োজিত ল'ৰা-ছোৱালী, ঘৰুৱা কাম উদ্যোগত কাম কৰা শিশু, প্ৰব্ৰজন কৰা আৰু প্ৰব্ৰজন নকৰা শিশু কৰ্মী ইত্যাদি।

বিভিন্ন কালৰ বিভিন্ন পৰিসংখ্যাৰ উৎসবোৰৰ পৰা অনানুষ্ঠানিক বা অসংগঠিত অৰ্থনীতিৰ বিভিন্ন খণ্ডত ল'ৰা-ছোৱালীৰ নিয়োগ সম্বন্ধে সম্ভেদ পোৱা যায়। সেই অৰ্থনৈতিক কাম-কাজৰ ভিতৰত কৃষি, পশুপালন, বনাঞ্চল, খাদ্য সংসাধন, প্ৰস্তুতকৰণ আৰু অন্যান্য সেৱা খণ্ডও আছে। কিছুমান কাম-কাজত শিশু শ্ৰমিকক উৎপাদনৰ সকলো স্তৰতে জড়িত কৰা হয়—একেবাৰে কেঁচা সা-সামগ্ৰী গোটোৱাৰ পৰা সুন্দৰভাৱে নিৰ্মিত সামগ্ৰীসমূহক নিৰ্দিষ্ট স্থানত দ'ম কৰি ৰখালৈকে কামত খটোৱা হয়। অৰ্থনৈতিক খণ্ডৰ য'তেই নহওক ল'ৰাবোৰে অপৰিষ্কাৰ পৰিৱেশৰ মাজত কাম কৰে আৰু সিহঁত বিষাক্ত জাতীয় ৰাসায়নিক পদাৰ্থক শ্বাস-প্ৰশ্বাসত ল'ব লগা হয়, পোক-পৰুৱা আদিৰ কামোৰণিৰ পৰাও সাৰি নেযায়। বিভিন্ন সা-সামগ্ৰী প্ৰস্তুত কৰা উদ্যোগ আৰু গোটসমূহত কাম কৰা ল'ৰা-ছোৱালীবোৰ ধাতৱ আৰু অন্যান্য ধূলি-বালিৰ মাজত উশাহ-নিশাহ ল'ব লগা হয় আৰু তাৰ ফলত নানা ধৰণৰ বেমাৰত ভুগিব লগা হয়। তেনেবোৰ ৰোগৰ ভিতৰত উল্লেখযোগ্য হ'ল — ব্ৰংকাইটিজ জাতীয় এজ্‌মা (ৰেচম, পোছাক, বস্ত্ৰ, কাৰ্পেটৰপৰা উদ্ৰেক হোৱা), ছিলিকছিছ (আইনা প্ৰস্তুতকৰণৰ পৰা), এছবেষ্টচিচ (চিমেণ্ট আদিৰ পৰা), যক্ষ্মা (বিড়ি প্ৰস্তুতৰ পৰা), টিটানাছ, চকুৰ ৰোগ (চিলাই কাম) ইত্যাদি। ইয়াৰ কিছুমান ৰোগ আৰোগ্য কৰিব পৰা নেযায়।

শিশু শ্ৰমিকৰ ক্ষেত্ৰত এনে ধৰণৰ এটা উদাহৰণ ব্ৰাছ, অৰ্থাৎ লোহা জাতীয় এটা ধাতৱ পদাৰ্থ নিৰ্মাণ প্ৰক্ৰিয়াত হোৱা কাৰ্যৰদ্বাৰা দিব পৰা যায়। ইয়াক প্ৰস্তুত কৰোঁতে বাকচ সদৃশ এটা তপত চুলাৰ কাষত কাম কৰা ল'ৰাই চকা ঘূৰাই থাকিব লাগে—যাতে চুলাটো জ্বলি থাকে। গলিত ধাতুখিনিও চুলাটোৰ মুখখন খুলি চাই থাকিব লাগে আৰু নিৰ্দিষ্ট সময়ত কিছু ৰাসায়নিক পাউদাৰ তাত ছটিয়াই দিব লাগে। তাৰপিছত সেই গলিত ধাতুখিনি যদি সাঁচ দিবৰ কাৰণে প্ৰস্তুত হৈছে, তেনেহ'লে জ্বলন্ত চুলাটোৰ মুখৰ ফালৰপৰা বেঙুনীয়া আৰু নীলা ফিৰিঙতি ওলাব। ল'ৰাটোৱে তেতিয়া এযোৰ ডাঙৰ চেপেনা লৈ চুলাটোৰ পৰা গলিত ব্ৰাছ তুলি আনি সাঁচত ঢালিবৰ কাৰণে সাজু হ'ব আৰু লগত থকা বয়স্ক কৰ্মীক সমুচিতভাৱে সাঁচত উপস্থাপন কৰাত সহায় কৰিব। কিছু সময়ৰ পাছত সেই নিৰ্দিষ্ট আকাৰ ধাৰণ কৰিলে তাৰপৰা আঁতৰাই অনাতো কৰ্মীজনক সহায় কৰিব। এই কাম কৰি থাকোতে কৰ্মৰত ল'ৰাজনে চুলাটোৰ ইফালে-সিফালে খালী ভৰিৰেই থিয় হৈ থাকে। এনে ধৰণে লোহাৰ টুকুৰাবোৰ গঢ় দি থাকোঁতে কৰ্মচাৰীসকলেও ধোঁৱা আৰু গেছবোৰ শ্বাস-প্ৰশ্বাসৰ লগতে দেহৰ ভিতৰলৈ টানি নিয়ে। গৰম চুলাটোৰ তাপমাত্ৰা তেনে অৱস্থাত প্ৰায় ১১০০ চেলছিয়াছ হয়। যিবোৰ ল'ৰাই কাম কৰি থাকে তেওঁলোকেও সেইবোৰ গোন্ধ সহ্য কৰিব লগা হয় আৰু উশাহ-নিশাহৰ জৰিয়তে দেহৰ ভিতৰলৈ লৈ যায়। তদুপৰি গলিত ধাতুবোৰ সাঁচত ঢালোঁতে কৰ্মৰত ল'ৰাৰ শৰীৰৰ কোনোবা অংশত পুৰি যোৱাৰ আশংকাই কেৱল নাথাকে, চকুৰ অনিষ্ট সাধন হোৱাৰো ভয় থাকে, গৰম লোহাৰ টুকুৰাবোৰ পিছলি পৰি আঘাত কৰাৰো আশংকা থাকে, কাৰণ সেইবোৰ চাফা কৰি মসৃণ কৰিব লাগে। তেনে টুকুৰাবোৰ একেলেথাৰিকৈ ধৰি থকাৰ বাবে আঙুলিবোৰ বিষাব পাৰে। মিহি কৰি থাকোঁতে যিবোৰ ধূলি ওলায় সেইবোৰ নাকত লগাৰ কাৰণে শ্বাস নলীত সংক্ৰমণ হ'ব পাৰে। এই সকলোবোৰ তিক্ত অভিজ্ঞতা লাভ কৰাৰ পিছত মূৰকত স্পণ্ডেলাইটিছ্ এংকাইলছিছ আৰু স্থায়ীভাৱে ৰাজহাড়ত বাকী লাগিব পাৰে। কিছুমান অন্য কাৰ্য প্ৰক্ৰিয়াতো শিশু শ্ৰমিকৰ বিপদৰ আশংকা থাকে। তেনে প্ৰক্ৰিয়াৰ কামবোৰ হ'ল— পলিছ কৰা, তলা প্ৰস্তুতকৰণ কাৰ্যত ইলেকট্ৰোপ্লেটিং আৰু স্প্ৰে পেইণ্টিং কৰা কাম। গোলকীয় স্তৰত শিশু শ্ৰমিকৰ উপস্থিতি এটা উদ্বেগৰ বিষয় আৰু শিশু শ্ৰমিক ব্যৱস্থাই ল'ৰা-ছোৱালীক বেয়াকৈ আক্ৰান্ত কৰে। কিশোৰ-কিশোৰীৰ সামগ্ৰিক বিকাশ সাধনত বাধা জন্মায়। সেয়ে এনে স্থিতিৰ

সৈতে জড়িত থকা বিষয়বোৰৰ সন্দৰ্ভত এটা স্পষ্ট ৰাষ্ট্ৰীয় নীতি আৰু চৰকাৰৰ তৰফৰপৰা কাৰ্য ব্যৱস্থা লোৱা আৱশ্যক। তেনে বিষয়বোৰ হ'ল—দৰিদ্ৰতা, নিবনুৱা, নিৰক্ষৰতা আদি আৰু তাৰ উচিত সমাধানেৰে ল'ৰা-ছোৱালীৰ মাজত এনে ধৰণৰ শ্ৰমিক ব্যৱস্থাৰ অৱসান ঘটোৱাৰ প্ৰয়োজন।

এই শিশু শ্ৰমিক বিষয়ৰ সমস্যাটো সমাধান কৰিবৰ বাবে ভাৰত চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতৰ সংবিধানৰ অনুচ্ছেদসমূহত তেনে ব্যৱস্থাৰ দিহা কৰাটো সুস্পষ্ট আৰু ল'ৰা-ছোৱালীৰ সন্দৰ্ভত বিভিন্ন শ্ৰমিক আইন তথা অন্যান্য বিধি-নিয়ম প্ৰস্তুত কৰি ৰূপায়ণৰ প্ৰয়াস অব্যাহত আছে। লগতে সেই আইনবোৰ সময়ে সময়ে সংশোধনো কৰা হয় পৰিস্থিতি সাপেক্ষে প্ৰাঙ্গিকতাৰ দিশবোৰলৈ চাই। আইনবোৰৰ ৰূপায়ণ উপযুক্তভাৱে নিশ্চিত কৰিবৰ বাবে পুঁজিৰ ব্যৱস্থাও কৰা হৈছে। তদুপৰি কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় শিশু শ্ৰমিক নীতিৰ ক্ষেত্ৰত লক্ষ্য থিৰ কৰাৰ লগতে গুৰুত্বও আৰোপ কৰিছে। উক্ত নীতিৰ জৰিয়তে এনে দৃষ্টিভংগী অৱলম্বন কৰিবলৈ বিচৰা হৈছে—যাতে ক্ৰমাগতভাৱে তাৰ সুফল লাভ কৰিব পৰা যায়। বিপদসংকুল পৰিৱেশ আৰু স্থিতিৰ মাজত যিসকল ল'ৰা-ছোৱালীয়ে কাম কৰে তেনেবোৰ কিশোৰ-কিশোৰীক পুনৰ সংস্থাপন কৰাৰ ওপৰত আলোকপাত কৰা হৈছে। ইতিমধ্যে তেনেবোৰ কাম-কাজৰপৰা অপসাৰণ তথা উদ্ধাৰ কৰা ল'ৰা-ছোৱালীবোৰৰ পুনৰসংস্থাপনৰ বাবে চৰকাৰে বিভিন্ন আঁচনি প্ৰচলন কৰিছে আৰু লগে লগে পুনৰসংস্থাপন যোজনাক অধিক কৰ্মক্ষম কৰি তুলিবলৈ কৰ্মী বাহিনী গঠন কৰিছে আৰু তাৰ দ্বাৰাই যাতে পৰিকল্পনা, ৰূপায়ণ তথা পৰ্যবেক্ষণৰ কামত সহায়ক হয় তাৰ প্ৰতিও দৃষ্টি ৰাখিছে।

বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা বিষয়ক শিশুৰ অধিকাৰ আইন, ২০০৯ প্ৰণয়ন কৰি চৰকাৰে শিক্ষাৰ অধিকাৰক ল'ৰা-ছোৱালীৰ বাবে এটা মূল অধিকাৰ কৰিছে। ৬-১৪ বছৰ বয়স গোটৰ প্ৰত্যেক শিশুকেই বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰিব লাগিব। শিশু শ্ৰমিক নীতিৰ উদ্দেশ্য উপলব্ধ কৰাৰ ক্ষেত্ৰত কিমান আগবঢ়া হৈছে সেয়া কেৱল স্কুলসমূহত ল'ৰা-ছোৱালীৰ প্ৰৱেশ আৰু উপস্থিতি বৃদ্ধি হোৱাটেই নহয়, শিশু শ্ৰমিকৰ সংখ্যা হ্ৰাস পোৱাৰ ক্ষেত্ৰতো প্ৰতিফলিত হৈছে আৰু সেই তথ্য হ'ল এনে ধৰণৰ — ২০০১ চনত শিশু শ্ৰমিকৰ সংখ্যা আছিল ১২.৭ নিযুত, কিন্তু ২০১১ চনত এই সংখ্যা হয়গৈ ১০.১ নিযুত। সেই একে কালছোৱাৰ ভিতৰত নেচনেল ছেম্পল ছাৰ্ভে সংগঠনৰ জৰীপ মতে কাম কৰা ল'ৰা-ছোৱালীৰ সংখ্যা ২০০৪-০৫ বৰ্ষৰ ৯.০৭ নিযুতৰ পৰা ২০০৯-১০ বৰ্ষৰ কালছোৱাত ৪.৯৮ নিযুতলৈ অৱনমিত হয়।

শিশু শ্ৰমিক (নিষেধ আৰু বিধিবদ্ধ) আইন, ১৯৮৬ এ ১৪ বছৰ বয়সৰ তলৰ ল'ৰা-ছোৱালীক ১৮ টা কোম্পানী তথা ৬৫ টা প্ৰস্তুত প্ৰতিষ্ঠানত নিয়োগ নিষেধ কৰে। ২০১৬ চনত সংশোধন কৰাৰ পাছত শিশু তথা কিশোৰ বিষয়ক শ্ৰমিক (নিষেধ তথা বিধিবদ্ধ) আইন, ১৯৮৬ৰদ্বাৰা ১৪ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ যি কোনো প্ৰতিষ্ঠানতেই নিয়োগ কিম্বা কাম কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে নিষেধ কৰা হয়। আইনখনৰ বক্তব্য বিষয় হ'ল কিশোৰ -কিশোৰীয়ে ব্যক্তি ৰূপে চৈধ্য বছৰ বয়স সম্পূৰ্ণ কৰিছে, কিন্তু ১৮ বছৰ বয়স পূৰ্ণ কৰা নাই। কাৰখানা আইন, ১৯৪৮ ত ১৮ বছৰৰ তলৰ সকলো ল'ৰা-ছোৱালীক যি কোনো বিপদসংকুল কাম বা প্ৰক্ৰিয়াসমূহত কাম কৰা সম্পূৰ্ণভাৱে বন্ধ কৰা হয় আৰু খনি, বিস্ফোৰক বিষয় জড়িত প্ৰতিষ্ঠান, কাৰখানা আদি তথা প্ৰাণৰ ভয় থকা উদ্যোগ আদিয়েই হ'ল তেনে কাম বা প্ৰক্ৰিয়া জড়িত থকা অনুষ্ঠান।

এই সন্দৰ্ভত সংশোধনী আইন প্ৰণয়ন কৰাৰ পাছতেই এখন কাৰিকৰী পৰামৰ্শদাতা সমিতি গঠন কৰা হয়। উদ্দেশ্য হ'ল তেনে বিপদসংকুল কাম বা প্ৰক্ৰিয়াবিশেষৰ সন্দৰ্ভত যি অনুসূচী আছে তাক পৰ্যবেক্ষণ কৰা আৰু সেই বিষয়ত মত ব্যক্ত কৰা। সেই অনুযায়ী কাৰিকৰী পৰামৰ্শদাতা সমিতিয়ে ইতিমধ্যে প্ৰতিবেদন দাখিল কৰে। উক্ত প্ৰতিবেদনত উল্লিখিত অনুসূচীৰ সন্দৰ্ভত দুটা ভাগত নিজৰ অনুমোদন জনায়। 'ক' ভাগটোত বিপদসংকুল প্ৰতিষ্ঠানত কিশোৰ-কিশোৰীক কাম কৰিবলৈ নিষেধ কৰা হয় আৰু 'খ' ভাগত তেনেবোৰ কাম-কাজত জড়িত থকা ব্যক্তিক সহায় কৰিবলৈও ল'ৰা-ছোৱালীক নিষেধ কৰা হয়। 'ক' ভাগত ৯ টা শ্ৰেণীৰ কাম-কাজ আৰু প্ৰক্ৰিয়াক অন্তৰ্ভুক্ত কৰা হৈছে আৰু ভূগৰ্ভস্থ তথা পানীৰ তলৰ সম্পৰ্কিত কাম বিশেষভাৱে উল্লেখ কৰা হৈছে। তদুপৰি বিপদাপন্ন কাৰ্য প্ৰক্ৰিয়াত জড়িত উদ্যোগৰ এখন তালিকাও দিয়া হৈছে। সেই তালিকাৰ কেইটামান হ'ল—লো আৰু অ-লো সম্পৰ্কীয় ধাতু-তত্ত্ব, এলানি ৰাসায়নিক উদ্যোগ, বিদ্যুৎ উদ্ৰেক কৰা উদ্যোগ, ছিমেণ্ট, ৰবৰ, পেট্ৰোলিয়াম, তিনিটা সাৰ উদ্যোগ, ড্ৰাগ তথা ফাৰ্মাচিউটিকেল উদ্যোগ, কাগজ তৈয়াৰ, পেট্ৰো-

কেমিকেল, বৰ্ণসম্ভাৰ আৰু ৰং কৰা, ইলেকট্ৰোপ্লেটিং, চামৰা তৈয়াৰী, ফাৰ্মেণ্টেচন গ্লাছ এণ্ড চিৰামিকছ, কচাই খানা, নিৰ্মাণ ইত্যাদি।

যিবোৰ ল'ৰা-ছোৱালীয়ে স্কুল ছুটীৰ পিছত আৰু বন্ধৰ সময়ছোৱাত নিজৰ পৰিয়াল কিম্বা পৰিয়ালৰ উদ্যোগসমূহত সহায় কৰে, তেনে ল'ৰা-ছোৱালীক ওপৰত উল্লিখিত বাধ্যবাধকতাৰপৰা ৰেহাই দিয়া হয়। পৰিয়াল মানে কেৱল শিশুহঁতৰ মাতৃ, পিতৃ, ভাতৃ, ভগ্নী আৰু বাপেকৰ ভনীয়েক তথা ককায়েক আৰু মাকৰ ভনীয়েক তথা ককায়েকক বুজায়। স্কুল বুলিলে কাক বুজায় সেইটোও গুৰুত্বপূৰ্ণ বিষয়। সেয়ে স্কুল বুলিলে এনে হ'ব লাগিব যিটো শিক্ষাৰ অধিকাৰ আইন মতে বিনামূলীয়া তথা বাধ্যতামূলক শিক্ষাৰ কাৰণে ল'ৰা-ছোৱালীৰ অধিকাৰ সমন্বিত অনুসূচীৰ ১৯ আৰু ২৫ ধাৰাৰ সৈতে ৰজিতা খোৱা বিধি আৰু মান অটুট ৰাখে আৰু সহায় কৰে বুলিলে "তেনে সহায় সম্পূৰ্ণৰূপে স্বেচ্ছামূলক আৰু 'নিয়োগ' নহয় তথা বিপদসংকুল কাম-কাজ বা প্ৰক্ৰিয়াও নহয়। যি কোনো কাৰণতেই নহওক, ল'ৰা-ছোৱালীৰ শিক্ষাত বাধা পৰিব নেলাগে। এটা দৃশ্য-শ্ৰব্য বিনোদন উদ্যোগত এজন শিল্পী ৰূপে কাম কৰা ল'ৰা বা ছোৱালী তথা বিজ্ঞাপন, চলচ্চিত্ৰ, টেলিভিচনৰ ধাৰাবাহিক অথবা এনে ধৰণৰ যি কোনো বিনোদন কিম্বা খেলা-ধূলাত (চাকাৰ্ছৰ ব্যতিৰেকে) ৰেহাই দিয়া— যদিহে তেনেবোৰ বিষয়ৰ ক্ষেত্ৰত সুৰক্ষা ব্যৱস্থা থাকে। শিল্পী মানে যিসকল ল'ৰাই অভিনেতা ৰূপে কাম কৰে কিম্বা গায়ক অথবা খেলুৱৈ ৰূপে কামত মনোনিৱেশ কৰে।

শিশু আৰু কিশোৰ শ্ৰমিক (নিষেধ আৰু বিধিবদ্ধ) আইন, ১৯৮৬ ত কঠোৰ শাস্তি বিধানৰ ব্যৱস্থা আছে। ৩ অথবা ৩ ক ধাৰাৰ অধীনত এজন নিয়োগকৰ্ত্তাই কৰা অপৰাধৰ বাবে শাস্তি প্ৰদানৰ ব্যৱস্থা ৰূপে কাৰাবন্দী হ'ব লগা হয় আৰু এই কাৰাবন্দী কাল ছমাহতকৈ কম নহয়। কিন্তু ইয়াক দুবছৰলৈ বঢ়াই দিব পাৰে কিম্বা জৰিমনা বিহিব পাৰে। এই জৰিমনাৰ পৰিমাণ বিশ হেজাৰ টকাতকৈ কম নহ'ব। ইয়াৰ পৰিমাণ পঞ্চাছ হেজাৰ টকালৈ বঢ়াই দিব পাৰে অথবা কাৰাবাস আৰু জৰিমনা দুয়োটাই বিহিব পাৰে আৰু পুনৰায় অপৰাধ কৰিলে তেনে আইন উলংঘাকাৰী ব্যক্তিক কমেও এবছৰৰ কাৰণে শাস্তি বিহিব পাৰে। কিন্তু ইয়াক তিনি বছৰলৈ বঢ়াই দিব পাৰে। এই আইনখনত পিতৃ-মাতৃ তথা অভিভাৱক-সকলৰ বাবেও শাস্তিৰ বিধান আছে—যদিহে তেওঁলোকে আইনখনৰ ৩ বা ৩- ক ধাৰা উলংঘা কৰি নিজৰ সন্তানক বাণিজ্যিক উদ্দেশ্যে কাম কৰিবলৈ দিয়ে। প্ৰথম অপৰাধ কৰিলে কোনো শাস্তি বিহা নহয়; কিন্তু পুনৰায় অপৰাধ কৰিলে পিতৃ-মাতৃ আৰু অভিভাৱসকলক জৰিমনা বিহা হয় আৰু তেনে জৰিমনাৰ পৰিমাণ দহ হেজাৰ টকালৈকে বৃদ্ধি পাব পাৰে।

শিশু আৰু কিশোৰক কৰ্মস্থলৰপৰা উদ্ধাৰ কৰিলে তেওঁলোকৰ বাবে আইন মতে পুনৰ সংস্থাপনৰ ব্যৱস্থা আছে। সেই আইন, অৰ্থাৎ উল্লিখিত শিশু আৰু কিশোৰ শ্ৰমিক (নিষেধ তথা বিধিবদ্ধ) আইনে শিশু তথা কিশোৰ শ্ৰমিক পুনৰসংস্থাপন পুঁজি গঠনৰ দিহা আগবঢ়ায়। আইনখনৰ মতে চৰকাৰক এনে ক্ষমতা প্ৰদান কৰিব পাৰে অথবা জিলা দণ্ডাধীশক তেনে কৰ্তব্য আৰোপ কৰিব পাৰে—যাতে আইনখন উপযুক্তভাৱে বলবৎ হয়। লগতে সময়ে সময়ে পৰিদৰ্শন তথা চৰকাৰৰ দ্বাৰা পৰ্যবেক্ষণৰ নিশ্চিত কৰাৰো দিহা আছে।

সংশোধিত শিশু শ্ৰমিক আইনৰ উদ্দেশ্যক সমুচিতভাৱে উপলব্ধ কৰিব পৰা যায়। তাৰবাবে প্ৰতিৰোধমূলক হস্তক্ষেপৰ ব্যৱস্থা আছে আৰু সেয়া হ'ল চৈধ্য বছৰ বয়সৰ তলৰ সকলো ল'ৰা-ছোৱালীক স্কুলত ভৰ্ত্তি কৰাই শিক্ষা গ্ৰহণ কৰিবলৈ দিয়া। তাৰ লগে লগে শিশু শ্ৰমিক চিহ্নিত কৰি উদ্ধাৰ কৰিব লাগে আৰু তেনে শিশুক শিক্ষাগতভাৱে পুনৰসংস্থাপন কৰিব লাগে। আনহাতে তেনে শিশুৰ পৰিয়ালবোৰৰ অৰ্থনৈতিক পুনৰ-সংস্থাপনৰ প্ৰতিও মন দিয়া দৰকাৰ। সেই ক্ষেত্ৰত তেওঁলোকক নিয়োগৰ উপযুক্ত কৰাকৈ দক্ষতা প্ৰদান কৰি উপাৰ্জন উদ্ৰেক পথৰ যোগান ধৰিব লাগে আৰু এই ক্ষেত্ৰত প্ৰব্ৰজনকাৰী তথা স্পৰ্শকাতৰ শ্ৰেণীৰ লোকসকলৰ ওপৰত বিশেষভাৱে আলোকপাত কৰা প্ৰয়োজন আৰু তেনে কৰিলেহে তাৰ প্ৰতি সচেষ্ট আৰু উপাৰ্জনকাৰী বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লোকসকলক গঠন-মূলক দৃষ্টিভঙ্গীৰ প্ৰতি সজাগতা, প্ৰশিক্ষণ, সংবেদনশীল তথা সামাজিক একত্ৰীকৰণ ভাবৰদ্বাৰা উন্মেষ সাধন কৰি শিশু শ্ৰমিক আইন উপযুক্তভাৱে বলবৎ কৰাৰ পথ মুকলি কৰিব আৰু তাৰদ্বাৰাই দেশখনত শিশু শ্ৰমিক ব্যৱস্থাৰ অৱসান ঘটিব। □

# শ্ৰমিকৰ বজাৰ, প্ৰব্ৰজন আৰু মজুৰিত এম জি এনৰেগাৰ প্ৰভাৱ ঃ দুখন নিৰ্বাচিত ৰাজ্যৰ বিশ্লেষণাত্মক পৰ্যালোচনা

**ইউ হেমন্ত কুমাৰ***
**বি সুজাতা***

**পাতনি ঃ**

প্ৰাকৃতিক সম্পদৰ ভঁৰালৰপৰা ব্যাপক হাৰত দীৰ্ঘদিন ধৰি সম্পদ আহৰণ বা নিষ্কাসন কৰাৰ ফলত প্ৰাকৃতিক সম্পদ যেনে, পানী, ভূমি আৰু উদ্ভিদৰ অৱক্ষয় ঘটে। ইয়াৰ ফলত কৃষি উৎপাদনশীলতা আৰু নিযুক্তিৰ সুবিধা সৃষ্টিত বিৰূপ প্ৰভাৱ পৰে। একে ধৰণে ক্ৰমবৰ্দ্ধমান দাৰিদ্ৰ্য আৰু নিবনুৱা সমস্যাই ভূমিৰ বিভাজন হোৱাত অৰিহণা যোগায় আৰু কৃষিক্ষেত্ৰৰ শ্ৰমিকৰ সংখ্যা বৃদ্ধি কৰে। কৃষি শ্ৰমিকৰ সংখ্যা উল্লেখনীয়ভাৱে ১৯৮১ চনৰ ৭.০৮ নিযুতৰপৰা ২০০৮ চনলৈ ১২১ নিযুতলৈ বৃদ্ধি পাইছে। একে সময়তে ক্ষুদ্ৰ আৰু উপান্ত কৃষকৰ স্বত্ব থকা উৰ্বৰ খেতি কৰি থকা মাটি ১৯৭১ চনৰ ৭০ শতাংশৰপৰা ২০০১ চনলৈ ৮২ শতাংশলৈ বৃদ্ধি হোৱা দেখা গৈছে। এই সমস্যাৰ মুখামুখি হ'বলৈ কঠোৰ প্ৰয়াস আৰু সামগ্ৰিক বিকাশত গুৰুত্ব প্ৰদান কৰিব লাগিব। সামগ্ৰিক বিকাশৰ অৰ্থ হ'ল সময়-নিৰ্দ্ধাৰিত ফলাফলৰ লক্ষ্যৰে বৃহৎ কাৰ্যসূচীৰ জৰিয়তে গুৰুত্বপূৰ্ণ ক্ষেত্ৰক অগ্ৰাধিকাৰ প্ৰদান। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি (এম জি এন ৰেগা) হ'ল এই কাৰ্যসূচীৰ অন্যতম। ২০০৫ চনৰ ৭ ছেপ্টেম্বৰত প্ৰৱৰ্তন কৰা মহাত্মাগান্ধী এনৰেগা অনুসৰি প্ৰতিটো বিত্তীয় বৰ্ষতে প্ৰত্যেক পৰিয়ালক কমপক্ষেও ১০০ দিনৰ নিশ্চিত মজুৰিৰ নিযুক্তি প্ৰদানেৰে দেশৰ গ্ৰামাঞ্চলৰ দৰিদ্ৰ পৰিয়ালসমূহলৈ জীৱিকাৰ নিৰাপত্তা বৃদ্ধি কৰি অহা হৈছে। প্ৰথম পৰ্যায়ত দেশৰ ২০০ খন গ্ৰাম্য জিলাত এই আইন প্ৰৱৰ্তন কৰা হৈছিল (২০০৬ চনৰ ২ ফেব্ৰুৱাৰীৰপৰা কাৰ্যকৰী হোৱাকৈ)। ২০০৭-০৮ বিত্তীয় বৰ্ষত ইয়াক অতিৰিক্ত ১৩০ খন গ্ৰাম্য জিলালৈ সম্প্ৰসাৰিত কৰা হৈছিল। ইয়াৰ পাছৰ পৰ্যায়ত ২০০৮ চনৰ ১ এপ্ৰিলৰপৰা কাৰ্যকৰী হোৱাকৈ বাকী থকা গ্ৰাম্য জিলাসমূহত এম জি এন ৰেগা (MGNREGA) প্ৰৱৰ্তন কৰা হয়। এম জি এন ৰেগাই দেশৰ ১০০ শতাংশ নগৰীয়া জনসংখ্যা থকা জিলাৰ বাহিৰে আন সকলো জিলা সামৰি লৈছে। এম জি এনৰেগাৰ বাবে ব্যয় হোৱা ৪০ হাজাৰ কোটি টকা (৬.৭ বিলিয়ন আমেৰিকান ডলাৰ) ৰে ই বিশ্বৰ বৃহত্তম ৰাজহুৱা কাৰ্যসূচী।

এম জি এনৰেগা এটা সংহত প্ৰাকৃতিক সম্পদ ব্যৱস্থাপনা আৰু ই জীৱিকা সৃষ্টিত সহায় কৰে। ধাৰণাৰ দিশৰ পৰা ইয়াক পৰিয়ালকেন্দ্ৰিক ৰূপে গঢ় দি তোলা হৈছে। কামৰ প্ৰতি সজাগতা, কাম, জীৱিকা আৰু মৰ্যাদাৰ অধিকাৰ আৰু এটা মানবিশিষ্ট জীৱন-যাপন আদিত ই গুৰুত্ব প্ৰদান কৰে। অৱশ্যে এই বিষয়সমূহক লৈ অধিক গৱেষণাৰ প্ৰয়োজন আছে। ক্ষুদ্ৰ পৰিসৰ (ব্যক্তি/পৰিয়াল) আৰু বৃহৎ পদ্ধতি (চৰকাৰ/সংস্থা) ৰ মাজৰ সংযোগে 'পৰিৱৰ্তন' বিশ্লেষণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে, বিশেষকৈ ই যেতিয়া পদ্ধতিসমূহৰ মাজত স্থানান্তৰিত হয়। উদাহৰণস্বৰূপে, বৃহৎ পৰ্যায়ৰ পৰিৱৰ্তনে পৰিয়ালসমূহত আৰু আনহাতে ক্ষুদ্ৰ পৰ্যায়ৰ পদক্ষেপে ব্যক্তি বা পৰিয়ালত প্ৰভাৱ পেলায়। উদাহৰণ-স্বৰূপে মজুৰি প্ৰদানত বিলম্ব হোৱাৰ দৰে কেতবোৰ কাৰকৰ প্ৰভাৱ থাকিব পাৰে। গিডেন্সৰ তত্ত্ব অনুসৰি ক্ষুদ্ৰ আৰু বৃহৎ পৰ্যায়ৰ পদ্ধতিসমূহৰ মাজৰ যোগসূত্ৰৰ অৱলোকনে এই সন্দৰ্ভত অধিক স্পষ্ট হোৱাত সহায় কৰে। এই অৱলোকন সামগ্ৰিক ব্যৱস্থাটোৰ সৈতে এজেণ্ট (ব্যক্তি/পৰিয়াল) আৰু বৃহৎ অংশৰ মাজত সম্পৰ্ক গঢ়ি তোলাৰ বাবে প্ৰয়োজন। এজেণ্ট-সকলে এই কাৰ্যসূচীৰ লক্ষ্যক কেনেদৰে প্ৰভাৱান্বিত কৰিব আৰু দৰিদ্ৰ পৰিয়াল-সমূহৰ বাবে জীৱিকাৰ ভিত্তি কেনেদৰে মজবুত কৰিব সেই বিষয়ে জনাটো দৰকাৰ। অতি কমেও ১০০ দিনৰ কাম নিশ্চিত কৰা (আইনগতভাৱে) কাৰ্যই ভাৰতৰ

***ড° ইউ হেমন্ত কুমাৰ হায়দৰাবাদৰ এন আই আৰ ডি এণ্ড পি আৰ-ৰ স্কুল অৱ ৰুৰেল লাইভলিহুদছৰ ছেণ্টাৰ ফৰ্ লাইভলিহুদছৰ সহযোগী অধ্যাপক। ড° বি সুজাতা একেই অনুষ্ঠানৰ গৱেষণা সহযোগী।**

নাগৰিকসকলৰ ইচ্ছাশক্তিক প্ৰতিফলিত কৰে আৰু কাম কৰাৰ অধিকাৰ বৈধ অধিকাৰ ৰূপে চিহ্নিত কৰে। এই প্ৰক্ৰিয়াটোত দৰিদ্ৰ আৰু দুৰ্বল শ্ৰেণীৰ লোকসকল জড়িত হৈ থাকে।

এম জি এন ৰেগাৰ অধীনত স্বত্ব লাভ কৰাটো এক সামাজিক ন্যায় বুলি পৰিগণিত হৈছে। অৱশ্যে বৰ্তমানলৈ শ্ৰমিকৰ বজাৰ, প্ৰব্ৰজন আৰু মজুৰিৰ ওপৰত এই আইনে কি প্ৰভাৱ পেলাইছে সেই কথা গৱেষণালব্ধ তথ্যত স্পষ্ট হোৱা নাই। তলত উল্লেখ কৰা প্ৰশ্নসমূহ এতিয়াও গৱেষণাই সামৰি ল'ব পৰা নাই—

* এম জি এন ৰেগাই প্ৰকৃত শ্ৰমিক সম্প্ৰদায়ক লক্ষ্য কৰি লৈছে নে নাই?—নীতি আৰু ৰূপায়ণ।
* কৃষিকৰ্মৰ সময়ত শ্ৰমিকৰ মজুৰি বৃদ্ধি কৰি, শ্ৰমিকৰ অভাৱ বৃদ্ধি কৰি এম জি এন ৰেগাই কৃষিখণ্ড ক্ষতিগ্ৰস্ত কৰিছে নেকি?
* দুৰ্ভোগ আৰু বিপদশংকা প্ৰশমনত এম জি এন ৰেগাই প্ৰভাৱ পেলাইছে নেকি?

**লক্ষ্যসমূহ**

* শ্ৰমিকৰ বজাৰখন (বিশেষকৈ কৃষি খণ্ড) তথা বিপদশংকা আৰু দুৰ্ভোগ প্ৰশমনত পেলোৱা প্ৰভাৱ নিৰ্দ্ধাৰণ কৰা।
* এটা পৰিয়ালৰ জীৱিকা নিশ্চিত কৰা আৰু আয় বৃদ্ধি কৰিব পৰা অংশগ্ৰহণকাৰী প্ৰক্ৰিয়াটো সম্পৰ্কে অৱগত হোৱা।

**কাৰ্যপদ্ধতি**

এই অধ্যয়ন কৰ্ণাটক আৰু ঝাৰখণ্ডত চলোৱা হৈছিল। যিহেতু এই দুই নিৰ্বাচিত ৰাজ্যত দৰিদ্ৰ ৰাইজৰ কৃষিয়েই ঘাই জীৱিকা, সেইবাবে অন্যান্য কাৰণসমূহ, যেনে সম্পদৰ পৰ্যাপ্ততা, বহনক্ষমতা আৰু অভিযোজনাৰ চৰ্ত বিভিন্ন প্ৰকৃতিৰ হয়। প্ৰতিখন ৰাজ্যৰ চাৰিখনকৈ গাঁও (গাঁও পঞ্চায়ত) বাছনি কৰা হ'ল। প্ৰতিখন গাঁৱৰ পৰা ৫০টাকৈ নিৰ্দৰ্শন (নমুনা) অধ্যয়নৰ বাবে নিৰ্বাচন কৰা হ'ল (৫০টাকৈ নিৰ্দৰ্শন × প্ৰত্যেক ৰাজ্যৰে ৪খনকৈ গাঁও =২০০ নিদৰ্শন × ২ ৰাজ্য =৪০০ নিদৰ্শন (তালিকা ১)।

এই অধ্যয়নৰ বাবে স্তৰীভূত যাদৃচ্ছিক নিদৰ্শন সংগ্ৰহ পদ্ধতি প্ৰয়োগ কৰা হৈছে। দুয়োখন ৰাজ্যৰে প্ৰতিখন গাঁৱতে এম জি এন ৰেগাৰ অধীনত শ্ৰমিকৰ অংশ গ্ৰহণতে এই নিদৰ্শন নিৰ্বাচন সীমাবদ্ধ ৰখা হৈছে।

**শ্ৰমিকৰ বজাৰ, প্ৰব্ৰজন আৰু মজুৰিত প্ৰভাৱৰ সন্দৰ্ভত বিশ্লেষণাত্মক পৰ্যালোচনা ঃ**

সামাজিক আৰু আৰ্থিকভাৱে প্ৰভাৱশালী শ্ৰেণীৰ লোকৰ পক্ষে বিধি ব্যৱস্থাই বাট পোনোৱাৰ দৰে কেইবাটাও কাৰণত গ্ৰাম্য শ্ৰমিকৰ বজাৰখন সংকুচিত হৈ আছে। সেইবাবে দৰিদ্ৰ আৰু ভূমিহীন শ্ৰমিকসকলে ন্যায়সংগতভাৱে মূৰ দাঙি উঠিবলৈ সক্ষম নহয়। গ্ৰাম্য শ্ৰমিকৰ বজাৰখনত দেখা দিয়া সংকটৰ বাবে দৰিদ্ৰ আৰু ভূমিহীন লোকে তিষ্ঠি থাকিবলৈ প্ৰব্ৰজনৰ সহায়ত অইন ঠাইলৈ গৈ জীৱিকা আহৰণ কৰিবলৈ বাধ্য হয়। এইদৰে, মজুৰি, গ্ৰাম্য শ্ৰমিক বজাৰ আৰু প্ৰব্ৰজনৰ বিষয়টো কেৱল এম জি এন ৰেগাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা নাই, এন আৰ এল এমৰ অধীনত মহিলা কিষাণ সশক্তিকৰণ পৰিযোজনা (এম কে এছ পি)ৰ দৰে অন্যান্য কাৰ্যসূচী একে সময়তে ৰূপায়িত হৈ আছে। দুয়োখন ৰাজ্যৰ শ্ৰমিকৰ বজাৰখন কেতবোৰ শক্তিশালী কাৰকৰদ্বাৰা প্ৰভাৱান্বিত হয়। মাটি, পানী আৰু জলসিঞ্চন, ভূমিৰ ব্যৱহাৰ, খৰাং পৰিস্থিতি আদিৰ দৰে এই কাৰকসমূহে প্ৰাথমিক খণ্ডক গঢ় দিয়ে। অকৃষিমূলক মজুৰি বৃদ্ধিৰ ফলত কৃষি শ্ৰমত নিয়োজিত শ্ৰমিকসকল অ-কৃষিকৰ্মৰ দিশে পোনতে আকৰ্ষিত হৈছিল যদিও এম জি এন ৰেগা আৰু এম কে এছ পি কাৰ্যসূচী ৰূপায়ণৰ ফলত এই সংখ্যা ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰিলে।

নিযুক্তিৰ সৃষ্টি (কৰ্মদিন) অতি উচ্চ হাৰত বৃদ্ধি হ'ল। উল্লেখযোগ্য যে দুয়োখন ৰাজ্যৰ নিদৰ্শনৰূপে লোৱা

**১ নং তালিকা ঃ নিদৰ্শন নক্সা**

| ৰাজ্য | জিলা | উন্নয়ন খণ্ড | গাঁও পঞ্চায়ত আৰু গাঁৱৰ নাম | নিদৰ্শন গাঁও |
|---|---|---|---|---|
| কৰ্ণাটক | টুমকুৰ | গুবিব | চেলুৰ | ৫০ |
| | | | হোছাকেৰে | ৫০ |
| | গুলবাৰ্গা | ছেদ্ৰোম | মুধল | ৫০ |
| | বেলগাম | ৰায়বাগ | ছাভাসুদ্ধি | ৫০ |
| ঝাৰখণ্ড | ৰামগড় | মাণ্ডু | বংগাবাৰ | ৫০ |
| | | | গাৰগালি (মাণ্ডু চট্টি) | ৫০ |
| | পূব ছিংঘামবাৰী | ঘাটশিলা | দৈনমাৰী (কালচিটি) | ৫০ |
| | | পটামদা | গেৰুৱালা (আউৰিয়া) | ৫০ |

**২ নং তালিকা ঃ নিযুক্তি সৃষ্টি (দিনৰ সংখ্যা) আৰু মজুৰি (টকাত)**

| নিযুক্তি সৃষ্টি আৰু মজুৰি | কৰ্ণাটক | | | | ঝাৰখণ্ড | | | |
|---|---|---|---|---|---|---|---|---|
| | এন আৰ এল এমৰ পূৰ্বে | | এন আৰ এল এমৰ পাছত | | এন আৰ এল এমৰ পূৰ্বে | | এন আৰ এল এমৰ পাছত | |
| | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা |
| শ্ৰমদিনৰ বৃদ্ধি* | ১৫৫ | ১৮০ | ২৪৫ | ৩৪০ | ১৩০ | ১৬০ | ২১০ | ৩৪০ |
| কৃষি | ৬৮ | ১১০ | ১৪০ | ২৮৫ | ৭৪ | ১২৫ | ১৬০ | ২৯৮ |
| অকৃষিমূলক কাম-কাজ | ৮৭ | ৭০ | ৮৩ | ২৫ | ৫৬ | ৩৫ | ১০ | ৯ |
| এম জি এন ৰেগা # | — | — | ২২ | ৩০ | — | — | ৪০ | ৩৩ |
| মজুৰি (টকা/দিন) | | | | | | | | |
| কৃষিকৰ্মৰ বাবে | ১০০ | ৮০ | ২৫০ | ২০০ | ৮০ | ৬০ | ১৫০ | ১২০ |
| অকৃষিমূলক কাম-কাজ | ১৫০ | ১২০ | ২৫০ | ২৫০ | ১০০ | ৮০ | ৮০ | ১৭৫ |
| এম জি এনৰেগাছ | ২০৪/- | | | | ১৬৭/- | | | |

* কৃষি, এম জি এন ৰেগাছ, গৰু-ম'হ ভেড়া-ছাগলী পালন আদি অন্তৰ্ভুক্ত

# এম জি এনৰেগাছত নিযুক্তি—পুৰুষ মহিলা উভয়ৰে বাবে পূৰ্বৰ বছৰত তথ্য নিষ্কাশন কৰা হৈছিল।

গাঁওসমূহত উপান্ত, ক্ষুদ্ৰ, আৰু ভূমিহীন লোকৰ ক্ষেত্ৰত কৰ্মদিন বৃদ্ধি হৈছে।

* সম্প্ৰদায়ভিত্তিক সংগঠনৰ সবলীকৰণ আৰু নাগৰিক সমাজৰ ভূমিকাই গ্ৰাম্য শ্ৰমিক বজাৰখনক সহায় কৰিছে। প্ৰশাসন আৰু চৰকাৰৰ কেইবাটাও পদক্ষেপ আৰু প্ৰশাসনিক দায়বদ্ধতাই মজুৰি শ্ৰমিক আৰু দুৰ্ভোগ প্ৰশমনত সহায় কৰিছে।
* কৃষি ক্ষেত্ৰক শক্তিশালী কৰা আৰু প্ৰশাসনৰ উন্নতি ঘটোৱাত ইতিবাচক গুৰুত্ব প্ৰদান কৰা হৈছে।
* কৃষি উৎপাদনশীলতা আৰু বিকাশ বৃদ্ধিৰ বাবে এম জি এন ৰেগাৰ লগতে এম কে এছ পি কাৰ্যসূচী এম কে এছ পি-এন আৰ এল এমৰ পৰৱৰ্তী কালছোৱাত বৃদ্ধি কৰা হৈছে।

**প্ৰব্ৰজন আৰু এম জি এন ৰেগা**

এটা পৰিয়ালত আৰ্থিক দুৰ্ভোগ বিভিন্ন কাৰণত পৰিলক্ষিত হ'ব পাৰে। এম জি এন ৰেগাই ইয়াৰ গঠন আৰু ৰূপায়ণৰ জৰিয়তে প্ৰব্ৰজনৰ বিষয়টোৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত নহয়। অৱশ্যে আত্মসহায়ক গোটসমূহৰ হস্তক্ষেপ বৃদ্ধি (নাগৰিক সমাজৰ জৰিয়তে) আৰু এম কে এছ পিৰ অধীনত কৃষিৰ বৈচিত্ৰ্যকৰণে প্ৰব্ৰজন কিছু হ্ৰাস কৰাত সহায় কৰিছে, বিশেষকৈ বতৰকালীন প্ৰব্ৰজনৰ ক্ষেত্ৰত (তালিকা ৩)। সকলো সময়তে হোৱা প্ৰব্ৰজন এম জি এন ৰেগাৰ অধীনৰ কাম-কাজে হ্ৰাস কৰা পৰিলক্ষিত হয়।

**কাম বিচাৰি পোৱাত অনিশ্চয়তা**

এম জি এন ৰেগা ৰূপায়ণৰ ক্ষেত্ৰত এটা প্ৰতিবন্ধকতা হ'ল কাম বিতৰণ হ্ৰাস পোৱা আৰু মজুৰি আদায় দিয়াৰ ক্ষেত্ৰত বিলম্ব। উল্লিখিত নিদৰ্শন দুটাতে এনে হোৱাটো পৰিলক্ষিত হৈছিল। ক্ষেত্ৰ-ভিত্তিক তথ্যই দেখুৱায় যে মজুৰি আদায়ত হোৱা বিলম্বই এই কাৰ্যসূচীত ভাগ ল'বলৈ নিৰুৎসাহিত কৰে। এম জি এন ৰেগা হ'ল চাহিদা নিৰ্ভৰ আঁচনি। এম জি এন ৰেগাৰ অধীনত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব পৰা কাম নামঞ্জুৰ কৰা আৰু মজুৰি আদায়ৰ ক্ষেত্ৰত অন্তহীন বিলম্বই কামৰ চাহিদা কমাই দিয়ে। কাম পোৱাৰ ক্ষেত্ৰত অন্য এটা অনিশ্চয়তা পৰিলক্ষিত হয় 'আধাৰ'ভিত্তিক ধন আদায়ৰ বিষয়টো। এন ৰেগাৰ মজুৰিৰ সৈতে 'আধাৰ' সংলগ্ন কৰা প্ৰথম পৰীক্ষামূলক প্ৰচেষ্টা চলোৱা হয় ঝাৰখণ্ডত। ৰাজ্যখনৰ শ্ৰমিকসকলে কয় যে এই পদক্ষেপৰ ফলত তেওঁলোক বাৰুকৈয়ে উপকৃত হৈছে, কাৰণ ইয়াৰ বাবে তেওঁলোকে পূৰ্বৰ দৰে বেংকলৈ নোযোৱাকৈ মজুৰি লাভ কৰাৰ লগতে তেওঁলোকৰ প্ৰাপ্য মজুৰি সম্পূৰ্ণকৈ আদায় দিয়া হয়। ২০১৫ চনৰ উচ্চতম ন্যায়ালয়ৰ এটা ৰায়ত কোৱা হয় যে

**তালিকা-৩**
**নিদৰ্শন গাঁও সমূহত প্ৰব্ৰজনৰ সংখ্যা**

| প্ৰব্ৰজন | কৰ্ণাটক | | | | ঝাৰখণ্ড | | | |
|---|---|---|---|---|---|---|---|---|
| | এন আৰ এল এমৰ পূৰ্বে | | এন আৰ এল এমৰ পাছত | | এন আৰ এল এমৰ পূৰ্বে | | এন আৰ এল এমৰ পাছত | |
| | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা |
| বতৰকালীন হ্ৰাস (শতাংশ) | ২৫ (১২০টা পৰিয়াল) | ৪০ (১২০টা পৰিয়াল) | ৮০ (১০-১৫টা পৰিয়াল) | ৯০ (১০-১৫টা পৰিয়াল) | ১০ (১৭৫টা পৰিয়াল) | ১৫ (১৭৫টা পৰিয়াল) | ১০০ — | ১০০ — |
| সৰ্বকালৰ হ্ৰাস (শতাংশ) | — | — | ৭০ (১০টা পৰিয়াল) | ১০০ | — | — | ৮০ (২৫টা পৰিয়াল) | ৯০ (২৫টা পৰিয়াল) |


আধাৰ নিৰ্ভৰ কাৰ্যসূচীসমূহ স্বেচ্ছা-মূলক হ'ব; কিন্তু সক্ৰিয় কৰ্মীসকলে কয় যে ৰাজ্যখনত চৰকাৰে ইয়াক দৰিদ্ৰসকলৰ ওপৰত জাপি দিছে। 'আমাৰ আধাৰ কাৰ্ড নাথাকিলে আমি কেতিয়াও কাম নাপাওঁ। যেতিয়াই আমি কাম বিচাৰি যাওঁ আমাক কাম দিয়া নহয়।' আনহাতে কৰ্ণাটকত পৰিলক্ষিত হয় যে ক্ষেত্ৰ বিষয়া-কৰ্মচাৰীৰ মাজৰ সমন্বয়হীনতা, জিলা, উন্নয়ন খণ্ড আৰু গাঁও পঞ্চায়তত বাৰ্ষিক/উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰোঁতে বিলম্ব, শ্ৰমিকৰ বাজেট প্ৰস্তুতিত বিলম্ব আৰু বাৰ্ষিক পৰিকল্পনাত কাম সম্পূৰ্ণ কৰাত ব্যৰ্থতা।

ৰাজ্য দুখনত দেখা দিয়া অন্যান্য সমস্যাসমূহ হ'ল কাৰিকৰী সহকাৰীৰ অভাৱ, তথ্য, শিক্ষা আৰু যোগাযোগ পৰিকল্পনাৰ সহায়ত কাৰ্যপদ্ধতি প্ৰস্তুত কৰাত ব্যৰ্থতা, অগ্ৰহণীয় সামগ্ৰীত ব্যয় আৰু পুঁজি অন্য শিতানত খৰচ কৰা, জবকাৰ্ডৰ বাবে ঘৰে ঘৰে জৰীপ নচলোৱা, কাৰ্যালয়ৰ খতিয়ান নৰখা বা খতিয়ান ৰখাত বিশৃংখলা, কাম সমাপ্ত হোৱাৰ ক্ষেত্ৰত বিলম্ব হোৱা বাবে ব্যয় অথলে যোৱা, কামত যন্ত্ৰৰ ব্যৱহাৰ, আঁচনি ৰূপায়ণত পৰ্যবেক্ষণৰ অভাৱ।

**ন্যূনতম মজুৰি সময়মতে আদায় নিদিয়া**

ইয়াত উত্থাপিত প্ৰশ্নটো হ'ল কিয় এম জি এন ৰেগা শ্ৰমিকসকলে তেওঁলোকৰ কঠোৰ শ্ৰমৰ বাবে কেতিয়াবা মজুৰি আদায় নাপায়। ঝাৰখণ্ড আৰু কৰ্ণাটকত কৰা নিৰীক্ষণৰ ওপৰত ভিত্তি কৰি বিচাৰি পোৱা মজুৰি লাভ নকৰাৰ বাবে কেইটামান কাৰণ তলত দিয়া ধৰণৰ ঃ

* মাষ্টাৰ ৰোলত শ্ৰমিকৰ নাম নথকাকৈ কাম কৰা ঃ ঝাৰখণ্ডত কোনো আঁচনিত সাধাৰণতে ছপা কৰা ই-এম আৰ কৰ্মথলীলৈ অহাৰ আগতেই শ্ৰমিকক কাম আৰম্ভ কৰিবলৈ দিয়া হয়। কিন্তু তলৰ কোনো এটা কাৰণৰ বাবে সকলো সংশ্লিষ্ট শ্ৰমিকৰ নাম ই-এম আৰত অন্তৰ্ভুক্ত নহয়—১। কামৰ বাবে কৰা আবেদনত উল্লেখ থকা শ্ৰমিকৰ জব কাৰ্ড নম্বৰ এম আই এছত অন্তৰ্ভুক্ত কৰা জব কাৰ্ড নম্বৰৰ বিপৰীতে শ্ৰমিকৰ নাম বেলেগ হোৱাটো, ২। শ্ৰমিকৰ অজ্ঞাতে ইলেকট্ৰনিক জব কাৰ্ডত তেওঁৰ নামটো নোহোৱা হৈ যোৱাটো, ৩। শ্ৰমিকৰ অজ্ঞাতে তেওঁৰ নামটো অন্য ই-এম আৰত অন্তৰ্ভুক্ত হোৱাটো।
* **কৰ্মদিনৰ খতিয়ান ৰখাত বিজুতি ঃ** উল্লেখ কৰি অহাৰ দৰে ছপা কৰা ই-এম আৰ কৰ্মথলীলৈ কেতিয়াবাহে আহি পায়। কৰ্মথলীৰ তত্বাৱধায়কে শ্ৰমিকৰ উপস্থিতিৰ কেঁচা খতিয়ান ৰাখি ই-এম আৰৰ বাবে পাছত ইয়াৰ প্ৰতিলিপি প্ৰেৰণ কৰে। উপস্থিতিৰ খতিয়ানৰ প্ৰতিলিপি তৈয়াৰ কৰোঁতে যদি আসোঁৱাহ ৰৈ যায়, তেন্তে ছপা কৰা ই-এম আৰ বা এম আই এছত নাম অন্তৰ্ভুক্ত কৰিলে নাম ৰৈ



যোৱা বাবে শ্ৰমিকে মজুৰিৰপৰা বঞ্চিত হ'ব পাৰে।

* **মাষ্টাৰ ৰোল হেৰাই যোৱা ঃ** ছপা ই-এম আৰৰ ক্ষেত্ৰত, আবেদন প্ৰ-পত্ৰ পূৰ্ণ কৰাৰ পাছত হেৰাই গ'লে বা কোনো কাৰণত কম্পিউটাৰ অপাৰেটৰৰ কাষ নাচাপিলে, ''উপস্থিতি শূন্য' ই-এম আৰ বুলি এম আই এছত অন্তৰ্ভুক্ত হয় আৰু এই ই-এম আৰত থকা শ্ৰমিকে তেওঁলোকৰ মজুৰি লাভ নকৰে।
* **মজুৰি তালিকা/এফ টি অ' প্ৰস্তুত কৰা নহয়/কৰ্তৃত্বশীলতা প্ৰদান কৰা নহয় ঃ** মজুৰি তালিকা বা এফ টি অ' যদি ই-এম আৰৰ বাবে প্ৰস্তুত কৰা নহয় বা এফ টি অ'ত যদি প্ৰথম বা দ্বিতীয় স্বাক্ষৰকাৰীৰ চহী নাথাকে সেই ই-এম আৰত অন্তৰ্ভুক্ত শ্ৰমিকৰ নামৰ বিপৰীতে মজুৰি আদায় দিয়া নহয়। এয়া হোৱাৰ কাৰণ দুটা হ'ব পাৰে— সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীৰ গাফিলতি বা তেওঁলোকে কোনো লাভাংশ বা ধন অবিহনে চহী কৰিবলৈ অস্বীকাৰ কৰে।
* **এম আই এছত মজুৰি আদায় অবিহনে আঁচনি বন্ধ কৰা ঃ** কেতিয়াবা কাম সম্পন্ন হোৱাৰ হাৰ বৃদ্ধি কৰিবলৈ মন্ত্ৰণ্যালয়ৰপৰা বাৰম্বাৰ নিৰ্দেশৰ বাবে স্থানীয় কৰ্মচাৰী বা কৰ্তৃপক্ষই সকলো শ্ৰমিকৰ মজুৰি আদায় নিশ্চিত নকৰাকৈ এম আই এছত আঁচনি বন্ধ কৰি দিয়ে। এবাৰ আঁচনি বন্ধ হ'লে এম আই এছত ই-এম আৰৰ পৰা উপস্থিতিৰ সবিশেষ তথ্য সন্নিৱিষ্ট কৰাটো বা এবাৰ বাতিল হোৱা এফটি অ' লেনদেন পুনৰ মুকলি কৰাটো আৰু সম্ভৱ নহয়। আঁচনিসমূহ ৰাজ্যিক স্তৰত এম আই এছত লগ্ ইন কৰিহে পুনৰ মুকলি কৰিব পৰা যায়। তদুপৰি আঁচনি বন্ধ হৈ যোৱাৰ ফলত মজুৰি অনাদায় হৈ ৰোৱাৰ বিষয়ে উত্থাপিত অভিযোগ গ্ৰামোন্নয়ন বিভাগৰ কাষ নাচাপেই বুলিব পাৰি।
* **বেংক বা ডাকঘৰত একাউন্ট অবিহনে কাম কৰা ঃ** ২০০৮ চনত নগদ ধনেৰে মজুৰি আদায় দিয়াৰ সলনি বেংক বা ডাকঘৰৰ জৰিয়তে ধন আদায় দিয়াৰ নিয়ম আৰম্ভ হ'ল। তেতিয়াৰে পৰা বেংক বা ডাকঘৰত একাউন্ট নোখোলা শ্ৰমিকক মজুৰি আদায় দিব পৰা হোৱা নাই। অধিকাংশ এম জি এন ৰেগা বিষয়া-কৰ্মচাৰীয়ে বেংক বা ডাকঘৰত একাউন্ট নথকা শ্ৰমিকৰ পৰা কামৰ বাবে আবেদন পত্ৰ গ্ৰহণ কৰাটো বন্ধ কৰাৰ পাছৰে পৰা এই সমস্যা ক্ৰমান্বয়ে কমি আহিবলৈ ধৰে।
* **এম আই এছত ভুল একাউন্ট নম্বৰ ঃ** বেংক বা ডাকঘৰত একাউন্ট থকাটোৱেই যথেষ্ট নহয়; এম আই এছত একাউন্টসমূহৰ শুদ্ধ তথ্য সন্নিৱিষ্ট কৰাটোও সমানেই প্ৰয়োজনীয়। এটা ভুল একাউন্ট নম্বৰ সন্নিৱিষ্ট কৰিলে মজুৰিৰ ধন আদায় দিয়াটো বন্ধ কৰা হয়। একাউন্টৰ সবিশেষ তথ্য শুদ্ধকৈ পুনৰ অন্তৰ্ভুক্ত কৰা আৰু মজুৰি আদায়ৰ বাবে তালিকাখন পুনৰ প্ৰস্তুত কৰাৰ বিকল্প আছে যদিও ই এটা আমনিদায়ক প্ৰক্ৰিয়া হোৱা বাবে অধিকাংশ এম জি এন ৰেগা বিষয়া-কৰ্মচাৰীয়ে এই কাম কৰিবলৈ অনীহা প্ৰদৰ্শন কৰে। তদুপৰি, একাউন্ট নম্বৰটো অইন কোনো শ্ৰমিকৰ হয়, তেন্তে মজুৰিখিনি সেই শ্ৰমিকজনৰ একাউন্টতে জমা হ'ব। ভুলকৈ অইন শ্ৰমিকৰ একাউন্টত সোমোৱা ধন পুনৰ ঘূৰাই অনাটো (বা ভুল কৰা কৰ্মচাৰীজনৰ পৰা) এটা দীঘলীয়া প্ৰক্ৰিয়া হোৱা বাবে কেতিয়াবাহে মজুৰিৰ ধন ঘূৰাই পোৱাটো সম্ভৱপৰ।
* **এম আই এছত ভুল আধাৰ নম্বৰ ঃ** 'আধাৰ পেমেণ্ট ব্ৰীজ'ৰ জৰিয়তে এম জি এন ৰেগাৰ মজুৰি আদায় দিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহক হেঁচা প্ৰয়োগ কৰি আহিছে। এই ধৰণৰ ধন পৰিশোধৰ সুবিধা কি সেয়া স্পষ্ট নহয়; আধাৰ-ভিত্তিত ধন পৰিশোধৰ ক্ষেত্ৰত জটিলতা থাকে। এম আই এছত আধাৰ নম্বৰ যদি ভুলকৈ সন্নিৱিষ্ট কৰা হয়, আৰু এই মজুৰি 'আধাৰ পেমেণ্ট ব্ৰীজ'ৰ জৰিয়তে পৰিশোধ কৰাৰ ব্যৱস্থা থাকে, তেন্তে শ্ৰমিকগৰাকী তেওঁৰ প্ৰাপ্য মজুৰিৰ পৰা বঞ্চিত হ'ব।
* **আধাৰ নম্বৰ ভুল একাউন্টৰ সৈতে সম্পৰ্কিত ঃ** এম আই এছত শ্ৰমিকৰ শুদ্ধ আধাৰ নম্বৰ সন্নিৱিষ্ট হোৱাটোৱেই শ্ৰমিকৰ প্ৰাপ্য মজুৰি পৰিশোধৰ বাবে যথেষ্ট নহয় (যদি 'আধাৰ পেমেণ্ট ব্ৰীজ'ৰ সৈতে ধন পৰিশোধৰ ব্যৱস্থা সংলগ্ন হৈ থাকে)। এম আই এছত যদি ভুল বেংক একাউন্ট নম্বৰৰ সৈতে আধাৰ নম্বৰ সংলগ্ন হৈ থাকে, তেন্তে শ্ৰমিকে তেওঁৰ প্ৰাপ্য মজুৰি লাভ নকৰিব। আধাৰ ভিত্তিত ধন পৰিশোধৰ ব্যৱস্থাটোৱে বহুকেইটা বেংক একাউন্ট থকা শ্ৰমিকৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰে।

৪ নং তালিকা

**সৰলীকৃত সমূহীয়া ভিত্তিত সংগঠনসমূহ (গাঁও পৰ্যায়ত)**

| কৰ্ণাটক | | | | | |
|---|---|---|---|---|---|
| **নিদৰ্শন গাঁও** | **আত্মসহায়ক গোটৰ সংখ্যা** | **বিত্তীয় অন্তৰ্ভুক্তি (বেংকৰ সৈতে সংলগ্ন কৰা একাউণ্টৰ সংখ্যা আৰু গোটসমূহলৈ বিতৰণ কৰা ঋণৰ টকা** | | | **এম জি এনৰেগা ৰূপায়ণত প্ৰভাৱ** |
| | | **প্ৰথম** | **দ্বিতীয়** | **তৃতীয়** | |
| চেলুৰ | ৩ | ১,১০,০০০ | ২,৭৫,০০০ | — | ন্যূনতম |
| হোছাকেৰে | ৪ | ১,১০,০০০ | ২,৭৫,০০০ | — | ন্যূনতম |
| মুধ'লে | ৫ | ১,০০,০০০ | ২,০০,০০০ | ৪,০০,০০০ | উল্লেখযোগ্য |
| ছাভাসুধিদ্দি | ৬ | ১,০০,০০০ | ২,০০,০০০ | — | ন্যূনতম |
| **ঝাৰখণ্ড** | | | | | |
| **নিদৰ্শন গাঁও** | **আত্মসহায়ক গোটৰ সংখ্যা** | **বিত্তীয় অন্তৰ্ভুক্তি (বেংকৰ সৈতে সংলগ্ন কৰা একাউণ্টৰ সংখ্যা আৰু গোটসমূহলৈ বিতৰণ কৰা ঋণৰ টকা** | | | **এম জি এনৰেগা ৰূপায়ণত প্ৰভাৱ** |
| | | **প্ৰথম** | **দ্বিতীয়** | **তৃতীয়** | |
| বংগাবাৰ | ৫৬ | ১০,০০০ | ৫০,০০০ | ১,৫০,০০০ | আংশিক |
| গাৰগালি | ১২ | ২৫,০০০ | ১০০,০০০ | ২,০০,০০০ | আংশিক |
| দৈনমাৰি | ০৬ | ১,০০,০০০ | — | — | আংশিক |
| গেৰুৱালা | ০৯ | ২৫,০০০ | ৫০,০০০ | — | আংশিক |

* **জব কাৰ্ডৰপৰা শ্ৰমিকৰ নাম নোহোৰা হৈ যোৱা ঃ** ইলেক্ট্ৰনিক জব কাৰ্ডত সন্নিৱিষ্ট শ্ৰমিকৰ নাম তেওঁৰ অজ্ঞাতে কিবা কাৰণত নোহোৰা হৈ গ'লে তেওঁ কাম দাবী কৰিলেও ই-এম আৰত তেওঁৰ নামটো অন্তৰ্ভুক্ত নহ'ব। শ্ৰমিকৰ নাম বিভিন্ন কাৰণত নোহোৰা হৈ যাব পাৰে। উদাহৰণস্বৰূপে, শ্ৰমিকৰ আধাৰ নম্বৰ বা ফটো আপল'ড কৰা নহ'লে এম আই এছৰ পৰা নাম কটা যাব পাৰে বা কামৰ চাহিদাৰ বিপৰীতে বৃদ্ধি পোৱা শ্ৰমিকৰ সংখ্যা কমাবলৈ এনেদৰে নাম বাতিল কৰা হ'ব পাৰে।

**শ্ৰমিকৰ বজাৰত আত্মসহায়ক গোট প্ৰব্ৰজন আৰু মজুৰিৰ প্ৰভাৱ**

পৰ্যবেক্ষণ অনুসৰি চাহিদা সৃষ্টি আৰু কাম ৰূপায়ণ, এম জি এন ৰেগাৰ বাবে কৰ্মথলী আৰু কাম চিহ্নিতকৰণ, সহকৰ্মীসকলৰদ্বাৰা আনুমানিক ব্যয়ৰ প্ৰাক্কলন, প্ৰকল্পৰ আকাৰ নিৰ্ণয়, শ্ৰমিকৰ বাবে প্ৰয়োজনীয় কৰ্মদিনৰ হিচাপ নিৰ্দ্ধাৰণ, কামৰ বাবে প্ৰাক্কলন প্ৰস্তুতকৰণ, শ্ৰমিকৰ বাবে বাজেট নিৰ্ণয় কৰাত আগভাগ লোৱা, প্ৰকল্পৰ সভাবোৰত অংশ গ্ৰহণ কৰা, মাষ্টাৰ ৰোল অনুসৰি কামৰ বাবে আগবঢ়া, আত্মসহায়ক গোটৰদ্বাৰা কৰ্মথলীত সুবিধা প্ৰদান কৰা আদিয়ে শ্ৰমিকৰ বজাৰখনত ইতিবাচক প্ৰভাৱ পেলায়; বিশেষকৈ দুৰ্ভোগ প্ৰশমন আৰু গতানুগতিক বা বৈশিষ্ট্যহীন কাম হ্ৰাসকৰণত সহায় কৰে। এইসমূহ পদক্ষেপে কৃষি আৰু অ-কৃষিমূলক কামৰ মজুৰিৰ ক্ষেত্ৰতো প্ৰভাৱ পেলায়।

**মহিলা আৰু বিত্তীয় অন্তৰ্ভুক্তি**

মহিলাসকলৰ নিজা বেংক একাউণ্ট থাকিলে বিত্তীয় ক্ষেত্ৰত স্বাধীনতা অৰ্জন কৰাৰ লগতে তেওঁলোকৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰতো পৰিৱৰ্তন দেখা যায় (তালিকা ৪)। ইয়াৰ ফলত শ্ৰমিকৰ সামগ্ৰিক বজাৰখনত ইতিবাচক প্ৰভাৱ পৰিলক্ষিত হয় (নিদৰ্শনমূলক গাঁও অনুসৰি)। শ্ৰমিকৰ বজাৰ, প্ৰব্ৰজন হ্ৰাস, মজুৰি বৃদ্ধি আৰু শ্ৰমিকে মজুৰিৰ দৰ-দাম কৰিব পৰা হোৱা আদিত এম জি এন ৰেগাৰ ন্যূনতম প্ৰভাৱ স্পষ্ট।

**সামৰণি**

ইতিমধ্যে বিশ্লেষণাত্মক পৰ্যালোচনাত প্ৰকাশ পাইছে যে শ্ৰমিকৰ বজাৰ, প্ৰব্ৰজন হ্ৰাস, মজুৰি বৃদ্ধি আৰু শ্ৰমিকে মজুৰিৰ দৰ-দাম কৰিব পৰা হোৱা আদিত এম জি এন ৰেগাৰ ন্যূনতম প্ৰভাৱ স্পষ্ট। দুয়োখন নিদৰ্শন গাঁৱতে ইয়াৰ পৰৱৰ্তী পৰ্যায়ত লক্ষ্য কৰা অনুসৰি এম জি এন ৰেগাৰ অধীনত কাম-কাজৰ সফলতা দাৰিদ্ৰ্য আৰু নিবনুৱা সমস্যাৰ সৈতে সংগতি নাই। এই আঁচনিৰ কাৰ্যসূচী আৰু ৰূপায়ণৰ পৰ্যায়ত থাকি যোৱা

আসোঁৱাহবোৰৰ বাবেই নিম্ন মানৰ প্ৰদৰ্শন পৰিলক্ষিত হয়।

* ভাৰত চৰকাৰে কাৰ্যসূচী ৰূপায়ণৰ বাবে বান্ধি দিয়া নীতি-নিৰ্দেশনা আৰু আইন অনুসৰি কাৰ্যকলাপ-সমূহৰ যোগেৰে জনপ্ৰিয় কৰি তুলিব লাগিব। তদুপৰি গাঁৱত ঘৰে ঘৰে গৈ ৰাইজক আঁচনিৰ লক্ষ্য-সমূহৰ বিষয়ে জনাব লাগিব। সজাগতা কম হোৱা ঠাইত সজাগতা অভিযান চলোৱাৰো নিৰ্দেশ দিয়া হৈছে। দৰিদ্ৰ আৰু সম্ভাব্য হিতাধিকাৰীসকলৰ এম জি এন ৰেগা সন্দৰ্ভত পৰ্যাপ্ত জ্ঞান নাই। আঁচনিৰ নিম্নমানৰ ৰূপায়ণৰ বাবেই এনে হোৱা দেখা যায়।
* ৰাজহুৱা হিচাপ পৰীক্ষণ নিয়মীয়াকৈ সম্পন্ন নহয়। তদুপৰি নিম্নস্তৰৰ ৰাজনৈতিক স্বাৰ্থসিদ্ধিৰ বাবেই আঁচনিৰ মূল উদ্দেশ্য সিদ্ধি নহয়। আনকি, ৰাজহুৱা হিচাপ নীতি-নিয়ম অনুসৰি পৰীক্ষা কৰা নহয় বাবে খেলি-মেলিৰ সৃষ্টি হয়। পৰ্যাপ্ত প্ৰচাৰৰ অভাৱত ৱাৰ্ড আৰু পঞ্চায়ত সমূহত ইয়াৰ বিৰূপ প্ৰভাৱ পৰে।
* নিৰ্দ্ধাৰিত লক্ষ্য আৰু সাফল্যৰ মাজত থকা ব্যৱধানৰ বাবে পুঁজি ব্যয়ৰ পৰিমাণ হ্ৰাস পায়। বিভিন্ন ঠাইত পুঁজি অব্যৱহৃত হৈ থকাৰ বিপৰীতে ৰাজ্য চৰকাৰ আৰু ৰূপায়ণকাৰী সংস্থাসমূহে তেওঁলোকৰ পুঁজিৰ প্ৰয়োজন পূৰাবলৈ অসুবিধাৰ সন্মুখীন হয়।
* অভিযোগ নিষ্পত্তিকৰণ ব্যৱস্থা সৰল নহয় নাইবা কাৰ্যকৰীকৰণৰ বাবে সুলভ নহয়। প্ৰচাৰৰ অভাৱৰ বাবে দৰিদ্ৰ আৰু কাম বিচৰা লোকসকলে এই ব্যৱস্থা ঢুকি নাপায়। এই আঁচনি অধিক স্বচ্ছ কৰি তুলিবলৈ অভিযোগ নিষ্পত্তিকৰণৰ দৰে ব্যৱস্থাসমূহ কাৰ্যকৰী কৰাৰ আৱশ্যকতা আছে।
* শ্ৰমিকক মজুৰি আদায় দিয়াৰ ক্ষেত্ৰত বিলম্ব হোৱাৰ মূল কাৰণ-সমূহৰ অন্যতম হ'ল কাৰিকৰীভাৱে দক্ষ লোকৰ অভাৱ। সেইবাবে কামৰ হিচাপ আৰু মজুৰিৰ বিল প্ৰস্তুত কৰা কামসমূহ দৰাচলতে সঠিকভাৱে সম্পন্ন নহয় আৰু এইবোৰ থুপ খাই থাকে। তদুপৰি কাৰিকৰী সহকাৰী আৰু কনিষ্ঠ অভিযন্তাসকলে কামৰ সঠিক পৰিমাণৰ হিচাপ নাৰাখে। কামৰ পৰিমাণ কিমান হ'ল সেই হিচাপৰ বিপৰীতে সকলো শ্ৰমিকে সম্পূৰ্ণ মজুৰি আদায় পায়। শ্ৰমিকে মজুৰি আদায় পোৱাত বিলম্ব হোৱাৰ বাবে ক্ষতিপূৰণ লাভ কৰাৰ সুবিধা পাবলৈ সহজলভ্য ব্যৱস্থা থকা বাঞ্ছনীয়।

এম কে এছ পি আৰু এম জি এন ৰেগাৰ সৈতে আঁচনিৰ কামসমূহ সংলগ্ন কৰাৰ পাছত ইতিবাচক প্ৰভাৱ পৰিলক্ষিত হৈছে আৰু মহিলা আত্মসহায়ক গোটসমূহে শ্ৰমিকসকলক এটা হ'ল সম্পন্ন হোৱা কামৰ পৰিমাণ এনে হোৱাৰ কাৰণসমূহৰ ঠিকাদাৰৰ কবলৰ পৰা মুক্ত কৰিবলৈ সক্ষম হৈছে। উল্লেখনীয় যে মধ্যভোগী আৰু অন্যান্য লোকসকলে এম জি এন ৰেগাৰ সাৰ্থক ৰূপায়ণত বাধা দি আহিছে। নাৰী সবলীকৰণ আৰু সমতাৰ বাবে অৰ্থনৈতিক সবলীকৰণ আৰু বিত্তীয় অন্তৰ্ভুক্তি জৰুৰী। দুয়োখন নিদৰ্শন গাঁৱতে আত্মসহায়ক গোটসমূহে নেতৃস্থানীয় ভূমিকাত অৱতীৰ্ণ হৈ বৃহত্তৰ সামাজিক আৰু ৰাজনৈতিক পৰিসৰত কাম কৰি অনন্য আৰ্হি দাঙি ধৰিছে। ❑

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।

# প্ৰব্ৰজন সন্দৰ্ভত ৰাষ্ট্ৰীয় নীতিৰ দিশে

**এছ চন্দ্ৰশেখৰণ***

আভ্যন্তৰীণ প্ৰব্ৰজন সন্দৰ্ভত ভাৰতৰ ৰাষ্ট্ৰীয় নীতি নাই। স্থায়ী বসতিকে ধৰি ৰাজ্যসমূহৰ মাজত অহা-যোৱাৰ সুবিধা আদিৰ পৰা উদ্ভৱ হ'ব পৰা সমস্যাসমূহৰ ক্ষেত্ৰত এনে নীতি সহায়ক হ'লহেঁতেন। এই সন্দৰ্ভত যদি কোনো নীতি আছে, তেন্তে সেয়া হ'ল প্ৰব্ৰজনকাৰী শ্ৰমিক সম্বন্ধীয় নীতি। ১৯৭৯ চনত গ্ৰহণ কৰা এই নীতি হ'ল আন্তঃৰাজ্যিক প্ৰব্ৰজনকাৰী শ্ৰমিক (নিয়োগৰ বিধিব্যৱস্থা আৰু চাকৰিৰ চৰ্ত) আইন। এই আইনৰ বাহিৰে আন কোনো সুসংগত নীতিৰ দিশে বিশেষ অগ্ৰগতি পৰিলক্ষিত হোৱা নাই। এয়া কোনো আচৰিত কথা নহয় যে প্ৰব্ৰজনৰ বহুমুখী প্ৰকৃতি আৰু ইয়াৰপৰা উদ্ভৱ হ'ব পৰা জটিলতাৰ ক্ষেত্ৰত কাম চলোৱা ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। কেইবাখনো ৰাজ্যই গ্ৰহণ কৰা পদক্ষেপৰ পৰাই এই কথা স্পষ্ট হৈছে। অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশাৰ মাজত আন্তঃৰাজ্যিক প্ৰব্ৰজনকাৰী শ্ৰমিকৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ দ্বিপাক্ষিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছে। বিশেষকৈ ইটা ভাতাত কাম কৰা শ্ৰমিকৰ বাবে এই চুক্তি অধিক কাৰ্যকৰী।

সুসংগত নীতি নথকা সত্ত্বেও লাখ লাখ ভাৰতীয়ই এঠাইৰপৰা আন এঠাইলৈ স্থায়ীভাৱে বা বছৰটোৰ মাজত কেইদিনমানৰ বাবে প্ৰব্ৰজন কৰি আহিছে। বৃহৎসংখ্যক লোকে নিজৰ ৰাজ্যৰ ভিতৰতে প্ৰব্ৰজন কৰাৰ বিপৰীতে আন একাংশই আন ৰাজ্যলৈ প্ৰব্ৰজন কৰে। এই দুই শ্ৰেণীৰ প্ৰব্ৰজনকাৰীৰ ধৰণ বা প্ৰকৃতি বিভিন্ন প্ৰকাৰৰ হোৱা দেখা যায়। তেওঁলোকৰ প্ৰব্ৰজনৰ উদ্দেশ্য বিভিন্ন ধৰণৰ ঃ বিবাহৰ পাছত, শিক্ষা গ্ৰহণৰ উদ্দেশ্যে, চাকৰিৰ সুবিধা আদিৰ বাবে নিজৰ জন্মস্থানৰ পৰা প্ৰব্ৰজন হ'ব পাৰে। মহিলাই ঘাইকৈ বিবাহৰ পাছত আৰু পুৰুষে ঘাইকৈ কৰ্মসংস্থানৰ বাবে প্ৰব্ৰজন কৰে। তদুপৰি, নীতিৰ দিশৰ পৰা চাবলৈ গ'লে স্থায়ীভাৱে প্ৰব্ৰজন কৰা আৰু বছৰটোৰ কোনো সময়ত কেইদিনমানৰ বাবে ঘৰৰ পৰা আঁতৰি থকা লোকসকলৰ মাজত পাৰ্থক্য ৰখাটো বাঞ্ছনীয়।

২০১১ চনৰ লোকপিয়লৰ তথ্য ওলোৱাৰ পূৰ্বে নগৰীয়া জনসংখ্যা বৃদ্ধিত গাঁৱৰপৰা প্ৰব্ৰজন কৰা লোকৰ সংখ্যা নিৰ্দ্ধাৰণ কৰাৰ ক্ষেত্ৰত বৰ আগ্ৰহ পৰিলক্ষিত হৈছিল। কৰ্মসংস্থানৰ বাবে গাঁৱৰপৰা নগৰ অঞ্চললৈ বৃহৎ সংখ্যক লোকৰ স্থায়ী প্ৰব্ৰজন হোৱা বুলি প্ৰচলিত ধাৰণাটো অসত্য বুলি প্ৰতিপন্ন হ'ল। 'নীতি গৱেষণা কেন্দ্ৰ'ৰ গৱেষক কানহু চৰণ প্ৰধানৰ তথ্য অনুসৰি ১৯৯১-২০০১ আৰু ২০০১-২০১১ ৰ দশক দুটাত গাঁৱৰপৰা নগৰ অঞ্চললৈ প্ৰব্ৰজনৰ ফলতে নগৰীয়া জনসংখ্যাৰ বৃদ্ধি ২০ ৰ পৰা ২২ শতাংশৰ ভিতৰতে অপৰিৱৰ্তিত ৰূপত আছে। প্ৰব্ৰজনৰ কাৰণ যিয়েই নহওক, ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ জনসংখ্যাৰ ৩৮ শতাংশই জীৱনকালত স্থায়ীভাৱে প্ৰব্ৰজন কৰে।

২০০১-২০১১ চনৰ দশকটোত গড়ে ১.৫ নিযুত পুৰুষ আৰু ০.৩ নিযুত মহিলা প্ৰত্যেক বছৰে স্থানান্তৰিত হয় অৰ্থাৎ তেওঁলোকৰ স্থায়ী বসতিস্থলী স্থায়ীভাৱে পৰিৱৰ্তন কৰে। একে সময়তে বহু লোকে কম সময়ৰ বাবে স্থান পৰিৱৰ্তন কৰে যদিও স্থায়ী বসতিস্থলী একেই থাকে। তেওঁলোকৰ অধিক সংখ্যকেই গাঁও অঞ্চলৰ। বছৰটোৰ কোনো সময়ত কেইদিনমান বা কেইমাহমানৰ বাবে তেওঁলোকে কামৰ বাবে ঘৰৰপৰা আঁতৰি থাকিবলগীয়া হয়। ধাৰণা অনুসৰি ১০ নিযুত গ্ৰাম্য পৰিয়ালৰ একোজনকৈ ব্যক্তি বছৰটোৰ ১৫ দিনতকৈ অধিক আৰু ছমাহতকৈ কম সময়ৰ বাবে ঘৰৰপৰা আঁতৰি থাকে। প্ৰতিটো পৰিয়ালৰ এজনকৈ আঁতৰি থকা বুলি ধৰিলেও ইয়াৰ অৰ্থ এইটো হ'ব যে গ্ৰাম্য ভাৰতত ১০ নিযুত হ্ৰস্ব ম্যাদী বা সাময়িক প্ৰব্ৰজনকাৰী শ্ৰমিকে বাস কৰে।

তথ্য সমূহ বিশ্লেষণ কৰিলে দেখা যায় যে স্থায়ীভাৱে কৰ্মসংস্থানৰ বাবে প্ৰব্ৰজন কৰা লোকতকৈ অস্থায়ী প্ৰব্ৰজনকাৰী শ্ৰমিকৰ সংখ্যা ৫.৫ গুণ অধিক। তদুপৰি বছৰটোৰ ভিতৰত কম সময়ৰ বাবে প্ৰব্ৰজন কৰা অস্থায়ী

*লিখক মুম্বাইৰ আই জি আই ডি আৰ-ৰ অধ্যাপক।

শ্ৰমিকসকলৰ ভিতৰত মহিলাতকৈ পুৰুষৰ সংখ্যা বেছি হোৱা পৰিলক্ষিত হয় আৰু এইসকলৰ মাজত বয়সস্থ লোকতকৈ কম বয়সৰ বা যুৱকৰ সংখ্যা অধিক। উল্লেখযোগ্য যে প্ৰব্ৰজনকাৰী লোকসকলৰ মাজত থকা আন্তঃসংযোগৰ বাবে তেওঁলোকৰ কাম বিচৰাত সুবিধা হয়। তেওঁলোকে বাস কৰা ঠাইত বিশেষ কৰ্মসংস্থানৰ সুযোগ নথকা বাবে অইন ঠাইলৈ কাম বিচাৰি যাবলগীয়া হয়। শ্ৰমিকৰ চাহিদা থকা বজাৰখনৰ সাময়িক অভাৱ পূৰণ কৰে এইসকল অস্থায়ী প্ৰব্ৰজনকাৰী শ্ৰমিকে। এই ক্ষেত্ৰখনত কাম বিচাৰি নাপালে তেওঁলোক সেই ঠাইৰ পৰা গুচি আহে। এই কথাটোৱে ব্যাখ্যা কৰে যে তেওঁলোক কিয় বছৰটোৰ ভিতৰত কম ম্যাদৰ বাবেহে ঘৰৰপৰা আঁতৰি থাকে।

অধিকাংশ অস্থায়ী প্ৰব্ৰজনকাৰী শ্ৰমিকে কৃষি, খনি আৰু সেৱা খণ্ডত কাম কৰে। নিৰ্মাণ উদ্যোগৰ কামৰ প্ৰকৃতি অনুসৰি, সুবিশাল আন্তঃগাঁথনিৰ গৃহ নিৰ্মাণৰপৰা সৰু পথ নিৰ্মাণৰ কামলৈকে সকলো ধৰণৰ কামতে সাধাৰণতে নিয়োজিত শ্ৰমিকসকলৰ বহুসংখ্যকেই অস্থায়ী প্ৰব্ৰজনকাৰী শ্ৰমিক। এটা অধ্যয়ন অনুসৰি প্ৰাথমিক খণ্ডত কাম কৰাসকলৰ ভিতৰত সাময়িকভাৱে প্ৰব্ৰজন কৰা শ্ৰমিকসকলৰ ৩৬ শতাংশই নিৰ্মাণ খণ্ডত আৰু ১৫ শতাংশই গৌণ খণ্ডত কাম কৰে।

আন্তঃৰাজ্যিক প্ৰব্ৰজনকাৰী শ্ৰমিক ৰাজ্য চৰকাৰ, নিয়োগকৰ্তা আৰু আইনত ঠিকাদাৰসকলৰ ভূমিকা আৰু দায়িত্ব সম্পৰ্কে নিৰ্দিষ্ট বিধি গ্ৰহণ কৰা হৈছে। তদুপৰি নিৰ্মাণ খণ্ডৰ শ্ৰমিকসকলৰ সৈতে জড়িত আইন হ'ল গৃহ নিৰ্মাণ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক (নিযুক্তিৰ নিয়ন্ত্ৰণ আৰু সংস্থানৰ চৰ্ত) আইন ১৯৯৬' আৰু 'গৃহ নিৰ্মাণ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ উপকৰ আইন ১৯৯৬'। সকলো ৰাজ্য চৰকাৰে এই আইনৰ কেউটা দিশেই সামৰি ৰূপায়ণ কৰিছে নে নাই সেই সন্দৰ্ভত সন্দেহৰ অৱকাশ আছে। এই দুখন আইন ৰূপায়ণ সন্দৰ্ভত ৰাজ্য চৰকাৰৰ নিষ্ক্ৰিয়তাৰ বিষয়টো উত্থাপন কৰি উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ত কেইবাটাও গোচৰৰ শুনানি ইতিমধ্যে গ্ৰহণ কৰা হৈছে। তিনিওখন আইনে প্ৰকৃতাৰ্থত নিৰ্মাণ শ্ৰমিক আৰু প্ৰব্ৰজনকাৰী শ্ৰমিকৰ কাম কৰাৰ চৰ্ত সম্বন্ধীয় বিষয়টো সামৰি লয়। অৱশ্যে এই নীতিত আলোচনাত আন বহুকেইটা সমস্যা বা বিষয়ে ঠাই পোৱা নাই।

'মেইক ইন ইণ্ডিয়া'ৰ চৰ্চা হ'লে 'ভাৰতত কি প্ৰস্তুত কৰিব পাৰি' বা 'ভাৰতৰ ক'ত প্ৰস্তুত কৰিব পাৰি ' এই বিষয়েহে অগ্ৰাধিকাৰ লাভ কৰে। ভাৰতত 'কোনে' 'ক'ত' 'কি' প্ৰস্তুত কৰিব সেই সন্দৰ্ভত কম আলোচনা হয়। প্ৰকৃতাৰ্থত এই 'কোনে'ৰ বহুলাংশই হ'ল প্ৰব্ৰজনকাৰী শ্ৰমিক। তেওঁলোক 'মেইক ইন ইণ্ডিয়া'ৰ অবিচ্ছেদ্য অংগ আৰু এই বিষয়টো বেছিভাগ আলোচনাতে বহুলভাৱে চৰ্চিত হোৱা নাই। অধ্যয়ন কৰিবলগীয়া বিষয়টো হ'ল বসতি, আন্তঃগাঁথনি আৰু জীৱিকাত প্ৰব্ৰজনৰ প্ৰভাৱ আৰু ভাৰতীয় অৰ্থনীতিত প্ৰব্ৰজনকাৰীসকলে আগবঢ়োৱা বৃহৎ অৱদানৰ দিশটো প্ৰতিফলিত কৰা কেন্দ্ৰীয় আবাসন আৰু নগৰীয়া দাৰিদ্ৰ্য দূৰীকৰণ মন্ত্ৰণালয়ে ২০১৫ চনত গঠন কৰি দিয়া অধ্যয়নকাৰী দলটোক এই সন্দৰ্ভত ল'বলগীয়া ব্যৱস্থা আৰু কাৰ্যকৌশল নিৰ্ণয় কৰিবলৈ দায়িত্ব প্ৰদান কৰা হৈছিল। এই দলটোৱে ২০১৭ চনৰ মাৰ্চত প্ৰতিবেদন দাখিল কৰিছে। এই দলটোৰ অধ্যয়নত প্ৰকাশ পাইছে যে নিৰ্মাণ খণ্ডত কাম কৰা শ্ৰমিকসকলৰ কল্যাণ উপকৰ পুঁজিৰ সদ্ব্যৱহাৰ হোৱা নাই। অধ্যয়নকাৰী দলটোৱে আগবঢ়োৱা পৰামৰ্শ অনুসৰি ভাৰাঘৰ বা অস্থায়ী আৱাস বা হোষ্টেলৰ সুবিধা প্ৰদানৰ ক্ষেত্ৰত এই পুঁজি ব্যয় কৰিব পাৰি। ইয়াৰ ফলত শ্ৰমিকসকলে যথেষ্ট আৰ্থিক সকাহ লাভ কৰিব পাৰিব; কাৰণ তেওঁলোকে পৰিয়াললৈ বৃহৎ সংখ্যক ধন, বছৰি প্ৰায় ৫০ হাজাৰ কোটি টকা প্ৰেৰণ কৰে।

শ্ৰমিকসকলৰ অধিকাৰ আৰু সুবিধা যাতে সুৰক্ষিত হৈ থাকে সেইকথা নিশ্চিতকৰণৰ ক্ষেত্ৰত প্ৰতিবেদনত গুৰুত্ব দিয়া হৈছে। তদুপৰি অন্য কেতবোৰ আনুষংগিক সুবিধা আছে যিবোৰ শ্ৰমিকৰ বাবে বহনসাধ্য হয়। এই সুবিধাসমূহৰ ভিতৰত অন্যতম হ'ল ৰাজহুৱা বিতৰণ ব্যৱস্থা। এই সুবিধা আৰম্ভ কৰিবলৈ হ'লে এখন ৰাজ্যৰ ভিতৰতে ৰাজহুৱা বিতৰণ ব্যৱস্থা বহনসাধ্য কৰি তুলিব পাৰি। ছত্তিশগড়ৰ দৰে ৰাজ্যই এনে সম্ভাৱনীয়তা প্ৰদৰ্শন কৰিছে। ৰাজ্য চৰকাৰে ৰায়পুৰত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অন্তৰ্গত সকলো সমবায় সমিতি বা বিপণীসমূহৰ মাজত সংযোগ স্থাপন কৰিছে যাতে ৰাজ্যখনৰ হিতাধিকাৰী শ্ৰমিকে সকলো এনে ব্যৱস্থাৰ অধীনৰ দোকানসমূহৰ পৰা সুবিধা গ্ৰহণ কৰিব পাৰে। এই ব্যৱস্থা ৰাজ্যখনৰ আন আন চহৰলৈকো সম্প্ৰসাৰিত কৰা হৈছে। 'ইক'ন'মিকেল এণ্ড পলিটিকেল উইক্‌লী'ত প্ৰকাশিত এটা সাম্প্ৰতিক লেখাত এ যোশী ডি সিন্‌হা আৰু বি পাটনায়কে যুক্তি প্ৰদৰ্শন কৰিছে যে এই ব্যৱস্থা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত আৰু বহু কৰণীয় আছে। তেওঁলোকে মত প্ৰকাশ কৰিছে যে

**(৪১ পৃষ্ঠাত চাওক)**

# ৰাষ্ট্ৰীয় ভিত্তিত কৌশল বিকাশৰ বাবে বিত্তীয় সাহায্যৰ নৱ প্ৰক্ৰিয়া

সন্তোষ মেহৰোত্ৰা*

ভাৰতত অধিক পৰিমাণে কৌশলী কৰ্মীৰ আৱশ্যক, কিন্তু বৰ্তমান প্ৰশিক্ষণৰ বাবে প্ৰয়োজনীয় সামৰ্থ্য অতি ধীৰ গতিত আগবাঢ়িছে। অবিশ্বাস্য হ'লেও ক'ব লাগিব যে ৰাষ্ট্ৰীয় কৌশল আঁচনি, ২০১৫ত প্ৰশিক্ষণৰ লক্ষ্য আছিল ৪০০ নিযুত লোক, কিন্তু দৰাচলতে ২০২২ চনলৈকে এই সংখ্যা ২০০ কোটিহে হ'ব লাগে (মেহৰোত্ৰা আৰু অন্যান্য, ২০১৩), কিন্তু বাস্তৱত বছৰি মাত্ৰ ২০০ নিযুত লোককহে প্ৰশিক্ষিত কৰা হৈছে। এই প্ৰচেষ্টাক ঊৰ্ধ্বগামী কৰা অতি আৱশ্যক। সংঘবদ্ধক্ষেত্ৰৰ (কৰপ'ৰেট) সামাজিক দায়বদ্ধতা (CSR) ৰ পৰাও অতি সীমিত পৰিমাণৰ ধনহে কৌশল বিকাশৰ ক্ষেত্ৰখনলৈ আহে। তদুপৰি ব্যৱসায় ভিত্তিক প্ৰশিক্ষণো মাত্ৰ ৩৯ শতাংশ আৰু এই প্ৰশিক্ষণসমূহ সাধাৰণতে কেৱল বৃহৎ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে অনুষ্ঠিত কৰে।

কৌশল বিকাশ মন্ত্ৰণালয় অতি নতুন, কিন্তু তথাপি এই মন্ত্ৰণালয়ে বিশ্ববেংকৰ পৰা ঋণ (Loan) পাবলৈ সক্ষম হৈছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে কৌশলী ভাৰতৰ বাবে যি লক্ষ্য স্থিৰ কৰিছে, সেই লক্ষ্য পূৰণৰ বাবে আৰু বিশাল পুঁজিৰ সন্ধান কৰিব লাগিব। আমাৰ দেশত কৌশল বিকাশৰ বাবে দিয়া বিত্তীয় সাহায্য ব্যক্তিগতভাৱে পৰিচালিত খণ্ডতহে কৃতকাৰ্য হৈছে; ইয়াৰদ্বাৰা ঔদ্যোগিক মালিকত্ব ব্যৱস্থাৰ নিশ্চয়তাহে আছে। যদিহে সেয়ে হয়, তেনেহ'লে কৌশল বিকাশ ঔদ্যোগিক ক্ষেত্ৰৰ চাহিদা পৰিচালিত নীতিৰ বিপৰীতে যোগান পৰিচালিততহে হ'ব আৰু ই অকৃতকাৰ্যতাৰ এটা প্ৰণালী হৈ দেখা দিব। ৰাষ্ট্ৰীয় কৌশল বিকাশ নিগম (NSDC)ৰদ্বাৰা সাহায্যপ্ৰাপ্ত কাৰিকৰী প্ৰশিক্ষণৰ ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহ যোগান নীতিৰদ্বাৰাহে পৰিচালিত হয়। ইয়াৰ ফলত প্ৰশিক্ষণৰ মান তেনেই পুতৌজনক হ'ব আৰু কৌশল সমিতি থকা সত্ত্বেও ঔদ্যোগিক সহযোগিতা সীমিত হৈ থাকে। কেন্দ্ৰীয় চৰকাৰে কৌশল বিকাশৰ পুঁজিৰ বাবে এটা নতুন পদ্ধতিৰ কথা চিন্তা কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে, যি পদ্ধতিয়ে তলত উল্লেখ কৰা ধৰণে গঢ় ল'ব লাগে—

বিভিন্ন প্ৰতিষ্ঠানৰ ওপৰত এটা শ্ৰেণীৰ কৰ আৰোপ কৰিব পৰা যায়, আৰু এই কৰৰ পৰা সংগৃহিত ধন বিশেষভাৱে চিহ্নিত এক পুঁজিত জমা হ'ব, যি পুঁজি কেৱল কৌশল বিকাশৰ উদ্দেশ্যে ব্যৱহৃত হ'ব। এই পুঁজিৰ পৰাই প্ৰতিষ্ঠান সমূহে প্ৰশিক্ষনৰ বাবে কৰা ব্যয়ৰ ক্ষতি পূৰণো দিব পৰা যাব। বিশ্বৰ প্ৰায় ৬৩ খন দেশে এনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। লেটিন আমেৰিকাৰ ১৭ খন (ব্ৰাজিলৰ সৈতে), উপ ছাহাৰ আফ্ৰিকাৰ ১৭ খন (দক্ষিণ আফ্ৰিকাৰ সৈতে), ইউৰোপত ১৪ খন, মধ্যপ্ৰাচ্য আৰু উত্তৰ আফ্ৰিকাত ৭ খন আৰু এছিয়াৰ ৭ খন দেশত এনে পুঁজিৰ ব্যৱস্থা আছে।

**ভাৰতত এতিয়া ৰাষ্ট্ৰীয় প্ৰশিক্ষণ পুঁজি কিয় গঠন কৰিব লাগে?**

প্ৰথমতেই ক'ব লাগিব যে ওপৰত উল্লেখ কৰি অহা মতে বৰ্তমান ভাৰতত কৌশল বিকাশৰ বাবে কৰিব লগা ব্যয়ৰ সামৰ্থ্য অতি সীমিত। দ্বিতীয়তে, যোৱা দশকৰ মাজভাগৰ পৰাই কৌশল বিকাশক এটা প্ৰাথমিক প্ৰয়োজনীয়তা হিচাপে গণ্য কৰা হৈছে, কিন্তু সম্পূৰ্ণ কাৰিকৰী (TVET) প্ৰশিক্ষণ দিয়াৰ ক্ষেত্ৰখন অতি মন্থৰ গতিত পৰিবৰ্দ্ধিত হৈছে। বাঢ়ি অহা 'ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান' (ITI) আৰু ৰাষ্ট্ৰীয় কৌশল বিকাশ আঁচনিৰ সাহায্যপ্ৰাপ্ত কাৰিকৰী প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহে বছৰি মাত্ৰ ৫ নিযুত লোককহে প্ৰশিক্ষণ দিবলৈ সমৰ্থ হৈছে। কিন্তু এই হাৰত আমাৰ 'মেইক ইন ইণ্ডিয়া'ৰ লক্ষ্য উপলব্ধ নহ'ব আৰু যুৱশক্তিৰ পূৰ্ণ সদ্ব্যৱহাৰ নহ'ব তথা দেশে জনসংখ্যাৰ পৰা পাব লগা লাভালাভ হেৰুৱাৰ সম্ভাৱনা প্ৰকট হ'ব।

তৃতীয়তে, বিত্তীয় ঘাটিক নিয়ন্ত্ৰণত ৰাখি ৰাজ্যৰ প্ৰাথমিক আৰু অত্যাৱশ্যকীয় আন বিভিন্ন খণ্ড যেনে— স্বাস্থ্য, শিক্ষা আৰু গঠনমূলক কাৰ্যত

*লেখক সন্তোষ মেহৰোত্ৰা জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ স্কুল অৱ ছ'ছিয়েল ছায়েন্সেছৰ ছেণ্টৰ ফৰ্ ইনফৰমেল ছেণ্টাৰ এণ্ড লেবাৰ ষ্টাডিজৰ অৰ্থনীতি বিভাগৰ অধ্যাপক আৰু অধ্যক্ষ

বিনিয়োগ কৰি সেই ৰাজহৰ এক সীমিত পৰিমাণৰ অংশ কৌশল বিকাশৰ বাবে টানি আনিব পৰা যায়। চতুৰ্থতে, গোলকীয়ভাৱে কৌশল বিকাশৰ বাবে কেৱল ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানকহে বিভিন্ন সাহ্যয্য দিয়া হয় আৰু সেয়ে এই প্ৰতিষ্ঠানসমূহ প্ৰত্যক্ষ হিতাধিকাৰী হৈ পৰে। তথাপি ৰাজ্য চৰকাৰসমূহেও ইয়াত এটা বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে, এই কামৰ বাবে ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহ আগবাঢ়ি আহিব লাগিব।

গতিকে, ৰাষ্ট্ৰীয় প্ৰশিক্ষণ পুঁজিৰ তাৎক্ষণিক আৱশ্যকতা আছে। এই পুঁজি গঠনৰ বাবে এটা সম্ভাব্য আৰ্হি তলত আলোচনা কৰা হৈছে—

**(ক) সংহত খণ্ড আৰু মধ্যম তথা বৃহৎ ব্যৱসায়িক প্ৰতিষ্ঠানৰপৰা সংগ্ৰহ কৰা কৰ**

অসংহত খণ্ডৰ উৎপাদনৰ অংশ ২২%' কিন্তু নিয়োগৰ হাৰ ৮৫%। আৰম্ভণিতে ভাৰতত কেৱল সংহত খণ্ডতহে কৰ আৰোপ কৰিব লাগে আৰু সেয়াও কেৱল বৃহৎ আৰু মধ্যমীয়া খণ্ডতহে। ক্ষুদ্ৰ ব্যৱসায়িক প্ৰতিষ্ঠান সমূহৰপৰা কৰ সংগ্ৰহ কৰা অসুবিধা জনক হ'ব পাৰে আৰু এই প্ৰতিষ্ঠান সমূহৰ পৰা প্ৰতিবাদ উত্থাপিত হ'ব পাৰে।

**(খ) সংহত আৰু অসংহত দুয়োটা খণ্ডই হিতাধিকাৰীৰ তালিকাভুক্ত হোৱা উচিত**

অসংহত খণ্ডৰ প্ৰতিষ্ঠানত কাম কৰা অধিক সংখ্যক কৰ্মচাৰীয়ে তেওঁলোকৰ কৰ্মক্ষেত্ৰতে পৰোক্ষ-ভাৱেহে তেওঁৰ কাৰ্য সম্পাদনৰ কৌশল আহৰণ কৰে। সেয়েহে এই পুঁজিৰ কিছু অংশ এনে কৰ্মচাৰীক প্ৰশিক্ষিত কৰাৰ বাবে আছুতীয়াকৈ থ'ব লাগে। কিন্তু, যিহেতু বৃহৎ মধ্যম খণ্ডৰ সংহত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে প্ৰশিক্ষণৰ ব্যয় বহন কৰে, এই খণ্ড সমূহেও লক্ষণীয়ভাৱে এই পুঁজিৰ লাভা-লাভ পাব লাগে। বৰ্তমান কৰ্মক্ষেত্ৰতে প্ৰশিক্ষিত কৰাৰ যি পদ্ধতি প্ৰচলিত (Apprenticeship Programme, 1961) হৈ আছে সেই পদ্ধতিকো এই ব্যৱস্থাৰ লগত সন্নিৱিষ্ট কৰিব পৰা যায়। সংহত আৰু অসংহত দুয়ো ক্ষেত্ৰৰ প্ৰতিষ্ঠানসমূহৰ দাবীদাৰসকলৰ লগত আলোচনা কৰি দুয়ো ক্ষেত্ৰৰে সঠিক অংশৰ মূল্যাংকন কৰা উচিত যাতে সংহত খণ্ডৰ ব্যৱসায়িক প্ৰতিষ্ঠান-সমূহেও ইয়াত এক বিশেষ ভূমিকা গ্ৰহণ কৰাৰ লগতে লাভৰ পৰা ক্ষতিপূৰণৰ ব্যৱস্থাৰ বিষয়েও সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। ইয়াৰদ্বাৰা অসংহত ব্যৱসায়িক প্ৰতিষ্ঠান সমূহত কৌশল বিকাশৰ বাবে ৰাজহ মুকলি কৰি দিয়াৰ পথ মুকলি হ'ব।

**(গ) জলপানি প্ৰদানৰদ্বাৰা চাহিদা ভিত্তিক প্ৰশিক্ষণৰ বাবে পুঁজি আবণ্টন**

ভাৰতত প্ৰশিক্ষণৰ সুবিধা ঐতিহাসিকভাৱে সদায়েই যোগান ভিত্তিক, আনফালে কৌশলীলোকৰ বাবে বাঢ়ি অহা চাহিদা সদায়েই অৱহেলিত হৈ আহিছে। যি সকল দুখীয়া ছাত্ৰই শ্ৰমৰ বজাৰখনত প্ৰৱেশ কৰাৰ আগতে লব'লগীয়া প্ৰয়োজনীয় প্ৰাথমিক প্ৰশিক্ষণৰ বাবে আৱশ্যকীয় ধন যোগান ধৰিব নোৱাৰে, সেইসকল ছাত্ৰৰ প্ৰশিক্ষণৰ বাবে আবণ্টিত পুঁজি ব্যৱহাৰ কৰা নিত্যান্তই জৰুৰী। দুখীয়া ছাত্ৰসকলে জীয়াই থকাৰ বাবে ধন অৰ্জন কৰিবই লাগিব, কিন্তু প্ৰশিক্ষণ ল'বৰ বাবে তেওঁলোক সমৰ্থবান নহয়। যদি প্ৰশিক্ষাৰ্থীসকলক জলপানি দিয়াৰ ব্যৱস্থা কৰা হয়, তেনেহ'লে তেওঁলোকৰ জীয়াই থাকিবৰ বাবে প্ৰয়োজনীয় ধনৰ আৱশ্যকতা কিছু পৰিমাণে হ্ৰাস পাব আৰু প্ৰশিক্ষণৰ বাবে কৰিবলগীয়া ব্যয়ও ইয়াৰ পৰাই ওলাই থাকিব। প্ৰধান মন্ত্ৰীৰ কৌশল বিকাশ যোজনাৰ অধীনত প্ৰশিক্ষাৰ্থী-সকলক যি এককালীন সাহায্য দিয়া হৈছে সেয়া তেনেই সামান্য আৰু প্ৰভাৱশালীও নহয়। চীনদেশত ছাত্ৰসকলৰ বাবে কাৰিকৰী শিক্ষা আৰ্থিকভিত্তিত অতি প্ৰভাৱশালী ৰূপে আৰম্ভ কৰা হৈছে। ৯ বছৰৰ বাধ্যতামূলক মাধ্যমিক স্কুলীয়া শিক্ষাৰ পাছত যি সকল ছাত্ৰ-ছাত্ৰী কৃতকাৰ্য হয় তাৰে অৰ্ধেকসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এনেধৰণৰ উচ্চ-মাধ্যমিক বিদ্যালয়ত নামভৰ্তি কৰে— যিসমূহ বিদ্যালয়ে কাৰিকৰী শিক্ষা প্ৰদান কৰে। ইয়াৰ এটা প্ৰধান কাৰণ হ'ল যে-২০০৫ চনৰ পৰা গোটেই দেশৰে গ্ৰাম্য তথা চহৰ অঞ্চলৰ সকলো ছাত্ৰ-ছাত্ৰীৰ এই পৰ্যায়ত কাৰিকৰী শিক্ষা সম্পূৰ্ণ বিনামূলীয়াকৈ প্ৰদান কৰা হয়। ইয়াৰ উপৰিও গ্ৰামাঞ্চলৰপৰা আহি যি সকল দুখীয়া ছাত্ৰই চহৰৰ উচ্চ-মাধ্যমিক কাৰিকৰী বিদ্যালয়ত নামভৰ্তি কৰে সেইসকলক প্ৰায় ৫০০ য়ুৱানকৈ আৰ্থিক সাহায্য দিয়া হয় যাতে তেওঁলোকে চহৰত থকা-খোৱাৰ খৰচ বহন কৰিব পাৰে।

**ৰাষ্ট্ৰীয় প্ৰশিক্ষণ পুঁজিৰ বাবে নতুন কৰ আৰোপ কৰাৰ ওপৰত হোৱা বিতৰ্ক**

(১) বিগত কেইবাবছৰ ধৰি অৰ্থনীতিৰ গতি মন্থৰ হৈ পৰিছে আৰু বিনিয়োগ হ্ৰাস পাইছে। নতুন কৰ আৰোপ কৰিলে প্ৰতিষ্ঠানসমূহৰ বিনিয়োগ কৰাৰ বাবে থকা লভ্যাংশ কমি আহিব আৰু সেয়ে

প্ৰতিষ্ঠানসমূহে এই কৰৰ বিপক্ষে মাত মাতিব। প্ৰাথমিক শিক্ষাৰ বাবে দিবলগীয়া কৰ আগৰ পৰাই আৰোপ কৰা হৈছে আৰু এতিয়া উচ্চশিক্ষাৰ বাবেও কৰ আৰোপ কৰা হৈছে। নতুনকৈ আৰু বেলেগ কৰ আৰোপ কৰিলে প্ৰতিষ্ঠানসমূহে এই কৰ দিবলৈ মান্তি নহ'ব।

কিন্তু, এই বিতৰ্কই কিছুমান বাস্তৱ সত্যৰ পৰা ফালৰি কাটি যায়। প্ৰতিষ্ঠান সমূহে বৰ্ধিত উৎপাদনৰ লগত সংগতি ৰাখি ন্যায়সংগতভাৱে দিব লগা দৰমহাৰ তুলনাত কৌশলী ব্যক্তিক দৰমহা প্ৰদান কৰি আছে। যিহেতু প্ৰতিষ্ঠানসমূহত সদায়েই কৌশলী ব্যক্তিৰ অভাৱ পৰিলক্ষিত হয়, সেয়েহে এনেদৰে অধিক দৰমহা দি কৌশলী ব্যক্তি মকৰল কৰা হয়। ইয়াৰ কাৰণেই সামগ্ৰী আৰু সেৱাৰ মূল্যত অধিক চাপৰ সৃষ্টি হয় আৰু ফলত মুদ্ৰাস্ফীতি পৰিলক্ষিত হয়। কিন্তু বৰ্তমান এটা পৰিঘটনাৰ সৃষ্টি হৈছে যে ১২ বছৰৰ পাছত প্ৰাথমিক শিক্ষাৰ বাবে দিব লগা কৰ সমূলি নোহোৱা কৰা হ'ব। বিশেষভাৱে চিহ্নিত অন্য কৰ বা পুঁজিৰ সলনি সাধাৰণ কৰৰ পৰা আহৰিত ৰাজহৰ পৰাই প্ৰাৰ্থমিক শিক্ষাৰ পুঁজি আবন্টিত হ'ব।

(২) চৰকাৰৰদ্বাৰা নিয়ন্ত্ৰিত পুঁজি অতি পুতৌজনকভাৱে পৰিচালিত কৰা হয় আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহে কৌশল বিকাশৰ বাবে ব্যয় কৰিবলগীয়া সেই পুঁজিৰ আবণ্টন পাবৰ বাবে ব্যয় কৰিবলগীয়া সময় আৰু কষ্টক লাভদায়ক বুলি নাভাবে।

এইটো সঁচাকৈয়ে এটা চিন্তনীয় বিষয়। কিন্তু প্ৰশিক্ষণৰ বাবে আবণ্টিত ৰাষ্ট্ৰীয় পুঁজিৰ নিয়ন্ত্ৰণৰ দায়িত্ব ব্যক্তিগত খণ্ডক অৰ্পণ কৰিব পৰা যায়। ব্ৰাজিলৰ আৰ্হিত এই পুঁজি খণ্ডিত কৰিলে উদ্যোগসমূহে সু-সমভাৱে এই পুঁজি পৰিচালনা কৰিব পাৰিব। এনে পুঁজিৰ পৰিচালনা সমিতিত কেইজনমান চৰকাৰী বিশেষজ্ঞ থাকিলে ইয়াত চৰকাৰৰ নিয়ন্ত্ৰণো থাকিব। ▯

---

(৩৮ পৃষ্ঠাৰ পৰা)

বিপণীৰ স্বত্বাধিকাৰ আৰু কাৰ্ডধাৰী-সকলৰ মাজত অব্যাহত থকা ক্ষমতাৰ ভাৰসাম্যহীনতাৰ বাবে এই ব্যৱস্থা কাৰ্যকৰী হোৱাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহ সমাধানৰ বাবে কৰ্তৃপক্ষই পদক্ষেপ গ্ৰহণ কৰাৰ থল আছে।

ৰাজ্য চৰকাৰসমূহে কৰিবলগীয়া আন কেইবাটাও কাম আছে আৰু ইয়াৰ ভিতৰত অন্যতম হ'ল প্ৰব্ৰজনকাৰী পিতৃ-মাতৃৰ লগত থকা সন্তানসকলৰ বিদ্যালয়ত নামভৰ্তিকৰণ। কিছুসংখ্যক সন্তানে প্ৰব্ৰজন কৰা পিতৃ-মাতৃক এৰি পূৰ্বৰ বাসস্থানত থাকিব নোখোজে। এনে শিশুসকলৰ বাবে ওড়িশা চৰকাৰে কেইটামান অস্থায়ী হোষ্টেল মুকলি কৰিছে। মহাৰাষ্ট্ৰ চৰকাৰৰ সহযোগিতাত ইউনিচেফে এই শিশুসকলৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰব্ৰজনকাৰী পিতৃ-মাতৃৰ সন্তানসকলৰ ভিতৰত যিসকলে পূৰ্বৰ স্থায়ী বাসস্থানতে থাকিব বিচাৰে, তেওঁলোকৰ বাবে সুৰক্ষিত আৰু নিৰাপত্তামূলক সমূহীয়া তদাৰক কেন্দ্ৰ মুকলি কৰিছে।

অধ্যয়নকাৰী দলটোৱে চিহ্নিত কৰিছে যে দেশৰ ভিতৰতে বিচৰণৰ স্বাধীনতাৰ অধিকাৰ প্ৰদানৰ বাবে ভাৰতীয় সংবিধানতে ব্যৱস্থা আছে। অৱশ্যে কোনো কোনো ৰাজ্যত চৰকাৰী চাকৰি বা শৈক্ষিক অনুষ্ঠান-প্ৰতিষ্ঠানত নামভৰ্তিৰ বাবে গৃহৰাজ্যৰ অধিবাসী-সকলক অগ্ৰাধিকাৰ প্ৰদান কৰা হয়। অধ্যয়নকাৰী দলটোৱে পৰামৰ্শ দিছে যে গৃহৰাজ্যৰ বাসিন্দাসকলৰ বাবে এই অগ্ৰাধিকাৰ ভিত্তিত আগবঢ়োৱা ব্যৱস্থা বা পদক্ষেপসমূহ বাতিল কৰাটো অতি আৱশ্যকীয় যাতে কৰ্মথলী আৰু কামৰ ক্ষেত্ৰত কোনো ধৰণৰ বৈষম্য থাকি নাযায়। অধ্যয়নকাৰী দলটোৰ পৰামৰ্শাৱলী আন্তঃৰাজ্যিক ক্ষেত্ৰত প্ৰচলিত আইনৰ সৈতে একেলগে বিবেচনা কৰি থকা হৈছে। নিৰ্মাণ শ্ৰমিকৰ সৈতে জড়িত এই পৰামৰ্শাৱলী ভাৰতত আভ্যন্তৰীণ প্ৰব্ৰজন সন্দৰ্ভত এটা ৰাষ্ট্ৰীয় নীতি গ্ৰহণৰ ক্ষেত্ৰত আৰম্ভণি বুলি ধৰিব পাৰি। প্ৰব্ৰজনকাৰী শ্ৰমিকৰ স্বাৰ্থৰ সুৰক্ষিত কৰাৰ বাবে ই যথেষ্ট কাৰ্যকৰী বিবেচিত হ'ব। ▯

# শ্ৰম সংস্কাৰ আৰু ভাৰতৰ অৰ্থনীতি

**ববিতা শৰ্মা***

কোনো এখন দেশৰ বিকাশ প্ৰক্ৰিয়াৰ লগত জড়িত অৰ্থনৈতিক সংস্কাৰৰ এটা অবিচ্ছেদ্য অংগ হ'ল শ্ৰম সংস্কাৰ। শ্ৰম সংস্কাৰৰদ্বাৰা ভাৰত চৰকাৰৰ 'ভাৰতত নিৰ্মাণ (মেইক' ইন ইণ্ডিয়া) প্ৰকল্পক সফল ৰূপায়ণ কৰাৰ এটা প্ৰয়াস হিচাপে ভবাৰ থ'ল আছে। এই প্ৰকল্পৰ জৰিয়তে দেশত দ্ৰব্য-সামগ্ৰী উৎপাদন আৰু প্ৰস্তুতকৰণৰ লগতে দেশখনৰ উৎপাদন কাৰ্যক আগবঢ়াই নিয়া সম্ভৱ হ'ব। উৎপাদনৰ উপাদান হিচাপে ভূমি, মূলধন আৰু সংগঠনৰ লগতে আন এটা গুৰুত্বপূৰ্ণ উপাদান হ'ল শ্ৰমিক। সেয়েহে উৎপাদন কাৰ্যত শ্ৰমিকৰ প্ৰাধান্যতা নুই কৰিব নোৱাৰি। জনবহুল দেশ হিচাপে পৰিগণিত ভাৰতক অতি কম দিনৰ ভিতৰত বিশ্বৰ 'তৰুণতম ৰাষ্ট্ৰ' বুলি উপস্থাপন কৰা হ'ব। এটা সমীক্ষা মতে, বিশ্বত অৰ্থনৈতিক বিকাশ সাধন কৰিবলৈ গ্ৰহণ কৰা কাৰ্যসূচীত যথেষ্ট-সংখ্যক যুৱসমাজৰ প্ৰয়োজন হ'ব। বিশেষকৈ ২০২০ চনলৈ আমাৰ দেশত প্ৰায় ৪৭ নিযুত যুৱ প্ৰজন্মই কৰ্মহীন হৈ ৰ'ব। সেই সময়ছোৱালৈ সমগ্ৰ বিশ্বত প্ৰয়োজন হোৱা শ্ৰমিকশক্তিৰ সংখ্যা ৫৬ নিযুত হ'বগৈ বুলি আশা কৰা হৈছে। এই ক্ষেত্ৰত ভাৰতৰ যুৱক-যুৱতীৰ কৰ্ম সংস্থানৰ বিষয়টোৰ কথা ভবাৰ যুক্তি আছে। দেশৰ বিকাশৰ কাৰ্যসূচীত গুৰুত্ব লাভ কৰা শ্ৰম সংস্কাৰ ব্যৱস্থাৰদ্বাৰা দেশখনৰ উৎপাদন বৃদ্ধিত বৰঙণি যোগাই ৰাষ্ট্ৰখনৰ দীৰ্ঘকালীন বিকাশক আৰু অধিক আগুৱাই নিব পাৰি। এনে পদক্ষেপে আৰ্থ-সামাজিক সমস্যা নিৰ্মূল কৰাৰ লগতে সৰ্বসাধাৰণৰ উন্নয়ন হ'ব আৰু বিকাশৰ গতি অধিক খৰতকীয়া হ'ব। শ্ৰম সংস্কাৰৰ উপযুক্ততা নিৰূপণ হ'ব যদিহে দেশত নিয়োগৰ সুবিধা বৃদ্ধি হ'ব আৰু শ্ৰমিকসকলে সুৰক্ষিত পৰিৱেশত কাম কৰাৰ সুবিধা পায়। কৰ্মৰ ভিত্তিত উপযুক্ত মজুৰি লাভ কৰিব। বৰ্তমানৰ চৰকাৰখনে সংস্কাৰ সাধন কৰাৰ প্ৰয়াস কৰিছে যাৰদ্বাৰা ভাৰতৰ অৰ্থনীতিৰ আমূল পৰিৱৰ্তন হোৱাৰ আশা কৰা হৈছে।

শ্ৰম সংস্কাৰ হ'ল এনে এটা ভাৰসাম্য অৱস্থাৰ সৃষ্টি, য'ত শ্ৰমিকৰ কল্যাণৰ আঘাত নকৰাকৈ ঔদ্যোগিক শান্তি বাহাল ৰখা সম্ভৱ হয়। শ্ৰম সংস্কাৰৰ জৰিয়তে শ্ৰম বজাৰখন সঠিকভাৱে পৰিচালিত হ'ব, লগতে নিয়োগ সুনিশ্চিতকৰণ আৰু শ্ৰমিকৰ সামাজিক সুৰক্ষা প্ৰদান কৰা সম্ভৱ হ'ব। শ্ৰমিকৰ সংস্কাৰৰদ্বাৰা নিয়োগ নিশ্চিত কৰাৰ লগতে উৎপাদন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত শ্ৰম নিবিড় উৎপাদন কৌশল ব্যৱহাৰৰ জৰিয়তে দেশৰ জনসাধাৰণক সঠিক ব্যৱহাৰ কৰি অৰ্থনৈতিক উন্নয়ন কৰা প্ৰয়োজন। এনে ব্যৱস্থা বিশেষকৈ উন্নয়নশীল দেশসমূহত গ্ৰহণ কৰে। এই ক্ষেত্ৰত দেশ সমূহত উন্নয়নৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি জনগণৰ নিয়োগৰ জৰিয়তে জীৱন ধাৰণৰ মান উন্নত কৰিলেহে প্ৰকৃতাৰ্থত সামগ্ৰিক উন্নতিকৰণ হ'ব পাৰিব। উন্নয়নশীল দেশসমূহে উৎপাদনৰ উপাদান হিচাপে শ্ৰমিকক গুৰুত্ব প্ৰদান নকৰি উদ্যোগত মূলধনৰ গুৰুত্ব দিয়াটো অনুচিত। অৰ্থনৈতিক সংস্কাৰৰ অংশ হিচাপে শ্ৰম সংস্কাৰৰ জৰিয়তে সকলোৰে সৈতে বিকাশ সাধন কৰাৰ মূল কৌশল হ'ল উৎপাদনশীল আৰু লাভজনক নিয়োগৰ সৃষ্টি আৰু উপযুক্ত কামৰ পৰিৱেশ সৃষ্টি কৰি দেশসমূহৰ বৰ্দ্ধিত শ্ৰম শক্তিক যথেষ্ট পৰিমাণে নিয়োজনৰ ব্যৱস্থা কৰা। ভাৰতৰ দৰে উন্নয়নশীল দেশত শ্ৰমিক সংঘই যৌথ দৰাদৰি নীতিৰ সহায়ত শ্ৰমিকসকলক নিৰাপত্তাৰ প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে। পুঁজিবাদী আৰু মিশ্ৰ অৰ্থনীতিৰ দেশত উদ্যোগৰ মালিক বা নিয়োগকৰ্তা আৰু শ্ৰমিকৰ মতানৈক্যৰ ফলত ঔদ্যোগিক বিবাদ সংঘটিত হয় আৰু পৰিৱেশ দুষিত হৈ পৰে। চৰকাৰে এনে বিবাদৰ প্ৰতিৰোধ আৰু মীমাংসাৰ কাৰণে বিভিন্ন শ্ৰম সংস্কাৰ ব্যৱস্থা আৰু নীতি গ্ৰহণ কৰি আহিছে।

ভাৰতৰ অৰ্থনৈতিক সংস্কাৰৰ প্ৰথম পৰ্যায়ত ১৯৮৫ চনত, দেশৰ উৎপাদনশীলতা বৃদ্ধিত গুৰুত্ব প্ৰদান কৰাৰ বিপৰীতে শ্ৰম সংস্কাৰ বিষয়টোৱে তাত প্ৰত্যক্ষভাৱে স্থান পোৱা নাছিল। দ্বিতীয় পৰ্যায়ৰ সংস্কাৰ কাৰ্যসূচীত উদাৰীকৰণ ব্যৱস্থাৰদ্বাৰা উদ্যোগৰ অনুজ্ঞাপত্ৰ প্ৰদান ব্যৱস্থাৰ অৱলুপ্তিকৰণ, আমদানিৰ অনুমতি প্ৰদান, ইত্যাদিক গুৰুত্ব দিছিল। কিন্তু ২০০১ চনৰ নতুন

*লেখিকা আজাৰাৰ হৰি-গায়ত্ৰী দাস মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক

অৰ্থনৈতিক কাৰ্যসূচীত শ্ৰম-আইন সংস্কাৰক বিশেষ গুৰুত্ব প্ৰদান কৰা দেখা গৈছে। এই ক্ষেত্ৰত শ্ৰম-আইন সংস্কাৰত প্ৰস্তাৱিত অনুচ্ছেদৰ কেইটামান পৰিৱৰ্তন উল্লেখনীয়। প্ৰথমে, যিবোৰ প্ৰতিষ্ঠানে ১০০০ তকৈ কম কৰ্মচাৰী নিযুক্তি দিয়ে তেওঁলোকে চৰকাৰী অনুমতি নোহোৱাকৈ উৎপাদন গোট বন্ধ কৰিব পাৰে। দ্বিতীয়তে, ৰাজহুৱা উপযোগী সেৱা খণ্ডত কাম কৰা শ্ৰমিকক হৰতালৰ বাবে ৪৫ দিনৰ আগতীয়া সূচনা দিব লাগে অন্যথা অকস্মাৎ ঘোষণা কৰা হৰতাল বেআইনী বুলি বিবেচিত হ'ব। তৃতীয়তে, এজন উৎপাদনকাৰীয়ে প্ৰতি বছৰে নিজৰ উৎপাদনশীলতাৰ লগত যুক্তি ৰাখি মুঠ কৰ্মচাৰীৰ ২ শতাংশ লোকক কামৰ পৰা অব্যাহতি দিব পাৰে। অৱশ্যে নিয়োগকাৰীয়ে এবছৰ কাম কৰাৰ বাবে ১৫ দিনৰ ঠাইত বৰ্তমানে ৪৫ দিনৰ দৰমহা ক্ষতিপূৰণ দিব লাগে। চতুৰ্থতে, ঔদ্যোগিক সম্পৰ্ক আইন (IR Act) ভংগ কৰা অপৰাধত নিয়োগকাৰীক ছমাহৰ জেল আৰু ২০০০ টকাৰ জৰিমনা বিহিব পৰা যাব। কিন্তু এই আইনখনে শ্ৰমিক-মালিক পক্ষক সন্তুষ্ট কৰিব নোৱাৰে। মালিক পক্ষই শ্ৰমিকক দিবলগীয়া বৃহৎ ক্ষতিপূৰণ আদায় দিয়ালৈ সম্ভৱ নহয়। সেয়েহে শ্ৰমিকৰ কামৰ পৰা অব্যাহতিৰ ক্ষেত্ৰত এটা পুঁজিৰ সৃষ্টি কৰি ব্যৱস্থা গ্ৰহণ আৰু অধিক কৰ্ম সংস্থানৰ সুবিধা গ্ৰহণ কৰা উচিত। দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ মূল উদ্দেশ্যৰ এটা হ'ল ৫০ নিযুত নতুন কৰ্মসংস্থান সৃষ্টি কৰা। তদুপৰি দ্ৰুতগতিত কৰ্মসংস্থান সৃষ্টিৰ কাৰণে বিশেষকৈ প্ৰস্তুতকাৰী উদ্যোগত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে।

ভাৰতৰ শ্ৰম বজাৰখনৰ পৰিসৰ যথেষ্ট। যাৰ সঠিক ব্যৱহাৰৰদ্বাৰা অৰ্থনৈতিক বৃদ্ধি দ্ৰুততৰ কৰাৰ লগতে দৰিদ্ৰতা নিৰ্মূলকৰণো সম্ভৱ। এই শ্ৰম বজাৰখন কেবাটাও ভাগত ভগাব পাৰি। চহৰ আৰু গ্ৰাম্য অঞ্চল, ভাষা, শিক্ষা, দক্ষতা, জাতি, বিভিন্ন খণ্ড, অৰ্থনৈতিক কাৰ্য আৰু উদ্যোগৰ ওপৰত নিৰ্ভৰ কৰি প্ৰত্যক্ষ আৰু পৰোক্ষ শ্ৰমিক দেখা যায়।

এই শ্ৰমশক্তিৰ বজাৰখন নিয়ন্ত্ৰণ কৰাৰ বাবে বিভিন্ন আইন গৃহীত কৰাৰ লগতে সময় সাপক্ষে সংস্কাৰ কৰা হয়। কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰসমূহে কাৰখানা আইন, ন্যূনতম মজুৰি আইন, ঔদ্যোগিক বিবাদ আইন, যুক্তি-সংগত মজুৰি আইন, আদি গ্ৰহণৰ জৰিয়তে নিয়ন্ত্ৰিত আৰু সঠিক মজুৰি ৰূপায়ণ, কৰ্মৰ পৰিৱেশ, সামাজিক নিৰাপত্তা, কামত সুৰক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে। কিন্তু পূৰ্বতে গ্ৰহণ কৰা আইন সমূহ গতিশীল অৰ্থনৈতিক ব্যৱস্থাৰ লগত খাপ নাখায়। গোলকীয় অৰ্থনীতিৰ পৰিৱৰ্তনৰ লগত সংগতি ৰাখি ভাৰতৰ শ্ৰম সংস্কাৰৰ ক্ষেত্ৰত চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰিছে। ভাৰতৰ চৰকাৰে 'মেইক্ ইন ইণ্ডিয়া'ক আৰু 'দক্ষ ভাৰত'ৰ প্ৰতি লক্ষ্য ৰাখি বহনক্ষম বিকাশৰ বাবে প্ৰয়োজনীয় বুলি বিবেচিত যি সংস্কাৰমূলক নীতি গ্ৰহণৰ চিন্তা কৰিছে, ই দেশৰ উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব আৰু নিয়োগ প্ৰদানৰ সুবিধা বৃদ্ধি কৰিব। ২০১৩-১৪ চনৰ বাৰ্ষিক বাজেটখনত বিশেষকৈ অসংগঠিত খণ্ডৰ শ্ৰমিকক বিশেষ গুৰুত্ব দিয়া দেখা নগ'ল।

ভাৰত চৰকাৰে কম সময়ৰ ভিতৰত দেশৰ অৰ্থনৈতিক সংস্কাৰ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰিবলৈ আন খণ্ডৰ লগতে শ্ৰম আইন সংস্কাৰ সবল কৰি তোলা উচিত। সংস্কাৰ এনেদৰে হোৱা দৰকাৰ— য'ত ব্যৱসায় চলি থকাৰ লগতে শ্ৰমিকৰ কৰ্ম সংস্থাপন বৃদ্ধি হয়। দেশত প্ৰচলিত শ্ৰম আইন কঠোৰ আৰু উদ্যোগসমূহত সাধাৰণতে স্থায়ী শ্ৰমিকক নিযুক্তি দিয়া উৎসাহ নিদিয়ে। বৰং চুক্তিবদ্ধ সাময়িক শ্ৰমিক নিযুক্তিত অধিক গুৰুত্ব দিয়ে। কাৰণ এনে শ্ৰমিকৰ ক্ষেত্ৰত সামাজিক সুৰক্ষাৰ সুবিধাৰ ব্যৱস্থা নাথাকে। কিন্তু শ্ৰম আইন সমূহ এনে হোৱা উচিত যাতে নিয়মিত শ্ৰমিক অধিক নিয়োগ কৰে। ফলত শ্ৰমিক সকলৰ বেতন নিয়মীয়া হোৱাৰ লগতে সামাজিক সুৰক্ষা লাভ কৰা সম্ভৱ হয়। কঠোৰ শ্ৰম আইনে নগৰীয়া দৰিদ্ৰতাৰ পৰিমাণ বৃদ্ধি কৰিছে। সেয়েহে আইন প্ৰণয়নকাৰীয়ে বিবেচনা কৰি প্ৰস্তুতকাৰী উদ্যোগ স্থাপন আৰু শ্ৰমিকশক্তিক নিয়োগত গুৰুত্ব দিয়া প্ৰয়োজন। কৰ্মসংস্থান সৃষ্টি কৰাটো ভাৰতৰ অৰ্থনীতিত এটা প্ৰত্যাহ্বান। যিহেতু প্ৰতিবছৰে ভাৰতত ১৩ ৰ পৰা ১৫ নিযুত যুৱ প্ৰজন্মই জীৱিকা উপাৰ্জনৰ কাৰণে কৰ্মসংস্থানৰ সন্ধান কৰে। তদুপৰি কৃষিখণ্ডই মুঠ জনসংখ্যাৰ প্ৰায় আধা অংশলোকহে নিয়োজিত কৰে। এনে কাৰণত অনা-কৃষিখণ্ডত অধিক কৰ্মৰ সৃষ্টি কৰা প্ৰয়োজন। বিশেষকৈ এই ক্ষেত্ৰত নগৰ অঞ্চলত যথেষ্ট কৰ্মসংস্থানৰ সৃষ্টি কৰিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন। ভাৰতত শ্ৰম শক্তিৰ পৰিমাণ যথেষ্ট থকা সত্ত্বেও ৰপ্তানি বাণিজ্যৰ ক্ষেত্ৰত মূলধন নিবিড় পদ্ধতিৰে প্ৰস্তুত কৰা সামগ্ৰী যেনে, পেট্ৰলিয়াম জাতীয় দ্ৰব্য মূল্যৱান পাথৰ আৰু গহনা, ফাৰ্মাচিউটিকেল দ্ৰব্য-সামগ্ৰী, পৰিবহণৰ সা-সৰঞ্জাম, যন্ত্ৰপাতি ইত্যাদি যথেষ্ট পৰিমাণে ৰপ্তানি কৰা হয়। চৰকাৰে এই ক্ষেত্ৰত সঠিক পদক্ষেপ গ্ৰহণৰ জৰিয়তে শ্ৰম নিবিড় পদ্ধতিৰে উৎপাদন কৰা সামগ্ৰীৰ ৰপ্তানি বৃদ্ধি কৰাৰ ব্যৱস্থা লোৱা উচিত। ফলত দেশৰ যথেষ্ট সংখ্যক নিবনুৱাক নিয়োগৰ সুবিধা দিব পৰা যাব। সাম্প্ৰতিক কালত ভাৰতত ডিজিটেল অৰ্থনীতিত কাৰিকৰী আৰু সচল অৱস্থাত উৎপাদন ব্যৱস্থাত প্ৰচলিত শ্ৰমিক নিবিড়

পদ্ধতিক সলনি কৰি যন্ত্ৰপাতি ব্যৱহাৰৰ দ্বাৰা কম ব্যয়ৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এতিয়া ব্যক্তিসকলে আধুনিক প্ৰযুক্তি আৰু দক্ষতা বৃদ্ধিৰ সহায়ত সঠিক কৰ্ম সংস্থানৰ কাৰণে নিজকে প্ৰস্তুত কৰা প্ৰয়োজন। এনে কঠিন কাৰ্যৰ ৰূপায়ণৰ কাৰণে উচিত পদক্ষেপ আৰু সংস্কাৰৰ প্ৰয়োজনীয়তা আহি পৰিছে।

এনেদৰে পৰিৱৰ্তনক নজৰত ৰাখি সঠিক নীতি প্ৰণয়ন কৰিব লাগে। শ্ৰম বজাৰৰ লগতে শিক্ষাৰ ক্ষেত্ৰত সংস্কাৰ হোৱা উচিত। বৰ্তমান চৰকাৰখনে শ্ৰম সংস্কাৰ ব্যৱস্থাৰ ভিতৰত পাঁচখন নতুন শ্ৰম বিধেয়ক উত্থাপন কৰিছে। ঔদ্যোগিক সম্পৰ্ক বিধেয়ক ২০১৬, মজুৰি বিধেয়ক ২০১৬, ক্ষুদ্ৰ উদ্যোগৰ বিধেয়ক, কৰ্মচাৰীৰ প্ৰভিডেন্ট ফাণ্ড বিধেয়ক ইত্যাদি। এই বিধেয়ক সমূহত ৪০ খন প্ৰচলিত শ্ৰম আইন অন্তৰ্ভুক্ত কৰিছে। কিছুসংখ্যক লোকৰ মতে এই বিধেয়কৰদ্বাৰা কৰ্মচাৰীক অধিক সহায় নকৰে। মহিলা অংশগ্ৰহণ-কাৰীৰ কৰ্মসংস্থাপনৰ ওপৰত গুৰুত্ব দি ক্ষুদ্ৰ উদ্যোগ বিধেয়কত মহিলা কৰ্মচাৰীৰ ৰাতিৰ সময়ত কাম কৰাৰ সুবিধা দিছে। ব্যৱসায় প্ৰতিষ্ঠান সমূহৰ কাম বন্ধ নকৰাকৈ চলি থকাৰ ব্যৱস্থা কৰিছে। শিশু শ্ৰমিক ব্যৱস্থা বিলোপ কৰাত গুৰুত্ব দিছে। শ্ৰম সংস্কাৰৰদ্বাৰা মালিকে শ্ৰমিকক কামৰ সংস্থাপন আৰু অব্যাহতি দিয়াৰ স্বাধীনতা লাভ কৰিব আৰু এনে কাৰ্যৰদ্বাৰা দেশত বিনিয়োগৰ সুবিধা আৰু অৰ্থনৈতিক বৃদ্ধিৰ কথা ভবা হৈছে। ফলত অধিক উৎপাদন খণ্ডত নিয়োগৰ সুবিধা বৃদ্ধি হ'ব বুলিও আশা কৰিছে। কিন্তু এনে সৰলীকৰণ ব্যৱস্থা কেতিয়াও কৰ্মসংস্থান সৃষ্টিৰ সহজ উপায় হ'ব নোৱাৰে। আমাৰ দেশত কৰ্মচাৰীয়ে সদায় কম মজুৰিত কৰ্মৰত হৈ আছে। চৰকাৰী সমীক্ষা মতে, ৩০ নিযুত সংগঠিত খণ্ডত কৰ্মৰত লোকে মাহিলি ১৫ হাজাৰ টকাতকৈ কম উপাৰ্জন কৰি আছে। কিন্তু নতুন শ্ৰমনীতিৰ সহায়ত এই সকল শ্ৰমিকৰ সমস্যা হ্ৰাস নহয়' বৰং বৃদ্ধিহে হ'ব।

ভাৰতত চুক্তিবদ্ধ (Contact) শ্ৰমিক আইনখনে অনিয়মিত খণ্ডত থকা শ্ৰমিকক আইনগত সুৰক্ষা দিব পৰা নাই। শ্ৰম সংস্কাৰৰদ্বাৰা চৰকাৰে এনে লোকসকলক সুৰক্ষাৰ কাৰণে বাণিজ্যিক প্ৰতিষ্ঠানৰ চৰকাৰী অনুজ্ঞাপত্ৰৰ ব্যৱস্থা লৈছে। এই অনুজ্ঞাপত্ৰসমূহ তিনি বছৰৰ অন্তৰে অন্তৰে পুনৰ নিৰীক্ষণ কৰিব লাগিব। এনেদৰে চুক্তিবদ্ধ শ্ৰমিকৰ সুৰক্ষাৰ লগতে সংগঠিতখণ্ডত নতুন কৰ্মৰ সৃষ্টি হ'ব। চৰকাৰ আৰু কৰ্পৰেট খণ্ডত অধিক সংখ্যক কৰ্মচাৰী হ'ল চুক্তিবদ্ধ শ্ৰমিক। এনে শ্ৰমিকৰ ৫৫% ৰাজহুৱা খণ্ডত আৰু বাকী ৪৫% ব্যক্তিগত খণ্ডত নিয়োজিত। তেওঁলোকৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাই আহিছে কাৰণ স্থায়ী শ্ৰমিকৰ তুলনাত তেওঁলোকে কম মজুৰিত কাম কৰে। প্ৰয়োজন মতে মালিকে কামৰ পৰা অব্যাহতি দিয়ে। অসংগঠিত খণ্ডত থকা চুক্তিবদ্ধ শ্ৰমিক সামাজিক সুৰক্ষাৰপৰা বঞ্চিত হৈ আছে।

যিহেতু ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ বৃহৎ অংশ অধিকাৰ কৰিছে সেৱাখণ্ড আৰু অসংগঠিত খণ্ডই, য'ত অধিকাংশ শ্ৰমিক কৰ্মৰত হৈ আছে। কিন্তু এই অসংগঠিত খণ্ড শ্ৰম আইনৰ বাহিৰত আছে। সেয়েহে মজুৰি আৰু উৎপাদনৰ অনুপাতে ইয়াত শ্ৰমিকৰ মজুৰি কম আৰু তেওঁলোকৰ কল্যাণত বাধা আহি পৰিছে। যদিও ভাৰতৰ অৰ্থনৈতিক বৃদ্ধি একবিংশ শতিকাত খৰতকীয়া হৈছে, কিন্তু কৰ্মসংস্থান সৃষ্টিৰ পৰিমাণ নিম্নগামীহে হৈছে। ২০০৪-০৫ চনত নিয়োগ সৃষ্টি হৈছিল মুঠ ঘৰুৱা উৎপাদনৰ ২.৬% আৰু এই পৰিমাণ ২০০৯-১০ চনত হ'লগৈ ০.৯২%। এতেকে দেশৰ অৰ্থনৈতিক বৃদ্ধিয়ে নিবনুৱা সমস্যা সমাধানত বিফল হৈছে। চৰকাৰে সঠিক শ্ৰম আইন প্ৰণয়নৰ জৰিয়তে নিবনুৱা সংস্থাপন কৰাৰ লগতে শ্ৰমিকৰ কল্যাণ, যেন, শিক্ষা, স্বাস্থ্য, দক্ষতা বৃদ্ধি, সামাজিক সুৰক্ষাৰ কাৰণে অধিক পুঁজি বিনিয়োগ কৰিলেহে বহনক্ষম অৰ্থনৈতিক উন্নয়ন সম্ভৱ হ'ব। গতিশীল অৰ্থনৈতিক পৰিৱৰ্তনে গোলকীয় আৰু উদাৰ বজাৰ ব্যৱস্থাৰ পৰিৱৰ্তন আনিছে। ভাৰতৰ শ্ৰম বজাৰৰ আকাৰৰ লগত সংগতি ৰাখি উৎপাদন কৌশল ব্যৱহাৰ হ'ব লাগে। অৰ্থনীতি আৰু সময়ৰ চাহিদা অনুসৰি 'ভাৰত নিৰ্মাণ' আৰু 'দক্ষ ভাৰত' কাৰ্যসূচী সফল হ'ব যদিহে শ্ৰম সংস্কাৰ সঠিকভাৱে কৰা হয়। শ্ৰমিক যোগান আৰু চাহিদাৰ মাজত ভাৰসাম্য অৱস্থাৰ প্ৰয়োজন। ভাৰতৰ প্ৰধান মন্ত্ৰীজনে 'ইন্সপেক্টৰ ৰাজ' ব্যৱস্থা বন্ধ কৰি এটা অন্‌লাইন শ্ৰম পৰিদৰ্শন ব্যৱস্থা গ্ৰহণৰ কথা উল্লেখ কৰিছে। উৎপাদন-কাৰীয়ে অন্‌লাইন পঞ্জীকৰণ কৰিব পাৰিব। দেশত শ্ৰমিকৰ সমস্যাসমূহ মালিকৰ নহয়' শ্ৰমিকৰ হিতৰ কাৰণেহে ব্যৱস্থা ল'বলৈ চকু দিব পাৰিব। সমগ্ৰ দেশতে শ্ৰমিকসকলৰ 'এক মজুৰি' ব্যৱস্থা প্ৰযোজ্য হোৱা প্ৰয়োজন। আইনৰ কঠোৰ মেৰপেঁচৰপৰা উদ্যোগী আৰু শ্ৰমিকক মুক্ত কৰি দেশৰ উন্নয়ন আৰু বৃদ্ধিক গুৰুত্ব প্ৰদানেৰে সফল নীতি ৰূপায়ণ কৰা উচিত। আৰ্থ-সামাজিক আৰু ৰাজহুৱা আৱশ্যকতাৰ ওপৰত ভিত্তি কৰি সঠিক নীতি গ্ৰহণ কৰিব লাগে। শ্ৰমিকৰ কল্যাণৰ লগতে দেশখনৰ সামগ্ৰিক বিকাশৰ কাৰণে প্ৰয়োজন হোৱা কাৰ্যসূচী সাল-সলনি কৰি গঠনমূলক প্ৰক্ৰিয়াৰে দেশখন সুস্থিৰভাৱে আগবাঢ়ি যাব বুলি আশা কৰা হৈছে। □

# বাজেট ২০১৭— নিৰ্মাণ খণ্ডৰ বাবে ৰূপান্তৰমূলক সম্ভাৱনাৰে পৰিপুষ্ট পদক্ষেপ

**ৰণ্‌জিত মেহতা***

২০১৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটখনক কেইবাটাও দিশৰ পৰা ব্যতিক্ৰমী বুলি অভিহিত কৰিব পাৰি। প্ৰথম কথাটো হ'ল, এই বাজেটত পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ শ্ৰেণী বিভাজন চৰকাৰে সমূলি নাইকিয়া কৰিছে। পুঁজিৰ বহিৰ্গমনক এতিয়াৰে পৰা ৰাজহ আৰু মূলধনী ব্যয় হিচাপে নামকৰণ কৰা হ'ব। দ্বিতীয়তে, বিগত ৯২ বছৰ ধৰি চলি অহা পৰম্পৰাৰ অৱসান ঘটাই কেন্দ্ৰীয় বাজেটতেই ৰে'ল বাজেটকো অন্তৰ্ভুক্ত কৰাৰ এটা প্ৰক্ৰিয়া এতিয়াৰে পৰা আৰম্ভ হ'ল। এই দুয়োটা পদক্ষেপকেই শুদ্ধ পথৰ দিশে গ্ৰহণ কৰা হৈছে আৰু ইয়াৰ ফলত সামগ্ৰিকভাৱে পৰিস্থিতিৰ উন্নতি ঘটিব বুলি নিশ্চয়কৈ আশা কৰিব পাৰি।

সাধাৰণতে অৰ্থনীতিৰ মন্দাৱস্থাৰ সময়ত বিত্ত মন্ত্ৰীসকলে যেতিয়া বাৰ্ষিক বাজেট প্ৰস্তুত কৰে, অৰ্থনৈতিক উন্নয়নৰ হকে প্ৰদৰ্শন কৰিবৰ বাবে তেওঁলোকৰ সমুখত মাত্ৰ দুটা পথেই খোলা থাকে। তাৰে এটা হ'ল চাহিদাৰ পথ আৰু আনটো যোগানৰ পথ। অথবা এই দুয়োটাৰে সংমিশ্ৰণ। চাহিদাৰ জৰিয়তে সম্ভৱ হ'ব পৰা উন্নয়ন অৱধাৰিতভাৱে হ'ব ভোগ অথবা খৰচৰ ওপৰত নিৰ্ভৰশীল অৰ্থনৈতিক উন্নয়ন, যিটো প্ৰত্যক্ষ আৰু পৰোক্ষ কৰৰ নিম্ন হাৰৰ জৰিয়তে উপভোক্তাই কৰা ভোগ বা ব্যয়ৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰিব। আন কিছুমান কাৰক, যেনে উপহাৰ অথবা ৰাজসাহায্য পৰ্যন্ত এই ক্ষেত্ৰত বিবেচিত হ'ব পাৰে। ইয়েই উৎপাদিত সামগ্ৰী আৰু সেৱাৰ চাহিদা বৃদ্ধি কৰাৰ লগতে অৰ্থনীতিৰ গতি ত্বৰান্বিত কৰিব পাৰে। বিত্ত মন্ত্ৰীসকলে আনটোৰ ঠাইত ইয়াক খুব কমেইহে অগ্ৰাধিকাৰ দিয়ে। বৰঞ্চ কোনো কোনো সময়ত তেওঁলোকে চাহিদা আৰু যোগান উভয় দিশৰ অৰ্থনৈতিক কাৰ্যকলাপক প্ৰাধান্য দিয়াৰ মিশ্ৰিত ব্যৱস্থাৰ জৰিয়তে উদগনি আগবঢ়াবলৈ বিচাৰে।

২০১৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত বিত্ত মন্ত্ৰী জেইট্‌লিয়ে ভাৰতীয় অৰ্থনীতিত বৰ্তি থকা চাহিদাকেন্দ্ৰিক উন্নয়নৰ তুলনাত বিনিয়োগকেন্দ্ৰিক উন্নয়নক অধিক প্ৰাধান্য প্ৰদানেৰে বিবেচনা কৰিছে। উপভোক্তা আৰু উদ্যোগৰ মানসিকতাৰ দিশৰ পৰা চাবলৈ হ'লে ভাৰতবৰ্ষই অতি লেহেমীয়া গতিত আগবঢ়া পৰিলক্ষিত হৈছে আৰু সেই বিষয়টোৰ প্ৰতি লক্ষ্য কৰিলে কৰ হ্ৰাস কৰাৰ ব্যৱস্থাৰ জৰিয়তে উপভোগৰ চাহিদা বৃদ্ধি কৰাৰ পক্ষে তেওঁৰ সম্ভাৱনা আছিল তেনেই কম। এনে পৰিস্থিতিত চাহিদা বৃদ্ধিৰ সম্ভাৱনা আশা কৰি কৰ বৃদ্ধি কৰাৰ বিষয়টো বিপজ্জনক হিচাপেই বিবেচিত হয়। সেয়েহে এনে ক্ষেত্ৰত একধৰণৰ দীৰ্ঘস্থায়ী আৰু নিশ্চিত উন্নয়নৰ উদ্দেশ্যে চৰকাৰী বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰাৰ জৰিয়তে পৰিস্থিতি নিয়ন্ত্ৰণলৈ অনাটো নিঃসন্দেহে উত্তম পন্থা।

বিত্ত মন্ত্ৰীগৰাকীয়ে তেওঁৰ আয়ত্বত থকা প্ৰায় সকলো ধৰণৰ সম্পদৰ সদ্ব্যৱহাৰৰ জৰিয়তে অৰ্থনীতিৰ বিনিয়োগ/চাহিদাৰ পৰিমাণ বৃদ্ধি কৰিবলৈ চেষ্টা কৰিছে। আন্তঃগাঁথনি প্ৰকল্পৰ বাবে ধাৰ্য কৰা ধনৰ পৰিমাণ হ'ল ৩.৯৬ লাখ কোটি টকা; ঔদ্যোগিকৰণৰ বাবে 'উদয়' আঁচনিৰ অধীনত আগবঢ়াবলগীয়া ঋণৰ পৰিমাণ ২.৪৪ লাখ কোটি টকা; গ্ৰাম্য, কৃষি আৰু আনুষংগিক খণ্ডসমূহৰ বাবে ১.৮৫ লাখ কোটি টকা আৰু গ্ৰামাঞ্চলত উৎপাদনশীল সম্পদ গঢ়ি তোলাৰ হকে এম জি এনৰেগাৰ অধীনত ৪৮,০০০ কোটি টকা আগবঢ়োৱাৰ প্ৰস্তাৱ কৰা হৈছে; মহিলা আৰু শিশুৰ কল্যাণমূলক আঁচনিৰ বাবে ধাৰ্য কৰা ধনৰ পৰিমাণ হ'ল ১.৮৪ লাখ কোটি টকা। এনে ব্যৱস্থাৰ জৰিয়তে গ্ৰহণ কৰা প্ৰকল্পই সহযোগী খণ্ডসমূহৰ বাবে পৰ্যাপ্ত পৰিমাণে চাহিদা গঢ় দিব আৰু ইয়াৰ সৈতে সংযুক্ত পাৰ্শ্বক্ৰিয়া হিচাপে অৰ্থনীতিৰ বিকাশৰ গতি ত্বৰান্বিত হ'ব বুলি বিশ্বাস কৰিয়েই এনে পন্থা গ্ৰহণ কৰা হৈছে।

পিছে চাহিদা আৰু যোগান উভয় কাৰককেন্দ্ৰিক অৰ্থনীতিৰ অন্তিম লক্ষ্য যি ক্ষেত্ৰত অৰ্থনৈতিক উন্নয়নৰ দিশত আগবঢ়াই নিয়া, তেনে সময়তে চাহিদাকেন্দ্ৰিক উন্নয়নে তাৎক্ষণিকভাৱে,

*লিখক ৰণ্‌জিত মেহতা নতুন দিল্লীৰ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰিৰ পি এইছ ডি চেম্বাৰছৰ সঞ্চালক।

হয়তো তিনি মাহৰ ভিতৰতে, উপভোগ বা ব্যয়ৰ হাৰ বৃদ্ধিৰ পথো প্ৰশস্ত কৰিব পাৰে। ইয়াৰ পৰিৱৰ্তে বিনিয়োগৰ প্ৰতি অধিক গুৰুত্ব আৰোপ কৰা অৰ্থনৈতিক উন্নয়নৰ সুফল লাভৰ গতি অতি লেহেমীয়া হয়। এই ক্ষেত্ৰত পৰিলক্ষিত হ'ব পৰা মুঠ ঘৰুৱা উৎপাদনৰ হাৰ বৃদ্ধিৰ দিশটো ৯ মাহমান সময় পাৰ হোৱাৰ পাছতহে পোহৰলৈ আহে। এনে প্ৰেক্ষাপটত প্ৰায় ২৬৫ বিধ আনুষংগিক উদ্যোগৰ সৈতে প্ৰত্যক্ষ অথবা পৰোক্ষ সম্পৰ্ক থকা ভাৰতীয় স্থাৱৰ সম্পত্তি খণ্ডক তাৎক্ষণিকভাৱে গুৰুত্ব প্ৰদান কৰাৰ আৱশ্যকতা আছিল।

বিগত সময়ছোৱাত দেশৰ স্থাৱৰ সম্পত্তি খণ্ডই দ্ৰুত গতিত উন্নতি লাভ কৰি আছে আৰু ই সম্প্ৰতি দেশৰ অৰ্থনীতিৰ প্ৰতি অতিশয় গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়োৱা খণ্ডসমূহৰ অন্যতম হিচাপে পৰিগণিত হ'বলৈ লৈছে। পিছে বি-মুদ্ৰাকৰণৰ পৰৱৰ্তী পৰিস্থিতিত এই উন্নয়নৰ হাৰ কিছু পৰিমাণে কমিবলৈ লোৱা দেখিবলৈ পোৱা গৈছে। আনহাতে ইয়াৰ সমান্তৰালভাৱে দেখিবলৈ পোৱা গুৰুত্বপূৰ্ণ দিশটো হ'ল পূৰ্বৰ খণ্ড-বিখণ্ড, বিক্ষিপ্ত তথা অসংগঠিত অৱস্থাৰ পৰা ৰূপান্তৰ ঘটি এই খণ্ডটোৱে ক্ৰমান্বয়ে এটা সুগঠিত তথা সু-সংগঠিত ৰূপ লাভ কৰিবলৈ লৈছে আৰু এই পৰিৱৰ্তনৰ জৰিয়তে বিশ্বৰ আন যিকোনো অংশৰ উন্নত অৰ্থনীতিৰ সৈতে ফেৰ মাৰিব পৰাকৈ এই খণ্ডটো সমৰ্থ হৈ উঠিবলৈ লৈছে। গোলকীয় প্ৰেক্ষাপটত ভাৰতৰ গুৰুত্ব ক্ৰমান্বয়ে বৃদ্ধি পাই অহাৰ এটা ইতিবাচক প্ৰভাৱ পৰিলক্ষিত হৈছে আৰু ইয়াৰ ফলস্বৰূপে স্থাৱৰ সম্পত্তিৰ খণ্ডটোত বৰ্দ্ধিত আকাংক্ষা আৰু ইয়াৰ সমান্তৰালভাৱে বৰ্দ্ধিত দায়বদ্ধতাৰ পৰিৱেশ সৃষ্টি হৈছে।

২০১৭-১৮ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটত স্থাৱৰ সম্পত্তি খণ্ডৰ উন্নয়ন সাধনৰ সম্ভাৱনা প্ৰকাশ পোৱা পৰিস্থিতিত ব্যয়সাধ্য গৃহ নিৰ্মাণ খণ্ডৰ বাবে 'আন্তঃগাঁথনি স্থিতি'ৰ ঘোষণাই চৰকাৰৰ '২০২২ চনৰ ভিতৰত সকলোৰে বাবে গৃহ' সন্দৰ্ভত ঘোষিত অভিযানৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। ব্যয়সাধ্য গৃহ নিৰ্মাণ খণ্ডত ইতিমধ্যে নিজৰ অস্তিত্ব সাব্যস্ত কৰিবলৈ সমৰ্থ হোৱা নিৰ্মাতা পক্ষসমূহৰ বাবে এই পদক্ষেপ পৰিস্থিতি সলনি কৰি দিব পৰা পথ হিচাপে বিবেচিত হ'ব পাৰে। কেন্দ্ৰীয় চৰকাৰে ২০২২ চনৰ ভিতৰত সকলোৰে বাবে গৃহ অভিযান অথবা প্ৰধান মন্ত্ৰী আবাস যোজনাৰ ঘোষিত লক্ষ্যত উপনীত হ'বৰ বাবে দেশৰ ৩০৫ খন নগৰ আৰু মহানগৰক চিনাক্ত কৰাৰ লগতে ২০২২ চনৰ ভিতৰত নগৰবাসী দৰিদ্ৰ লোকৰ বাবে ২ কোটি বাসগৃহ নিৰ্মাণৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই অভিযানৰ বাবে ২০৩০ চনৰ ভিতৰত ৩.৮ কোটি কৰ্মী বাহিনীৰ প্ৰয়োজন হ'ব বুলি ধাৰণা কৰা হৈছে। সম্প্ৰতি নিয়োজিত হৈ থকা ২.৯ কোটি কৰ্মীৰ সংখ্যালৈ চাই এই পৰিস্থিতিৰ ফলত নিযুক্তিৰ ক্ষেত্ৰখনতো উল্লেখনীয় পৰিৱৰ্তন সাধন হ'ব বুলি আশা কৰা হৈছে।

**'ৰূপান্তৰ, শক্তি বৰ্ধন আৰু পৰিচ্ছন্নতা'ৰ লক্ষ্যৰে ২০১৭ বৰ্ষৰ বাজেটৰ ক্ষেত্ৰত যি দহটা বিষয়ক ভিত্তি হিচাপে গ্ৰহণ কৰা হৈছে, সেইকেইটা হ'ল—**

১। **কৃষক** ঃ পাঁচ বছৰৰ ভিতৰত তেওঁলোকৰ উপাৰ্জনৰ হাৰ দুগুণলৈ বৃদ্ধি কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

২। **গ্ৰাম্য জনসাধাৰণ** ঃ কৰ্ম সংস্থাপন আৰু বুনিয়াদী আন্তঃগাঁথনিৰ সুবিধাৰ পৰ্যাপ্ততা।

৩। **যুৱ সম্প্ৰদায়** ঃ শৈক্ষিক দিশৰ ব্যুৎপত্তি আৰু কৰ্ম সংস্থাপনৰ জৰিয়তে তেওঁলোকক সবল কৰি তোলা।

৪। **দৰিদ্ৰ আৰু পিছপৰা শ্ৰেণী** ঃ সামাজিক নিৰাপত্তাৰ পৰিৱেশ শক্তিশালী কৰা আৰু সকলোৰে ব্যয়সাধ্য বাসগৃহ নিৰ্মাণৰ ব্যৱস্থা।

৫। সামৰ্থ্য, উৎপাদনশীলতা আৰু জীৱন ধাৰণৰ মান উন্নত কৰাৰ লক্ষ্যৰে আন্তঃগাঁথনিৰ উন্নয়ন সাধন।

৬। **বিত্তীয় খণ্ড** ঃ অধিক শক্তিশালী অনুষ্ঠানৰ জৰিয়তে উন্নয়ন সাধন আৰু স্থিৰতাৰ পৰিৱেশ সৃষ্টি।

৭। খৰতকীয়া দায়বদ্ধতা প্ৰকাশ আৰু স্বচ্ছতাৰ বাবে ডিজিটেল অৰ্থনীতিৰ প্ৰৱৰ্তন।

৮। **ৰাজহুৱা খণ্ড** ঃ জনসাধাৰণৰ অংশগ্ৰহণৰ জৰিয়তে কাৰ্যকৰী সু-প্ৰশাসন আৰু দক্ষতা সম্পন্ন সেৱা আগবঢ়োৱাৰ পথ প্ৰশস্ত কৰা।

৯। সম্পদৰ সৰ্বাত্মক ব্যৱহাৰ আৰু অধিক সুস্থিৰতা ৰক্ষাৰ বিষয়টো নিশ্চিত কৰাৰ হেতু সতৰ্কতাপূৰ্ণ বিত্তীয় ব্যৱস্থাপনা।

১০। **কৰ সংগ্ৰহৰ প্ৰশাসন** ঃ সন্মানজনক আৰু সৎ।

**স্থাৱৰ সম্পত্তি খণ্ডৰ বিকাশ সাধনৰ বাবে ২০১৭ বৰ্ষৰ বাজেটত গ্ৰহণ কৰা প্ৰধান ব্যৱস্থাসমূহ—**

★ ব্যয়সাধ্য বাসগৃহ নিৰ্মাণৰ ব্যৱস্থাক আন্তঃগাঁথনিৰ মৰ্যাদা দিয়াৰ ব্যৱস্থা লোৱা হয়।

★ ২০১৯ চনৰ ভিতৰত এক কোটি গ্ৰাম্য বাসগৃহ নিৰ্মাণ কৰা হ'ব।

★ ৰাষ্ট্ৰীয় গৃহ নিৰ্মাণ বেংকে পুনৰ ২০,০০০ কোটি টকাৰ ঋণ যোগান ধৰিব।

★ প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ বাবে ২৩,০০০ কোটি টকা আৱণ্টন কৰা হ'ব।

★ সংশ্লিষ্ট প্ৰকল্প একোটা সম্পূৰ্ণ হোৱা বছৰটোতহে মূলধনৰ দেয় কৰ আদায় দিবলগীয়াৰ পৰিপ্ৰেক্ষিতত স্থাৱৰ সম্পত্তিৰ নিৰ্মাণকাৰীসকলে বিক্ৰী নোহোৱা সম্পদৰ কৰ ৰেহাইৰ সুবিধা লাভ কৰিব।

★ ব্যয়সাধ্য বাস গৃহ নিৰ্মাণৰ ক্ষেত্ৰত ৩০ আৰু ৬০ বৰ্গ মিটাৰৰ সম্পূৰ্ণ নিৰ্মিত এলেকাৰ পৰিৱৰ্তে ৩০ আৰু ৬০ বৰ্গ মিটাৰৰ কাৰ্পেট এলেকাহে কৰযোগ্য হিচাপে বিবেচিত হ'ব।

★ স্থানান্তৰ কৰিব নোৱাৰা সম্পত্তিৰ ক্ষেত্ৰত মূলধনী লাভৰ কৰৰ সময়সীমা তিনি বছৰৰ পৰা দুবছৰলৈ হ্ৰাস কৰা হৈছে।

★ বিক্ৰী নোহোৱা সম্পদৰ ক্ষেত্ৰত সম্পূৰ্ণ হোৱাৰ প্ৰমাণ পত্ৰ লাভৰ পৰা এবছৰ কাল পৰ্যন্ত কৰ ৰেহাইৰ ব্যৱস্থা।

★ তিনি লাখ টকাৰ অধিক পৰিমাণৰ নগদ ধনৰ লেনদেনৰ ক্ষেত্ৰত নিষেধাজ্ঞা।

★ ইন্দিৰা আৱাস যোজনা আঁচনিখন নতুনকৈ ৬০০ খন জিলালৈ সম্প্ৰসাৰিত কৰা হ'ব।

★ মূলধনৰ লাভৰ সূচীভুক্তকৰণৰ সময়সীমা ০১-০৪-৮১ৰ পৰা ০১-০৪-২০০১লৈ পৰিৱৰ্তন সাধন।

**ব্যয়সাধ্য বাসগৃহ খণ্ডৰ বাবে আন্তঃগাঁথনিৰ মৰ্যাদা**

অৰ্থনৈতিক সংস্কাৰ সাধন অব্যাহত ৰখাৰ লগতে মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ আৰু সতৰ্কতাপূৰ্ণ বিত্তীয় ব্যৱস্থাপনাৰ প্ৰতিশ্ৰুতি বহন কৰা ২০১৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত ব্যয়সাধ্য বাসগৃহ খণ্ডই বহু প্ৰত্যাশিত 'আন্তঃগাঁথনিৰ মৰ্যাদা'ৰ স্বীকৃতি লাভ কৰাৰ পৰিপ্ৰেক্ষিতত স্থাৱৰ সম্পত্তি অথবা নিৰ্মাণ খণ্ডত ইয়াৰ ইতিবাচক প্ৰভাৱ পৰিব বুলি আশা কৰিব পাৰি। বিশেষকৈ মধ্যবিত্তীয় উপভোক্তাসকল এই পৰিৱৰ্তিত পৰিস্থিতিৰ ফলত উপকৃত হোৱাৰ সম্ভাৱনা স্বাভাৱিকতেই পৰিলক্ষিত হয় আৰু ইয়াৰ জৰিয়তে '২০২২ চনৰ ভিতৰত সকলোৰে বাবে থকা ঘৰ অভিযান' অধিক ফলপ্ৰসূ হ'ব বুলিও আশা কৰিব পাৰি। আনহাতে ইয়াৰ ফলত ব্যক্তিগত খণ্ডৰ নিৰ্মাণ প্ৰতিষ্ঠান-সমূহৰ মাজত প্ৰতিযোগিতামূলক মানসিকতা গঢ় লৈ উঠিব আৰু এনে পৰিস্থিতিয়ে মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ উপভোক্তাসকলক তেওঁলোকৰ প্ৰথমটো বাসগৃহ ক্ৰয় কৰাৰ ক্ষেত্ৰত শ্ৰেষ্ঠতৰ বিকল্পটো বাচি লোৱাৰ সুযোগ দিব।

উদ্যোগ খণ্ডই স্থাৱৰ সম্পত্তি খণ্ডক 'উদ্যোগৰ মৰ্যাদা' প্ৰদান কৰিবৰ বাবেও চৰকাৰৰ ওচৰত দীৰ্ঘদিন ধৰি দাবী উত্থাপন কৰি আহিছিল। স্থাৱৰ সম্পত্তি খণ্ডটো উদ্যোগ শ্ৰেণীত অন্তৰ্ভুক্ত নোহোৱাৰ ফলতেই এই খণ্ডৰ সৈতে জড়িত উদ্যোগী, নিৰ্মাতা আৰু বিনিয়োগকাৰীসকল সময়ে সময়ে উচ্চ হাৰৰ সুতৰ বিনিময়ত ঋণ ল'বলৈ বাধ্য হৈ আহিছিল। এনে উচ্চ হাৰৰ সুতৰ ঋণ ল'বলগীয়া হোৱা বাবেই নিৰ্মাতাসকলে পুঁজিৰ নাটনি ভোগ কৰিবলগীয়াত পৰিছিল।

প্ৰধান মন্ত্ৰী আবাস যোজনা (পি এম এ ৱাই)ৰ জৰিয়তে নিম্ন পৰিমাণৰ ব্যয় সম্পন্ন বাসগৃহ নিৰ্মাণৰ প্ৰয়াসক আন এটা গতিশীলতা প্ৰদান কৰা হ'ল। এই আঁচনিৰ অধীনত চৰকাৰে এই বুলি ঘোষণা কৰিলে যে ৯ লাখ টকাতকৈ অধিক পৰিমাণৰ ঋণৰ ক্ষেত্ৰত ৪ শতাংশ সুত আদায় কৰা হ'ব আৰু ১২ লাখ টকাতকৈ অধিক পৰিমাণৰ ঋণৰ ক্ষেত্ৰত এই হাৰ হ'ব ৩ শতাংশ। অৱশ্যে যিসকল লোক ই ডব্লিউ এছ অৰ্থাৎ আৰ্থিকভাৱে পিছপৰা শ্ৰেণী অথবা এল আই জি অৰ্থাৎ নিম্ন আয়ৰ শ্ৰেণীৰ অন্তৰ্ভুক্ত নহয়, তেওঁলোক এই আঁচনিৰ উপভোক্তা হিচাপে বিবেচিত হ'ব নে নাই সেই কথাত সন্দেহৰ অৱকাশ থাকি গ'ল। এনে প্ৰকল্পৰ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ সময়সীমাও চৰকাৰে তিনি বছৰৰ পৰা পাঁচ বছৰলৈ বৃদ্ধি কৰিলে। এনেদৰেই লাভৰ সৈতে সংযুক্ত আয়কৰ ৰেহাইৰ ব্যৱস্থাৰ বাবে এতিয়াৰে পৰা পূৰ্বতকৈ অধিক প্ৰকল্পই যোগ্যতা লাভ কৰিব। ব্যয়সাধ্য বাসগৃহ খণ্ডৰ চাহিদা অতিশয় বেছি হোৱা সত্ত্বেও বৰ্তমানলৈ এই খণ্ডটোত তেনেই কমসংখ্যক উদ্যোগীয়েহে বিনিয়োগৰ বাবে আগবাঢ়ি অহা আমি দেখিবলৈ পাইছো। লাভৰ সৈতে সংযুক্ত কৰ ৰেহাইৰ ব্যৱস্থা প্ৰৱৰ্তনৰ লগতে ব্যয়সাধ্য গৃহ নিৰ্মাণক আন্তঃগাঁথনি মৰ্যাদা প্ৰদান কৰাৰ ফলত উদ্যোগী-নিৰ্মাতাসকলে অধিক সংখ্যক ব্যয়সাধ্য বাসগৃহ নিৰ্মাণ কৰাৰ প্ৰতি মনোনিৱেশ কৰিব আৰু ইয়াৰ ফলত এই খণ্ডটোত ব্যক্তিগত পৰ্যায়ৰ বিনিয়োগ-কাৰীৰ অংশগ্ৰহণ পূৰ্বতকৈ বৃদ্ধি পাব।

**কম খৰচী/ব্যয়সাধ্য বাসগৃহৰ সংজ্ঞা**

কম খৰচী/ব্যয়সাধ্য বাসগৃহৰ সংজ্ঞা অনুসৰি পূৰ্বৰ মুঠ নিৰ্মিত এলেকা ৩০/৬০ বৰ্গ মিটাৰৰ পৰা সম্প্ৰতি ৩০/৬০ বৰ্গ মিটাৰৰ কাৰ্পেট এলেকালৈ পৰিৱৰ্তন ঘটোৱা হ'ল আৰু ইয়াৰ জৰিয়তে কম খৰচী তথা ব্যয়সাধ্য বাসগৃহৰ খণ্ডটো এহাতে যেনেদৰে নিৰ্মাণকাৰীসকলৰ বাবে অধিক

লাভজনক হৈ পৰিল, ঠিক একেদৰে ক্ৰেতাসকলৰ বাবেও এই খণ্ডটো পূৰ্বতকৈ অধিক পৰিমাণে আকৰ্ষণীয় হৈ উঠিল। মুঠ নিৰ্মিত এলেকাৰ পৰা কাৰ্পেট এলেকালৈ সংজ্ঞাৰ পৰিৱৰ্তন সাধনৰ লগে লগে ঘৰ কিনোতাসকল যেনেদৰে অধিক পৰিসৰৰ ঘৰ একোটা লাভ কৰিবলৈ সমৰ্থ হ'ল, সেইদৰে নিৰ্মাতাসকলেও তেওঁলোকৰ সন্মুখতো সম্পদ বিক্ৰীৰ বাবে পূৰ্বতকৈ অধিক পৰিসৰৰ ক্ৰেতাৰ খণ্ড একোটা উন্মুক্ত হৈ উঠা দেখিবলৈ পালে। উল্লেখযোগ্য যে ৩০ বৰ্গ মিটাৰ এলেকাৰ সীমা কেৱল চাৰিখন মেট্ৰ'পলিটান মহানগৰৰ পৌৰ এলেকাৰ ক্ষেত্ৰতহে প্ৰযোজ্য হোৱাৰ বিপৰীতে দেশৰ আন অংশসমূহত আৰু মেট্ৰ'পলিটান মহানগৰসমূহৰো উপকণ্ঠ অঞ্চলবোৰত ৬০ বৰ্গ মিটাৰৰ সীমা প্ৰযোজ্য হ'ব।

**স্থাৱৰ সম্পত্তি অধিকাৰত ৰাখিব পৰা সময়সীমা তিনি বছৰৰ পৰা দুবছৰলৈ হ্ৰাস**

২০১৭-১৮ বিত্তীয় বৰ্ষৰ বাজেটত স্থাৱৰ অথবা স্থানান্তৰ কৰিব নোৱাৰা সম্পত্তিৰ ক্ষেত্ৰত অধিকাৰত ৰখা সময়ৰ পৰিমাণ বৰ্তমানৰ তিনি বছৰৰ পৰা দুবছৰলৈ হ্ৰাস কৰাৰ বিষয়ত অনুমোদন জনোৱা হয়। এই ব্যৱস্থাৰ ফলত দুবছৰৰ পিছত এনে সম্পত্তি বিক্ৰী কৰিবলৈ বিচৰা লোকৰ বাবে কৰৰ বোজা উল্লেখনীয়ভাৱে হ্ৰাস পাব আৰু এই পৰিস্থিতিয়ে স্থাৱৰ সম্পত্তি তথা নিৰ্মাণ খণ্ডত বিনিয়োগক অধিক উৎসাহিত কৰিব। স্থানান্তৰ কৰিব নোৱাৰা একোবিধ সম্পত্তি জিম্মাত লোৱাৰ ব্যয়ৰ ক্ষেত্ৰত সম্পত্তি সূচীভুক্ত কৰাৰ ভিত্তি বছৰৰ বিষয়তো চৰকাৰে পৰিৱৰ্তন ঘটাইছে। পূৰ্বে এই ভিত্তি বছৰ আছিল ১৯৮১ চন; সম্প্ৰতি ইয়াক ২০০১ চনলৈ সম্প্ৰসাৰণ ঘটোৱা হয়। ইয়াৰ ফলত স্থাৱৰ সম্পত্তি জিম্মালৈ ল'বলৈ বিচৰা লোকসকল আৰ্থিক দিশৰ পৰা উপকৃত হ'ব। একেদৰে বিক্ৰী নোহোৱা সম্পত্তিৰ বাবে নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ প্ৰমাণ পত্ৰ লাভ কৰাৰ পিছত এবছৰ পৰ্যন্ত কৰ ৰেহাই ঘোষণাই নিৰ্মাতাসকলক অলপ হ'লেও সকাহ দিব।

**২০১৭ বৰ্ষৰ বাজেট অনুসৰি ৰাষ্ট্ৰীয় গৃহ নিৰ্মাণ বেংকে (এন এইচ বি) প্ৰায় ২০,০০০ কোটি টকাৰ গাইগুটীয়া গৃহ নিৰ্মাণ ঋণৰ বাবে নতুনকৈ পুঁজিৰ যোগান ধৰিব**

২০১৬ বৰ্ষৰ শেষ ভাগত ঘোষণা কৰা বি-মুদ্ৰাকৰণৰ সিদ্ধান্তৰ ফলত বেংকসমূহত অতিৰিক্ত পৰিমাণৰ নগদ ধন জমা হয় আৰু ইয়াৰ ফলত প্ৰধান বেংকসমূহে সমগ্ৰ দেশজুৰি তেওঁলোকে আগবঢ়োৱা ঋণৰ ক্ষেত্ৰত সুতৰ হাৰ হ্ৰাস কৰিবলৈ সমৰ্থ হ'ল। এই সুতৰ হাৰ হ্ৰাস কৰাৰ ব্যৱস্থাক কেৱল যে নতুনকৈ ঘৰ কিনিবলৈ বিচৰা লোকসকলেই আদৰণি জনালে এনে নহয়, পূৰ্বে শিথিল গৃহ ঋণ লৈ থোৱা লোকসকলৰ বাবেও এই সংবাদ আনন্দৰ কাৰণ হৈ পৰিল। অৱশ্যে এন এইছ বিৰ পুনৰ পুঁজি যোগানৰ আঁচনিয়ে ইতিমধ্যে ঋণ লৈ ঘৰ ক্ৰয় কৰা লোক, বিশেষকৈ পূৰ্বৰ পৰা উচ্চ হাৰৰ ঋণ লৈ ধন আদায় দি থকা লোকসকলক অধিক পৰিমাণে উপকৃত কৰিব।

**সম্পত্তিৰ পুনৰ গাঁথনিৰ বাবে সম্পাদিত যুটীয়া বিকাশ চুক্তি (জে ডি এ)ৰ ক্ষেত্ৰত মূলধনী লাভ সম্পৰ্কীয় কৰৰ বিষয়ত দায়বদ্ধতাৰ পৰিৱৰ্তন**

পূৰ্ব প্ৰচলিত নিয়ম-কানুনৰ পৰিৱৰ্তন সাধনৰ প্ৰস্তাৱৰ জৰিয়তে বাজেটত এই কথা স্পষ্ট কৰি দিয়া হয় যে নিজৰ ভূ-সম্পত্তিৰ বিকাশৰ বাবে মাটিৰ গৰাকীয়ে সম্পাদন কৰা যুটীয়া বিকাশ চুক্তিৰ ক্ষেত্ৰত প্ৰকল্পটোৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পিছতহে মূলধনী লাভৰ সৈতে জড়িত কৰ আদায় দিয়াৰ ব্যৱস্থা কৰা হ'ব। এই ব্যৱস্থা এটা উল্লেখনীয় ইতিবাচক পৰিৱৰ্তন হিচাপে বিবেচিত হৈছে; কিয়নো ইয়াৰ ফলত পূৰ্বৰ পৰা পৰিলক্ষিত হৈ অহা অস্পষ্টতাৰ অৱসান ঘটিব আৰু কৰ আদায়ৰ বিষয়ত সংশ্লিষ্ট বিভাগৰ সৈতে সততে লিপ্ত হ'বলগীয়া বিবাদৰ পৰিস্থিতিৰ অৱসান ঘটাটো অৱশ্যম্ভাৱী হৈ পৰিব। ইয়াৰ অৰ্থ হ'ব এইটোৱেই যে যদিহে কোনো এটা সম্পত্তিৰ বিকাশ সাধনৰ বাবে যুটীয়া বিকাশ চুক্তি সম্পাদিত হয়, তেন্তে তাৰ বাবে আদায় দিবলগীয়া মূলধনী লাভ সম্পৰ্কীয় কৰ প্ৰকল্পটোৰ নিৰ্মাণ সম্পূৰ্ণ হোৱা বছৰটোতহে দিব লাগিব। মূলধনী লাভৰ আধাৰত আদায় দিবলগীয়া কৰৰ পৰিমাণ হ্ৰাস কৰাৰ হকে গ্ৰহণ কৰা আন ভালেমান ব্যৱস্থাৰ বাহিৰেও এই ব্যৱস্থাটোৱে যে কেৱল মাটিৰ গৰাকীকেই কৰ ৰেহাইৰ সুবিধা প্ৰদান কৰিব এনে নহয়, ইয়াৰ সমান্তৰালভাৱে নিৰ্মাণকাৰী আৰু বিক্ৰেতা অথবা ব্যৱসায়ীকো ই উপকৃত কৰিব আৰু ইয়াৰ ফলত তেওঁলোকৰ দেনাৰ পৰিমাণ হ্ৰাস পাব। ইয়াৰ ফলস্বৰূপে ভূমিৰ উপযুক্ত ব্যৱহাৰ তথা আদান-প্ৰদান বৃদ্ধি পোৱাৰ লগতে সম্পদৰ ব্যৱসায় খণ্ডত অধিক পৰিমাণৰ ভূমি ব্যৱহৃত হোৱাৰ সম্ভাৱনাও বৃদ্ধি পাব আৰু এনেদৰেই বিগত প্ৰায় তিনি বছৰ ধৰি চাপৰ মাজত থকা সম্পদৰ বজাৰখনে বহুখিনি সকাহ পাব বুলি আশা কৰিব পাৰি।

**তিনি লাখ টকাতকৈ অধিক পৰিমাণৰ নগদ ধনৰ লেনদেন বন্ধ**

বি-মুদ্ৰাকৰণৰ জৰিয়তে আৰম্ভ কৰা অভিযানৰ সম্প্ৰসাৰিত পদক্ষেপ হিচাপে

কেন্দ্ৰীয় চৰকাৰে তিনি লাখ টকাতকৈ অধিক পৰিমাণৰ নগদ ধনৰ লেনদেনৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিবলৈ বিচাৰিছে। বি-মুদ্ৰাকৰণৰ সিদ্ধান্তৰ পূৰ্বে স্থাৱৰ সম্পত্তি খণ্ডত ভালেমান ধৰণে নগদ ধনৰ লেনদেন সম্পন্ন হৈছিল। অৱশ্যে বি-মুদ্ৰাকৰণৰ পৰৱৰ্তী পৰ্যায়ত নগদ ধনৰ লেনদেনৰ পৰিমাণ উল্লেখনীয়ভাৱে হ্ৰাস কৰি ক্ৰেতা আৰু নিৰ্মাণকাৰীসকলে ইতিমধ্যে সতৰ্কতাৰ পৰিচয় দিছে। সেইবাবেই এই ব্যৱস্থাই হ্ৰস্বকালীন পৰ্যায়ত কিছু পৰিমাণে প্ৰভাৱ পেলাবলৈ সমৰ্থ হোৱাৰ লগতে স্বচ্ছ অৰ্থনীতিৰ ভেটি স্থাপন কৰিব আৰু বৈদেশিক বিনিয়োগ বৃদ্ধিৰ পথো সুগম কৰিব।

**অন্ধ্ৰ প্ৰদেশৰ নতুন ৰাজ্যিক ৰাজধানী নিৰ্মাণৰ বাবে ভূমি-জোঁট সৃষ্টিৰ পদ্ধতি— ভূমি অধিগ্ৰহণ বিধেয়কৰ প্ৰেক্ষাপটত এই বিষয়টো তাৎপৰ্যপূৰ্ণ**

বাজেটত এই কথা ঘোষণা কৰা হয় যে অন্ধ্ৰ প্ৰদেশৰ নতুন ৰাজধানীখন নিৰ্মাণ কৰাৰ বাবে এবিধ উদ্ভাৱনীমূলক ভূমি-জোঁট সৃষ্টিৰ পদ্ধতি অৱলম্বন কৰা হৈছে আৰু ইয়াৰ বাবে ভূমি অধিগ্ৰহণ আইনৰ সহায় লোৱা হোৱা নাই। উল্লেখযোগ্য যে ভূমি অধিগ্ৰহণৰ বিষয়টো এটা অতিশয় বিতৰ্কিত বিষয় হিচাপে বিবেচিত হৈ আহিছে আৰু বৃহৎ পৰিসৰৰ উন্নয়ন সাধনৰ ক্ষেত্ৰত ই এটা অন্যতম অন্তৰায় হিচাপে চিহ্নিত হয়। ভূমি জোঁট সৃষ্টিৰ নতুন পদ্ধতিটোৱে এনে ক্ষেত্ৰত দেখা দিয়া বিবাদসমূহৰ সংখ্যা উল্লেখনীয়ভাৱে হ্ৰাস কৰাৰ লগতে উন্নয়নৰ গতি ত্বৰান্বিত কৰিব বুলি আশা কৰিব পাৰি। মূলধনী লাভৰ বাবে আদায় দিবলগীয়া কৰ ৰেহাই দিয়াৰ ব্যৱস্থাই তেনে ভূমিৰ গৰাকীসকলৰ আস্থা বৃদ্ধি কৰিব পাৰিব, যি সকলৰ ভূমি চৰকাৰী আঁচনিৰ অধীনত ৰাজধানী মহানগৰখন নিৰ্মাণ কৰাৰ বাবে এই পদ্ধতিৰ মাজেৰে ব্যৱহাৰ কৰা হ'ব। অৱশ্যে কৰ ৰেহাইৰ এই ব্যৱস্থাৰ সুবিধা সেইসকল ভূ-স্বামীয়েহে লাভ কৰিবলৈ সমৰ্থ হ'ব, যিসকল ২০১৪ চনৰ ২ জুনৰ দিনটোত, অৰ্থাৎ অন্ধ্ৰ প্ৰদেশে সুকীয়া ৰাজ্য হিচাপে স্বীকৃতি পোৱা সময়ত তেনে ভূমিৰ গৰাকী আছিল।

**বুনিয়াদী খণ্ডৰ অন্তৰ্ভুক্ত উপাৰ্জন গোটৰ বাবে ৫ শতাংশ আয়কৰ ৰেহাই**

যিসকল ব্যক্তিৰ গাইগুটীয়া উপাৰ্জন ২.৫ লাখ টকাৰ পৰা ৫ লাখ টকাৰ ভিতৰত, তেওঁলোকৰ বাবে কৰৰ পৰিমাণ ১০ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ কৰা হৈছে। এই ৰেহাই ব্যৱস্থাই প্ৰথমবাৰৰ বাবে নিজাকৈ এটা ঘৰ কিনিবলৈ বিচৰা লোকসকলক নিজাববীয়া সম্পত্তি এটা আহৰণ কৰাৰ বিষয়ত অতিৰিক্ত সহায় আগবঢ়াব। তদুপৰি এই ব্যৱস্থাই কৰৰ পৰিসৰ অধিক ব্যাপ্ত কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱাৰ লগতে এইটো গোটৰ অন্তৰ্ভুক্ত কৰ দাতাসকলৰ হাতত সম্পত্তিৰ মূল্য হিচাপে আদায় দিবৰ বাবে অধিক ধন থকাটো নিশ্চিত কৰিব। কম খৰচী বাসগৃহ নিৰ্মাণৰ ক্ষেত্ৰত আগবঢ়োৱা উদগনিমূলক ৰেহাইৰ ব্যৱস্থা আৰু বেংকসমূহৰ সুতৰ হাৰ হ্ৰাস কৰাৰ সিদ্ধান্তৰ সৈতে মিলি এই ব্যৱস্থাই ব্যয়সাধ্য বাসগৃহ ক্ৰয়ৰ প্ৰতি বিভিন্ন শ্ৰেণীৰ লোকৰ আগ্ৰহ বৃদ্ধি কৰাৰ সম্ভাৱনা দেখা গৈছে।

শেষত এই সিদ্ধান্তত উপনীত হ'বলৈ সংকোচ নহয় যে স্থাৱৰ সম্পত্তি তথা নিৰ্মাণ খণ্ডৰ বাবে এইখন এখন ৰূপান্তৰকাৰী বাজেট আৰু কৰ আদায়ৰ প্ৰয়োজনৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰাৰ হকে সজাগতাৰ পৰিৱেশ গঢ়াৰ বাবে চৰকাৰে উচিত পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰে প্ৰগতিশীল ব্যৱস্থাৰ মাজেৰে অৰ্থনৈতিক প্ৰয়াসক আগবঢ়াই নিয়াৰ লগতে নীতিৰো সংস্কাৰ সাধনৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে আৰু এই পদক্ষেপে ক্ৰমান্বয়ে সুফল প্ৰদান কৰিবলৈ লৈছে। বি-মুদ্ৰাকৰণ এবিধ সাময়িক বিপৰ্যয়হে আছিল আৰু ইয়াৰ পৰৱৰ্তী পৰ্যায়ত অৰ্থনীতি সবল ৰূপত মূৰ দাঙি উঠিব। বিশেষকৈ ইয়াৰ সুফল লাভৰ বাবে চলিত বছৰটোৰ প্ৰথম তিনিটা মাহৰ পিচত সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) কাৰ্যকৰী হ'বলৈ আৰম্ভ কৰা সময়লৈ আমি আগ্ৰহেৰে বাট চাই আছো।

এনে কিছুমান প্ৰাৰম্ভিক অন্তৰায় অথবা অসন্তুষ্টি সৃষ্টিৰ কাৰকৰ অৱসান ঘটাব পাৰিলে উন্নয়নৰ গতি ত্বৰান্বিত হ'ব আৰু ইয়াৰ ফলত বজাৰত যোগানৰ মান বৃদ্ধি পাব। ব্যৱসায়িক দায়বদ্ধতা তথা লোকচানৰ আশংকাৰ বিকেন্দ্ৰীকৰণ আৰু মূলধন ব্যয়ৰ পৰিমাণ হ্ৰাস কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰি নিৰ্মাণকাৰী তথা সম্পত্তি গঢ় দিওঁতাসকলে এনে কামত ভূমিৰ গৰাকীসকলক ক্ৰমান্বয়ে সহযোগী হিচাপে বিচাৰিবলৈ লৈছে। চৰকাৰে যিহেতু স্থাৱৰ সম্পত্তি তথা নিৰ্মাণ খণ্ডৰ পৰা ক'লা ধনৰ প্ৰচলন সম্পূৰ্ণৰূপে উৎখাত কৰিবলৈ বিচাৰিছে, সেয়ে এনে প্ৰেক্ষাপটত ভূমি সম্পত্তি বিষয়ক লেনদেনৰ বাবে চে'কৰ জৰিয়তে সম্পূৰ্ণ ধন আদায় দিয়াৰ ব্যৱস্থা কৰিলে ই বহু পৰিমাণে সহায়ক হ'ব।

বাজেটখনত অন্তৰ্ভুক্ত হোৱা দহটা মূল বিষয়ৰ জৰিয়তে বিত্তীয় সতৰ্কতাৰ এটা সুন্দৰ সমতা ৰক্ষাৰ বাবে অৰ্থনীতিৰ সংস্কাৰ সাধন, শক্তিশালীকৰণ আৰু

পৰিষ্কৰণৰ লগতে মূলধনী ব্যয়, ভোগ আৰু বৰ্ধিত উৎপাদনশীলতাৰ প্ৰতি গুৰুত্ব আৰোপ কৰা হৈছে।

পৰৱৰ্তী বিত্তীয় বৰ্ষৰ বাজেটখনত ঘোষিত লক্ষ্যসমূহৰ মাজত ব্যয়সাধ্য বাসগৃহ নিৰ্মাণৰ বিষয়টোকেই মূল কেন্দ্ৰবিন্দু হিচাপে গণ্য কৰা পৰিলক্ষিত হৈছে। দেশৰ নগৰ অঞ্চলত সম্প্ৰতি চাহিদা অনুপাতে প্ৰায় ১.৮৯ কোটি বাসগৃহৰ অভাৱ থকাৰ পৰিপ্ৰেক্ষিতত ব্যয়সাধ্য বাসগৃহৰ চাহিদাৰ বিষয়টোৱেই এতিয়া সৰ্ববৃহৎ, যুক্তিসংগত আৰু অধিক পৰিমাণে পূৰণ হ'বলৈ বাকী থকা প্ৰয়োজন হিচাপে বিবেচিত হৈ আহিছে। উল্লেখযোগ্য যে এই বৃহৎ সংখ্যক বাসগৃহৰ অভাৱৰ ৯৬ শতাংশই আকৌ আৰ্থিকভাৱে দুৰ্বল শ্ৰেণী অথবা নিম্ন উপাৰ্জনকাৰী খণ্ডৰ অন্তৰ্গত। এনে প্ৰেক্ষাপটত এই বিশেষ খণ্ডটোৰ প্ৰতি গুৰুত্ব আৰোপ কৰাটোৱেই দেশৰ দীৰ্ঘস্থায়ী উন্নয়ন আৰু সৰ্বাত্মক বিকাশৰ বাবে সবাতোকৈ অপৰিহাৰ্য বিষয় হিচাপে চিহ্নিত হৈ আহিছে।

বাজেটত অন্তৰ্ভুক্ত কৰা পদক্ষেপসমূহৰ জৰিয়তে নিৰ্মাণকাৰী ব্যক্তি-প্ৰতিষ্ঠানৰ বিনিয়োগক অধিক পৰিমাণে উৎসাহিত কৰি এই খণ্ডটোক আগবঢ়াই নিয়াৰ বাবে কেইবাটাও ক্ষেত্ৰক দক্ষতা সহকাৰে সামৰি লোৱা হৈছে। ব্যয় সাধ্য বাসগৃহ নিৰ্মাণৰ বিষয়টোক আন্তঃগাঁথনিৰ মৰ্যাদা দিয়া হৈছে আৰু ইয়াৰ লগতে অধিক পৰিমাণৰ মূলধন বিনিয়োগক আকৰ্ষণ কৰা আৰু কম পৰিমাণৰ মূল্য নিৰ্ধাৰণৰ প্ৰয়াসৰ জৰিয়তে ইয়াক আনুষংগিক সুফলেৰে সমৃদ্ধ কৰিবলৈ বিচৰা হৈছে। ইয়াৰ বাহিৰেও এন এইছ বি-য়ে ২০,০০০ কোটি টকাৰ গাইগুটীয়া গৃহ ঋণৰ বাবে পুনৰ পুঁজিৰ যোগান ধৰিব। অতিৰিক্ত উন্নয়নমূলক ব্যৱস্থা হিচাপে কৰ আদায় দিওঁতাৰ গোটৰ পৰ্যায় হ্ৰাস কৰা আৰু শেহতীয়াকৈ সুতৰ হাৰৰ ক্ষেত্ৰত গ্ৰহণ কৰা নমনীয় স্থিতিয়ে এই খণ্ডৰ মাজত চাহিদা বৃদ্ধিৰ বিষয়ত ইতিবাচক ভূমিকা পালন কৰিব পাৰিব।

যুৱ সম্প্ৰদায়ৰ জনসংখ্যাৰ দিশৰ পৰা সাম্প্ৰতিক ভাৰতবৰ্ষ বৃহৎ পৰিমাণে সুবিধাজনক স্থিতিত আছে আৰু কৰ্ম সংস্থাপন সৃষ্টিৰ গতিশীলতা অব্যাহত থকাটো নিশ্চিত কৰাৰ হকে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাটো সম্প্ৰতি অতিশয় প্ৰয়োজনীয়। উল্লেখযোগ্য যে গৃহ নিৰ্মাণ উদ্যোগটো নিজেই শ্ৰমৰ সৈতে গভীৰ সম্পৰ্ক থকা এটা উদ্যোগ আৰু আন বিভিন্ন বিষয় তথা অৰ্থনৈতিক কাৰ্য-কলাপৰ সৈতে প্ৰত্যক্ষ অথবা পৰোক্ষ ধৰণেৰে সম্পৰ্কিত হৈ থকা আৰু ভিন ভিন খণ্ডত বহুমুখী অৰ্থনৈতিক লেন-দেনক গতি প্ৰদান কৰাৰ লগতে কৰ্ম সংস্থাপন সৃষ্টিৰ ক্ষেত্ৰতো ই উল্লেখনীয়-ভাৱে বৰঙণি যোগাব পাৰে। যুৱ সম্প্ৰদায়ৰ আশা-আকাংক্ষা পূৰণৰ বিষয়তো ই উল্লেখনীয়ভাৱে ইতিবাচক ভূমিকা পালন কৰিব পাৰে আৰু এই শ্ৰেণীটোৰ জনগাঁথনিগত সুফল আহৰণৰ ক্ষেত্ৰত সহায়ক হ'ব পাৰে। এনেদৰেই এই বাজেটখন সঠিক দিশত এটা উপযুক্ত পদক্ষেপ হিচাপে বিবেচিত হ'ব পাৰিছে। ▯

ই-মেইল ঃ ranjeetmehta@gmail.com

## 'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী

▯ 'পয়োভৰা'ৰ প্ৰতিখনৰ মূল্য ২২.০০ টকা আৰু বিশেষ সংখ্যাৰ মূল্য ৩০.০০ টকা। আনহাতে এবছৰৰ বাবে গ্ৰাহক মূল্য হ'ব ২৩০.০০ টকা, দুবছৰৰ বাবে ৪৩০.০০ টকা আৰু তিনি বছৰৰ বাবে ৬১০.০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠোৱাৰ ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# সংগঠিত আৰু অসংগঠিত শ্ৰমিকৰ ধাৰণাৰে অসমৰ শ্ৰমশক্তি

**অৰূপজ্যোতি শইকীয়া***

কোনো এখন দেশ বা কোনো এখন ৰাজ্যৰ অৰ্থনৈতিক উন্নয়ন সংশ্লিষ্ট দেশ বা ৰাজ্যখনৰ শ্ৰমশক্তিৰ আকাৰ, গুণগত মান আৰু দক্ষতাৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰে। দেশখনৰ মুঠ শ্ৰমশক্তিক সংগঠিত আৰু অসংগঠিত খণ্ডৰ শ্ৰমিকৰ ৰূপত ভাগ কৰিব পাৰি। সংগঠিত খণ্ডৰ শ্ৰমিক বুলি কওঁতে সেইসকল শ্ৰমিকক বুজা যায় যিসকলৰ কৰ্মসংস্থাপন বা চাকৰি নিয়মীয়া, কৰ্মজীৱন বা কৰ্মৰ সময়কাল নিৰ্দিষ্ট আৰু নিশ্চিত হয়। সেই অৰ্থত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰী, ৰাজহুৱা খণ্ডৰ অন্তৰ্গত উদ্যোগ বা প্ৰতিষ্ঠানৰ কৰ্মচাৰী, ব্যক্তিগত খণ্ডৰ উদ্যোগ বা প্ৰতিষ্ঠানৰ কৰ্মচাৰীক সংগঠিত খণ্ডৰ শ্ৰমিকৰ ভিতৰত ধৰা হয়। সংগঠিত খণ্ডৰ শ্ৰমিকে 'শ্ৰমিক আইন'ৰ অধীনত সুৰক্ষা আৰু নিৰাপত্তা লাভ কৰে। আনহাতে শ্ৰমিকৰ কল্যাণমূলক আঁচনিৰ আধাৰত বীমাৰ সুবিধা, চিকিৎসা সেৱা, বাসস্থানৰ সুবিধা, ভ্ৰমণ বানচ, দৈনিক ভাট্টা আদি অন্যান্য সা-সুবিধা লাভ কৰে।

আনহাতে, যিসকল শ্ৰমিকৰ নিয়োগ নিৰ্দিষ্ট নহয়, কৰ্মৰ সময়কাল নিয়মীয়া নহয় আৰু নিয়োগ প্ৰদানকাৰী ব্যক্তি বা প্ৰতিষ্ঠান চৰকাৰী পঞ্জীয়নভুক্ত নহয় তেওঁলোকক অসংগঠিত শ্ৰেণীৰ শ্ৰমিকৰ ভিতৰত ৰখা হয়। ভাৰতৰ দৰে উন্নয়নশীল ৰাষ্ট্ৰত মুঠ কৰ্মশক্তিৰ আশীৰ পৰা নৱৈ শতাংশ শ্ৰমিক অসংগঠিত খণ্ডৰ অন্তৰ্গত শ্ৰমিক। ভাৰত চৰকাৰৰ শ্ৰম মন্ত্ৰণালয়ে অসংগঠিত খণ্ডৰ শ্ৰমিকসকলক জীৱিকাৰ দিশৰ পৰা নিয়োগৰ প্ৰকৃতিৰ ভিত্তিত, বিশেষভাৱে দুৰ্দশাগ্ৰস্ত শ্ৰেণীত আৰু সেৱাৰ ভিত্তিত চাৰিটা শ্ৰেণীত ভাগ কৰিছে। জীৱিকাৰ দিশৰ পৰা ক্ষুদ্ৰ আৰু প্ৰান্তীয় কৃষক, ভূমিহীন কৃষি শ্ৰমিক, আধিয়াৰ শ্ৰমিক, মাছমৰীয়া, পশুপালনৰ লগত জড়িত লোক, তাঁতী, ইটা ভাটাৰ শ্ৰমিক, শিলৰ কোৰেৰীৰ শ্ৰমিক, কাঠ কাৰখানাৰ শ্ৰমিক, থলুৱা লোকশিল্পী আদি। নিয়োগৰ ধৰণ বা প্ৰকৃতিৰ ফালৰ পৰা স্থায়ী শ্ৰমিক, চুক্তিবদ্ধ শ্ৰমিক, প্ৰব্ৰজিত শ্ৰমিক, ঠিকাভিত্তিক আৰু সাধাৰণ শ্ৰমিকক অসংগঠিত শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হয়। বিশেষভাৱে দুৰ্দশাগ্ৰস্ত শ্ৰেণীত সুৰা প্ৰস্তুতকাৰী, মূৰেৰে মালবস্তু কঢ়িওৱা শ্ৰমিক, পশুৰদ্বাৰা চালিত বাহনৰ চালক, যান বাহনৰ পৰা মালবস্তু উঠোৱা-নমোৱা শ্ৰমিক, জমাদাৰ আদিক সামৰি লোৱা হয়। সেৱা প্ৰদানৰ ভিত্তি ধাই, ঘৰুৱা শ্ৰমিক, মাছমৰীয়া, নাপিত, শাক-পাচলি বিক্ৰেতা, বাতৰি কাকত বিক্ৰেতা আদিক অসংগঠিত শ্ৰমিকৰ শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হয়। উল্লিখিত চাৰিটা শ্ৰেণীত অন্তৰ্ভুক্ত নোহোৱা মুচি, হস্তশিল্পৰ শ্ৰমিক, দৰ্জি, বিশেষবাৰে সক্ষম স্বনিয়োজিত ব্যক্তি, ৰিক্সাচালক, অট'চালক, ৰেচম শিল্পৰ শ্ৰমিক, কাঠমিস্ত্ৰী, চামৰা উদ্যোগৰ শ্ৰমিক আদিও অসংগঠিত শ্ৰেণীৰ শ্ৰমিকৰ ভিতৰতে পৰিব।

অসমত বৃটিছ শাসনৰ সূচনা হোৱাৰ আগলৈকে অসমৰ জনসাধাৰণে থলুৱা সম্পদৰ আধাৰত জীৱন ধাৰণৰ বাবে আৱশ্যকীয় প্ৰায়বোৰ উপকৰণ যোগাৰ কৰি লৈছিল। অন্য কথাত সেই সময়ত অসমৰ অৰ্থনীতিত জনসাধাৰণে স্বাৱলম্বী জীৱনধাৰণ পদ্ধতি অৱলম্বন কৰিছিল। বৃটিছৰ আগমনৰ লগে লগে অসমৰ প্ৰশাসনিক ব্যৱস্থা সলনি হ'ল। লগতে তেল, চাহ, কয়লা, ৰে'ল আদি উদ্যোগ আৰম্ভ হোৱাত অসমত কৰ্মসংস্থাপনৰ এটা নতুন পৰিৱেশ সৃষ্টি হ'ল। সেই সময়ৰে পৰা অসমত সংগঠিত আৰু অসংগঠিত এই দুটা শ্ৰেণীৰ ভিত্তিত কৰ্মসংস্থাপনৰ প্ৰসঙ্গই গুৰুত্ব লাভ কৰিলে।

ভাৰত চৰকাৰৰ লোকপিয়লৰ তথ্য অনুসৰি অসমৰ জনসংখ্যা ১৯৫১ চনত ৮০ লাখৰ পৰা ২০১১ চনত ৩১১ লাখলৈ বৃদ্ধি পোৱাত অসমৰ শ্ৰমশক্তিৰ আকাৰ বৃদ্ধি পোৱাটো স্পষ্ট হৈছে। কিন্তু বৰ্দ্ধিত শ্ৰমশক্তিক সঠিকভাৱে ব্যৱহাৰ কৰিব নোৱাৰাটো অসমৰ অৰ্থনীতিৰ দুৰ্বল দিশৰূপে চিহ্নিত হৈছে। ২০১১ চনৰ লোকপিয়লৰ তথ্যৰ আধাৰত অসমৰ শ্ৰমশক্তিৰ আকাৰ সিপিঠিত দাঙি ধৰা হ'ল।

তালিকাৰ পৰা স্পষ্ট হৈছে যে কৰ্মক্ষেত্ৰত পুৰুষ-মহিলা উভয়ৰে কামত

*অৰূপজ্যোতি শইকীয়া নকছাৰিস্থিত নকছাৰি মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক

তালিকা ঃ **অসমৰ শ্ৰমশক্তিৰ আকাৰ**

| অঞ্চল | শ্ৰমিক | | | কামত অংশগ্ৰহণৰ হাৰ (প্ৰতি হাজাৰত) | | |
|---|---|---|---|---|---|---|
| | ব্যক্তি | পুৰুষ | মহিলা | ব্যক্তি | পুৰুষ | মহিলা |
| গ্ৰাম্য | ১০৩৬৮২৮৩ | ৭২৫৭৮৫২ | ৩১১০৪৩১ | ৩৮.৭ | ৫৩.১ | ২৩.৭ |
| নগৰীয়া | ১৬০১৪০৭ | ১২৮৩৭০৮ | ৩১৭৬৯৯ | ৩৬.৪ | ৫৬.৮ | ১৪.৯ |
| মুঠ | ১১৯৬৯৬৯০ | ৮৫৪১৫৬০ | ৩৪২৮১৩০ | ৩৮.৪ | ৫৩.৬ | ২২.৫ |

**উৎস ঃ** লোকপিয়ল, ২০১১

অংশগ্ৰহণৰ হাৰ নিম্ন হোৱাটো শ্ৰম-শক্তিৰ সঠিক ব্যৱহাৰ নোহোৱাটোকে বুজাইছে।

ভাৰতবৰ্ষই অৰ্থনৈতিক সংস্কাৰ কাৰ্যসূচী গ্ৰহণ কৰা পৰৱৰ্তী সময়ত অসমতো সেৱা খণ্ডকে মুখ্য কৰি সংগঠিত খণ্ডত কৰ্মসংস্থাপন বৃদ্ধি পাইছে যদিও একে সময়তে ৰাজহুৱা খণ্ডৰ উদ্যোগ, প্ৰতিষ্ঠান আৰু চৰকাৰী কাৰ্যালয়ত নতুন কৰ্মসংস্থাপনৰ পৰিসৰ ঠেক হৈ আহিছে। গতিকে, অসমত বৰ্দ্ধিত শ্ৰমিকৰ অনুপাতে সংস্থাপন দিয়াত সংগঠিত খণ্ডটো তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। সেয়েহে সাম্প্ৰতিক সময়ত অসংগঠিত শ্ৰেণীত সামৰি লোৱা শ্ৰমিকৰ দক্ষতা বৃদ্ধিৰ বিষয়টো অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে।

অসমৰ শ্ৰমশক্তিৰ সংগঠিত খণ্ডটো অধ্যয়ন কৰিলে দেখা যায় যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ লগতে ৰাজ্যখনৰ মুখ্য উদ্যোগসমূহত সেৱাখণ্ডৰ মুখ্য তথ্য প্ৰযুক্তি, পৰ্যটন আদি বিভাগত প্ৰধানকৈ শ্ৰমিকসকল নিয়োজিত হৈ আছে। ৰাজ্যিক কৰ্মচাৰীৰ ভিতৰত শিক্ষা বিভাগৰ অন্তৰ্গত কৰ্মচাৰীসকল ৰাজ্যৰ সংগঠিত খণ্ডৰ সৰ্ববৃহৎ শ্ৰমিক। আনহাতে উদ্যোগৰ ক্ষেত্ৰত চাহ উদ্যোগত বিভিন্ন পৰ্যায়ৰ কামত নিয়োজিত কৰ্মচাৰী তথা শ্ৰমিকসকল সংগঠিত খণ্ডৰ অন্যতম বৃহৎ শ্ৰমশক্তি। ৰাজ্যখনৰ সংগঠিত খণ্ডৰ শ্ৰমিকসকলৰ শেহতীয়া পৰিসংখ্যা তলত দাঙি ধৰা হ'ল।

সংগঠিত খণ্ডৰ শ্ৰমিক জীৱনশৈলী আৰু জীৱন ধাৰণৰ মান অৰ্থনৈতিক উন্নয়নৰ সূচকৰূপে গণ্য কৰা হয়। কিন্তু অসমৰ সংগঠিত খণ্ডৰ সকলো শ্ৰমিক সুৰক্ষিত আৰু নিৰাপদ নহয়। সময়ে সময়ে শ্ৰমিকসকলে ধৰ্ণা, আন্দোলন, কৰ্মবিৰতি আদিত লিপ্ত হোৱাটোৱে সামাজিকভাৱে সুৰক্ষিত নোহোৱাটোকে প্ৰতীয়মান কৰে। ৰাজ্যিক কৰ্মচাৰীৰ ক্ষেত্ৰত চৰকাৰে শেহতীয়াকৈ শ্ৰমিক-

তালিকা ঃ **শ্ৰমিকসকলৰ শেহতীয়া পৰিসংখ্যা**

| খণ্ড | পুৰুষ | | মহিলা | | মুঠ | |
|---|---|---|---|---|---|---|
| | ২০১৩ | ২০১৪ | ২০১৩ | ২০১৪ | ২০১৩ | ২০১৪ |
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ |
| ক) ৰাজহুৱা খণ্ড | ৪৩৮৮৫১ | ৪২০৮৫৪ | ৯০৪৬৩ | ৯৪৩৬৮ | ৫২৯৩১৪ | ৫১৫২২২ |
| ১। কেন্দ্ৰীয় চৰকাৰ | ৫৭১৪৯ | ৫৪৯১৬ | ৪৬১৩ | ৪৫৯৫ | ৬১৭৬২ | ৫৯৪৩১ |
| ২। ৰাজ্য চৰকাৰ | ২৫৭৩৬৪ | ২৪৬৬৭৬ | ৫৪৩৮৯ | ৫৫৮৮৯ | ৩১১৭৫৩ | ৩০২৫৬৫ |
| ৩। অৰ্দ্ধ কেন্দ্ৰীয় চৰকাৰ | ৭৪৩৪০ | ৭৫৪৮৯ | ১৯৯৫৪ | ২১৭১৮ | ৯৪২৯৪ | ৯৭২০৭ |
| ৪। অৰ্দ্ধ ৰাজ্য চৰকাৰ | ৪২২৪৫ | ৩৬১২৮ | ১০৩৭৭ | ১১১৫২ | ৫২৬২২ | ৪৭২৪০ |
| ৫। স্থানীয় নিকায় | ৭৭৫৩ | ৭৬৪৫ | ১১৩০ | ১০৯৪ | ৮৮৮৩ | ৮৭৩৯ |
| খ) ব্যক্তিগত খণ্ড | ৩১৪৫৭৪ | ৩০১৯৬৬ | ২৯৪৯৪৪ | ২৮৮৮০৭ | ৬০৯৫১৮ | ৫৯০৭৭৩ |
| ১। বৃহৎ প্ৰতিষ্ঠান (এক্ট) | ৩০৫৭৯৩ | ২৯৩৪৯২ | ২৯৩৭৪৬ | ২৮৭৫৩২ | ৫৯৯৫৩৯ | ৫৮১০২৪ |
| ২। ক্ষুদ্ৰ প্ৰতিষ্ঠান (নন-এক্ট) | ৮৭৮১ | ৮৪৭৪ | ১১৯৪ | ১২৭৫ | ৯৯৭৯ | ৯৭৪৯ |
| সৰ্বমুঠ (ক + খ) | ৭৫৩৪২৫ | ৭২২৮২০ | ৩৮৫৪০৭ | ৩৮৩১৭৫ | ১১৩৮৮৩২ | ১১০৫১৯৫ |

**উৎস ঃ** পৰিসংখ্যা অসমৰ হাতপুথি, ২০১৫

সকলৰ প্ৰাপ্য সকলোবোৰ সুবিধা প্ৰদান কৰি এটা শক্তিশালী কৰ্মবাহিনী গঢ়ি তোলাৰ পৰিকল্পনা কৰিছে যদিও এতিয়াও বহু দিশৰ সংস্কাৰৰ প্ৰয়োজনীয়তা আছে। সংগঠিত খণ্ডটোৰ বিভিন্ন পৰ্যায়ৰ কৰ্মচাৰীৰ মাজত অসমতা পৰিলক্ষিত হয়। দৰমহা গাঁথনি, কৰ্মৰ সময়, নিৰাপত্তাৰ ক্ষেত্ৰত কেতবোৰ বিভাগৰ কৰ্মচাৰীয়ে বৈষম্যৰ সন্মুখীন হৈছে। আকৌ, ব্যক্তিগত খণ্ডৰ অন্তৰ্গত শ্ৰমিকৰ বাবে শোষণ আৰু বঞ্চনা কৰ্মজীৱনৰ সহচৰ হৈ পৰিছে।

অসমৰ অসংগঠিত খণ্ডই সামৰি লোৱা শ্ৰমিকসকলৰ প্ৰধান অৱলম্বন হ'ল কৃষি। কৃষিৰ পাছতে ক্ষুদ্ৰ উদ্যোগ, আৰু কুটীৰ উদ্যোগত গৰিষ্ঠ সংখ্যক লোক নিয়োজিত হৈ আছে। অসমৰ প্ৰধান ক্ষুদ্ৰ উদ্যোগবোৰ হ'ল ক্ষুদ্ৰ চাহ শিল্প, চাহ শিল্পৰ বাবে আৱশ্যকীয় যন্ত্ৰপাতি নিৰ্মাণ উদ্যোগ, ক্ষুদ্ৰ বস্ত্ৰ উদ্যোগ, ছপাশাল, প্লাইউদ উদ্যোগ, কাঠফলা কল, ৰাসায়নিক সামগ্ৰী প্ৰস্তুতকাৰক উদ্যোগ আদি। আনহাতে কুটীৰ উদ্যোগসমূহ হ'ল— বাঁহ-বেতৰ শিল্প, তাঁত শিল্প, কাঁহ শিল্প, সোণ, ৰূপ আৰু হাতী দাঁতৰ শিল্প, কুমাৰ শিল্প, কমাৰ শিল্প, মৃৎ শিল্প, কৃষিৰ সা-সঁজুলি আদি।

অসমৰ অসংগঠিত খণ্ডৰ শ্ৰমিকৰ ছবিখন বৰ সন্তোষজনক নহয়। এই খণ্ডৰ ভিতৰৰ শ্ৰমিক তথা পৰিয়ালৰ বাবে নিম্ন আয়, নিৰক্ষৰতা, দৰিদ্ৰতা, পৰিচ্ছন্নহীনতা, পুষ্টিহীনতা, পৰিয়ালৰ দায়িত্বহীনতা, শিশু শ্ৰমিকৰ উপস্থিতি, সামাজিক মৰ্যাদাৰ অভাৱ আদি অৱধাৰিত বৈশিষ্ট্য হৈ পৰিছে। আনকি বহু শ্ৰমিকে মজুৰিবিহীন ঘৰুৱা শ্ৰমিকৰূপে জীৱন অতিবাহিত কৰিব লগা হৈছে। অসংগঠিত খণ্ডৰ শ্ৰমিকৰ উপযুক্ত মজুৰি নিৰ্দ্ধাৰণৰ বাবেই অসম চৰকাৰৰ শ্ৰম আৰু নিয়োগ বিভাগে 'ন্যূনতম মজুৰি নীতি' গ্ৰহণ কৰি সময়ে সময়ে ইয়াৰ পুনৰ নিৰীক্ষণ কৰি আহিছে। কিন্তু, অসমৰ প্ৰেক্ষাপটত গ্ৰহণ কৰা মজুৰি ভাৰতৰ আন ৰাজ্যৰ তুলনাত বহু কম। বিভিন্ন ৰাজ্যৰ শ্ৰম বিভাগৰ কাৰ্যালয়ৰ ২০১৪ চনৰ ১ এপ্ৰিলৰ পৰা ২০১৫ চনৰ মাৰ্চৰ ভিতৰত তথ্যৰ ভিত্তিত এটা তুলনা তলৰ তালিকাত দাঙি ধৰা হ'ল—

তালিকা ঃ **বিভিন্ন ৰাজ্যৰ সৈতে অসমৰ তুলনামূলক মজুৰিৰ তুলনা**

| **ৰাজ্য** | **শ্ৰমিক** | | |
|---|---|---|---|
| | **সাধাৰণ শ্ৰমিক** | **সাধাৰণভাৱে দক্ষ শ্ৰমিক** | **বিশেষ দক্ষ শ্ৰমিক** |
| অসম | ১৫৪ | ১৭৪ | ২১৭ |
| কৰ্ণাটক | ২৬৯ | ২৭৪ | ৩০৪ |
| উত্তৰ প্ৰদেশ | ২৫৯ | ২৮৫ | ৩১৯ |
| গুজৰাট | ২৮৬ | ২৯৪ | ৩০৩ |
| কেন্দ্ৰ | ৩৪৮ | ৩৮৫ | ৪২৪ |

**উৎস ঃ** শ্ৰম বিভাগৰ কাৰ্যালয়ৰ জাননী/ইস্তাহাৰ

কেন্দ্ৰীয় চৰকাৰে অসংগঠিত খণ্ডৰ অন্তৰ্গত শ্ৰমিকৰ কল্যাণৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ ভিতৰত উল্লেখযোগ্য তিনিখন আঁচনি হ'ল— মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি (MGNREGA), প্ৰধান মন্ত্ৰী গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি (PMEGP) আৰু স্বৰ্ণজয়ন্তী গ্ৰাম স্বৰোজগাৰ যোজনা (SGSY)। তদুপৰি ২০০৪ চনত গঠন কৰা অসংগঠিত খণ্ডৰ প্ৰতিষ্ঠানৰ ৰাষ্ট্ৰীয় আয়োগে (NCEUS) অসংগঠিত খণ্ডৰ শ্ৰমিকৰ সুৰক্ষা আৰু অধিকাৰৰ বাবে পৰামৰ্শ আগবঢ়াই আহিছে। মন কৰিবলগীয়া কথাটো হ'ল বহু সুবিধা আৰু কল্যাণমূলক আঁচনি থকা সত্ত্বেও অসমৰ অসংগঠিত শ্ৰমিকৰ অজ্ঞতা, যথোচিত তথ্যৰ অভাৱৰ বাবে তেওঁলোক বঞ্চিত হৈ থাকে। শেহতীয়াকৈ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ উদ্যোগত গ্ৰহণ কৰা 'দক্ষতা বিকাশ অভিযান'এ অসংগঠিত খণ্ডৰ শ্ৰমিকসকলক উপকৃত কৰিব বুলি আশা কৰা হৈছে।

আমাৰ আলোচনাৰ আধাৰত অসমৰ শ্ৰমশক্তি বিকাশৰ বাবে সংগঠিত আৰু অসংগঠিত খণ্ড সামৰি নিম্নোল্লিখিত পৰামৰ্শ আগবঢ়োৱা হ'ল।

১। সংগঠিত আৰু অসংগঠিত দুয়োটা খণ্ডতে বিশ্বমানৰ শ্ৰমিক গঢ়ি তুলিবৰ বাবে শিক্ষিত ব্যক্তি, প্ৰশাসন যন্ত্ৰ, গণ মাধ্যম, শিক্ষানুষ্ঠান, ঔদ্যোগিক প্ৰতিষ্ঠান— এই সকলোৰে পাৰস্পৰিক সহযোগিতাৰ আৱশ্যক।

২। অসমৰ জিলা বা অঞ্চলবিশেষে স্থানীয় সম্পদ আৰু সামাজিক ব্যৱস্থাৰ ভিত্তিত অসংগঠিত শ্ৰমিকৰ বাবে বিশেষ আঁচনি গ্ৰহণ কৰা উচিত। (যেনে— নদী কাষৰীয়া আৰু জলাহ অঞ্চলৰ বাবে মীন পালনৰ প্ৰকল্প, কাৰ্বি আংলং, কাছাৰ জিলাৰ বাবে উদ্যান শস্যভিত্তিক প্ৰকল্প ইত্যাদি।)

৩। অসংগঠিত খণ্ডৰ উদ্যোগ আৰু প্ৰতিষ্ঠানসমূহত কৰ্মৰত অস্থায়ী শ্ৰমিকৰ কৰ্মহীন বা কৰ্মবিৰতিৰ সময়ছোৱাত অন্যান্য উৎপাদন-মূলক কামত খটুওৱাৰ পৰিকল্পনা প্ৰস্তুত কৰা উচিত। (যেনে— চাহ বাগিছাসমূহত কৰ্মৰত শ্ৰমিকে নৱেম্বৰ মাহৰ পৰা মাৰ্চ-এপ্ৰিললৈকে কৰ্মবিৰতি থকা অৱস্থাত বাগিছাৰ ভিতৰতে উদ্যান শস্য ৰোপণ আৰু প্ৰতিপালনৰ কামত নিয়োজিত কৰাৰ অৱকাশ থাকে।) এই ক্ষেত্ৰত নিশ্চয় অধিক গৱেষণাৰ আৱশ্যক হ'ব।

৪। ক্ষুদ্ৰ আৰু কুটীৰ শিল্পজাত উদ্যোগত নিয়োজিত শ্ৰমিকসকলক উদ্ভাৱনীমূলক কৌশল প্ৰয়োগ কৰি নতুন অৰ্থব্যৱস্থাত বজাৰ দখলৰ বাবে উদগনি যোগাব লাগিব। প্ৰয়োজন সাপেক্ষে চৰকাৰে ৰাজসাহায্য প্ৰদান কৰাৰ লগতে অভিজ্ঞ ব্যক্তিৰদ্বাৰা পৰ্যবেক্ষণৰ ব্যৱস্থা কৰিব লাগিব।

৫। কৃষকৰ আত্মহত্যা অসমতো সাধাৰণ ঘটনাত পৰিণত হোৱা হেতু কৃষিজাত উৎপাদিত সামগ্ৰীৰ নায্যমূল্য প্ৰাপ্তি কৃষকৰ বাবে নিশ্চিত কৰাৰ লগতে সঠিক সময়ত ঋণ প্ৰদান আৰু প্ৰতিকূল পৰিৱেশত ঋণ ৰেহাইৰ ব্যৱস্থা কৰিব লাগিব। কৃষিৰ লগতে মৌপালন, ৰিচম শিল্প, ক্ষুদ্ৰ উদ্যোগ, নাৰ্চাৰী, মৃৎ শিল্পত স্বনিয়োজিত শ্ৰমিককো যথোচিত সাহায্য প্ৰদান কৰা উচিত।

৬। প্ৰতিযোগিতামূলক নতুন অৰ্থ-ব্যৱস্থাত শ্ৰমিকৰ বৃত্তিগত গতিশীলতা বৃদ্ধিৰ বাবে দক্ষতা বৃদ্ধিত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা উচিত। ■


## পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ

# বিষয় সম্ভাৰ

মেই ২০১৭ — **ভাৰতৰ ৰূপগত পৰিৱৰ্তন**

জুন ২০১৭ — **যুৱাসকলৰ সবলীকৰণ**

জুলাই ২০১৭ — **সামাজিক সুৰক্ষা**

উপৰোক্ত বিষয়ত অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**
পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

আপুনি জানেনে?

# লেবাৰ আইডেনটিফিকেশ্বন নম্বৰ বা এল আই এন

শ্ৰমিক আইনৰ বাধ্যতা আৰু ৰাষ্ট্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহৰ নিয়ন্ত্ৰণত থকা সকলো শ্ৰম বলৱৎকৰণ সংস্থাই অংশগ্ৰহণ কৰিব পৰা এখন মঞ্চৰ বাবে এটা ওৱান-ষ্টপ শ্বপ গঠন কৰিবলৈ শ্ৰম সুবিধা পৰ্টেল প্ৰস্তুত কৰা হৈছে। ২০১৪ চনৰ ১৬ অক্টোবৰ তাৰিখে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই আঁচনি উদ্বোধন কৰে। এই পৰ্টেল প্ৰৱৰ্তন কৰাৰ লক্ষ্য হ'ল ই এছ আই চি, ই পি এফ অ', চি এল চি (চি) আৰু ডি জি এম এছ আদিৰ দৰে বেলেগ বেলেগ শ্ৰম বলৱৎকৰণ সংস্থাই জাৰি কৰা সকলো নিয়োগকৰ্তাৰ নিয়মাৱলীৰ বিনাশ ঘটাই নতুন শ্ৰমিক চিহ্নিতকৰণ নম্বৰ (লেবাৰ আইবেনটিফিকেশ্বন নাম্বাৰ) আৰম্ভ কৰিছে। নিয়োগকৰ্তা, কৰ্মচাৰী আৰু বলৱৎকাৰী সংস্থাৰ যোগাযোগৰ একক সূত্ৰ হিচাপে ই দৈনন্দিন বিনিময় কামত স্বচ্ছতা প্ৰদান কৰিব। বিভিন্ন বলৱৎকাৰী সংস্থাৰ মাজত ডাটা সংহতকৰণৰ বাবে যিকোনো শ্ৰমিক আইনৰ অধীনত প্ৰতি পৰিদৰ্শনযোগ্য গোটে এটা লেবাৰ আইডেনটিফিকেশ্বন নাম্বাৰ (এল আই এন) লাভ কৰিব। এই পৰ্টেলে পৰিদৰ্শনৰ প্ৰতিবেদন আৰু ৰিটাৰ্ণ দাখিলকৰণৰ কাম সহজসাধ্য কৰিব। উল্লিখিত কোনো সুবিধা আগবঢ়াবলৈ সমৰ্থ হ'বৰ বাবে শ্ৰম সুবিধা পৰ্টেল URL https://shramsuvidha.gov.inত প্ৰৱেশ কৰিব পাৰিব। বিভিন্ন শ্ৰম বলৱৎকাৰী সংস্থাৰ লগত পঞ্জীভুক্ত হোৱা এটা গোট এককভাৱে চিহ্নিত কৰি এটা একক এল আই এন বণ্টন কৰা হয়। এল আই এন-এ আন সকলো সেৱাৰ কেন্দ্ৰ হিচাপে কাম কৰিব। এল আই এন-এ ক্ৰমান্বয়ে বৰ্তমান শ্ৰম বলৱৎকৰণ সংস্থা ই পি এফ অ' নম্বৰ, ঠিকা শ্ৰমিক (নিয়ন্ত্ৰক আৰু বিলুপ্তকৰণ) আইন ১৯৭০ৰ অধীনত জাৰি কৰা পঞ্জীভুক্ত বা অনুজ্ঞা পত্ৰৰ নম্বৰ আদি পৃথকে পৃথকে প্ৰকাশ কৰা বহু পঞ্জীভুক্ত নম্বৰ কোনো এটা শিতানত অন্তৰ্ভুক্ত কৰিব। ব্যৱসায়ীয়ে দিয়া বহু পঞ্জীকৰণ নম্বৰৰ চোৱা-চিতাকৰণ ই বাস্তৱিকতে সহজতৰ কৰি তুলিব, যিটো আছিল অতি অসুবিধাজনক।

এল আই এন নম্বৰ প্ৰতিনিধি গোটক ই-মেইল ঠিকনা আৰু ম'বাইলত যোগাযোগৰ বাবে বণ্টন কৰা হৈছে।

শ্ৰম সুবিধা পৰ্টেলে শ্ৰম আইনৰ অধীনত ছিংগল অন্‌লাইন উইণ্ড'ত সকলো ধৰণৰ পঞ্জীয়ন লাভ কৰা আৰু ৰিটাৰ্ণ দাখিলৰ ক্ষেত্ৰত ব্যৱসায়ীক সুবিধা প্ৰদান কৰিছে। এই পৰ্টেলৰ জৰিয়তে বলৱৎকাৰী সংস্থাৰ পৰিদৰ্শকে যুগুত কৰা পৰিদৰ্শন প্ৰতিবেদন অন্‌লাইন যোগে লাভ কৰিব পাৰিব। প্ৰক্ৰিয়াটো সৰলীকৰণ কৰা হৈছে; ৰিটাৰ্ণ আৰু পঞ্জীয়ন প্ৰ-পত্ৰ বাণিজ্যিক পৰিৱেশ প্ৰদানৰ বাবে একত্ৰীকৰণ কৰা হৈছে যিটোৱে লেনদেনৰ ব্যয় হ্ৰাস কৰিব আৰু সহজ বাণিজ্যৰ উৎকৰ্ষ সাধন কৰিব। এল আই এনৰ ক্ষেত্ৰত কোনো বিস্মৃত প্ৰায় নিয়োগকৰ্তাই শ্ৰম সুবিধা পৰ্টেল হ'ম পেইজত "know your L/N" টেব্‌ৰ সুবিধা গ্ৰহণ কৰিব পাৰে। ই পি এফ অ' ক'ড/ই এছ আই চি ক'ড/পি এ এন বা প্ৰতিষ্ঠানটোৰ নামৰ এটা অংশ চিনাক্তকাৰক হিচাপে ব্যৱহাৰ কৰি এল আই এন ছাৰ্চ কৰিব পাৰে।

এই পৰ্টেলে তলত উল্লেখ কৰা শ্ৰম আইনৰ অধীনত ৰিটাৰ্ণ দাখিল কৰাৰ সুবিধা প্ৰদান কৰিছে।

১. মজুৰি পৰিশোধ আইন, ১৯৩৬
   (ক) মজুৰি পৰিশোধ (খনি) আইন, ১৯৫৬
   ফৰ্ম-৫ [১৮ নম্বৰ বিধি চাওক]
   (খ) মজুৰি পৰিশোধ (ৰে'লৱে) আইন, ১৯৩৮
   ফৰ্ম-৩ [১৭ নম্বৰ বিধি চাওক]
   (গ) মজুৰি পৰিশোধ (বায়ু পৰিবহণ সেৱা) বিধি, ১৯৬৮
   ফৰ্ম-৭ [১৬ নম্বৰ বিধি চাওক]

২. ন্যূনতম মজুৰি আইন, ১৯৪৮
   (ক) ন্যূনতম মজুৰি (কেন্দ্ৰীয়) আইন, ১৯৫০
   ফৰ্ম নং-III [১৮ নম্বৰ বিধি চাওক] (4 A)

৩. (ক) ঠিকা ভিত্তিক শ্ৰমিক (নিয়ন্ত্ৰক আৰু বিলুপ্তকৰণ) (কেন্দ্ৰীয়) আইন, ১৯৭১
   ফৰ্ম নং-XXIV [৮২ (১) নম্বৰ বিধি চাওক]

৪. প্ৰসূতিকালিন লাভ আইন, ১৯৬১
(ক) প্ৰসূতিকালিন লাভ (খনি আৰু ছাৰ্কাছ) আইন, ১৯৬৩
ফৰ্ম নং-III [বিধি ১৬ (১) চাওক]

৫. ভৱন আৰু আন নিৰ্মাণ কৰ্মী (নিয়োগ আৰু সেৱা চৰ্ত নিয়ন্ত্ৰক) আইন, ১৯৯৬
(ক) ভৱন আৰু আন নিৰ্মাণ কৰ্মী (নিয়োগ আৰু সেৱা চৰ্ত) কেন্দ্ৰীয় বিধি, ১৯৯৮

৬. বোনাচ পৰিশোধ আইন, ১৯৭৫
[৫ নম্বৰ বিধি চাওক]

৭. আন্তঃৰাজ্যিক প্ৰব্ৰজিত কৰ্মী (নিয়োগ আৰু সেৱা চৰ্ত নিয়ন্ত্ৰক) আইন, ১৯৭৯
(ক) আন্তঃৰাজ্যিক প্ৰব্ৰজিত কৰ্মী (নিয়োগ আৰু সেৱা চৰ্ত নিয়ন্ত্ৰক) কেন্দ্ৰীয় বিধি, ১৯৮০
ফৰ্ম নং-XXII [বিধি ৫৬ (১) আৰু (২) চাওক]

৮. ঔদ্যোগিক বিবাদ আইন, ১৯৪৭
(ক) ঔদ্যোগিক বিবাদ (কেন্দ্ৰীয়) আইন, ১৯৫৭
ফৰ্ম- GI [বিধি ৫৬ (এ) চাওক]

পূৰ্বতে নিয়োগকৰ্তাসকলে ই এছ আই চি আৰু ই পি এফ অ'লৈ সুকীয়া মাহিলি ৰিটাৰ্ণ দাখিল কৰিবলগীয়া হৈছিল। ই পি এফ অ' (Employees Provident Fund Organisation) আৰু ই এছ আই চি (Employee State Insurance Corporation)ৰ মাহিলি ইলেক্ট্ৰনিক চালান-বনাম ৰিটাৰ্ণ (ই চি আৰ) বৰ্তমান একত্ৰীকৰণ কৰা হৈছে আৰু শ্ৰম সুবিধা পৰ্টেলত একে ঠাইতে দাখিল কৰিব পৰা যাব। ■

*পয়োভৰা ৰাইজৰ আলোচনী—*

***নিজে পঢ়ক, আনকো পঢ়ুৱাওক—***

***দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—***

***'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ বিষয়ে পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢ়ুৱৈ সমাজক অধিক তথ্য জনাবলৈ বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়ায় যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।***